Assam Legislative Assembly Debates

OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TWELFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

No. 2

The 27th February, 2007

Price - Rs.150/-

CONTENTS

BUDGET SESSION

No. 2

Dated, the 27th February, 2007

		page
1.	QUESTIONS AND ANSWERS	1 - 116
2.	DISCUSSION ON ZERO HOUR MATTER	116 - 135
3.	REPORT OF THE BUSINESS ADVISORY COMMITTEE	135 - 137
4.	CALL ATTENTION NOTICE	138
5.	MATTER UNDER RULE 301	138 - 142
6.	DEBATES ON THE MOTION OF THANKS ON THE GOVERNOR'S ADDRESS	142 - 237
7.	OBITUARY REFERENCE	237 - 238
8.	ADJOURNMENT	238
9.	ANNEXURE (I to XXXVIII)	239 - 500

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, the 27th February, 2007

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker, in the Chair.

STARRED
QUESTIONS AND ANSWERS
(To which oral replies were given)

Mr. Speaker : Now, Starred Question No.1, Questioner, Hon'ble Member, Dr. Malaya Barman.

বিষয় ঃ প্রার্থী বাছনি।

ড° মলয়া বর্মনে সুধিছে ঃ

★ ১। মাননীয় আৰকাৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা চৰকাৰৰ কালছোৱাত আৰকাৰী বিভাগত Assistant Inspectorৰ পদত Advertisementৰ যোগেদি আৰু পৰীক্ষালৈ প্রায় ১০০ গৰাকী প্রার্থীক বাছনি কৰাটো সঁচানে ?

(খ) যদি সঁচা, উক্ত প্রার্থীসকলৰ ভিতৰত ৪০ গৰাকীক appointment দিয়া হৈছে নেকি ?

(গ) যদি হৈছে, বাকী থকা ৬০ গৰাকী প্ৰাৰ্থীৰ নিযুক্তি কেতিয়া হ'ব ?

(ঘ) বৰ্ত্তমান অসমৰ প্ৰতিখন জিলাতে কিমান Vacant Post আছে?.

(ঙ) এই পদসমূহ পৰিপূৰণৰ ক্ষেত্ৰত পূৰ্ব্বৰ তালিকাৰ বাছনি হোৱা প্ৰাৰ্থীসকলক নিয়োগ কৰিবনে ?

শ্ৰীগৌতম ৰয় (আৰক্ষী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হয়, সঁচা।

(খ) উক্ত তালিকাৰ পৰা মেধাৰ ক্ৰম অনুসৰি ৫২জন প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে।

(গ) নিযুক্তি আৰু দিয়া নহয়।

(ঘ) বৰ্ত্তমান অসমৰ কোনো জিলাতে A.I.E. Vacant Post নাই।

(ঙ) নিয়োগ আৰু কৰা নহয়। কিয়নো তালিকাখনৰ ম্যাদ যোৱা ২৩/১২/২০০৬ তাৰিখে শেষ হৈছে।

ড° মলয়া বৰ্মন ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আৰক্ষী বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে -

মাননীয় অধ্যক্ষঃ পঢ়িব নালাগে। চাপ্লিমেণ্টাৰী কৰক।

ড° মলয়া বৰ্মন ঃ এই পদৰ কাৰণে এডভাৰটাইজ কৰিছিল আৰু ১১০ জন প্ৰাৰ্থী চিলেক্ট কৰিছিল, তাৰ ভিতৰত মাত্ৰ ৫২জনক নিযুক্তি দিছে। এতিয়া খালী পদ নাই বুলি কৈছে। কিন্তু নগাওঁত চাৰিটা, গোৱালপাৰাত তিনিটা, লক্ষীমপুৰত তিনিটা আৰু ডিব্ৰুগড়ত এটা আছে। এই জিলাবিলাকৰ কাৰণে নিযুক্তি দিয়াৰ কি ব্যৱস্থা লৈছে জনাব লাগে। ইতিমধ্যে বাগচা জিলাতো নিযুক্তি দিছে। চৰকাৰে ষাঠিটা পোষ্টৰ দাৰী দিছিল। কিন্তু

Select কৰিলে ১১০ জন। এতিয়া চৰকাৰে কি ব্যৱস্থা লব?

★ শ্রীগৌতম ৰয় (মন্ত্রী) ঃ এইটো এক্সাইজ বিভাগৰ লিষ্ট। এইটো বহুদিনৰ পৰা চলি আহিছে। একষষ্ঠি হাজাৰ এশ পচিশ জন প্রার্থীয়ে পৰীক্ষা দিছিল। আমাৰ চৰকাৰ অহাৰ পিছত মৌখিক পৰীক্ষা লোৱাৰ ব্যৱস্থা কৰা হ'ল। চৌৱাল্লিশ জনক নিযুক্তিও দিয়া হ'ল। অসমৰ বিভিন্ন ঠাইত দিয়া হৈছে। খালী পদ নাই।

ড° মলয়া বর্মন ঃ যিখিনি খালী আছে দিব পাৰে। অন্ততঃ দুটা দিব পাৰে।

★ শ্রীগৌতম ৰয় (মন্ত্রী) ঃ এইবিলাক লৈ আপুনি লাগি নাথাকিব। খালী হলেই আমাৰ ফালৰ পৰা দিম।

★ শ্রীহীৰেণ দাস ঃ চাৰ, মদৰ দোকানৰ বাবে লাইচেন্স দিয়াৰ লগতে মদাহীৰ কাৰণেও লাইচেন্স দিয়াৰ ব্যৱস্থা আছে নেকি?

মাননীয় অধ্যক্ষ ঃ নট এলাউড। ষ্টার্ড কুৱেশ্চন নং-২।

★ শ্রীঅনন্ত ডেকা ঃ আৱকাৰী বিভাগত এচিচটেন্ট ইন্সপেক্টৰৰ কিমান পোষ্ট খালী আছে?

★ শ্রীগৌতম ৰয় (মন্ত্রী) ঃ কিমান খালী আছে এতিয়াই কব নোৱাৰো। বিভিন্ন কেটেগৰিৰ পদ খালী আছে।

★ শ্রীঅনন্ত ডেকা ঃ টোটেল খালী কিমান আছে? বিভিন্ন পদ পূৰোৱাৰ ব্যৱস্থা কৰিব লাগে।

★ শ্রীগৌতম ৰয় (মন্ত্রী) ঃ এইটো স্পেচিফিক প্রশ্ন হ'লে কব পৰা হব।

মাননীয় অধ্যক্ষ ঃ বিশেষভাবে প্রশ্ন কৰিলেহে উত্তৰ দিব পাৰে।

Mr. Speaker : Now, Starred Question No. 2, Questioner, Shri Girindra Kumar Baruah.

★ Speech not corrected.

বিষয় ঃ সীমান্ত এলেকাৰ কাম।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

★ ২। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহকৰি জনাবনে ঃ

(ক) ভাৰত-বাংলাদেশ সীমান্তই আমাৰ ৰাজ্যৰ কিমান কিলোমিটাৰ অঞ্চল চুই গৈছে?

(খ) 'ক' প্ৰশ্নত উল্লেখ কৰা চুই যোৱা এলেকাৰ কিমান কিলোমিটাৰ ভূমি এলেকা আৰু কিমান কিলোমিটাৰ পানীৰ এলেকা?

(গ) আন্তঃৰাষ্ট্ৰীয় সীমাৰ কিমান কিলোমিটাৰ এলেকা কাটা তাঁৰৰ বেৰ দিয়া হৈছে?

(ঘ) কিমান কিলোমিটাৰ এলেকা উন্মুক্ত হৈ আছে?

(ঙ) উন্মুক্ত এলেকা কাটা তাঁৰৰ বেৰ দিয়াৰ বাবে ব্যৱস্থা লোৱা হৈছে নেকি?

(চ) যদিহে কাটা তাঁৰৰ বেৰ দিয়াৰ কাম আৰম্ভ কৰা হৈছে, কেতিয়া সম্পূৰ্ণ হ'ব?

(ছ) উক্ত এলেকাত নদী পুলিচ (river police)ৰ ব্যৱস্থা আছেনে?

(জ) যদিহে আছে, সৰ্ব্বমুঠ কিমানজন নদী পুলিচ আছে?

(ঝ) নদী পুলিচৰ কৰ্ত্তব্য পালনৰ বাবে চৰকাৰৰ তৰফৰ পৰা কি কি সামগ্ৰী যোগান ধৰা হয়?

ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ভাৰত-বাংলাদেশ সীমান্তই আমাৰ ৰাজ্যৰ ২৬৭.৩০ কিঃ মিঃ অঞ্চল চুই গৈছে।

(খ) 'ক' প্রশ্নত উল্লেখ কৰা চুই যোৱা এলেকাৰ ১৬০.৩৯ কিঃ মিঃ ভূমি এলেকা আৰু ১০৭.০০ কিঃ মিঃ পানীৰ এলেকা।

(গ) ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্ত গড়কাপ্তানি (সীমান্ত পথ), অসম বিভাগক নিৰ্মাণ কৰিবলৈ ন্যস্ত কৰা অংশৰ ১৫০.৬০৭ কিঃ মিঃ কাটা তাঁৰৰ বেৰ দিয়া হৈছে আৰু ২৬.৩৫৮ কিঃ মিঃৰ কাম চলি আছে।

কেন্দ্ৰীয় চৰকাৰে NBCCৰ দ্বাৰা কৰোৱা অংশৰ তথ্য বিচৰা হৈছে।

(ঘ) অসম গড়কাপ্তানি বিভাগক ন্যস্ত কৰা কামৰ ভিতৰত ৩৭.৯০৯ কিঃ মিঃ অংশ উন্মুক্ত হৈ আছে।

কেন্দ্ৰীয় চৰকাৰে NBCCৰ দ্বাৰা কৰোৱা অংশৰ তথ্য বিচৰা হৈছে।

(ঙ) অসম গড়কাপ্তানি বিভাগক ন্যস্ত কৰা কামৰ ভিতৰত উন্মুক্ত হৈ থকা ৩৭.৯০৯কিঃ মিঃৰ ভিতৰত ২৬.৩৫৮ কিঃ মিঃ অংশত কাইটীয়া তাঁৰৰ বেৰৰ কাম চলি আছে।

কেন্দ্ৰীয় চৰকাৰে NBCCৰ দ্বাৰা কৰোৱা অংশৰ তথ্য বিচৰা হৈছে।

(চ) 'ঙ' প্রশ্নৰ উত্তৰত উল্লেখিত কাম চলি থকা ২৬.৩৫৮ কিঃ মিঃ কাইটীয়া তাঁৰৰ বেৰৰ কাম অহা মার্চ, ২০০৭ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।

কেন্দ্ৰীয় চৰকাৰে NBCCৰ দ্বাৰা কৰোৱা অংশৰ তথ্য বিচৰা হৈছে।

(ছ) আন্তঃৰাষ্ট্ৰীয় সীমান্তত অসম চৰকাৰৰ অধীনত আচুতীয়াকৈ নদী

পুলিচ (River Police) নাই যদিও BSFৰ River Wingএ নিজৰ নাৱেৰে আন্তঃৰাষ্ট্ৰীয় সীমান্তত তহ্ল দি আছে।

(জ) প্ৰশ্ন নুঠে।

(ঝ) প্ৰশ্ন নুঠে।

★ **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো দেখিছো ভাৰত-বাংলাদেশ সীমান্তত পঁচিশ হাজাৰ আঠাৰন্ন কিলোমিটাৰ ঠাই মুক্ত হৈ আছে। মার্চ মাহৰ আগেয়ে সম্পূৰ্ণ কৰা হব। এইটো গুৰুত্বপূৰ্ণ আশ্বাস দিছিল। ২০০৬ চনৰ ২৫ জুলাই তাৰিখে উত্তৰ দিওঁতে চাৰিশ বিৰানৰ্বে দশমিক তিৰাশী একৰ মাটি বাংলাদেশে দখল কৰিছে বুলি কৈছিল। এইটো কেন্দ্ৰীয় চৰকাৰ আৰু ঢাকাৰ লগত আলোচনা কৰি কৰাৰ কথা আছিল। কিন্তু এতিয়ালৈকে কি কৰা হৈছে গম পোৱা নাই।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ এইটো বেলেগে প্ৰশ্ন কৰিলে উত্তৰ দিব পৰা হব। আমাৰ মাটি বাংলাদেশৰ বেদখলত থকাখিনি আগৰ পূৱ-পাকিস্তান থকা সময়ৰ। ১৯৭৪ চনত ইন্দিৰা মুজিব চুক্তি হৈছিল। তাৰ ওপৰত গুৰুত্ব দিব লাগিব। চুক্তিৰ ভিতৰত আলোচনা চলি থকা সময়ত বাংলাদেশ হৈছে। এইটো প্ৰচেষ্টা বৰ্ত্তমানও চলি আছে। ভাৰত চৰকাৰৰ ফৰেইন এফেয়াৰ্চৰ জইন্ট চেক্ৰেটাৰীও আছে। মাজে সময়ে মিটিং হৈ আছে।

মাননীয় অধ্যক্ষ ঃ প্ৰশ্ন আছিল কিমান কিলোমিটাৰ মাটি আছিল ? I am bringing to your notice.

★ **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো কথা আগেয়ে কোৱাৰ কাৰণে বিষয়টো উত্থাপন কৰাৰ কাৰণে জোকাই লব পৰা যায়। মাননীয় মন্ত্ৰী মহোদয়ৰ নামো ভূৰে আৰম্ভ কাৰণে প্ৰসঙ্গ মিলি আছে।

★ Speech not corrected.

কিন্তু চাৰিশ নিৰানব্বৈ দশমিক তিৰাশী একৰ মাটি দখল কৰিছিল। আমাৰ মন্ত্ৰী মহোদয়ৰ নামৰ লগত সঙ্গতি ৰাখি এইটো হোৱা নাই। তেখেত ব্যৰ্থ হৈছে বুলিয়েই কব লাগিব।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিকুল দখলত আছে বুলি কৈছো আৰু দখলত নাই বুলি কোৱা নাই। ভাৰত চৰকাৰৰ যুটীয়া সীমা কমিশ্যনে এই কথাটো চাই আহিছে। দুয়োখন দেশৰ চুক্তিত এটা কথা আছে যাৰ দখলত যি আছে সেইমতে চোৱা-চিতা কৰিব। অৰ্থাৎ তেওঁলোকৰ দখলত যি আছে, আমাৰ দখলত যি আছে তেনেকৈয়ে থাকক। আমাৰ মানে মই ইণ্ডিয়াৰ কথা কৈছো। য'ত যেনেকৈ আছে তেনেকৈ ৰখাৰ চুক্তি হৈছে আৰু সেই মতে চোৱা-চিতা আৰু সমাধানৰ প্ৰচেষ্টা চলি থাকিব। মই বিধান সভাত আগৰবাৰ কোৱাৰ পিচত ঢাকাত এখন মিটিং হৈ গ'ল। তাৰ পিছত আমাৰ ডি. এল. আৰ. গৈছিল। তাতো এই কথাবিলাক আলোচনা হৈছে। আমাৰ চৰকাৰৰ দিনতো কিবা এটা কৰিবই বিচাৰিছো। আপোনালোকৰ চৰকাৰ ১০বছৰ গাদীত আছিল। সেই সময়তটো আপোনালোকে একো নকৰিলে? তেতিয়া আপোনালোকে কিয় চকুমুদি আছিল?

★ **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, তাৰ মানে দখল কৰা হয়।

শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ গোটেই সমষ্টিটো তিনিফালে আন্তঃৰাষ্ট্ৰীয় সীমামুৰীয়া অৰ্থাৎ বাংলাদেশে ৰেৰি আছে। দক্ষিণ পশ্চিমফালে লেণ্ড বোৰ্ডাৰ আৰু উত্তৰ ফালে পানীৰ বোৰ্ডাৰো আছে। গোটেই আন্তঃৰাষ্ট্ৰীয় সীমাতে বহুদিনৰ পৰা কাম চলি আছে। কিন্তু যিবিলাক মানুহৰ পৰা পট্টা লেণ্ড অধিগ্ৰহণ কৰিছে তেওঁলোকক

★ Speech not corrected.

কোনো নটিচ নিদিয়াকৈ কাম চলাই আছে। মাটিৰ ক্ষতিপূৰণো দিয়া নাই। কাৰ কিমান মাটি আছে তাক কোনো নির্ণয়ো কৰা নাই। যাৰ কাৰণে গোটেই মানুহবিলাকে বিক্ষোভ প্রদর্শন কৰিছে। গতিকে নটিচ নিদিয়াকৈ মাটি অধিগ্রহণ কৰা আৰু ক্ষতিপূৰণ নিদিয়া কথাটোত বিক্ষোভৰ সন্মুখীন নোহোৱাকৈ চৰকাৰে ব্যৱস্থা গ্রহণ কৰিবনে? এন. বি. চি. চি.য়ে ইতিমধ্যে এই কামৰ বিপৰীতে ৬ কোটি টকা খৰছ কৰিছে আৰু তেওঁলোকে কৈছে যে পইচাৰ অভাৱ নাই, ৰাইজে টকা পোৱাত কোনো অসুবিধা নাপায়। গতিকে চৰকাৰে মাটিৰ সম্পূর্ণ বিৱৰণ লৈ অতি শীঘ্রে ক্ষতিপূৰণ মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিবনে?

ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অধ্যয়নৰ কাৰণে মই কৰিমগঞ্জ, কাছাৰলৈ গৈছিলোঁ। উপায়ুক্ত আৰু অন্যান্য বিষয়া আৰু এন.বি চি.চি.ৰ বিষয়াসকলৰ লগতো বহিছিলোঁ। মই জনাত ক্ষতিপূৰণ দি থকা হৈছে। কাৰোবাৰ কিবা অলপ বাকী থাকিব পাৰে। কিন্তু কোনো ক্ষেত্রতে ৰাজহ বিভাগৰ ফালৰ পৰা অসুবিধা পোৱা নাই। এন. বি. চি. চি.য়ে কামবিলাক ঠিকেইকৰি আছে। আমি স্থানীয় বিধায়কক লগতলৈ পৰিদর্শনো কৰিছোঁ। কিন্তু এটা ডাঙৰ অসুবিধা হৈছে যিখন কৰিমগঞ্জ চহৰ সেইখন তেওঁলোকৰ সীমাৰ ভিতৰত সোমাই যায়। কাৰণ আন্তঃর্জাতিক সীমা কমেও ১৫০ গজ আঁতৰত থাকিব লাগে। কিন্তু ডি. চি. অফিচ, চার্কিট হাউচ এইবিলাক সোমাই যায়। গতিকে ভিতৰত সোমাই কেনেকৈ ফেন্সিং দিব? বাংলাদেশেও আপত্তি কৰিছে। এই গোটেই কথাখিনি আমি কেন্দ্রীয় চৰকাৰক জনাইছোঁ। কেন্দ্রীয় চৰকাৰে কি সিদ্ধান্ত লয় সেইমতে কৰা হব।

★ **শ্রীউদ্ধৱ বর্মন** ঃ মাননীয় অধ্যক্ষ মহোদয়, আন্তঃৰাষ্ট্রীয় সীমাত যিসকল

★ Speech not corrected.

ফেন্সিঙৰ ভিতৰত পৰে তেওঁলোকৰ ঘৰ-বাৰী উচ্ছেদ হৈছে। তেওঁলোকক পুনৰ বাসনৰ ব্যৱস্থা চৰকাৰে লৈছেনে?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ সেইবিলাক ঠাইত পাৰ্মিশ্যন লৈ খেতি-বাতি কৰি থাকিব পাৰে।

★ **শ্ৰীউদ্ধৱ বৰ্মন** ঃ এই লৈ বহু ঠাইত গণ্ডগোল হৈছে, চৰকাৰে জানেনে?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ তেনে আঁসোৱাহ আমাৰ দৃষ্টিগোচৰ হোৱা নাই। কোনোবা ধনী মানুহ আছে যদি তেওঁলোকে নিজেই ব্যৱস্থা কৰিব।

★ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন উত্থাপন কৰিব বিচাৰিছোঁ। বিষয়টো ৰাজহুত নপৰে কিন্তু ৰিলেটেড। অসম চুক্তিৰ আধাৰত এই কথাটো মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। অসমখন আন্তঃৰ্জাতিক সীমামুৰীয়া, অৱশ্যে আমাৰ চৰকাৰৰ দিনত একো কৰা নাছিলোঁ আৰু আপোনালোকৰ চৰকাৰৰ দিনতো সাংঘাতিক কিবা এটা কৰিছে বুলিও মই নকওঁ। কিন্তু এটা কথা ঠিক যে কেন্দ্ৰীয় চৰকাৰে সেই ফালৰ পৰা অসমক যি দৃষ্টিত চাব লাগিছিল সেই দৃষ্টিত চোৱা নাই। মই তাৰ কাৰণে মন্ত্ৰী মহোদয়ক দোষ দিয়া নাই। কেন্দ্ৰীয় চৰকাৰে কাশ্মীৰৰ বৰফখিনিৰ ওপৰত যিমান গুৰুত্ব আৰোপ কৰি সমস্যাৰ সন্মুখীন হৈছে সেই হিচাপত আমাৰ উন্মুক্ত সীমাক লৈ একোৱেই চিন্তা নকৰে। অথচ তাৰ কাৰণে আমি টেন্‌শ্যন লবলগীয়া হৈছে। এই ক্ষেত্ৰত অকল মন্ত্ৰীয়ে একো কৰিব নোৱাৰে, সদনেই দায়িত্ব লব লাগিব। ম্যানমাৰ, ভূটান, নেপাল, বাংলাদেশ আদি ১৪খন বহিঃৰাষ্ট্ৰই অসমক বেৰি আছে। আমাৰ মাটি বিদেশে দখল কৰি আছে। অথচ ভাৰত চৰকাৰে কোনো গুৰুত্ব দিয়া নাই।

মাননীয় অধ্যক্ষ মহোদয়, আজিলৈ কংগ্ৰেছ চৰকাৰে থাকক বা

★ Speech not corrected.

বি.জে.পি. চৰকাৰেই থাকক কোনো চৰকাৰে এই ক্ষেত্ৰত আগবাঢ়ি অহা নাই।

মাননীয় অধ্যক্ষ ঃ আপুনি স্পেচিফিক প্ৰশ্ন কৰক। এনেয়ে দিঘলীয়া নকৰিব।

★ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি ভাল কথাত আমাক এলাউ নকৰে। আমাৰ মাননীয় মন্ত্ৰী শ্ৰীবৰ্মন ডাঙৰীয়াই এই ক্ষেত্ৰত অকলে একো কৰিব নোৱাৰে। মাননীয় মুখ্যমন্ত্ৰী এই ক্ষেত্ৰত জড়িত হব লাগিব। ভাৰত চৰকাৰক আমাৰ উন্মুক্ত বোৰ্ডাৰৰ বিষয়ে জনাবৰ কাৰণে এটা সৰ্ব্বদলীয় প্ৰতিনিধি দল পঠিয়াব লাগে। ইন্দো-বাংলা, ম্যানমাৰ, চাইনা বোৰ্ডাৰকে ধৰি ১৪ কিলোমিটাৰ বাদ দি যি উন্মক্ত অঞ্চল আছে সেইটো মাননীয় প্ৰধান মন্ত্ৰীক অৱগত কৰিবলৈ এটা সৰ্ব্বদলীয় প্ৰতিনিধি দল পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। উন্মুক্ত অঞ্চল বন্ধ কৰিলে মাইগ্ৰেচনৰ সমস্যাটোও বন্ধ হব। এই ক্ষেত্ৰত মই মন্ত্ৰীৰ পৰা উত্তৰ বিচৰা নাই। মাননীয় অধ্যক্ষৰ পৰা উত্তৰ বিচাৰিছো। আপুনি বিষয়টো চিৰিয়াচলি লওঁক। এইটো অনুৰোধ কৰিলো।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা দৰকাৰী প্ৰশ্ন। এই বিষয়ত আমি আগ নবঢ়া নহয়। আমি আগবাঢ়িছো। কাছাৰ, কৰিমগঞ্জত কাম হৈছে। মাত্ৰ ৪ কিলোমিটাৰহে বাকী আছে। টাউনৰ মাজেৰে কেনেকৈ নিম। এই সংক্ৰান্তত ভাৰত চৰকাৰে কিবা এটা কৰিব। ধুবুৰীৰ মছলবাৰী এৰিয়াত উন্মুক্ত হৈ আছে। আমি নিজে তালৈ গৈছো। ১৫.৩ কিলোমিটাৰ চেন্‌চন দিছে। এই ১৫.৩ কিলোমিটাৰ চৰ এলেকা নদীয়ে খহাই নিয়ে। ৯.৩ কিলোমিটাৰহে চৰ আছে। বাকী নদীয়ে খহাই নিছে। ৯.৩ কিলোমিটাৰৰ বাহিৰে কাম কৰিব পৰা নাই। কৰ'বাত দুই এটা কাম, বাকী আছে। কিছুমানত আকৌ কোৰ্ট কেছ

★ Speech not corrected.

কৰিছে। এতিয়া আমি কাম নকৰা নহয়। মই নিজে গৈ চাইছো। এতিয়া দ্রুত গতিত কাম হৈ আছে। এন. বি. চি. চিয়ে কৈছে এজ পাৰ এম. ও. ইউ. ২০০৭ৰ ৩১ মার্চৰ ভিতৰত কাম হব।

মাননীয় অধ্যক্ষ ঃ Hon'ble Members, some of the Hon'ble Members have drawn my attention.

যোৱাকালিৰ বিজনেচ এডভাইচৰী কমিটিৰ সিদ্ধান্ত আপোনালোকক অৱগত কৰিছো। It has been decided that the questioner will be allowed to put two supplementaries and 3 supplementaries will be allowed to three different members. So, the quota is finished. এই প্রশ্নটোৰ ওপৰত ইতিমধ্যে তিনিজন বিধায়কে পৰিপূৰক প্রশ্ন উত্থাপন কৰিছে। তেওঁলোক হ'ল শ্রীমিশ্বন ৰঞ্জন দাস, শ্রীউদ্ধৱ বর্মন আৰু শ্রীচন্দ্রমোহন পাটোৱাৰী। গতিকে পৰিপূৰক প্রশ্ন শেষ হৈছে।

Mr. Speaker : Now, Starred Question No. 3, Hon'ble Member, Shri Mobarak Ali Pathan.

বিষয় ঃ ব্রহ্মপুত্র নদীৰ গৰাখহনীয়া।

শ্রীমোৱাৰক আলী পাঠানে সুধিছে ঃ

★ ৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৮৩ নং ধিং বিধান সভা সমষ্টিৰ ধিঙৰ পৰা লাহৰীঘাট সমষ্টিৰ ভুৰা গাওঁলৈ ব্রহ্মপুত্র নদীৰ গৰাখহনীয়াৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত, উক্ত গৰাখহনীয়া ৰোধ কৰাৰ বাবে চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে? (আঁচনিসমূহৰ তালিকা দাখিল কৰিব)

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত।

(খ) ধিং বিধান সভা সমষ্টিৰ পৰা লাহৰীঘাট সমষ্টিৰ ভূ�ৰাগাওঁ অঞ্চললৈ ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া ৰোধৰ বাবে দুখন আঁচনিৰ কাম ক্ষীপ্ৰতাৰে কাৰ্য্যকৰী কৰি থকা হৈছে।

উক্ত আঁচনি দুখন হ'ল —

i) Protection of Kapurpura area including Bhuragaon town from the erosion of river Brahmaputra (Construction of land spur and tie bund), Ph-I. Estimated amount Rs. 690.00 lakhs.

ii) Protection of Kapurpura area including Bhuragaon town from the erosion of river Brahmaputra (Construction of land spur and tie bund), Ph-II. Estimated amount Rs. 513.00543 lakhs.

★ **শ্ৰীমোৱাৰক আলী পাঠান** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই আঁচনিৰ অগ্ৰগতি কিমান হৈছে? আঁচনিৰ কাম কেতিয়া শেষ হ'ব?

★ **শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই আঁচনি দুখনৰ কাম তীব্ৰ গতিত চলি আছে আৰু বাৰিষাৰ আগে আগে শেষ কৰিব বিচাৰিছে।

★ Speech not corrected.

★ **শ্রীমোৱাৰক আলী পাঠান** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈ কোনো কাম কৰা আমি দেখা নাই। প্রায় ৪-৫ হাজাৰ মানুহ ভূৰাগাওঁ আৰু লাহৰীঘাটৰ পৰা আহি বস্তাত বালি ভৰাই কাম কৰি থকা দেখিছো। চৰকাৰৰ ফালৰ পৰা কাম কৰা দেখা নাই।

★ **শ্রীভৰত চন্দ্র নৰহ** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি বিভাগক নির্দ্দেশ দিম যাতে কাম সোনকালে শেষ কৰে।

★ **শ্রীআব্দুল আজিজ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে আঁচনিৰ কাৰণে টকা দিয়া হৈছে। যদি টকা দিয়া হৈছে তেতিয়াহ'লে ৰাইজে বস্তাত বালি ভৰাই কিয় ৰাস্তা বান্ধিব লগা হৈছে। মন্ত্রীয়ে এতিয়া কৈছে যে কাম কৰাৰ কাৰণে নির্দ্দেশ দিব। আঁচনিৰ কাম যদি কার্য্যকৰী কৰি থকা হৈছে তেতিয়াহ'লে আকৌ নির্দ্দেশৰ কি প্রয়োজন? This is completely minority belt. I feel nothing has been done since independence till today. So, I appeal each and every Member of the house to help the minority of the State who are living to help in the Char Areas. এই প্রশ্ন সন্দর্ভত মাননীয় অধ্যক্ষৰ জড়িয়তে মাননীয় মন্ত্রী আৰু সকলো মাননীয় সদস্যকে অৱগত কৰিব বিচাৰিছো যে এই এলেকাটো অৱজ্ঞা কৰা হৈছে।

★ **ডাঃ আদিত্য লাংথাছা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত ধিং বিধান সভা সমষ্টিৰ লাহৰীঘাটৰ পৰা ভুৰাগাওঁলৈ ব্রহ্মপুত্র নদীৰ গৰাখহনীয়াৰ বিষয়ত যিটো কথা উত্থাপিত হৈছে এই বিষয়ত মই কব খোজো যে এই অঞ্চলৰ এতিয়ালৈকে ২০ কিলোমিটাৰ অঞ্চল নদীৰ

★ Speech not corrected.

বুকুত জাহ গৈছে, হাজাৰ হাজৰ পৰিয়াল ভূমিহীন হৈছে। আজি সদনত মাননীয় মন্ত্রী মহোদয়ে দুখন অভিলাসী আঁচনি ঘোষণা কৰিছে। কিন্তু এইটো সঁচা যে তাৰ স্থানীয় ৰাইজে শ্রম দান কৰি ৪০/৫০ হাজাৰ বালিৰ বস্তাৰ বান্ধ দি গৰাখহনীয়া ৰোধ কৰাত সফল হৈছে। আমাৰ চৰকাৰে ডাঙৰ ডাঙৰ অভিলাসী আঁচনিৰ পৰিৱর্ত্তে ৰাজ্যখনৰ বিভিন্ন গৰাখহনীয়া হোৱা অঞ্চলত লৰ পাৰে। অতি কম খৰচত প্লাষ্টিকৰ বস্তাৰ ভিতৰত বালি ভৰাই খহনীয়া হোৱা অঞ্চলত বান্ধ দি গৰাখহনীয়া ৰোধ কৰাৰ বাবে ব্যৱস্থা কৰিব নেকি?

মাননীয় অধ্যক্ষঃ শ্রীকেশৱ মহন্তয়ো কওঁক, মন্ত্রী মহোদয়ে একেলগে উত্তৰ দিব।

★ **শ্রীকেশৱ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত যিটো কথা আলোচনা হৈছে এই গৰাখহনীয়া পীড়িত অঞ্চলত ৰাইজে প্রতি বছৰে শ্রমদান কৰি খহনীয়া ৰোধৰ বাবে কাম কৰি আছে। মই প্রতিবছৰে তালৈ গৈ আছো, এই বছৰো মই গৈছিলো। তাত ৰাইজে খহনীয়া ৰোধৰ ব্যৱস্থা নিজে লৈছে। মইও কেইবা হাজাৰ বস্তা দি আহিছো। এতিয়া নদীয়ে গৰা খহাই আহি আমাৰ চাপ্লাই মন্ত্রী মহোদয়ৰ পদূলি পালেহি। এতিয়া কথা হ'ল আমাৰ মন্ত্রী মহোদয়ে কাপোৰপোৰা-ভূৰাগাওঁ এলেকাত খহনীয়া ৰোধৰ বাবে যি অভিলাসী আঁচনি লোৱাৰ কথা ঘোষণা কৰিছে, তাত কোনো কামেই আৰম্ভ হোৱা নাই। গতিকে মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই আঁচনিৰ কাম কেতিয়া আৰম্ভ কৰিব, টেণ্ডাৰ কেতিয়া কৰিব আৰু অহা বাৰিষাৰ আগতে কাম আৰম্ভ কৰিব নেকি?

★ **শ্রীভৰত চন্দ্র নৰহ** (জলসম্পদ মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ধিং

★ Speech not corrected.

বিধান সভা সমষ্টিৰ ধিঙৰ পৰা লাহৰীঘাট হৈ ভুৰাগাওঁলৈ ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে নিম্নোক্ত আঁচনি দুখনৰ কাম এডিশ্যনেল চেন্ট্ৰেল এচিষ্টেন্ট শিতানৰ অধীনত হাতত লোৱা হৈছে। এই দুটা হৈছে — Protection of Kapurpura area including Bhuragaon town from the erosion of river Brahmaputra (Construction of land spur and tie bund), Ph-I. Estimated amount Rs. 690.00 lakhs.

Protection of Kapurpura area including Bhuragaon town from the erosion of river Brahmaputra (Construction of land spur and tie bund), Ph-II. Estimated amount Rs. 513.00 lakhs is addition Central Assistance Work is continuing.

In Addition two schemes are taken :

(i) Protection of Bhojkhaiti, Doloigaon and Ulubari area from the erosion of river Brahmaputra. Rs. 1452.67 lakhs.

(ii) Protection of Sialmari Area from the erosion river Brahmaputra, Rs. 1429.17 lakhs.

উপৰোক্ত আঁচনি দুখনৰ উপৰিও এই অঞ্চলৰ খহনীয়া ৰোধৰ বাবে জেজাই খাইতী, দলৈগাওঁ, উলুবাৰী, শিয়ালমাৰী আদিত নিম্নোক্ত

আঁচনি দুখন কার্য্যকৰী কৰাৰ বাবে কেন্দ্ৰীয় জল আয়োগৰ অনুমোদন লাভ কৰা হৈছে। দুয়োখন আঁচনিৰ পৰিকল্পনা আয়োগৰ পৰা অনুমোদন তথা বিত্তীয় অনুদান ৰাজ্যিক পৰিকল্পনা শিতানত অন্তর্ভুক্তি আৰু প্ৰশাসনীয় অনুমোদন সাপেক্ষে কাম আৰম্ভ কৰিব পৰা হ'ব। উপৰোক্ত আঁচনিসমূহৰ বাহিৰেও ধিং আৰু লাহৰীঘাট সমষ্টিৰ বিভিন্ন ঠাইত ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধৰ বাবে 'কেলামিটি ৰিলিফ ফাণ্ড'ৰ শিতানৰ অধীনত চলিত বৰ্ষত ৰূপায়িত কৰিবৰ বাবে মুঠ ১৬৮.৪০ লাখ টকাৰ তলত উল্লেখ কৰা আঁচনিকেইখন প্ৰস্তুত কৰা হৈছে আৰু ৰাজহ বিভাগৰ অনুমোদন সাপেক্ষে কাম আৰম্ভ কৰিব পৰা হ'ব।

Under Natural Calamity Relief Fund four schemes are taken to prevent erosion for an amount of Rs. 168.40 lakhs.

(i) FDR to Brahmaputra Dyke from Dhing to Hilloikunda (strengthening and improvement of Kapurpura tie bund) from 3rd K.M. to 6th K.M. for 2006-07 Rs. 43.21 lakhs.

(ii) FDR to B/Dyke from Dhing to Hilloikunda (strengthening to Solmari ring bund) for 2006-07 Rs. 40.38 lakhs.

(iii) FDR to Brahmaputra Dyke from Dhing to Hilloikunda (Protective measure from 63rd to 69th K.M.) for 2006-07 Rs. 65.32 lakhs.

(iv) FDR to Brahmaputra Dyke from Dhing to Hilloikunda (construction of Porcupine and to check erosion at 69th K.M. Ulubari) for 2006-07 Rs. 19.49 lakhs.

Total 8 schemes are there.

আমি এতিয়াওঁ এই আঁচনিৰ পইচা পোৱা নাই, পইচা পোৱাৰ লগে লগে কাম আৰম্ভ কৰা হ'ব। আমাৰ মুঠ ৮টা আঁচনি গৰাখহনীয়া ৰোধৰ বাবে আছে। গৰাখহনীয়া ৰোধৰ বাবে আমাৰ চৰকাৰে যৎপৰোনাস্তি চেষ্টা চলাই আছে।

(মাননীয় সদস্য শ্রীপদ্ম হাজৰিকাই পৰিপূৰক প্রশ্ন উত্থাপন কৰি কবলৈ আৰম্ভ কৰাত অধ্যক্ষ মহোদয়ে তেখেতক বাধা প্রদান কৰে আৰু তেওঁৰ বক্তব্য ৰেকর্ড নকৰিবলৈ নির্দ্দেশ দিয়ে)

Mr. Speaker : Now, Starred Question No. 4, Hon'ble Member, Shri Prafulla Kumar Mahanta.

Sub : Total length of Border.

Shri Prafulla Kumar Mahanta asked :

★ 4. Will the Minister of Revenue be pleased to state :

(a) What is the total length of (in K.M.) :

(i) Assam Nagaland Border?

(ii) Assam Arunachal Border ?

(iii) Assam Meghalaya Border ?

(b) What are the total area (in hector) enroached by Nagaland, Arunachal and Meghalaya after May, 2001?

(c) Which are the new sub-division opened or established in Assam by the Government of Nagaland, Government of Arunachal, Goverment of Meghalaya after May, 2001?

(d) As appeared in the daily news paper is it a fact that Government of Nagaland claims Sivasagar district under their territory before the Boundary Commission ?

(e) Is it a fact that the Government of Nagaland appeared to the Boundary Commision that they are not willing to accept the Constitutional Boundary of both the States ?

(f) If so, what steps have been taken by the Goverment of Assam before the Boundary Commission formed by the

Apex Court of the country to protect the Constitutional Boundary of Assam? (give details)

Dr. Bhumidhar Barman (Revenue Minister) replied :

(a) (i) Assam Nagaland Border..... 434 K.M.
(ii) Assam Arunachal Border....704 K.M.
(iii) Assam Meghalaya Border .. 723 K.M.

(b) A statement is enclosed at Annexure-I. (See Annexure-I)

(c) No new Sub-division has been opened or established by Nagaland, Arunachal and Meghalaya after May, 2001.

(d) Nagaland submitted before the Local Commission that it would file maps showing what according to them are the territories which originally formed part of Nagaland and which should now be returned to the State of Nagaland. The extent of Nagaland's claim will become clear only after filling of maps with the Local Commission.

(e) Nagaland submitted before the Commission that identification of the boundary can

not be only on the basis of constitutional provision.

(f) Government of Assam has appeared before the Local Commission on 27th Nov./2006 at Guwahati and from 8th January, 2007 to 10th January, 2007 at Dimapur. The State Government has insisted on the identification of the boundary in terms of the Notification dated 25-11-1925, the Naga Hills Tuensang Area Act, 1957 and the State of Nagaland Act. 1962.

★ শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০০১ চনৰ মে' মাহৰ পিছত নাগালেণ্ডে প্রায় ১৯ হাজাৰ ৬১৯ হেক্টৰ, অৰুণাচল প্রদেশে প্রায় ৫ হাজাৰ হেক্টৰ আৰু মেঘালয়ে বহুত হাজাৰ হেক্টৰ মাটি বেদখল কৰি আছে। মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই বেদখলত বাধা দিবৰ বাবে অসম চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি? যোৱা নির্বাচনৰ পিছত নাগালেণ্ডে অসমৰ মাটিত চাব-ডিভিজন স্থাপন কৰিছে, নাগালেণ্ডৰ মন্ত্রী, এম. এল. এ.ই ফার্ম হাউচ পাতিছে। আমাৰ ল'ৰাবিলাকে তাত কিবা কৰিবলৈ গ'লে গ্রেপ্তাৰ কৰি থানাত ভৰাই থয়। ইতিমধ্যে বাংলাদেশেও অসমৰ বহুত মাটি বেদখল কৰিছে বুলি ৰাজহ মন্ত্রী মহোদয়ে এই সদনত কৈছিল। এই বেদখলবিলাক বন্ধ কৰাৰ বাবে অসম চৰকাৰে কি ব্যৱস্থা লৈছে?

★ Speech not corrected.

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, নগালেণ্ডে মাটি দখল কৰা কথাটো আমি ইতিমধ্যে উপায়ুক্ত পর্য্যায়, ফৰেষ্ট বিভাগ পর্য্যায়ত আৰু কেতিয়াবা আমি মুখ্যমন্ত্রীৰ সৌজন্যত এই বিষয়ে ঠায়ে ঠায়ে মিটিং কৰিছো। নাগালেণ্ডৰ বিষয়ে চুপ্রিম কোর্ট অৰ ইণ্ডিয়াই যিটো ৰায় দিছে সেইমতে হব। আমি আশা কৰিছো সোনকালে লোকেল কমিশ্যন কৰিব। মাননীয় সদস্যই যিটো কথা উল্লেখ কৰিছে সেইটো আমাৰ দিনত হোৱা নাই। আগৰ চৰকাৰৰ সময়ত তিনিটা চাব-ডিভিজন হৈছে। মাননীয় সদস্য প্রফুল্ল মহন্ত ডাঙৰীয়াৰ দিনত হৈছে।

★ **শ্রীপ্রফুল্ল কুমাৰ মহন্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাটি দখল কৰিলে এখেত সকলৰ চৰকাৰৰ দিনত। মাটি দখল কৰি নাগালেণ্ডে চাব-ডিভিজন খুলিলে আৰু এতিয়া লোকেল কমিশ্যনে চাবলগা হ'ল। লোকেল কমিশ্যনৰ দ্বাৰা কামটো কৰা হৈছে নে নাই সেই বিষয়ে মাননীয় মন্ত্রী ডাঙৰীয়াই খবৰ ৰাখিছেনে? নাগালেণ্ডে কৰিছে, মেঘালয়ে কৰিছে আৰু অৰুণাচলে কৰিছে। আমাৰ চৰকাৰে এই ক্ষেত্রত কোনো ব্যৱস্থা লোৱা নাই, বৰঞ্চ এৰি দিছে। ২০০১ চনত মাননীয় মুখ্যমন্ত্রীৰ দিনত নতুন চাব-ডিভিজন কৰাৰ কাৰণে দায়িত্ব দিয়া হৈছিল। এই ক্ষেত্রত চৰকাৰে দৃঢ় পদক্ষেপ লব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, মই যেতিয়া মুখ্যমন্ত্রী আছিলো তেতিয়া নাগালেণ্ডৰ মুখ্যমন্ত্রী জমীৰে কৈছিল- আপোনালোকৰ মাটি ঠিকে আছে। পিছত অসমৰ মাটি দখল কৰি নাগালেণ্ডৰ মাটিৰ লগত অন্তর্ভুক্ত কৰি চাব-ডিভিজন কৰি লয়। তাত বি.ডি.অ' অফিচ হৈছে বুলি পেপাৰত প্রকাশ হৈ গৈছে।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্রত আমি

★ Speech not corrected.

সৰ্ব্বতোপ্রকাৰে প্রচেষ্টা চলাম। এই ক্ষেত্রত আপোনালোক সকলোৰে সহায়-সহযোগ আৰু সকলো বিভাগৰ সহায়-সহযোগ পাম বুলি আশা কৰিছো।

★ **শ্রীবিনোদ গোৱালা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে অসমৰ মাটিত নাগালেণ্ডৰ নতুন চাব-ডিভিজন হোৱা নাই। মই নাগালেণ্ডৰ সীমাৰ ওচৰত থাকো। শিৱসাগৰ, গোলাঘাট মহকুমা, ওৰিয়ামঘাট আদি কেইখনমান ঠাইত নাগালেণ্ডৰ গাড়ীত চাইনবোর্ড লগাই ঘূৰি ফুৰিছে। নাগালেণ্ডৰ মুখ্য সচিবে গাড়ীত উঠি সেই ঠাই চাই ঘূৰি যায়। ১৯৯১ চনত প্রয়াত মন্ত্রী হিতেশ্বৰ শইকীয়াৰ দিনত আমি প্রতিবাদ কৰিছিলো কিন্তু সেই সময়ত কোনেও গুৰুত্ব দিয়া নাছিল। এতিয়া তেওঁলোকে দুটা চাব-ডিভিজন কৰিছে। আপুনি জ্যেষ্ঠ মন্ত্রী হিচাপে বহুতবাৰ নির্ব্বাচিত হৈ আহিছে।

মাননীয় অধ্যক্ষ ঃ আপুনি স্পেচিফিককৈ কওঁক। আপুনি ভাষণ কিয় দিয়ে?

★ **শ্রীবিনোদ গোৱালা**ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী গৌতম ৰয় ডাঙৰীয়াই কৈছে পাৰিব বুলি। তেখেতে ব'র্ডাৰ চলিউচনটো সমাধা কৰিব পাৰিবনে নোৱাৰে কওঁক।

★ **শ্রীগৌতম ৰয়** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি চেষ্টা কৰি চাব পাৰো।

★ **শ্রীবিনোদ গোৱালা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো এইটো কোনেও ৰোধ কৰিব নোৱাৰে।

★ **শ্রীগৌতম ৰয়** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গোৱালা দেৱে পাৰিব নে কওঁকচোন?

★ **শ্রীবিনোদ গোৱালা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী ৰয়দেৱে

★ Speech not corrected.

পাৰিব নে নোৱাৰে?

★ **শ্রীগৌতম ৰয়** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই চেষ্টা কৰি চাম।

★ **শ্রীবিনোদ গোৱালা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাটিত যেতিয়া নগাই আধাৰশিলা স্থাপন কৰিছিল, তেতিয়া আমি নগাক পাহাৰলৈ খেদি পঠাইছিলো।

ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিশ্বাস আছে। ২০০১ চনৰ পৰা হোৱা বুলি কোৱা কাৰণে মই কবলৈ বাধ্য হৈছো। দ্বিতীয়তে, এইবিষয়টো লৈ আমাৰ সকলোৱে উদ্বেগ প্রকাশ কৰি আছো। কাৰণ বিধান সভাত অধ্যক্ষৰ আসনত বহি অহা মাননীয় মন্ত্রী পৃথিৰী মাঝিদেৱেও এই লোকেল কমিশ্যনৰ সম্পূর্ণ তথ্য লৈছিল। এই বিষয়ত আলোচনা কৰিলে ভাল হয়। আমিও থাকিম আৰু এই ক্ষেত্রত আমিও চকু ৰাখি সকলোখিনি সমস্যা সমাধান কৰিব পাৰো তাকে আশা ৰাখিছো। যিহেতু বিধান সভাত মাঝি ডাঙৰীয়াৰ নির্দ্দেশত লোৱা হৈছিল সেই হেতুকে আমি এইটো কৰিব লাগিব।

★ **শ্রীপ্রদ্যুৎ বৰদলৈ** (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গোৱালা ডাঙৰীয়াইক'লে যে নগাসকলক নগা পাহাৰলৈ খেদি পঠালে। এই কথাখিনি মার্জিত ভাষা হোৱা নাই। নগা মানুহখিনিক পাহাৰলৈ খেদি পঠোৱাটো ভাল শুনা নাই।

★ **শ্রীঅকন ৰবা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এই প্রশ্নটোৰ সন্দর্ভত আপোনাৰ জড়িয়তে কেইটামান কথা মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খুজিছো। মই কব খুজিছো আমাৰ দিশপুৰ সমষ্টিৰ ওচৰৰে বশিষ্ঠ পিলিংকাটা বজাৰ এলেকাৰ কথা। তাত আমাৰ বহুতো অসমীয়া মানুহে বাস কৰি আছে। এইবোৰ আমাৰ ৰাজহ মন্ত্রীৰ ঠাই নলবাৰীৰে মানুহ।

★. Speech not corrected.

এই মানুহবোৰে ভয় খাই আছে উঠাই দিয়ে বুলি। তাত সময়ে সময়ে ব'ৰ্ডাৰ চিকিউৰিটি ফৰ্চে চেকিং কৰি থাকে। দিশপুৰ এলেকাৰ ভিতৰতে পি. ডব্লিউ. ডি. অফিছ বনাইছে। এই ক্ষেত্ৰত ৰাজহ মন্ত্ৰীয়ে কিবা ব্যৱস্থা লব নেকি ? ললে ভাল হ'লহেঁতেন।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যি কথা কৈছে এই সম্পৰ্কত আমাৰ আলোচনা চলি আছে। বিষয়টো গুৰুত্ব সহকাৰে লোৱা হৈছে। মাননীয় সদস্যজনে যিখিনি কৈছে আমি নিশ্চয় চাম।

শ্ৰীঅভিজিৎ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই কেইটামান কথা ৰুব ৰিচাৰিছো। আমাৰ অসমৰ ইমানবোৰ মাটি চুবুৰীয়া ৰাজ্যই বেদখল কৰিছে। ২০০১ চনৰ পিছত কিমান মাটি বেদখল কৰা হৈছে বুলি প্ৰশ্ন উঠিছে? আমি জানো ২০০১ চনৰ পিছত মাটি ব্যাপকভাবে বেদখল কৰিছে। আমি অসমীয়াই কোমলতা দেখুৱাই আছো। ইমান আন্তৰিকতা দেখুৱাৰ পিছতো চৰকাৰ নীৰৱে বহি থকাটো উচিত নহব। যদি এফালে বেদখল চলি থাকে আৰু আনফালে আলোচনা চলি থাকে এইটো কেনেকুৱা হব। সকলোৱে এটা দৃঢ় পদক্ষেপ লব লাগে। আমাৰ অসমেও কিমান মাটি দখলমুক্ত কৰিলে মন্ত্ৰী মহোদয়ে জনাব নেকি ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে ঠিকেই কৈছে। আমি জৰুৰী পদক্ষেপ লব লাগিব। এই সম্পৰ্কত নেতাসকলৰ লগত আলোচনা চলাই আছো। সোনকালেই ব্যৱস্থা কৰা হব।

Mr. Speaker : Now, Starred Question No. 5, Hon'ble Member, Shri Rajendra Prasad Singh.

Sub : Drinking Water Project.

Shri Rajendra Prasad Singh asked :

★ 5. Will the Minister of Urban Development be pleased to state :

(a) Whether the Government is aware that the work of Supplying drinking water for Tinsukia Town were taken up but now it has been stopped ? If so, when the same project will be taken up ?

(b) Whether the payment for half done of the above project had been made if so, what was the amount ?

Shri Dinesh Prasad Goala (Minister, Urban Development) replied :

(a) Yes. Government is aware. No specific time can be mentioned because of certain legal complications.

(b) A total amount Rs. 80.00 Lakh have been paid to the contractor.

শ্রীৰাজেন্দ্র প্রসাদ সিং ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে মন্ত্রী মহোদয়ক সুধিব খুজিছো যে আজি দহ বছৰ আগতেই তিনিচুকীয়া

পানী যোগান আঁচনিখন আৰম্ভ কৰা হৈছিল। কিন্তু মাজতে বন্ধ হৈ থাকিল। মন্ত্রী মহোদয়ে উত্তৰ দিছে লিগেল কমপ্লিকেচিৰ কাৰণে বন্ধ হৈ গ'ল। ঠিকাদাৰক ৮০ লাখ টকা দিয়া হৈছিল। কিন্তু কাম একো নহ'ল। সঠিক জৰাব পোৱা নাই। মন্ত্রী মহোদয়ক সুধিব খুজিছিলো এই ক্ষেত্রত কি ব্যৱস্থা লোৱা হৈছে আৰু কেতিয়া হব?

★ **শ্রীদীনেশ প্রসাদ গোৱালা** (মন্ত্রী) ঃ আমি ব্যৱস্থা কৰি আছো আৰু সোনকালেই কৰা হব।

★ **শ্রীৰাজেন্দ্র প্রসাদ সিং** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ক সুধিব খুজিছো নতুন স্কিম কিবা লোৱা হব নেকি? কেতিয়া হব সেইটো ক'লে ভাল।

★ **শ্রীদীনেশ প্রসাদ গোৱালা** (মন্ত্রী) ঃ ১৯৯১ চনৰ পৰা এটা স্কিম লোৱা হৈছে। এইটো কমপ্লিট কৰিব পৰা নাই।

★ **শ্রীৰাজেন্দ্র প্রসাদ সিং** ঃ মন্ত্রী মহোদয়ে স্লাম এৰিয়া আৰু মার্কেট এৰিয়াত স্কিম দিব বুলি কৈছিল আৰু সেইটো আমি দিব বুলি বিশ্বাস কৰিছো। কামটো যাতে সোনকালে কৰে তাৰে অনুৰোধ জনালো।

★ **শ্রীদীনেশ প্রসাদ গোৱালা** (মন্ত্রী) ঃ চেন্ট্রেলে ফাণ্ড ৰিলিজ কৰিলেই কামটো কৰা হব।

★ **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো ৮০ লাখ টকা দিয়া বুলি কৈছে সেইটো কোন কোম্পানীক দিয়া হৈছে?

Shri Dinesh Prasad Goala (Minister) : Sir, Government has already released an amount of Rs. 179.00 Lakhs to the Board againt Tinsukia Water Supply Scheme.

★ Speech not corrected.

For implementation of the scheme an amount of Rs. 80.00 Lakhs was given as mobilisation advance to the company namely M/S. Subhash Projects and Marketing Limited.

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো। সুভাষ ট্রেডিং, ব্লেক লিষ্টেড কোম্পানী। তেওঁলোকক কেনেকৈ দিলে ?

Shri Dinesh Prasad Goala : M/S Subhash Projects and Marketing Limited was engaged for implementation of the Tinsukia Water Supply Scheme.

★ শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ ১৯৮৭ চনত ধিং আৰু যোৰহাটত এই কোম্পানীয়ে দুটা স্কিম শেষ কৰি দিছিল। ইয়াত বিভাগে কেনেকৈ দিলে ?

★ শ্রীৰাজু চাহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ক এটা কথা সুধিব খুজিছো। তিনিচুকীয়া জিলাই অসমৰ ভিতৰতে হায়েষ্ট ৰেভিনিউ দি আহিছে। ১০ বছৰ ধৰি উচ্চ ন্যায়ালয়ত গোচৰ চলি আছে। আঁচনিখন সোনকালে হবৰ কাৰণে ন্যায়ালয়ত গোচৰটোৰ তদাৰক কৰিবলৈ মই তেখেতক অনুৰোধ জনালো।

Shri Dinesh Prasad Goala (Minister) : Sir, This is a long history. The work order has been issued to the Company on 19-06-1992. Mobilisation advance of Rs. 80.00Lakhs

★ Speech not corrected.

as follows :

(i) Rs. 30.00 Lakhs – 31-3-1993.

(ii) Rs. 50.00 Lakhs – 16-8-1995.

After receipt of the Mobilisation Advance the said firm namely Subhash Project & Marketing Limited installed (only 5 (five) Nos. of Deep Tube Well out of 28 Nos. cost of which was Rs. 22.00 Lakhs only.

The Scheme could not be completed due to some legal complicacy. The matter is under the consideration of the Supreme Court of India. Though the matter was to be listed for final disposal in the 1st week of August' 2006, but it is yet to be listed. So, we are waiting for the final verdict of the Supreme Court of India.

Mr. Speaker : Now, Question Hour is over.

(Starred Question Nos. 6 to 20 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

Sub : Sanctioning rehabilitation grant.

Shri Mission Ranjan Das asked :

★ 6. Will the Minister of Revenue be pleased to state :

(a) What follow-up steps have been taken by the Government for sanctioning rehabilitation grant to the cyclone/ storms victims of Karimganj district during 2005 in view of reply to Unstarred Question No. 68, dated 11-7-2006 and Starred Question No. 24, dated 12-12-2006? (give it in detail).

(b) When it will be expected to be disbursed?

Dr. Bhumidhar Barman (Minister, Revenue) replied :

(a) Government has sanctioned an amount of Rs. 50.78 lakh (Rupees fifty lakh seventy eight thousand) only as Rehabilitation Grant to the 2539 Cyclone/ Storms affected families of Karimganj District whose dwelling houses were

completely damaged vide sanctioning letter No. RGR. 845/2005/32, dated 1-2-2007. Steps for release of fund taken up.

(b) The sanctioned amount of Rs. 50.78 lakh (Rupees fifty lakh seventy eight thousand) only will be released on receipt of fund from Finance Department.

বিষয় ঃ সংঘর্ষত বলি হোৱা লোকৰ সংখ্যা।

শ্রীহাফিজ বছিৰ আহমেদে সুধিছে ঃ

★ ৭। মাননীয় সাহায্য ও পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ১৯৯৩ ইং চনৰ পৰা ১৯৯৫ ইং চনৰ কালছোৱাত কোকৰাঝাৰ, বঙাইগাওঁ আৰু বৰপেটা জিলাত গোষ্ঠীগত সংঘর্ষৰ বলি হোৱা পৰিয়াল আৰু লোকৰ সংখ্যা কিমান আৰু কোন কোন সম্প্রদায়ৰ কিমানজন ? (বিস্তাৰিত জনাব)

(খ) সম্প্রতি এই লোকসকল ক'ত ক'ত আশ্রয় লৈ আছে ? যদি আশ্রয় শিবিৰত আছে, তেন্তে কোন কোন জিলাত আৰু কোন কোন শিবিৰত কিমান মানুহ আছে ? (শিবিৰ ভিত্তিত পৰিয়াল আৰু জনসংখ্যা পৃথকে পৃথকে জনাব)

(গ) উক্ত ক্ষতিগ্রস্ত পৰিয়ালৰ কিমান পৰিয়ালৰ এতিয়ালৈকে পুনৰ সংস্থাপন কৰা হ'ল আৰু কিমান বাকী আছে? যদি বাকী আছে, তেন্তে তেওঁলোকৰ পুনৰ সংস্থাপনৰ কি ব্যৱস্থা লোৱা হৈছে আৰু কেতিয়ালৈ তাক বাস্তৱায়িত কৰা হ'ব?

(ঘ) এই লোকসকলৰ সতি-সন্তানবোৰৰ পঢ়া-শুনাৰ কোনো ব্যৱস্থা কৰা হৈছেনে? যদি হৈছে, কোন কোন শিবিৰত কৰা হৈছে? (বিস্তাৰিতভাৱে জনাব)

ডাঃ ভুমিধৰ বৰ্মন (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) কোকৰাঝাৰ - ৩,৪৬৮ টা পৰিয়াল = ১০,৪৮১ শৰণার্থী।

বঙাইগাওঁ - ১,৭৬০ টা পৰিয়াল = ৭,৫৩৪ শৰণার্থী।

বৰপেটা - ৬,৩৮৫ টা পৰিয়াল = জনা নাযায়।

সম্প্রদায়ৰ বিৱৰণ

মুছলমান - ১১,৬১৩টা পৰিয়াল।

অসমীয়া হিন্দু- ১০টা পৰিয়াল।

বেঙ্গলী হিন্দু- ৯৫টা পৰিয়াল।

বড়ো - ৪৬৩টা পৰিয়াল।

(খ) বৰ্ত্তমান কোকৰাঝাৰ জিলাত ১,৩৬৩ টা আৰু বঙাইগাওঁ জিলাত ১,৭১৩ টা পৰিয়াল নিজাববীয়াকৈ শিবিৰ পাতি আছে। (শিবিৰ ভিত্তিত পৰিয়াল আৰু জনসংখ্যা অনুবদ্ধ 'ক'ত সংলগ্ন কৰা হ'ল) (See Annexure-II)

(গ) সকলো ক্ষতিগ্রস্ত পৰিয়ালকে ১০,০০০ টকাকৈ পুনৰ সংস্থাপন সাহায্য দিয়া হৈছে যদিও কোকৰাঝাৰ জিলাৰ ১,৩৬৩ টা পৰিয়াল

আৰু বঙাইগাওঁ জিলাৰ ১,৭১৭টা পৰিয়াল বনাঞ্চল বেদখলকাৰী হোৱা হেতু বসবাসৰ উপযোগী মাটি পালে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হ'ব।

(ঘ) ব্যৱস্থা লোৱা হোৱা নাই।

বিষয় ঃ আঁচনি ও টকাৰ পৰিমাণ।

শ্রীআব্দুল আজিজে সুধিছে ঃ

★ ৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা ২০০৬ চনৰ ডিচেম্বৰ মাহলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগে নগাওঁ জিলাত কি কি আঁচনিত কিমান টকাৰ আৱন্টন দিছিল ? (বিত্তীয় বর্ষ হিচাবে হিচাপ পৃথকে দেখুৱাব)

(খ) নগাওঁ জিলাৰ ৰূপহীঘাট সমষ্টিত এই সময়ছোৱাত কি কি আঁচনিৰ বিপৰীতে কিমান টকা আৱন্টন দিয়া হৈছিল ? (আঁচনিৰ নাম ও মঞ্জুৰীকৃত ধন উল্লেখ কৰি তথ্য দাখিল কৰিব)

(গ) আঁচনিসমূহৰ কাম বর্ত্তমানলৈ কিমান সম্পূর্ণ হৈছে আৰু কিমান অচলাৱস্থা হৈ আছে ?

(ঘ) অচলাৱস্থা হৈ থকা আঁচনিসমূহ পুনৰাই ৰূপায়ণ কৰাৰ বাবে ব্যৱস্থা কৰিবনে ?

(ঙ) যদি কৰে চলিত বিত্তীয় বর্ষতে কৰা হ'বনে ?

শ্রীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা ২০০৬ চনৰ ডিচেম্বৰ মাহলৈ জনস্বাস্থ্য কাৰিকৰী

বিভাগে নগাওঁ জিলাত বিভিন্ন শিতানত বিত্তীয় বর্ষ অনুযায়ী আৱন্টিত টকাৰ সবিশেষ অনুসূচী- '১'ত সংলগ্ন কৰা হ'ল। (See Annexure-III)

(খ) নগাওঁ জিলাৰ ৰূপহীঘাট সমষ্টিত উক্ত সময়ছোৱাত বিভিন্ন আঁচনিৰ বিপৰীতে আৱন্টিত টকাৰ খতিয়ান অনুসূচী- '২'ত সংলগ্ন কৰা হ'ল। (See Annexure-IV)

(গ) উক্ত আঁচনিসমূহৰ ভিতৰত ৮৯২টা নলীনাদ, উত্তৰ খাতোৱাল, দক্ষিণ খাতোৱাল, বৰপেটা, লতাবোৱা পাইপ পানী যোগান আঁচনিৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু আঁচনিসমূহ বৰ্ত্তমানে সচল অৱস্থাত আছে। আনহাতে পুঠিখাটী, হাতীপাৰা, পূৱ আমাৰা কান্দা, গৰাজান আৰু নগাবন্ধা পাইপ পানী যোগান আঁচনিৰ কাম শতকৰা ৫০% ভাগ সম্পূৰ্ণ কৰা হৈছে।

(ঘ) আৰু (ঙ) প্ৰশ্ন নুঠে।

বিষয় ঃ মাটি বেদখল।

শ্ৰীঅভিজিৎ হাজৰিকাই সুধিছে ঃ

★ ৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মাটিৰ বহু অংশ দাতিকাষৰীয়া ৰাজ্যসমূহে বেদখল কৰি থকা সন্দৰ্ভত চৰকাৰ অৱগতনে ?

(খ) কোন কোন ৰাজ্যই কিমান কিমান অঞ্চল বেদখল কৰি আছে? চৰকাৰে এই মাটি মুক্ত কৰিবৰ বাবে কি কি ব্যৱস্থা হাতত লৈছে?

(গ) চৰকাৰে এতিয়ালৈকে কিমান পৰিমাণৰ মাটি বেদখলকাৰী ৰাজ্যৰ

পৰা মুক্ত কৰিছে?

(ঘ) অসমৰ কিমান পৰিমাণৰ মাটি বিদেশী ৰাষ্ট্ৰৰ কবলত বৰ্ত্তমান আছে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) অসমৰ মাটি দাতিকাষৰীয়া ৰাজ্যই তলত দেখুওৱা ধৰণে বেদখল কৰি আছে ঃ মেঘালয়-৭০২.৩৭ হেক্টৰ, নাগালেণ্ড- ৬৬,০৪৭.৬৩ হেক্টৰ, অৰুণাচল প্ৰদেশ- ৬০০.০০ হেক্টৰ আৰু মিজোৰাম ৰাজ্যই ৪,৭১১.০০ হেক্টৰ, সৰ্ব্বমুঠ বেদখলী মাটিৰ পৰিমাণ- ৭২,০৬১.০০ হেক্টৰ।

বেদখল হোৱা মাটি মুক্ত কৰিবলৈ জিলাৰ উপায়ুক্ত, আয়ুক্ত, ৰাজ্যৰ মুখ্য সচিব আৰু মুখ্যমন্ত্ৰী পৰ্য্যায়ৰ আলোচনা চলাই থকা হৈছে। এই সন্দৰ্ভত সময়ে সময়ে ভাৰত চৰকাৰৰ লগতো যোগাযোগ কৰি থকা হৈছে। তদুপৰি ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ে গঠন কৰি দিয়া লোকেল কমিশ্যনে নাগালেণ্ডৰ লগত থকা সীমাবিবাদ নিস্পত্তিৰ ব্যৱস্থা লৈছে।

(গ) এতিয়ালৈ এইবোৰ ৰাজ্যৰ বেদখলৰ পৰা ১,৬৮৫ হেক্টৰ মাটি মুক্ত কৰা হৈছে।

(ঘ) অসমৰ কৰিমগঞ্জ আৰু ধুবুৰী জিলাৰ প্ৰায় ৩০১ হেক্টৰ মাটি বিদেশী ৰাষ্ট্ৰ বাংলাদেশৰ প্ৰতিকুল দখলত (Adverse Possession) আছে। এই মাটি বাংলাদেশ গঠন হোৱাৰ পূৰ্ব্বৰে পৰা তেতিয়াৰ অবিভক্ত পাকিস্তানৰ দখলত থকা ভূমি।

বিষয় ঃ গৰাখহনীয়া প্ৰতিৰোধৰ টকা।

শ্ৰীৰঞ্জিৎ দত্তই সুধিছেঃ

★ ১০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিহালী সমষ্টিৰ বৰগাং নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে সৰ্ব্বমুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে?

(খ) কাম আৰম্ভ হোৱাৰ দিনৰ পৰা এতিয়ালৈকে কিমান শতাংশ কাম হৈছে আৰু কিমান টকা মুকলি কৰি দিয়া হৈছে?

(গ) যদি কামটো সম্পূৰ্ণ হোৱা নাই তেন্তে কেতিয়া কাম সম্পূৰ্ণ হ'ব আৰু বাকী থকা টকা কিমান দিনৰ ভিতৰত মুকলি কৰি দিব?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) বিহালী সমষ্টিৰ বৰগাং নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে সৰ্ব্বমুঠ ১০৪.৮৪ লাখ টকা ধাৰ্য্য কৰা হৈছে।

(খ) কাম সম্পূৰ্ণ হৈছে আৰু এতিয়ালৈকে ৫৭.৬০ লাখ টকা মুকলি কৰি দিয়া হৈছে।

(গ) কাম সম্পূৰ্ণ হৈছে। বাকী থকা টকা আৰন্টন সাপেক্ষে ঠিকাদাৰক পৰিশোধ কৰা হ'ব।

বিষয় ঃ ত্ৰিপাক্ষিক বৈঠক।

শ্ৰীকেশৰ মহন্তই সুধিছেঃ

★ ১১। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কেন্দ্রীয় চৰকাৰ, অসম চৰকাৰ আৰু সদৌ অসম ছাত্র সন্থাৰ মাজত শেহতীয়াকৈ হোৱা ত্রিপাক্ষিক বৈঠকে অসম চুক্তিৰ প্রতিটো দফাৰ ৰূপায়ণৰ সময় নির্দ্ধাৰিত এখন Action Plan ঘোষণা কৰাৰ সিদ্ধান্ত হৈছিল নেকি? যদি হৈছিল, অনুগ্রহকৰি সেই Action Planৰ প্রতিলিপি সদনৰ মেজত ৰাখিবনে?

(খ) IMDT আইন বাতিল কৰাৰ পিছত চৰকাৰে কি ব্যৱস্থাৰে বিদেশী নাগৰিকক বহিষ্কাৰ কৰাৰ ব্যৱস্থা গ্রহণ কৰিছে আৰু বর্ত্তমান সেই ব্যৱস্থাৰে (IMDT আইন বাতিল হোৱাৰ পিছত) কিমানজন বিদেশী নাগৰিক কিমানদিনৰ ভিতৰত বহিষ্কাৰ কৰিলে? (বিতং তথ্য দিব)

(গ) অসম বাংলাদেশ সীমান্তৰ কাটা তাঁৰৰ বেৰ পূৰ্ব্বৰ প্রতিশ্রুতি মতে সম্পূর্ণ হ'লনে? যদি হ'ল কিমান তাৰিখে সম্পূর্ণ হ'ল? যদি নাই হোৱা কিয় কৰিব পৰা নাই? (বিতংকৈ জনাব)

ডাঃ ভূমিধৰ বর্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) শেহতীয়া ২৯-৭-০৬ ইং তাৰিখত অনুষ্ঠিত ত্রিপাক্ষিক বৈঠকত অসম চুক্তি ৰূপায়ণৰ সন্দর্ভত Action Planৰ নির্দ্দিষ্ট সময় নির্দ্ধাৰণ সম্পর্কে কোনো আলোচনা হোৱা নাছিল। যি কি নহওঁক, ৫-৫-০৫ ইং তাৰিখত মাননীয় প্রধান মন্ত্রীৰ সভাপতিত্বত অনুষ্ঠিত ত্রিপাক্ষিক বৈঠকত সিদ্ধান্ত লোৱা হৈছিল যে অসম চুক্তিৰ প্রতিটো দফা ৰূপায়ণৰ সময়সীমা নিৰ্দ্ধাৰণ সম্পর্কে বিষয়া পর্য্যায়ত আলোচনা কৰিব লাগিব।

(খ) বিষয়টো বিষয়া পর্য্যায়ত ১২-৭-০৫ ইং তাৰিখত আলোচনা

কৰা হৈছিল আৰু তিনিখন সভা ২২-৯-০৫, ১২-১২-০৫ আৰু ২৯-৮-০৬ তাৰিখত মন্ত্ৰী আৰু বিষয়া পৰ্য্যায়ত অনুষ্ঠিত হৈছিল কিন্তু Action Plan সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত এতিয়াও হোৱা নাই যদিও অসম চুক্তিৰ বিভিন্ন দফাৰ ৰূপায়ণ ক্ষীপ্ৰ গতিত আগবাঢ়ি আছে।

IMDT আইন বাতিল কৰাৰ পিছত চৰকাৰে ইং ১৯৪৬ চনৰ বিদেশী আইন তথা সেই আইনৰ আদেশাৱলী অনুসৰি বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ ব্যৱস্থা লৈছে। লগতে নিম্নলিখিত আইনৰ ব্যৱস্থাৰ দ্বাৰাও বিদেশী নাগৰিক-বহিষ্কাৰ কৰাৰ দিহা কৰা হয়।

(১) পাৰপত্ৰ (ভাৰতত প্ৰবেশ) আইন, ১৯২০ Passport (Entry to India) Act, 1920.

(২) পাৰপত্ৰ আইন, ১৯৬৭ (Passport Act, 1967)

IMDT আইন বাতিল হোৱাৰ পিছত ইং ২০০৭ চনৰ ৩১ জানুৱাৰীলৈকে মুঠ ২৭৭ জন অনুপ্ৰবেশকাৰী বহিষ্কাৰ কৰা হয়। বিতং তথ্য ইয়াৰ লগত গাঁঠি দিয়া হৈছে। (See Annexure-V)

(গ) সম্পূৰ্ণ হোৱা নাই। প্ৰশ্ন নুঠে। গড়কাপ্তানী (সীমান্ত পথ) অসম বিভাগক অৰ্পণ কৰা কামৰ ভিতৰত কাছাৰ জিলাৰ সুৰমা নদীৰ পাৰৰ ২৬,৩৫৮ কিঃ মিঃ কাটা তাঁৰৰ বেৰ সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰিব নোৱাৰাৰ কাৰণসমূহ ঃ-

(১) BSF আৰু BDRৰ মাজত হোৱা গুলীয়াগুলিৰ বাবে সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতি।

(২) অসুবিধাজনক বতৰ।

(৩) বানপানীৰ বাবে সংযোগ পথত হোৱা ক্ষতিৰ বাবে কাম কৰাত হোৱা অসুবিধা। NBCCৰ দ্বাৰা কৰোৱা অংশৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা তথ্য বিচৰা হৈছে।

বিষয় ঃ বিলাতী ও দেশীয় মদৰ মহল।

ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ

★ ১২। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমান কিমানখন বিলাতী সুৰাৰ দোকান আৰু কিমানটা দেশীয় মদৰ মহল আছে? (সদনৰ মেজত জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(খ) ২০০৬-০৭ বৰ্ষত ৰাজ্যখনত কিমানখন নতুন বিলাতী সুৰাৰ দোকান আৰু কিমানটা দেশীয় মদৰ মহলৰ বাবে অনুজ্ঞাপত্ৰ প্ৰদান কৰা হ'ল? (সদনৰ মেজত জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(গ) ২০০৪-০৫, ২০০৫-০৬ আৰু ২০০৬-০৭ বৰ্ষত ৰাজ্যখনত কিমান আৱকাৰী ৰাজহ সংগ্ৰহ কৰা হ'ল? (সদনৰ মেজত জিলা ভিত্তিত বিতং তথ্য দাখিল কৰিব)

শ্ৰীগৌতম ৰয় (আৱকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বৰ্ত্তমান ১৪৪৮ খন বিলাতী সুৰাৰ দোকান আৰু ৩৪১ খন দেশীয় সুৰাৰ মহল আছে।

(জিলা ভিত্তিত তথ্য তালিকা 'ক' আৰু 'খ'ত গাঁঠি দিয়া হ'ল।)

(See Annexure-VI)

(খ) ২০০৬-২০০৭ বৰ্ষৰ জানুৱাৰী মাহলৈকে ১৭খন বিলাতী সুৰাৰ (I.M.F.L. "ON") দোকানৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে। ১৭৮ খন দেশীয় মদৰ মহল ৩ (তিনি) বছৰৰ বাবে বন্দোবস্তী দিয়া হৈছে।

(জিলা ভিত্তিত তথ্য তালিকা 'গ' আৰু 'ঘ'ত গাঁঠি দিয়া হ'ল।)

(See Annexure-VII)

(গ) ২০০৪-২০০৫ বৰ্ষত = ১৪৩.১৫ কোটি টকা।

২০০৫-২০০৬ বৰ্ষত = ১৫৯.৮৮ কোটি টকা।

২০০৬-২০০৭ বৰ্ষত = ১৩৭.৩৯ কোটি টকা।

(জানুৱাৰী /২০০৭ লৈকে)

(জিলা ভিত্তিত তথ্য তালিকা 'ঙ'ত গাঁঠি দিয়া হ'ল।)

(See Annexure-VIII)

বিষয় ঃ পুঁজিৰ পৰিমাণ।

শ্ৰীজ্যোতিপ্ৰসাদ দাসে সুধিছে ঃ

★ ১৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ বকো সমষ্টিত জলসম্পদ বিভাগৰ দ্বাৰা সোণতলী তোপামাৰী আৰু নগৰবেৰা অঞ্চলৰ ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধ আঁচনিৰ বাবে ২০০৪-০৫ বৰ্ষত মুঠ অনুমোদিত পুঁজি কিমান ? উক্ত পুঁজিৰ বিপৰীতে কাম কিমান কৰা হ'ল ?

(খ) উক্ত কামত হোৱা খৰছৰ খতিয়ান সদনৰ মেজত দাখিল কৰিবনে ?

শ্রীভৰত চন্দ্র নৰহ (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) কামৰূপ জিলাৰ বকো সমষ্টিত জলসম্পদ বিভাগৰ দ্বাৰা সোণতলী তোপামাৰী আৰু নগৰবেৰা অঞ্চলৰ ব্রহ্মপুত্র নদীৰ খহনীয়া প্রতিৰোধৰ বাবে ২০০৪-০৫ বৰ্ষত মুঠ ৯.০০ লাখ টকাৰ পুঁজি অনুমোদিত হৈছে।

উক্ত পুঁজিৰ বিপৰীতে আঁচনিখনৰ কাম ইতিমধ্যে সম্পূর্ণ হৈছে।

(খ) উক্ত কামৰ বাবদ বৰ্ত্তমানলৈ ৬৫,৭৮,৬৫৩.০০ লাখ টকা খৰছ কৰা হৈছে। উক্ত কামত হোৱা খৰছৰ বিতং তালিকা পৰিশিষ্ট-'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure-IX)

Sub : Technical Advisory Committee.

Shri Sirajuddin Ajmal asked :

★ 14. Will the Minister of Water Resources be pleased to state :

(a) Is it true that the Technical Advisory Committee of Water Resource Department in its 38th Meeting held on 30th November and 1st December, 2004 recommend for Rs. 996.38 L. under Nagaon E & D Division for the protection of erosion by the river

Jamuna at different reaches on the both river banks of Jamunamukh and Hojai L.A.C.

(b) If so, whether the above scheme was approved and sanctioned by the Government ?

(c) If not, the reasons thereof ?

(d) What are the measures taken by the Department for the protection of the erosion by the river Jamuna in Hojai and Jamunamukh L.A.C.?

Shri Bharat Chandra Narah (Minister of Water Resources) replied :

(a) Yes.

(b) Approval and sanction is yet to be accorded.

(c) Due to migration of erosion in same areas the proposal has to be reviewed to suit the changed condition.

(d) Accordingly for the protection of the erosion by the river Jamuna in Hojai & Jamunamukh L.A.C. necessary Detailed Project Report is under preparation as per recommendation of 41st T.A.C.

বিষয় ঃ ভূগর্ভৰ পানী।

শ্রীউদ্ধৱ বর্মনে সুধিছেঃ

★ ১৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) এই কথা সঁচানে অসমৰ বিভিন্ন জিলাত ভূগর্ভৰ পানীত প্রচুৰভাৱে আর্চেনিক আৰু ফ্লু'ৰাইড আছে? কোন কোন জিলাত কোনবিধ পদার্থ আছে?

(খ) খোৱাপানীত থকা আর্চেনিক আৰু ফ্লু'ৰাইডত মানুহৰ জীৱনত কেনে ধৰণে ক্ষতিকাৰক প্রভাৱ পেলাইছে? (বিতং বিৱৰণ দিব)

(গ) খোৱা পানী আর্চেনিক আৰু ফ্লু'ৰাইডৰ পৰা মুক্ত কৰাৰ বাবে চৰকাৰে কোন অঞ্চলত কি ধৰণৰ ব্যৱস্থা লৈছে? (বিতং তথ্য দিব)

(ঘ) কেতিয়ালৈ ৰাজ্যখনৰ খোৱাপানী সম্পূর্ণভাৱে আর্চেনিক আৰু ফ্লু'ৰাইডৰ পৰা মুক্ত কৰাৰ আঁচনি লৈছে?

শ্রীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) অসমৰ বিভিন্ন জিলাত জনস্বাস্থ্য কাৰিকৰী বিভাগে চলোৱা পানী পৰীক্ষাৰ প্রাথমিক জৰীপমতে অসমৰ কামৰূপ জিলাৰ ৩৬ টা, নগাওঁ জিলাত ৩৫৮ টা, গোলাঘাট জিলাত ৪ টা আৰু কৰিমগঞ্জ জিলাত ৩টা, মুঠ ৪৪৯ টা চুবুৰীত ভূগর্ভৰ পানীত মাত্রাধিক পৰিমাণ ফ্লু'ৰাইড থকাৰ প্রমাণ পোৱা গৈছে।

তাৰোপৰি ধুবুৰী জিলাত ১৭ টা, বঙাইগাওঁ জিলাত ৬টা, গোৱালপাৰা জিলাত ২টা, বৰপেটা জিলাত ১১টা, নলবাৰী

জিলাত ১৩টা, কামৰূপ জিলাত ১টা, দৰং জিলাত ৯টা, শোণিতপুৰ জিলাত ৫টা, লক্ষীমপুৰ জিলাত ৯টা, ধেমাজী জিলাত ৬৬টা, মৰিগাওঁ জিলাত ২টা, নগাওঁ জিলাত ১টা, গোলাঘাট জিলাত ১৪৪টা, যোৰহাট জিলাত ১৪৯টা, শিৱসাগৰ জিলাত ২৬টা, হাইলাকান্দি জিলাত ৩১টা, কাছাৰ জিলাত ৫৮টা আৰু কৰিমগঞ্জ জিলাত ৬৪টা, মুঠ ৬১৪টা চুবুৰীত ভূগর্ভস্থ পানীত মাত্রাধিক আর্চেনিক থকাৰ প্রমাণ পোৱা গৈছে।

(খ) মাত্রাধিক ফ্লু'ৰাইডযুক্ত পানী সেৱনৰ ফলত নগাওঁ আৰু কার্বি-আংলং জিলাৰ অঞ্চল বিশেষত কিছু জনসাধাৰণ বিভিন্ন ফ্লু'ৰোচিচ ৰোগত আক্রান্ত হৈ শৰীৰৰ হাড় আৰু দাঁতৰ ক্ষতিসাধন হোৱা পৰিলক্ষিত হৈছে।

বিষাক্ত আর্চেনিকযুক্ত পানী সেৱনৰ ফলত চর্মৰোগ, পাকস্থলী, যকৃত, কিডনী, হৃদযন্ত্র, শ্বাসনলী, স্নায়ুতন্ত্র আদিৰ ৰোগ আৰু কেঞ্চাৰো হ'ব পাৰে যদিও বর্ত্তমানলৈ এনে কোনো ধৰণৰ আর্চেনিকৰ প্রভাৱত হোৱা ৰোগাক্রান্ত লোক অসমত পৰিলক্ষিত হোৱা নাই।

(গ) খোৱাপানী আর্চেনিক আৰু ফ্লু'ৰাইডমুক্ত কৰাৰ বাবে চৰকাৰে বিকল্প উৎসৰ জড়িয়তে বিভিন্ন প্রভাৱিত জিলাত পাইপ পানী যোগান আৰু পকী কুৱাৰ আঁচনি গ্রহণ কৰিছে। বিভিন্ন জিলাৰ ৪২০টা আর্চেনিক প্রভাৱিত চুবুৰীত আৰু ৪৪০টা ফ্লু'ৰাইড প্রভাৱিত চুবুৰীত এনে আঁচনি গ্রহণ কৰা হৈছে।

এনে আঁচনিৰ বিতং তথ্য তালিকা 'ক'ত গাঁঠি দিয়া হ'ল।

(See Annexure-X)

(গ) ৰাজ্যখনৰ ভূগর্ভৰ পানীত মাত্রাধিক পৰিমাণৰ আর্চেনিক আৰু ফ্লু'ৰাইড থকাৰ প্রমাণ পোৱা অঞ্চলসমূহত পুঁজি সাপেক্ষে ২০০৯ চনৰ ভিতৰত পর্য্যায়ক্রমে আধুনিক প্রযুক্তিৰ আর্চেনিক আৰু ফ্লু'ৰাইড মুক্ত পানী যোগানৰ কেইবাটাও আঁচনি লোৱা হৈছে আৰু প্রয়োজন সাপেক্ষে নতুন আঁচনি গ্রহণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

Sub : Fluoride and Arsenic Areas.

Dr. Aditya Langthasa asked :

★ 16. Will the Minister of Public Health Engineering be pleased to state :

(a) How many Fluoride and Arsenic affected areas are identified in Assam so far ?

(b) Will the Government furnished the names of the identified areas district-wise?

(c) What are the measures taken by the Government for safe drinking water for the Fluoride affected areas of Haladhiati and Akashiganga under Jamumamukh L.A.C.?

Shri Rihon Daimary (Minister, PHE) replied :

(a) As per the Rapid Assessment Survey carried out by the Public Health Engineering Deparment 449 Nos. of Fluoride affected habitations 614 Nos. of Arsenic affected habitations identified so far in Assam.

(b) The District-wise names of the identified Fluoride and Arsenic affected habitations enlcosed as per Annexure A & B) (See Annexure-XI)

(c) Urdhagaon piped water supply scheme is taken up for providing safe drinking water for the Fluoride affected areas of Haladhiati and Akashiganga under Jamumamukh L.A.C.

বিষয় ঃ গুৱাহাটীৰ মাটি আৱন্টন।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছেঃ

★ ১৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০০৬ চনত চৰকাৰ গঠন হোৱাৰ পৰা এতিয়ালৈকে গুৱাহাটী মহানগৰীত কিমান পৰিয়ালক চৰকাৰী মাটি আৱন্টন/পট্টন দিয়া হৈছে?

(খ) চৰকাৰ গঠন হোৱাৰ পৰা এতিয়ালৈকে মাটিৰ পট্টন দিয়াৰ ফলত কিমান ৰাজহ সংগ্রহ হ'ল ?

(গ) গুৱাহাটীত মাটিৰ প্রিমিয়াম কি ভিত্তিত ধার্য্য কৰা হৈছে আৰু অঞ্চল বিশেষে প্রিমিয়াম কিমান ?

(ঘ) দৰিদ্র সীমাৰেখাৰ তলত থকা নতুবা অনুসূচীত জাতি ও জনজাতিৰ বাবে Premium ৰেহাইৰ কিবা ব্যৱস্থা আছেনে ?

(ঙ) যদি নাই, তেনেহ'লে এই ক্ষেত্রত বিশেষ ৰেহাইৰ ব্যৱস্থা কৰিবনে ?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) ২০০৬ চনৰ পৰা বর্ত্তমানলৈকে ২৭৬ টা ভূমিহীন পৰিয়ালক গুৱাহাটীত চৰকাৰী মাটি পট্টন দিয়া হৈছে।

(খ) ৬৯,১৭,৯২৯.০০ টকা ভূমি পট্টনৰ বাবদ প্রিমিয়াম হিচাবে সংগ্রহ কৰা হ'ল।

(গ) ভূমিনীতি ১৯৮৯ অনুসৰি উপযুক্ত ভাৰতীয় ভূমিহীন নাগৰিকক গৃহ নির্মাণৰ বাবে ঘৰৰ আৰ্হি অনুযায়ী তলত দিয়া ধৰণে প্রিমিয়াম আদায় ক্রমে ভূমি পট্টন দিয়া হয়।

কেঁচা ঘৰ	-	ভূমিৰ মূল্যৰ ২০ শতাংশ।
অসম আৰ্হিৰ পকী ঘৰ	-	ভূমিৰ মূল্যৰ ৪০ শতাংশ।
আৰ. চি. চি. ঘৰ	-	ভূমিৰ মূল্যৰ ১০০ শতাংশ।
ব্যৱসায়ীক কার্য্যৰ ক্ষেত্রত-		ভূমিৰ মূল্যৰ ২০০ শতাংশ।

বেচৰকাৰী শিক্ষানুষ্ঠান, সামাজিক-সাংস্কৃতিক অনুষ্ঠান, ন্যাস ইত্যাদি ৰাজহুৱা কার্য্যৰ লগত জড়িত যিবোৰৰ কোনো ধৰণৰ ব্যক্তিগত লাভালাভ নাই তেনে অনুষ্ঠানৰ বাবে ভূমি মূল্যৰ ৩০ শতাংশ প্রিমিয়াম ধার্য্য কৰা হয়। কামৰূপ (মহানগৰ) জিলাৰ চহৰ অঞ্চল বিশেষে ভূমি মূল্য তলত দিয়া হ'ল।

ক্রমিক নং	অঞ্চল	গাওঁ	সৰ্ব্বনিম্ন মূল্য প্ৰতি কঠাত
১)	স্পেচিয়েল কেটেগৰি -১	১ কিঃ মিঃ পৰিধি — ফাঁচীবজাৰ,পানবজাৰ, মাছখোৱা, পল্টনবজাৰ।	১০.০০ লাখ
২)	স্পেচিয়েল কেটেগৰি -২	১ কিঃ মিঃ পৰিধি — চান্দমাৰী, শিলপুখুৰী, উজান বজাৰ, উলুবাৰী, গণেশগুৰি, মালিগাওঁ।	৫.০০ লাখ
	ক	জাপৰিগোগ, ৰুক্মিণীগাওঁ, খানাপাৰা, দবাবন্ধা, দিশপুৰ এন. চি., দিশপুৰ, মৈদাম, হেঙৰাবাৰী, হাতীগাওঁ, হেঙৰাবাৰী গাওঁ, বামুণীমৈদাম, নুনমাটি, উলুবাৰী, কামাখ্যা, মালিগাওঁ, সৰুমটৰীয়া, দূর্গাসৰোবৰ, ভৰলুমুখ, গড়পাণ্ডু, জটিয়া।	২.০০ লাখ
	খ	বিৰকুচি, নং-২ মদঘৰীয়া, বৰমটৰীয়া, কাহিলীপাৰা গাওঁ, দক্ষিণ গাওঁ, সাউকুচি, বামচাহীল গ্রেন্ট, ক্লেবেঞ্চ গ্রেন্ট, চুনচালি গ্রেন্ট, গোটানগৰ।	১.৫০ লাখ
	গ	বাঘৰবড়ী, ভোগাবগাওঁ গ্রেন্ট এন. চি., কলিতাকুচি, ওদালবাক্রা, বৰ্খাপাৰা, নটবমা, বেতকুচি, বশিষ্ঠ এন. চি., বশিষ্ঠ গ্রেন্ট- ২, হেঙৰাবাৰী এন. চি., নং-১, নং-২ হেঙৰাবাৰী এন.চি., দূর্গাসৰোবৰ এন.চি., পশ্চিম বৰাগাওঁ, পূব বৰাগাওঁ, গোটানগৰ এন.চি.।	১.৩০ লাখ
	ঘ	নুনমাটি গার্ডেন, সাতগাওঁ, নৰকাসুৰ এন. চি., জুতিকুচি, খানাপাৰা এন. চি., বশিষ্ঠ গ্রেন্ট।	১.০০ লাখ
	ঙ	দেহাগাড়ীগাওঁ, কছাৰী গাওঁ, তেতেলীয়া বামচাহীল, সদিলাপুৰ, উত্তৰ, মাজাদ দক্ষিণ জালুকবাৰী।	৮০,০০০.০০হাজাৰ

ওপৰোক্ত ভূমি মূল্য ২০০৩ চনত ধার্য্য কৰা হৈছিল। সেয়েহে বর্ত্তমান উক্ত মূল্যৰ ওপৰোক্ত শতকৰা ৫০শতাংশকৈ বৃদ্ধি কৰি প্রিমিয়াম আদায় কৰা হৈছে।

(ঘ) দৰিদ্র সীমাৰেখাৰ তলত থকা ব্যক্তিৰ বাবে প্রিমিয়াম ৰেহাই ব্যৱস্থা নাই। অনুসূচীত জাতি, জনজাতিৰ বাবে শতকৰা ২৫ শতাংশ প্রিমিয়াম ৰেহাই ব্যৱস্থা আছে।

ঙ) দৰিদ্র সীমাৰেখাৰ তলৰ জনসাধাৰণৰ বাবে প্রিমিয়াম ৰেহাই প্রস্তাৱ এতিয়ালৈ লোৱা হোৱা নাই।

বিষয়ঃ শৰণার্থীৰ সংখ্যা।

মোঃ ম হিবুল হকে সুধিছেঃ

★ ১৮। মাননীয় সাহায্য ও পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বর্ত্তমানে বঙাইগাওঁ আৰু কোকৰাঝাৰত সর্ব্বমুঠ কিমানটা শিবিৰত কিমানজন মুছলিম শৰণার্থী আছে?

(খ) শিবিৰবোৰ কেতিয়া স্থাপন কৰা হৈছিল?

(গ) কেন্দ্রীয় চৰকাৰে আজিলৈ এই কেম্পবোৰৰ বাবে কিমান ধন আৱন্টন দিছে ? (বছৰৰ ভিত্তিত জনাব)

(ঘ) ৰাজ্য চৰকাৰে আজিলৈ এই কেম্পবোৰৰ বাবে কিমান ধন আৱন্টন দিছে? (বছৰৰ ভিত্তিত জনাব)

(ঙ) এই শৰণার্থীসকলৰ কি কাৰণত এতিয়ালৈ পুনৰ সংস্থাপন কৰা হোৱা নাই?

(চ) কিমান দিনৰ ভিতৰত পুনৰ সংস্থাপন কৰিব ?

ডাঃ ভুমিধৰ বৰ্মন (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) ১৯৯৩ চনত চৰকাৰে স্থাপন কৰা শিবিৰ সমূহৰ শৰণার্থীসকলৰ পৰিয়ালে প্রতি ১০,০০০/-টকাকৈ পুনৰ সংস্থাপন সাহায্য দিয়াৰ পিচত শিবিৰসমূহ বন্ধ কৰা হয় যদিও শৰণার্থী সকলে নিজাববীয়াকৈ শিবিৰ পাতি আছে। তেনে শিবিৰ আৰু শৰণার্থীৰ সংখ্যা এনে ধৰণৰ —

কোকৰাঝাৰ - ৪টা শিবিৰ,৫,৬২৫ জন মুছলমান শৰণার্থী।

বঙাইগাওঁ - ৪টা শিবিৰ,৮,৩৪০ জন মুছলমান শৰণার্থী।

(খ) জনা নাযায়।

(গ) কেন্দ্রীয় চৰকাৰৰ পৰা পুঁজি পোৱা নাই।

(ঘ) যদিও চৰকাৰী নিয়মমতে তেওঁলোকে সাহায্য পোৱাৰ অনুপযুক্ত তথাপিও মানৱীয়তাৰ খাতিৰত বিশেষ প্রয়োজন সাপেক্ষে মাজে সময়ে যথাসম্ভৱ সাহায্য দি থকা হৈছে।

কোকৰাঝাৰ জিলা = পাৰিতোষিক সাহায্য = ১১,১৮,৭৭৯.০০টকা

কম্বল = পৰিয়ালে প্রতি ২ খনকৈ।

বঙাইগাওঁ জিলা = পাৰিতোষিক সাহায্য = ৩৫,২৯,৯৩৩.০০ টকা

কম্বল = পৰিয়ালে প্রতি ২ খনকৈ।

(ঙ) উক্ত শৰণার্থীসকল বনাঞ্চল বেদখলকাৰী হোৱা হেতু বসবাসৰ উপযোগী মাটি নোপোৱা বাবে পুনৰ সংস্থাপন কৰা হোৱা নাই।

(চ) উপযুক্ত মাটি পালে পুনৰ সংস্থাপন কৰা হব।

Sub : National Register of Citizenship.

Shri Drupad Borgohain asked :

★ 19. Will the Minister of Implementation of Assam Accord be pleased to state:

(a) Will the Government furnish the exact Tripartite Agreement on up-date of National Register of Citizenship for Assam (NRC)?

(b) What was the time frame for implementation of this agreement and who was to implement it ?

(c) What is the progress till today?

Dr. Bhumidhar Barman (Minister of Implementation of Assam Accord) replied :

(a) There is no separate Tripartite Agreement. However, the relevent extract of the Tripartite meetings minutes on 5-5-05 furnished below :

NRC-AASU representative raised the issue of updating of 1951 National Register of Citizen (NRC). They wanted

this task to be completed in a time bound manner and suggested creation of separate administrative machinery in the state for this purpose. CM, Assam said that state Government has agreed to update 1951, NRC by including names of persons from the electoral rolls upto 1971 and their decendents. He said that all efforts would be made to complete the work in 2 years after which Identity Cards will be issued. He also agreed to create a separate directorate to take up the work expeditiously. CM, Assam wanted Central Government to give financial assitance for this purpose. PM assured that Government of India will give financial support to the state Government to enable it to complete the work within the stipulated time.

(b) The work have been targeted to be completed within August 2007. Under the Citizenship Act, 1955, the Union Government is

empowered to prapare and update National Register of Indian Citizens.

(c) Initial works of the updating of NRC have been taken up. Scanning of the available electoral rolls upto 1971 has almost been completed. Besides, the date entry of the NRC 1951 as available and the available electoral rolls upto 1971 is continuing in the Districts. Preparation of modalities for the updating of NRC/NRIC is in progress.

বিষয়ঃ স্বৰ্ণজয়ন্তী চহৰীয়া ৰোজগাৰ যোজনা।

শ্রীঅনন্ত ডেকাই সুধিছেঃ

★ ২০। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) স্বৰ্ণজয়ন্তী চহৰীয়া ৰোজগাৰ যোজনাৰ অধীনত অসম চৰকাৰে ২০০৪-০৫ আৰু ২০০৫-০৬ এই বিত্তীয় বছৰ দুটাত কেন্দ্রীয় চৰকাৰৰ পৰা কিমান টকা অনুদান পাইছে?

(খ) ৰাজ্যখনৰ কোন কোন চহৰত/নগৰত এই টকা দিয়া হৈছে? (সম্পূর্ণ তালিকা দিব)

(গ) উক্ত আঁচনিৰ অধীনত প্রতিখন নগৰ/চহৰক দিয়া টকাৰ পৰিমাণ কিমান?

(ঘ) উক্ত আঁচনিৰ ধন এতিয়ালৈ কিমান ব্যয় হ'ল আৰু কিমান খৰছ কৰিবলৈ বাকী আছে?

শ্রীদীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) স্বৰ্ণজয়ন্তী চহৰীয়া ৰোজগাৰ যোজনাৰ অধীনত অসম চৰকাৰে ২০০৪-০৫ বছৰত ২৪৫.০৭ লাখ টকা কেন্দ্রীয় চৰকাৰৰ পৰা অনুদান হিচাবে পাইছে আৰু ২০০৫-০৬ বিত্তীয় বৰ্ষত উক্ত আঁচনিৰ অধীনত কেন্দ্রীয় চৰকাৰৰ পৰা কোনো অনুদান পোৱা নাই।

(খ) তালিকা পৰিশিষ্ট 'ক'ত দিয়া হৈছে। (See Annexure-XII)

(গ) 'খ'ত উল্লেখ কৰা তালিকাত দিয়া হৈছে।

(ঘ) এই আঁচনিৰ ধন প্রতিখন জিলাত থকা District Urban Development Agency (DUDA)ৰ জড়িয়তে খৰছ কৰা হয়। নগৰবিলাকক দিবলগীয়া ধন DUDAক মোকলাই দি ব্যয় কৰা হৈছে।

UNSTARRED QUESTIONS AND ANSWERS

Sub: Umarpur Protection Work.

Shri Anwarul Haque asked :

1. Will the Minister of Water Resources be pleased to state :

(a) How much amount was spent in Umarpur Protection Work under Badarpur W.R. (Inv.) Division in Karimganj District from erosion by river Borak in the year, 2004-2006?

(b) What are the amount released for the ongoing work?

(c) Whether Government is aware of the fact that there are large scale anomalies in quality and quantities of materials to be utilised in the scheme?

(d) If so, what action the Government will take against the delinquent officials?

Shri Bharat Chandra Narah (Water resources Minister) replied :

(a) No amount was spent for Umarpur, protection work under Badarpur W.R. (Inv.) Division in Karimganj District during the year 2004-05 & 2005-06.

(b) An amount of Rs. 25.41 Lakhs was released during 2006-07 for the above ongoing protection work.

(c) No, it is not a fact.

(d) Does not arise in view of reply above.

বিষয়ঃ খাছ মাটিৰ আৱন্টন।

শ্ৰীৰচুল হকে সুধিছেঃ

২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ধুবুৰী খাছ মহলৰ অধীনত কিমান খাছ মাটি আছে? উক্ত মাটি যদিহে কাৰোবাৰ নামত আৱন্টন দিয়া হৈছে, তাৰ বিতং তথ্য দাঙি ধৰিবনে?

(খ) আৱন্টিত মাটিসমূহ কিমান দিনৰ পৰা ব্যৱহাৰ হোৱা নাই?

(গ) ২০০৫-০৬ চনৰ ভিতৰত কিমান খাছ মাটি আৱন্টন দিয়া হৈছিল? বিত্তীয় বৰ্ষ ২০০৬-০৭ চনত কিমান খাছ মাটি আৱন্টিত হৈছিল? (তথ্য সহকাৰে জনাব)

(ঘ) Housing Boardৰ নামত কোনো খাছ মহলৰ মাটিৰ Advance Possession জিলা উপায়ুক্তই দিছে নেকি? যদি দিছে, কিমান মাটিৰ Advance Possession দিছে? Advance Possession দিয়া মাটিৰ বৰ্ত্তমান মূল্য কিমান হ'ব? উপৰোক্ত মাটিবোৰ আগতে কাৰোবাৰ নামত আৱন্টিত হৈছিল নেকি?

(ঙ) মাটি হস্তান্তৰৰ নামত (Registration) ৰাজহ বিভাগৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত বহুতো দুখীয়া লোক বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে, চৰকাৰে এই প্ৰক্ৰিয়া উঠাই লবনে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) বৰ্ত্তমান ধুবুৰী টাউন খাছ মহলৰ অধীনত ৭৯ বিঘা ২কঠা ১৬লেছ্ব চৰকাৰী মাটি আছে। উক্ত ৭৯ বিঘা ২ কঠা ১৬ লেছ্বৰ ভিতৰত

৮ বিঘা ৩ কঠা ১৩ লেছা মাটি গৌৰীপুৰ ৰেগুলেটেড মার্কেট কমিটি আৰু ১৫ লেছা জমি বিকলাঙ্গ সস্থাৰ নামত আৱন্টন দিয়া হৈছে। ৮ বিঘা ১ কঠা ২ লেছা মাটিৰ আৱন্টন প্রস্তাৱ ইতিমধ্যে বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী সস্থাৰ ব্যক্তিৰ নামত আৱন্টনৰ বাবে এছ. এল. এ. চি. বোর্ডত পেচ কৰাৰ বাবে প্রস্তুত হৈ আছে। বাকী ৬২ বিঘা ২ কঠা ৭ লেছা মাটি বেদখল হৈ আছে। তাৰে কিছু বেদখলকাৰীৰ আৱন্টনৰ বাবে আবেদন কৰিছে আৰু বর্ত্তমানে তদন্তৰ পর্য্যায়ত আছে।

(খ) আৱন্টিত মাটিৰ ৮ বিঘা ৩ কঠা ১৩ লেছা জমিত গৌৰীপুৰ ৰেগুলেটেড মার্কেট কমিটিয়ে বজাৰ গৃহ, প্লেটফর্ম পকী দেৱাল নির্মাণ কৰি ব্যৱহাৰৰ উপযোগী কৰি তুলিছে। কিন্তু ধুবুৰী জিলা বিকলাঙ্গ সস্থাৰ নামত আৱন্টিত ১৫ লেছা জমি সস্থাটোৰ দখলত নাই আৰু সেইমতে ব্যৱহাৰো হোৱা নাই।

(গ) ২০০৫-০৬ আৰু ২০০৬-০৭ চনত কোনো মাটি আৱন্টন দিয়া হোৱা নাই।

(ঘ) হাউচিং বোর্ডৰ নামত কোনো খাছ মহলৰ মাটিৰ Advance Possession দিয়া হোৱা নাই।

(ঙ) উঠাই লোৱাৰ কথা উঠা নাই।

বিষয়ঃ গৃহ নির্মাণ বিভাগৰ অধীনত ঘৰ।

শ্রীকমলসিং নার্জাৰীয়ে সুধিছেঃ

৩। মাননীয় গৃহ নির্মাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) গুৱাহাটীত গৃহ নির্মাণ বিভাগৰ অধীনত কিমানটা ঘৰ আছে? ইয়াৰে কিমানটা ঘৰ আৱন্টন দিয়া হৈছে? (তথ্যসহ দিব)

(খ) গুৱাহাটীত ভূ-সম্পত্তি থকা পৰিয়ালকো এই গৃহবোৰ আৱন্টন দিয়া হৈছে নেকি? (গৃহ আৱন্টন পোৱাসকলৰ তালিকা দিব)

(গ) গৃহ নির্মাণ কার্য্য সম্পূর্ণ নোহোৱাকৈ কোনো ব্যক্তিক গৃহৰ আৱন্টন দিয়া হৈছে নেকি? যদি হৈছে, ইয়াৰ কি নীতিৰ আধাৰত দিয়া হৈছে?

শ্রীদীনেশ প্রসাদ গোৱালা (গৃহ নির্মাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) গুৱাহাটীৰ বিভিন্ন স্থানত গৃহ নির্মাণ পৰিষদৰ অধীনত বিভিন্ন স্তৰত মুঠ ১৪৪৭ টা ঘৰ আছে। বিভিন্ন স্তৰৰ ঘৰৰ তালিকা আৰুঅৱস্থান প্র-পত্র 'ক'ত দিয়া হ'ল। (See Annexure-XIV)

(খ) এই সম্পর্কে এতিয়ালৈকে কোনো ধৰণৰ অনুসন্ধান কৰা হোৱা নাই। নিয়ম অনুসৰি গৃহহীন লোকেহে আৱন্টন পোৱাৰ যোগ্য। তালিকা সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) এইটো সত্য যে নির্মাণ কার্য্য সম্পূর্ণ হোৱাৰ আগতে কিছু ব্যক্তিক গৃহ আৱন্টন দিয়া হৈছিল। পৰিষদে জনোৱামতে গৃহ নির্মাণৰ কাম সম্পূর্ণ হোৱাৰ আগমূহূর্ত্তত আৱন্টন দিলে গৃহ নির্মাণ সম্পূর্ণ হোৱাৰ লগে লগে ব্যক্তিসকলে উক্ত গৃহত প্রৱেশ কৰিব পাৰিব বুলি ভাবি আগতীয়াকৈ আৱন্টন দিছিল।

বিষয়ঃ শৰণার্থীৰ সংখ্যা।

শ্রীবদৰুদ্দিন আজমলে সুধিছেঃ

৪। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বঙ্গাইগাওঁ আৰু কোকৰাঝাৰ জিলাত গোষ্ঠী সংঘর্ষৰ ফলত আক্রান্ত হৈ কিমান সংখ্যক ব্যক্তি বর্ত্তমানেও শৰণার্থী শিবিৰত আশ্রয় লৈ আছে?

(খ) শৰণার্থী শিবিৰসমূহৰ নাম আৰু পুৰুষ, মহিলা, শিশুৰ সংখ্যাৰ তথ্য দাখিল কৰিবনে?

(গ) উক্ত শৰণার্থীসকলৰ সংস্থাপন কৰিবৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(ঘ) চৰকাৰীভাবে তেওঁলোকক কিমান টকাৰ অর্থ সাহায্য প্রদান কৰা হৈছে?

ডাঃ ভূমিধৰ বর্মন (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) কোকৰাঝাৰত ৬৬,০০৫জন, বঙ্গাইগাওঁ জিলাত বর্ত্তমান কোনো চৰকাৰী শিবিৰ নাই।

(খ) উত্তৰ অনুবদ্ধ 'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure-XV)

(গ) উক্ত শৰণার্থীসকলৰ সৰহ সংখ্যক চৰকাৰী বনাঞ্চল বেদখলকাৰী লোক হোৱা হেতু তেওঁলোকৰ বসবাসৰ উপযুক্ত মাটি পালে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হব।

(ঘ) পুনৰ সংস্থাপনৰ সময়ত নীতি অনুসৰি প্রতি পৰিয়ালক ১০,০০০/- টকাকৈ দিয়া হ'ব।

Sub : Illegally land Encroachment.

Shri Sambhu Sing Mallah asked :

5. Will the Minister of Revenue be pleased to state :

(a) Whether Government is aware that large numbers of outsiders have encroached the Government Land, Tea Garden land and Cachar Sugar Mill land under Ratabari Constituency?

(b) Whether Government has taken any steps to prevent the same ?

(c) If so, what steps has been taken by the Government ?

(d) If not, why?

Dr. Bhumidhar Barman (Revenue Minister) replied :

(a) No outsiders found having encroached Government land, Tea Garden land and Cachar Sugar Mill land under Ratabari Constituency as reported by Deputy Commissioner, Cachar.

(b) Does not arise.

(c) Does not arise.

(d) Does not arise.

বিষয়ঃ আঁচনি ৰূপায়ণ।

শ্রীআব্দুৰ ৰছিদ মণ্ডলে সুধিছেঃ

৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ইং ২০০১-০২ চনৰ পৰা ২০০৬-০৭ চনৰ বৰ্ত্তমানলৈ বিভিন্ন শিতানত জিলা ভিত্তিত কিমান টকাৰ আঁচনি ৰূপায়ণ কৰা হৈছে?

(খ) ইং ২০০৬-০৭ চনত সমষ্টিভিত্তিত কিমান টকা ব্যয় কৰা হৈছে?

(গ) গোৱালপাৰা পশ্চিম সমষ্টিত বিকল হৈ থকা বিভিন্ন PWSS সমূহ কার্য্যক্ষম কৰাৰ কিবা ব্যৱস্থা লৈছেনে? (যদি লৈছে, তথ্যসহ বিতং জনাব)

(ঘ) যদি লোৱা নাই, তেন্তে সোনকালে কার্য্যক্ষম কৰাৰ ব্যৱস্থা লবনে?

শ্রীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে:

(ক) ইং ২০০১-০২ চনৰ পৰা ২০০৬-০৭ চনৰ বৰ্ত্তমানলৈ বিভিন্ন শিতানত জিলাভিত্তিক আঁচনি ৰূপায়ণ কৰা টকাৰ পৰিমাণ সংলগ্ন তালিকা-'ক'ত উল্লেখ কৰা হ'ল। (See Annexure-XVI)

(খ) যিহেতুকে সমষ্টিভিত্তিত টকা আৱন্টন দিয়া নহয়, গতিকে ২০০৬-০৭ চনত সংমণ্ডল ভিত্তিত ব্যয়ৰ পৰিমাণ তালিকা-'খ'ত সংলগ্ন কৰা হ'ল। (See Annexure-XVII)

(গ) গোৱালপাৰা পশ্চিম সমষ্টিৰ অন্তর্গত শালমাৰা পানী যোগান আঁচনি কার্য্যক্ষম কৰাৰ আঁচনি চলি আছে। আনহাতে এই সমষ্টিৰ অন্তর্গত বামুনডঙ্গা, চিমলাবাৰী আৰু তেলিপাৰা আঁচনি কার্য্যক্ষম কৰাৰ বাবে অনুমোদন দিয়া হৈছে আৰু অচিৰেই কার্য্যক্ষম কৰাৰ ব্যৱস্থা লোৱা হ'ব। শাকতোলা আৰু জয়ভূম আঁচনি দুখন ইতিমধ্যে কার্য্যক্ষম কৰা হৈছে।

(ঘ) গোৱালপাৰা সমষ্টিৰ বাকী বিকল হৈ থকা আঁচনিসমূহ পুঁজি সাপেক্ষে পর্য্যায়ক্রমে কার্য্যক্ষম কৰাৰ ব্যৱস্থা লোৱা হ'ব।

বিষয়ঃ উন্নয়নমূলক আঁচনি।

শ্রীদূর্গা ভূমিজে সুধিছেঃ

৭। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ডুমডুমা নগৰ উন্নয়নৰ কাৰণে কোনো ধৰণৰ উন্নয়নমূলক আঁচনি গ্রহণ কৰা হৈছেনে?

(খ) যদি হৈছে, তেন্তে কেনে ধৰণৰ কি কি আৰু কিমান ধনেৰে এই আঁচনি সমূহ গ্রহণ কৰা হৈছে?

(গ) যোৱা তিনিটা বিত্তীয় বৰ্ষত ডুমডুমা নগৰ উন্নয়নৰ কাৰণে কি কি আঁচনিৰে কিমান কিমান ধন আৱন্টন কৰা হৈছিল?

(ঘ) এই আঁচনিসমূহত আৱন্টিত ধনৰ কিমান টকা কি কি শিতানত ব্যয় কৰা হৈছিল? (নামসহ তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্রীদীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) হয়, হৈছে।

(খ) প্রশ্নৰ উত্তৰ 'গ'ত দিয়া হৈছে।

(গ) যোৱা তিনিটা বিত্তীয় বৰ্ষত ডুমডুমা নগৰ উন্নয়নৰ কাৰণে লোৱা আঁচনি আৰু ধন আৱন্টনৰ পৰিমাণ হ'ল—

১) <u>স্বর্ণজয়ন্তী চহৰীয়া ৰোজগাৰ যোজনা</u>

২০০৩-০৪ = ৮.২৫ লাখ

২০০৪-০৫ = ১১.২১ লাখ

২০০৫-০৬ = ০.৯৩ লাখ

২) <u>বিত্তীয় আয়োগৰ অনুদান</u>

২০০৩-০৪ = ৩.৫৫ লাখ

২০০৪-০৫ = ৫.০০ লাখ

২০০৫-০৬ = ৫.২২৫ লাখ

৩) মটৰ পৰিবহন কৰা অনুদান

২০০৩-০৪ = ২.৯৩ লাখ

২০০৪-০৫ = ৩.০০ লাখ

২০০৫-০৬ = ৪.০০ লাখ

৪) N.S.D.P.

২০০৩-০৪ = নাই

২০০৪-০৫ = নাই

২০০৫-০৬ = ৫.০০ লাখ

৫) E.I.U.S.

২০০৩-০৪ = নাই

২০০৪-০৫ = নাই

২০০৫-০৬ = ২.০০ লাখ

(ঘ) স্বৰ্ণজয়ন্তী চহৰীয়া ৰোজগাৰ যোজনাত আৱন্টিত ২০.৪২ লাখ টকাৰ ভিতৰত ১৯.৪৯ লাখ চহৰখনৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা নিবনুৱা সকলৰ আত্মসংস্থাপনৰ বাবে আৰু ০.৯৩ লাখ টকা হাজিৰাভিত্তিক কৰ্মসংস্থান আৰু নগৰৰ আন্তঃগাঠনি মূলক শিতানত নগৰ সমিতিৰ সিদ্ধান্ত অনুযায়ী নগৰ সমিতিয়ে ব্যয় কৰিছে।

দ্বিতীয়তে, বিত্ত আয়োগৰ অনুদানত আৱন্টিত ১৩.৭৭৫ লাখ টকাৰ ভিতৰত ৮.৫৫ লাখ টকা নগৰখনৰ জাবৰ-জোথৰ পৰিস্কাৰকৰণ আৰু ৫.২২৫ লাখ টকা আন্তঃগাঠনি উন্নয়নমূলক শিতানত ব্যয় কৰিবলৈ নগৰ সমিতিক দিয়া হৈছে।

তৃতীয়তে, মটৰ পৰিবহন কৰ অনুদানত লাভ কৰা ০৯.৯৩ লাখ টকা নগৰখনৰ ৰাস্তা-ঘাট মেৰামতি ও উন্নয়ন শিতানত খৰছ কৰিবলৈ নগৰ সমিতিক দিয়া হৈছে।

বিষয়ঃ ৰিং বান্ধ।

শ্রীলিয়াকৎ আলী খানে সুধিছেঃ

৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তর্গত পাজাৰভাঙ্গা ৰিং বান্ধ কোন চনত বন্ধা হৈছিল আৰু কোন চনত ব্রহ্মপুত্রৰ খহনীয়াত পৰিল ?

(খ) উক্ত ৰিং বান্ধ ভাঙি কিমানসংখ্যক পৰিয়াল ক্ষতিগ্রস্ত হৈছিল, হৈছে আৰু ইয়াৰ ক্ষতিপূৰণৰ বাবে চৰকাৰে ব্যৱস্থা কৰিছেনে ?

(গ) উক্ত ৰিং বান্ধ বন্ধা ঠিকাদাৰসকলে পাবলগীয়া সম্পূর্ণ টকা পাইছেনে ?

(ঘ) যদি পোৱা নাই, কিমান দিনৰ ভিতৰত পাব ?

(ঙ) উক্ত ৰিং বান্ধ নতুনকৈ বন্ধাৰ ব্যৱস্থা কৰিবনে ?

(চ) যদি কৰে, এই বছৰ বাৰিষাৰ আগতে কৰিবনে ?

শ্রীভৰত চন্দ্র নৰহ (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তর্গত পাজাৰভাঙ্গা ৰিং বান্ধটো ২০০৫ চনৰ মার্চ-এপ্রিল মাহত বন্ধা হৈছিল আৰু ২০০৬ চনৰ এপ্রিল মাহত বান্ধটো ব্রহ্মপুত্রৰ খহনীয়াত পৰে।

(খ) এই ৰিং বান্ধ ভঙাৰ ফলত মুঠ ৩১২ (তিনিশ বাৰ) ঘৰ পৰিয়াল ক্ষতিগ্রস্ত হোৱা বুলি ৰাজহ বিভাগৰ তথ্যৰ পৰা জানিব পৰা গৈছে। ক্ষতিপূৰণ দিয়াৰ বিষয়ে এই বিভাগ অৱগত নহয়।

(গ) পোৱা নাই।

(ঘ) পুঁজি আৱণ্টন সাপেক্ষে দিব পৰা যাব।

(ঙ) বান্ধটো নতুনকৈ বন্ধাৰ বাবে প্ৰাক্‌কলন প্ৰস্তুতিৰ কাম চলি আছে।

(চ) প্ৰাক্‌কলনৰ অনুমোদন তথা বিত্তীয় আৱণ্টন সাপেক্ষে কাম হাতত লব পৰা হ'ব।

বিষয়ঃ চাহ বাগিছাৰ দখলীকৃত মাটিৰ পৰিমাণ।

শ্ৰীঅনুপ ফুকনে সুধিছেঃ

৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) টিংখং সমষ্টিৰ সৰ্ব্বমুঠ কিমান এলেকা (চাহ খেতি, শালি খেতি, মাটি আৰু বাম মাটি) চাহ কোম্পানীৰ দখলত আছে? (চাহ বাগিছা আৰু কোম্পানীৰ নামৰ সৈতে দখলীকৃত মাটিৰ পৰিমাণসহ বিতং তথ্য দাখিল কৰিব)

(খ) ক্ষুদ্ৰ চাহ খেতিৰ বাবে কিমান মাটিৰ এলেকা ব্যৱহাৰ কৰা হৈছে? এই ক্ষুদ্ৰ চাহ খেতিয়কসকলক নিম্ন হাৰত প্ৰিমিয়াম (চলিত হাৰ কমাই) দি সহজ প্ৰক্ৰিয়াৰে আৱণ্টনৰ ব্যৱস্থা কৰিবনে ?

(গ) অইল ইণ্ডিয়া লিমিটেডে এতিয়ালৈকে সমগ্ৰ অসমত সৰ্ব্বমুঠ কিমান মাটি ব্যৱহাৰ কৰিছে? টিংখং সমষ্টিত অইলে এতিয়ালৈকে কিমান মাটি খাদ বা অন্যান্য ইনষ্টলেচন/পথৰ বাবে ব্যৱহাৰ কৰিলে ? (খাদ, অন্যান্য ইনষ্টলেচন আৰু পথৰ বিপৰীতে সম্পূৰ্ণ তথ্য দাখিল কৰিব)

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) টিংখং সমষ্টিৰ সৰ্ব্বমুঠ ৫২,৪১৪ বিঘা ০ কঠা ৩ লেচা মাটি চাহ কোম্পানীৰ দখলত আছে।

	চাহ বাগিছা আৰু কোম্পানীৰ নাম	দখলীকৃত মাটিৰ পৰিমাণ
১।	তেলৌজান টি, ইষ্টেট	২০৯ বিঘা ১ কঠা ৩ লেচা
২।	উপহালিয়া টি, ইষ্টেট	৩৬৩৩ বিঘা ২ কঠা ১০ লেচা
৩।	বামুল + বামুনবৰীয়া টি, ইষ্টেট	৯০২ বিঘা ৩ কঠা ৭ লেচা
৪।	দিকচম টি, ইষ্টেট	১০৩৮ বিঘা ০ কঠা ১১ লেচা
	ব্লক ২৩৯ ৰামেশ্বৰ চহৰীয়া গ্ৰেন্ট	
৫।	দওৰী টি, ইষ্টেট	৭৩১ বিঘা ০ কঠা ১ লেচা
৬।	জকটলী টি, ইষ্টেট	৫৬০৩ বিঘা ৪ কঠা ১৪ লেচা
৭।	লংবইয় টি, ইষ্টেট	১৫৮৯ বিঘা ২ কঠা ১১ লেচা
৮।	ৰাজগড় টি, ইষ্টেট	৩৬৯৭ বিঘা ১ কঠা ১৪ লেচা
৯।	আজিজ বাগ টি, ইষ্টেট	২৮১১ বিঘা ৩ কঠা ১৭ লেচা
১০।	কৰঙগনি টি, ইষ্টেট	২৫৫১ বিঘা ২ কঠা ১৭ লেচা
১১।	চুৰাজ-চৰুজনী টি, ইষ্টেট	২৬৪৬ বিঘা ১ কঠা ১ লেচা
১২।	নীলমনি টি, ইষ্টেট	২৬৮৫ বিঘা ১ কঠা ৩ লেচা
১৩।	কেন্দুগুড়ি টি, ইষ্টেট	৩০৭২ বিঘা ২ কঠা ১ লেচা
১৪।	টিংখং টি, ইষ্টেট	৩১০৫ বিঘা ১ কঠা ১৭ লেচা
১৫।	ছালমাৰি টি, ইষ্টেট	২৫৮৪ বিঘা ৩ কঠা ৫ লেচা
১৬।	তিনিআলি টি, ইষ্টেট	৪৪৫৩ বিঘা ১ কঠা ১২ লেচা
১৭।	পৰ্ব্বতীয়াপুৰ টি, ইষ্টেট	৬৫৬ বিঘা ১ কঠা ৪ লেচা
১৮।	দেওৰীৰাম টি, ইষ্টেট	১৪৭৯ বিঘা ০ কঠা ৩ লেচা

চাহ বাগিছা আৰু কোম্পানীৰ নাম	দখলীকৃত মাটিৰ পৰিমাণ
১৯। অমূল্যবাৰী টি, ইষ্টেট	৪১৫ বিঘা ৪ কঠা ২ লেচা
২০। ধেলিয়া টি, ইষ্টেট	২০৮ বিঘা ২ কঠা ৭ লেচা
২১। আছুবাগ টি, ইষ্টেট	১৫০ বিঘা ৪ কঠা ১৯ লেচা

(খ) ক্ষুদ্ৰ চাহ খেতিৰ বাবে ৩৬,৯৮২ বিঘা ৪ কঠা ০ লেচা মাটি ব্যৱহাৰ কৰি আছে। চৰকাৰৰ নিয়ম-নীতি সাপেক্ষে পৰীক্ষা কৰি চোৱা হ'ব।

(গ) জিলা উপায়ুক্তসকলৰ পৰা পোৱা তথ্যমতে অইল ইণ্ডিয়া লিমিটেডে এতিয়ালৈকে সমগ্ৰ অসমত ৩৯,৫৫০ বিঘা ০ কঠা ০ লেচা মাটি ব্যৱহাৰ কৰি আছে।

টিংখং সমষ্টিত অইলে ৬৪৮ বিঘা ৪ কঠা ০ লেচা মাটি ব্যৱহাৰ কৰি আছে।

Sub : Repairing of bridge.

Shri Abdul Khaleque asked :

10. Will the Minister of Revenue be pleased to state :

(a) Is it a fact that a proposal for "Repairing of timber bridge No. 4/1 on Barpeta-Jania portion of Daulashal-Barpeta-Jania P.W.D. Road under CRF (FDR) 2004-2005 was processed in Revenue Department's file No. RGR.

860/2004-05 under CRF (FDR)?

(b) Is it also fact that the said proposal was approved by the then Revenue Minister and the Commissioner Revenue but sanction for which could not be issued for promulgation of model code of conduct by the Election Commissioner ?

(c) Since movement of traffic remains disrupted on the road for non-repairing of the said bridge, will the Government consider issuance of sanction for repairing of the bridge now in the interest of public?

Dr. Bhumidhar Barman (Revenue Minister) replied :

(a) Yes.

(b) Yes.

(c) Necessary action is being taken for sanction.

Sub : Right to Information Act.

Dr. Alaka Sarma asked :

11. Will the Minister of Administrative Reforms be pleased to state :

(a) How many application have been submitted under RTI Act, in Assam?

(b) Give a list of officers from each department/each district who are designated as appeallate authority for concerned department/district?

(c) Place a copy of guidelines regarding the scope of seeking information and accountability of officers under RTI ?

Dr. Bhumidhar Barman (Minister of Administrative Reforms) replied :

(a) & (b) As per Section 25 of RTI Act, 2005 the responsibility for compiling such information is vested with the State Information Commission. The State Information Commission is to prepare an Annual Report at the end of Calendar Year and submit a copy to the State Government Receipt of such report from the Commission is being awaited.

(c) A copy of "User's Guide" is placed on the table of the House. (See Annexure-XVIII)

Sub : Distribution of relief.

Shri Kartik Sena Sinha asked :

12. Will the Minister of Revenue be pleased to state :

(a) Will the Government furnish the details of expenditure incurred by the Government during heavy flood in Karimganj district, specially for Patharkandi Circle for distribution of Relief materials during June, 2006?

(b) Whether the Government has provided any relief to the people affected by floods during june, 2006, other than food and breads ? (furnish elaborately)

(c) Whether the Government will establish any permanent Relief & Rehabilitation centres to save the public with belongings at Patharkandi where every year floods water destroy properties of the poor public ?

Dr. Bhumidhar Barman (Revenue Minister) replied :

(a) An amount of Rs. 52,01,816.00 (Fifty-two lakh one thousand eight hundred sixteen) only have been expended for providing relief to the flood affected families in Karimganj district in the year 2006. Out of this amount, an amount of Rs. 19,34,512.00 (Nineteen lakh thirty four thousand five hundred twelve) only was incurred expenditure in Patharkandi Revenue Circle for providing relief during 2006. Details of expenditure incurred by the Government during flood in Karimganj District and Patharkandi Revenue Circle is shown below :

Item of Expdtr.	Karimganj district (in Qtls.)	Amount (in Rs.)	Patharkandi Revenue Circle (in Qtls.)	Amount (in Rs.)
1. Rice	3360.25	29,11,253.00	1264.00	10,95,104.00
2. Dal	473.30	15,87,154.00	203.00	7,10,500.00
3. Salt	135.37	25,630.00	59.00	11,170.00
4. Hire charges of vehicles	–	3,35,270.00	–	67,054.00
5. Cost of P.O.L.	–	1,44,863.00	–	22,972.00
6. Hire charges of boats	–	1,71,170.00	–	18,900.00
7. Contingency expenditure	–	26,476.00	–	8,812.00
		52,01,816.00		19,34,512.00

(b) Other than Gratuitous Relief to the flood affected families in Karimganj district, the District Administration provided adequate medical and sanitation measures to the camp inmates affected by floods during 2006.

(c) Government in Revenue Department will take-up for consideration for construction of shelter places for flood affected families on receipt of proposal from District authority.

However, Government through District Rural Development Agency under SGRY Special Programme has taken up construction of some raised platform for providing shelter to flood affected people in Karimganj district as well as in Patharkandi Revenue Circle area. Works for construction of raised platforms for an estimated cost of Rs. 10.00 lakh is in progress under Patharkandi Block.

বিষয়ঃ সীমান্ত অঞ্চলৰ জনসংখ্যা আৰু উন্নয়ন।

শ্ৰীমতী কমলী বসুমতাৰীয়ে সুধিছেঃ

১৩। মাননীয় সীমান্ত উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ভূটান আৰু বাংলা সীমান্ত অঞ্চলৰ কোনখন জিলাত কি কি Dev. Block অন্তৰ্ভূক্ত হৈছে?

(খ) প্ৰতিটো Blockৰ সীমান্ত অঞ্চলৰ জনসংখ্যা কিমান?

(গ) সীমান্ত অঞ্চল উন্নয়ন পুঁজিৰ পৰা সেই অঞ্চলবিলাক উন্নয়ন কৰিবৰ কাৰণে বিশেষ কিবা ব্যৱস্থা লৈছেনে?

(ঘ) যদি লোৱা হৈছে, কি ব্যৱস্থা লৈছে?

(ঙ) ২০০৬-০৭ বিত্তীয় বৰ্ষত সীমান্ত অঞ্চল উন্নয়নৰ কাৰণে চৰকাৰে কেন্দ্ৰৰ পৰা কিমান টকা আৱন্টন পালে?

(চ) এই আৱন্টিত ধনেৰে আঁচনি ৰূপায়ণ কৰিবৰ কাৰণে কিমান ধন মঞ্জুৰী দিয়া হ'ল?

(Blockwise আঁচনিৰ নাম আৰু ধনৰ পৰিমাণ দিব)

শ্ৰীগৌতম ৰায় (সীমান্ত উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) উত্তৰ পৰিশিষ্ট-'ক'ত দেখুৱা হৈছে। (See Annexure-XIX)

(খ) উত্তৰ পৰিশিষ্ট-'ক'ত দেখুৱা হৈছে। (See Annexure-XIX)

(গ) হয়, লোৱা হৈছে।

(ঘ) আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলৰ উন্নয়নৰ বাবে ভাৰত চৰকাৰে প্ৰবৰ্ত্তন কৰা সীমান্ত অঞ্চল উন্নয়ন আঁচনি (BADP)১৯৯৩-৯৪ চনৰ পৰা ভাৰত বাংলাদেশ সীমান্ত অঞ্চললৈ সম্প্ৰসাৰিত কৰা হয়। এই আঁচনিয়ে ১৯৯৯-২০০০ চনত ভাৰত-ভূটান সীমান্ত

এলেকা, উন্নয়নো সামৰি লয়। তেতিয়াৰ পৰাই ভাৰত-ভূটান, ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলৰ উন্নয়ন খণ্ড এলেকাত BADP আঁচনি ৰূপায়ণ হৈ আহিছে। এই আঁচনিৰ আধাৰত সীমান্ত অঞ্চলত ৰাস্তা-ঘাট নির্মাণ, খোৱা-পানী যোগান, সমূহীয়া ঘৰ নির্মাণ, স্কুলঘৰ নির্মাণ তথা সীমান্ত আৰক্ষী চকী সমূহক নির্মাণ ও Link Road নির্মাণ আদি কার্য্য কৰি অহা হৈছে।

ইয়াৰ ওপৰি ভাৰত চৰকাৰৰ দ্বাৰা প্ৰৱর্ত্তিত BADP আঁচনিৰ আধাৰত বিশেষ অঞ্চল আঁচনি (Specific area scheme) হিচাবে আদর্শ গাওঁ, পানী যোগান আঁচনি চলিত বিত্তীয় বর্ষত অসম চৰকাৰে প্রস্তুত কৰিছে আৰু আঁচনিসমূহৰ ৰূপায়ণ অহা বিত্তীয় বর্ষৰ পৰা হোৱাৰ কথা।

(ঙ) ২০০৬-০৭ বিত্তীয় বর্ষত সীমান্ত অঞ্চল উন্নয়নৰ বাবে ১৩৫২ লাখ টকা আৰু বিশেষ অঞ্চল আঁচনিৰ (Specific area scheme)ৰ বাবে ৭৯৩.৪৫ লাখ টকা আৱন্টন পাইছে।

(চ) এতিয়ালৈকে কোনো ধনৰ মঞ্জুৰী দিয়া হোৱা নাই। মাত্র ৫৫১.৭৩ লাখ টকাৰ বিপৰীতে প্রশাসনীয় অনুমোদন কিছু আঁচনিৰ বাবে দিয়া হৈছে।

বিষয়ঃ পাট্টার ব্যৱস্থা।

শ্রীছিদ্দিক আহমেদে সুধিছেঃ

১৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) করিমগঞ্জ জিলার বন্দর কোনো গাওঁ পঞ্চায়েতে উত্তর বন্দর

কোনা, দক্ষিণ বন্দর কোনা এবং এরালিগুল এরিয়ান সরকারী জমিতে বিনা খাজনায় এবং সরকারী বিনা অনুমতিতে প্রায় ৫০ (পঞ্চাশ) বৎসর থেকে কয়েক হাজার মানুষ বসবাস করেছেন, এই সম্পর্কে চরকার অৱগত আছেন কি ?

(খ) যদি জ্ঞাত এদের জমির পাট্টার ব্যৱস্থা করা হচ্ছে কি ? যদি হচ্ছে, কত পরিবারকে দেওয়া হচ্ছে ? বাকী পরিবার গুলির পাট্টার ব্যৱস্থা কখন করা হবে ?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) হ্যা, করিমগঞ্জ জেলার বন্দরকোনা গাওঁ পঞ্চায়তের অন্তর্গত উত্তর বন্দরকোনা, দক্ষিণ বন্দরকোনা এবং এরালিগুল মৌজার চিলিং সরকারী জমিতে ৫৫০ পরিবারের ২০৬০ টি মানুষ প্রায় ১২-১৫ বৎসৰ থেকে বসবাস করে আছেন।

(খ) চিলিং সরকারী জমিতে বাস করা দক্ষিণ বন্দরকোনা মৌজার ৫০টি পরিবারকে শীঘ্র দখলে থাকা জমির আৱন্টন দেওয়ার ব্যৱস্থা করা হয়েছে।

বাকী যোগ্য পরিবার গুলিকেও প্রচলিত আইনমতঃ পরীক্ষা করে জমি আৱন্টন এবং পট্টনের ব্যৱস্থা করা যাবে।

Sub : F.D.R. Scheme.

Dr. Kamala Kanta Kalita asked :

15. Will the Minister of Water Resources be pleased to state :

(a) How many F.D.R. Schemes so far undertaken by the Deptt. in P.G.P., W.R. Division during 2003-04, 2004-05, 2005-06 and 2006-07?

(b) Name of the schemes and total amount of money for the schemes?

(c) Total length of the dyke under the Division?

(d) What are the schemes under C.R.F. so far taken up during the above mentioned years and total amount for that?

Shri Bharat Chandra Narah (Minister of Water Resources) replied :

(a) P.G.P. (W.R.) Division had undertaken 15 (fifteen) Nos. of F.D.R. schemes in total during the year 2003-04, 2004-05, 2005-06 and 2006-07.

(b) The name of the schemes are enclosed in Annexure-I amounting to total Rs. 1085.87 lakhs. (See Annexure-XX)

(c) Total length of dyke under P.G.P. (W.R.) Division is 18.60 Km.

(d) The names of the schemes are same as at (b) above. The schemes were executed under C.R.F. Head and the schemes comes to Rs. 1085.87 lakhs.

বিষয় ঃ ধার্য্য কৰা টকাৰ পৰিমাণ।

শ্ৰীপ্ৰণৱ কলিতাই সুধিছে ঃ

১৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৫-০৬ বৰ্ষত অসমত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে সৰ্ব্বমুঠ কিমান টকা ধার্য্য কৰা হৈছিল ? উক্ত টকাৰ ক'ত ক'ত কি আঁচনিৰ বাবে আৰু কিমান টকাৰ অনুমোদন দিয়া হৈছিল ? আঁচনিসমূহ স্থায়ী নে অস্থায়ী ? উক্ত বৰ্ষত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া ৰোধৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসমলৈ কিমান টকাৰ অনুমোদন দিছিল আৰু ইয়াৰ এতিয়ালৈ কিমান টকা খৰছ হ'ল ?

(খ) পলাশবাৰীত বৰ্ত্তমান চলি থকা ভয়ংকৰ গৰাখহনীয়া ৰোধ কৰাৰ বাবে চৰকাৰে স্থায়ী সমাধানৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে, বাৰিষাৰ আগতে কাম আৰম্ভ হ'বনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৫-০৬ বৰ্ষত অসমত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে সৰ্ব্বমুঠ ৫৩২.০০ লাখ টকা ধার্য্য কৰা হৈছিল। উক্ত টকাৰ ক'ত ক'ত কি আঁচনিৰ বাবে আৰু কিমান টকাৰ অনুমোদন দিয়া হৈছিল তাৰ বিৱৰণ পৰিশিষ্ট- ১ত দিয়া হৈছে। আঁচনিসমূহ হ্ৰস্বম্যাদী স্থায়ী আঁচনি। (See Annexure-XXI)

(খ) পলাশবাৰীত বৰ্ত্তমান চলি থকা ভয়ংকৰ গৰাখহনীয়া ৰোধ কৰাৰ বাবে ৫৯৩১.৭৫ লাখ টকাৰ এখন আঁচনি ৪০তম কাৰিকৰী উপদেষ্টা সমিতিত অনুমোদন হৈছে। স্থায়ী সমাধানৰ বাবে এচিয়ান ডেভেলপমেন্ট বেংকৰ অধীনত (A.D.B.) ২৮৭.৫৬ কোটি টকাৰ এখন থুলমুল আঁচনি (Comprehensive Project) প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

বিষয় ঃ সাহায্য নোপোৱা মানুহৰ সংখ্যা।

শ্ৰীপদ্ম হাজৰিকাই সুধিছেঃ

১৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

২০০৪-২০০৫, ২০০৫-০৬ আৰু ২০০৬-০৭ বছৰত চতিয়া সমষ্টিৰ অন্তৰ্গত কিমান মানুহক পুনৰ সংস্থাপনৰ অধীনত সাহায্য দিয়া হ'ল আৰু কিমান মানুহক সাহায্য দিবলৈ বাকী আছে? (তালিকা সদনৰ মেজত দাখিল কৰিব)

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

প্ৰাকৃতিক দুৰ্য্যোগত আক্ৰান্ত পৰিয়াললৈ উপায়ুক্তৰ পৰা পোৱা প্ৰস্তাৱ/প্ৰতিবেদনৰ ভিত্তিত পুনৰ সংস্থাপন অনুদান মঞ্জুৰী দিয়া হয়। এই প্ৰস্তাৱ উপায়ুক্তই সমষ্টিভিত্তিত দাখিল নকৰে।

২০০৪ বৰ্ষত কোনো লোককে পুনৰ সংস্থাপনৰ অধীনত সাহায্য দিয়া হোৱা নাই। ২০০৫-০৬ বৰ্ষত শোণিতপুৰ জিলাৰ ৭১৫টা পৰিয়ালক ধুমুহাত ঘৰ ধ্বংস হোৱা বাবে মুঠ ৪,৩৪,৫০০.০০ টকা পুনৰ সংস্থাপন অনুদান মঞ্জুৰ কৰা হৈছে।

বিষয় ঃ বানপানী প্রতিৰোধ।

শ্রীবলিন চেতিয়াই সুধিছে ঃ

১৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

কুন্দিল নদীৰ গৰাখহনীয়া অম্বিকাপুৰলৈ সম্প্রসাৰণ ৰোধ কৰা আৰু লগতে ব্রহ্মপুত্র নৈৰ দুয়োপাৰে বান্ধ নির্মাণ কৰি বানপানী নিয়ন্ত্রণ কৰাৰ কি ব্যৱস্থা লৈছে?

শ্রীভৰত চন্দ্র নৰহ (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

কুন্দিল নদীৰ গৰাখহনীয়া অম্বিকাপুৰলৈ হোৱা সম্প্রসাৰণ ৰোধ কৰাৰ লগতে ব্রহ্মপুত্র নদীৰ দুয়োপাৰে নতুনকৈ বান্ধ নির্মাণ কৰাৰ বাবে এই বিভাগে বর্ত্তমানলৈ কোনো আঁচনি হাতত লোৱা নাই।

বিষয় ঃ মাটিৰ পট্টা।

শ্রীচন্দী বসুমতাৰীয়ে সুধিছে ঃ

১৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত পঞ্চাশ বছৰতকৈ অধিক কাল বসবাস কৰি অহা PGR/VGR মাটিত থকা ব্যক্তিসকলক ম্যাদী পট্টা দিয়া হ'ব নেকি?

(খ) ৫৮ নং তামুলপুৰ বিধান সভা সমষ্টিৰ N/K আঙ্গাৰকাটা এলেকাত PGR/VGR কর্ত্তন কৰি ম্যাদী পট্টা দিয়া হ'ব নেকি?

(গ) ১। যদি দিয়া হয়, কেতিয়া দিয়াৰ ব্যৱস্থা কৰিব?

২। যদি দিয়া নহয়, কিয় দিয়া নহয় কাৰণ দর্শাবনে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) জিলা/মহকুমা ভূমি উপদেষ্টা সমিতিৰ অনুমোদন থকা মাননীয় উপায়ুক্তসকলৰ পৰা পোৱা প্রস্তাৱ বিবেচনা কৰি সিদ্ধান্ত লোৱা হয়।

(খ) এই অঞ্চল B.T.A.D. প্রশাসনৰ অধীনত।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ কৃষি মাটি বিক্রী।

শ্রীপৰিমল শুক্লবৈদ্যই সুধিছেঃ

২০। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কাছাৰ জিলাৰ নৰসিংপুৰ মৌজাৰ ৫নং খণ্ডস্থিত ৭৫ নং পট্টাৰ ১৯৮, ১৯৯ আৰু ২০৩ দাগৰ ২২ বিঘা কৃষি মাটি ব্যৱসায়ীক প্রতিষ্ঠানক বিক্রীৰ বিৰুদ্ধে কৃষি আৰু সমাজ বিকাশ সমিতি, পাৰেপাৰ, কাৱোগঞ্জ আৰু পট্টাৰ স্বত্ত্বাধিকাৰী কেইজনে (শ্রীবিধান সিংহ, শ্রীকনকপ্রভা সিংহ আৰু শ্রীকমলাৱতী সিংহ) ২০০৬ চনৰ কাছাৰ জিলাৰ উপায়ুক্তৰ ওচৰত আবেদন কৰিছিল নেকি ?

(খ) যদি কৰিছিল, তেনেহ'লে সেই ক্ষেত্রত জিলা উপায়ুক্তৰ ফালৰ পৰা কেনে ব্যৱস্থা হাতত লৈছিল ?

(গ) যদি ব্যৱস্থা লৈছিল, কি কি ব্যৱস্থা লৈছিল ? (বিতং তথ্য সদনৰ মেজত দিব)

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) হয়, প্রশ্নত উল্লেখিত ভূমি হস্তান্তৰ ক্ষেত্রত কাছাৰ জিলাৰ কৃষি

ও সমাজ বিকাশ সমিতি, পাকেপাৰ, কাৰোগঞ্জ এবং পট্টাৰ স্বত্ত্বাধিকাৰীসকলে আপত্তি দাখিল কৰিছিল।

(খ) আপত্তিমর্মে বিষয়টোৰ সন্দর্ভত ২৩/২০০৬ নং বিবিধ গোচৰ ৰুজু কৰি বিতং তদন্ত কৰি গোচৰ যোৱা ২২-১২-২০০৬ ইংৰাজী তাৰিখে নিষ্পত্তি কৰা হৈছে বুলি জনা গৈছে।

(গ) আপত্তিকাৰীসকলে বিক্রীৰ বাবে আবেদন কৰা মাটি কৃষি কামৰ বাদে আন কামত ব্যৱহাৰ হ'লে শস্যৰ উৎপাদনত প্রভাৱ পৰিব আৰু ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰিলে খ্রিষ্টিয়ান মিছনেৰীসকলৰ প্রভাৱত সেই অঞ্চলত হিন্দু ধর্মৰ পৰা খ্রিষ্টিয়ান ধর্মলৈ প্রৱর্ত্তন হোৱাৰ শংকা প্রকাশ কৰি গোচৰীয় মাটি বেচা-কিনাৰ ক্ষেত্রত আপত্তি দাখিল কৰিছিল।

কাছাৰ জিলাৰ উপায়ুক্তদেৱে বিষয়টো সংশ্লিষ্ট সহকাৰী বন্দোবস্তী প্রাধিকাৰী আৰু জিলা কৃষি বিষয়াৰ দ্বাৰা তদন্ত কৰোৱায়। তদন্তৰ প্রতিবেদনত জনা যায় যে গোচৰীয় মাটি বনৰীয়া ঘাঁহ-বনেৰে পৰিপূর্ণ জলাহ ভূমি আৰু বছৰৰ আধা সময় পানীৰ তলত থকা হেতু কৃষি কার্য্যৰ বাবে উপযোগী নহয়। আনহাতে আপত্তিকাৰীগণৰ গোচৰীয় মাটিত কোনো অংশ বা দখল নাই। স্থানীয় বাসিন্দাসকলে তেওঁলোকৰ পিছপৰা ভিতৰুৱা অঞ্চলত ইংৰাজী মাধ্যমৰ বিদ্যালয় হোৱাটো বাঞ্ছা কৰা বাবে কাছাৰ জিলাৰ উপায়ুক্তই সকলো দিশ বিচাৰ ক্রমে গোচৰীয় মাটিত ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰাৰ বাবে কিনা-বেচা কৰিবলৈ অনুমতি দি গোচৰ নিষ্পত্তি কৰা বুলি জনাইছে।

Sub : Rehabilitation of families.

Shri Majendra Narzary asked :

21. Will the Minister of Relief & Rehabilitation Department be pleased to state :

(a) Whether Government is aware that some riot affected families of various relief camps under Gossaigaon Sub-Division are yet to be rehabilitated?

(b) If so, how many families are still there in relief camps?

(c) What steps have been taken to rehabilitate these families?

Dr. Bhumidhar Barman (Minister of Relief and Rehabilitation) replied :

(a) Yes.

(b) 4,646 Nos. of families.

(c) The matter is under active consideration.

বিষয় ঃ পানী যোগান আঁচনি।

শ্রীৰাজু চাহৰে সুধিছে ঃ

২২। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চাবুৱা নগৰ সমিতিৰ অন্তর্গত পানী যোগান আঁচনিখন কার্য্যকৰী

কৰাৰ বাবে চৰকাৰৰ হাতত কোনো পৰিকল্পনা আছেনে ?

(খ) যদি আছে, ইয়াক কার্য্যকৰী কৰণার্থে কি ব্যৱস্থা গ্রহণ কৰিছে?

শ্রীদীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) হয়, আছে।

(খ) এই আঁচনিখনৰ কাৰণে কেন্দ্রীয় চৰকাৰৰ পৰা ৩১৩.৪৭ লাখ টকাৰ সংমোদন পোৱা হৈছে। আঁচনিখন কার্য্যকৰী কৰাৰ বাবে প্রশাসনীয় অনুমোদনৰ কাৰণে ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ আর্চেনিক আৰু ফ্লু'ৰাইডমুক্ত পানী।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছেঃ

২৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমৰ কোন কোন জিলাত আর্চেনিক আৰু মাত্রাধিক ফ্লু'ৰাইডযুক্ত বিষাক্ত পানী পোৱা গৈছে?

(খ) আর্চেনিক আৰু ফ্লু'ৰাইডযুক্ত বিষাক্ত পানী শোধন কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(গ) এই সম্পর্কত কেন্দ্রীয় চৰকাৰৰ লগত ৰাজ্য চৰকাৰে কিবা যোগাযোগ কৰিছেনে?

(ঘ) যদি কৰিছে, তেনেহ'লে কেন্দ্রীয় চৰকাৰে এই সম্পর্কত কি পৰামর্শ বা ব্যৱস্থা গ্রহণ কৰিছে?

শ্রীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগে চলোৱা পানী পৰীক্ষা জৰিপমতে

বৰ্ত্তমানলৈকে কামৰূপ, নগাওঁ, গোলাঘাট, কাৰ্বি আংলং, কৰিমগঞ্জ জিলাৰ ভূ-গৰ্ভস্থ পানীত মাত্ৰাধিক ফ্লু'ৰাইড আৰু ধুবুৰী, বঙাইগাওঁ, গোৱালপাৰা, বৰপেটা, নলবাৰী, কামৰূপ, দৰং, শোণিতপুৰ, লক্ষীমপুৰ, ধেমাজী, মৰিগাওঁ, নগাওঁ, গোলাঘাট, যোৰহাট, শিৱসাগৰ, হাইলাকান্দি, কাছাৰ আৰু কৰিমগঞ্জ জিলাৰ ভূ-গৰ্ভস্থ পানীত মাত্ৰাধিক আৰ্চেনিকৰ প্ৰমাণ পোৱা গৈছে।

(খ) জনস্বাস্থ্য কাৰিকৰী বিভাগে ভূ-গৰ্ভস্থ পানীত আৰ্চেনিক আৰু ফ্লু'ৰাইড থকাৰ প্ৰমাণ পোৱা অঞ্চলসমূহত বিকল্প উৎসৰ জৰিয়তে পৰ্য্যায়ক্ৰমে গ্ৰহণ কৰিছে। ইতিমধ্যে কামৰূপ জিলাৰ দুটা, নগাওঁ জিলাৰ দুটা, কাৰ্বি আংলং জিলাৰ ৪টা চুবুৰীলৈ ফ্লু'ৰাইডমুক্ত পানীৰ আৰু কাছাৰ জিলাৰ ২টা চুবুৰীলৈ আৰ্চেনিকমুক্ত পানীৰ যোগান ধৰা হৈছে।

(গ) এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

(ঘ) কেন্দ্ৰীয় চৰকাৰে ফ্লু'ৰাইড আৰু আৰ্চেনিকমুক্ত পানী যোগানৰ বাবে আঁচনি গ্ৰহণৰ পৰামৰ্শ তথা আঁচনি ৰূপায়ণৰ বাবে "ছাব-মিচন" শিতানত শতকৰা ৭৫ ভাগ পুঁজি যোগানৰ ব্যৱস্থা কৰিছে।

বিষয় ঃ বিদেশী চিনাক্তকৰণ।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

২৪। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিদেশী চিনাক্তকৰণ আৰু বহিস্কাৰৰ বাবে চৰকাৰৰ কোন বিভাগে

দায়িত্ব পালন কৰে ?

(খ) বিদেশী চিনাক্তকৰণ আৰু বহিস্কাৰৰ বাবে উক্ত বিভাগত মুৰব্বী হিচাবে থকা বিষয়াজনৰ পদবীৰ নাম কি ?

(গ) উল্লেখ কৰা বিষয়া গৰাকীৰ অধীনত সৰ্ব্বমুঠ কিমানজন বিষয়া আৰু কৰ্মচাৰী থাকে ?

ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিদেশী চিনাক্তকৰণ আৰু বহিস্কাৰৰ বাবে অসম চৰকাৰৰ গৃহ/ ৰাজনৈতিক বিভাগৰ অধীনস্থ আৰক্ষী (সীমান্ত) বিভাগে দায়িত্ব পালন কৰে।

(খ) অসম আৰক্ষী সীমান্ত বিভাগত মুৰব্বী হিচাপে থকা বিষয়াজনৰ পদবীৰ নাম "অতিৰিক্ত আৰক্ষী সঞ্চালক প্রধান (সীমান্ত)"।

(গ) সৰ্ব্বমুঠ ৪০০২জন বিষয়া আৰু কৰ্মচাৰী আছে।

বিষয় ঃ গঙ্গাধৰ নদীৰ গৰাখহনীয়া।

মোঃ মহিবুল হকে সুধিছে ঃ

২৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গৌৰীপুৰ সমষ্টিৰ অন্তর্গত নালিয়াবেৰভাঙ্গি অঞ্চলৰ সীমান্তত যোৱা ১ বছৰ ধৰি ব্যাপক হাৰত গঙ্গাধৰ নদীৰ গৰাখহনীয়া হৈ থকাটো চৰকাৰ অৱগতনে ?

(খ) এই গৰাখহনীয়া প্রতিৰোধ নহ'লে ভাৰত-বাংলাদেশ সীমান্ত ৰাষ্ট্রীয় সমস্যা উদ্ভাৱন হোৱা সম্ভাৱনাৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(গ) ৰাষ্ট্ৰীয় সমস্যাৰূপে দেখা দিয়াৰ আগতে এই গৰাখহনীয়া যুদ্ধ-কালীনভাবে গতিৰোধৰ দায়িত্ব চৰকাৰে লবনে ?

(ঘ) যিহেতু বিষয়টো ৰাষ্ট্ৰীয় সমস্যা হোৱাৰ সম্ভাৱনা আছে সেয়ে আগতীয়াকৈ কেন্দ্ৰীয় চৰকাৰক অৱগত কৰিবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) পৰিস্থিতি বিভাগৰ পৰ্য্যবেক্ষণত আছে।

(গ) প্ৰয়োজন সাপেক্ষে জৰুৰী ব্যৱস্থা হাতত লোৱা হ'ব।

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ সৈতে ব্যৱস্থা লোৱাৰ যো-জা কৰা হৈছে।

বিষয় ঃ খাছ মাটিৰ দখল উচ্ছেদ।

শ্ৰীৰচুল হকে সুধিছে ঃ

২৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰীৰ খাছ মহলত স্থাপন কৰা Go-down ঘৰ, ক্লাব আদিৰ নামত কোনো Allotment proposal ready কৰা হৈছে নেকি ? উপৰোক্ত বিষয়ৰ ওপৰত কোনো ধৰণৰ Eviction পদক্ষেপ হাতত লৈছে নেকি ? (Go-down ঘৰ, ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান, ক্লাব আদিৰ বিতং তথ্য জনাব)

(খ) ধুবুৰী চহৰৰ মাজমজিয়াত ওৱার্ড নং- ৫, ৩নং বালুচৰত শনি মন্দিৰৰ কাষত অৱস্থিত জনৈক কানু আগৰৱাল নামৰ ব্যক্তিগৰাকীয়ে ১বিঘা খাছ মাটি দখল কৰি ইষ্ট ইণ্ডিয়া কোৰিয়াৰ নামৰ এটা ব্যক্তিগত খণ্ডক মাহিলী ভাড়াত দিয়া বিষয়টো চৰকাৰ

জ্ঞাতনে ? যদি জ্ঞাত, ইয়াৰ বিৰুদ্ধে কি ব্যৱস্থা হাতত লৈছে আৰু কিমান দিনৰ ভিতৰত কাৰ্য্যকৰী কৰিব ?

(গ) ধুবুৰী সমষ্টিৰ চৰ অঞ্চলত বিশেষকৈ ভাষানী চৰ ১ম ও ২য় খণ্ডত মাটি জৰীপৰ বাবে আজি ৩বছৰৰ পৰা কোনো লাট মণ্ডল নোযোৱাৰ কাৰণ কি ? উক্ত অঞ্চলসমূহত কেতিয়া লাট মণ্ডল পঠিওৱাৰ ব্যৱস্থা কৰিব ?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰীৰ খাছ মহলত গুদাম ঘৰ আদিৰ নামত কোনো আৰন্টন প্রস্তাৱ প্রস্তুত কৰা হোৱা নাই। গুদাম ঘৰ, ক্লাব আদি উচ্ছেদৰ কোনো প্রক্রিয়া হাতত লোৱা হোৱা নাই।

(খ) ধুবুৰী টাউন খাছ মহলৰ ৭২নং পট্টাৰ ৩৩৮নং দাগৰ মাটিত ইষ্ট ইণ্ডিয়া কোৰিয়াৰ নামৰ এটা সস্থা আছে। এই মাটিডোখৰ পট্টাভূক্ত মাটি আৰু পট্টাদাৰ হিচাবে শ্রীকানাই আগৰৱালাৰ নাম নথিভূক্ত হৈ আছে।

(গ) ধুবুৰী জিলাত বন্দৱস্তী প্রক্রিয়াৰ কাম চলি আছে। ৰাজহ আৰু ভূমিলেখ্য নিয়মাৱলীৰ ধাৰামতে উক্ত প্রক্রিয়াৰ কাম কেবাটাও ত্বৰত কৰা হয়।

ভাষানী চৰ প্রথম খণ্ড আৰু দ্বিতীয় খণ্ড গাওঁ দুখনৰ জৰীপ আৰু নথি প্রত্যয়নৰ কাম সমাপ্ত হৈছে। ৰাজহ্ নিৰিখ অনুমোদনৰ বাবে গ্রুপ প্রস্তাৱ চৰকাৰলৈ পঠোৱা হৈছে। অনুমোদিত ৰাজহ নিৰিখ পোৱাৰ পিছত ৰাজহ নথি প্রত্যয়নৰ কার্য্যসূচী হাতত লৈ মণ্ডল/চুকাক উক্ত গাওঁ দুখন লৈ পঠোৱা হব। ইতিমধ্যে এজমালী পট্টাদাৰসকলৰ নাম কর্ত্তন সম্পর্কে বিশেষ কার্য্যসূচী লোৱা হৈছে। পর্য্যায়ক্রমে উক্ত গাওঁ দুখন লৈ মণ্ডল/চুকাক পঠোৱা হব।

বিষয় ঃ যৌথ পট্টা।

শ্রীআব্দুল আজিজে সুধিছেঃ

২৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমত এতিয়ালৈকে মাটিৰ মালিকসকলৰ মাজত যৌথ পট্টা প্রচলিত হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যৌথ পট্টাৰ বাবে চৰকাৰী ৰাজহ আদি দিয়াৰ ক্ষেত্রত হোৱা বিভিন্ন সমস্যাৰ বিষয়ে চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, এইপট্টাসমূহ ব্যক্তিগত হিচাপে (Individual) প্রদান কৰাৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি কৰে, কেতিয়াৰ পৰা কৰিব?

ডাঃ ভুমিধৰ বর্মন (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) হয়, অৱগত।

(খ) হয়, অৱগত।

(গ) আৰু (ঘ) অসম ভুমি ও ৰাজহ অধিনিয়ম ১৮৮৬ৰ আধাৰত পুনঃ বন্দৰস্তী জৰীপ পথাৰ বটোৱাৰা আৰু অফিচ বটোৱাৰাৰ দ্বাৰা যৌথ পট্টাসমূহ ব্যক্তিগত (Individual) কৰাৰ বাবে ব্যৱস্থা লোৱা হৈ আছে।

বিষয় ঃ মাটিৰ পৰিমাণ।

শ্রীকমলসিং নার্জাৰীয়ে সুধিছেঃ

২৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বিজনী সমষ্টিৰ অন্তর্গত ৰাজহ এলেকাত মুঠ মাটিৰ পৰিমাণ কিমান?

(খ) ইয়াৰে কিমান পৰিমাণৰ মাটি ম্যাদি পট্টাৰ কিমানখিনি মাটি একচনীয়া পট্টাৰ, কিমানখিনি মাটি তৌজী বাহিৰা আৰু সমষ্টিত খাছ মাটিৰ পৰিমাণ কিমান ? (বিতং তথ্য দিব)

(গ) কৃষকৰ দখলাধীন মাটিবোৰ ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা আছেনে ? যদি আছে, কি পদ্ধতিত এই মাটিবোৰৰ পট্টা দিয়া হ'ব ? (তথ্যসহ দিব)

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিজনী সমষ্টিৰ অন্তর্গত ৰাজহ এলেকাত মুঠ মাটিৰ পৰিমাণ ২,৫৪,৫৬৯ বিঘা ২ কঠা ৫ লেচা।

(খ) উক্ত মুঠ মাটিৰ ১,৪৫,২৩৮ বিঘা ১ কঠা ৯ লেচা ম্যাদি পট্টাৰ, ২৫,৪৬৫ বিঘা ১৩ লেচা একচনীয়া পট্টাৰ, ১,৬৭৯ বিঘা ৩ কঠা ৫ লেচা তৌজী বাহিৰা আৰু ১,০৩,২৭৭ বিঘা ৩ কঠা ৫ লেচা চৰকাৰী মাটি হয়।

(গ) তদন্তৰ ভিত্তিত ভূমিনীতিৰ আধাৰত ব্যৱস্থা লোৱা হয়।

বিষয় ঃ আঁচনি ৰূপায়ণ।

শ্রীহাফিজ বছিৰ আহমেদে সুধিছে ঃ

২৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত জলসম্পদ বিভাগত বিগত ২০০১-০৬ লৈ সর্ব্বমুঠ কিমান টকা মঞ্জুৰী দিয়া হৈছিল ? তাৰে কিমান টকা বিলাসীপাৰা উপ-সংমণ্ডলত কি কি আঁচনিৰ বিপৰীতে আৰু ক'ত ক'ত ধার্য্য কৰা হৈছিল ? (পৃথক পৃথককৈ তথ্য সহকাৰে জনাব)

(খ) উক্ত আঁচনিৰ বিলাসীপাৰা পশ্চিম সমষ্টিত কিমানটা আঁচনি ক'ত ক'ত ৰূপায়ণ কৰা হৈছে আৰু কোন আঁচনিৰ বিপৰীতে কিমান টকা ব্যয় কৰা হৈছে? (Operation Planসহ বিস্তাৰিত ভাবে দাখিল কৰিব)

শ্রীভৰত চন্দ্র নৰহ (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাত ধুবুৰী জলসম্পদ সংমণ্ডলৰ অধীনত বিগত ২০০১-০৬লৈ সৰ্ব্বমুঠ ২৪৫৬.২৭৪ লাখ টকা মঞ্জুৰী দিয়া হৈছিল? ইয়াৰে মুঠ ৪৩.৮৩ লাখ টকা প্রাক্কলন মূল্যৰ দুখন আঁচনি বিলাসীপাৰা জলসম্পদ উপ-সংমণ্ডলৰ অধীনত F.D.R. শিতানত ধার্য্য কৰা হৈছিল। (আঁচনি সবিশেষ তথ্য পৰিশিষ্টত দেখুওৱা হৈছে)

(খ) উক্ত আঁচনিসমূহৰ এখন আঁচনি বিলাসীপাৰা পশ্চিম বিধান সভা সমষ্টিৰ বগৰীবাৰী পোনেনয়ানী অঞ্চলত ৰূপায়ণ কৰা হৈছে। ২০.২৮ লাখ টকা প্রাক্কলন মূল্যৰ এই আঁচনিৰ বাবদ বর্ত্তমানলৈকে পুঁজি আৱন্টন নোপোৱাৰ বাবে ব্যয় কৰা হোৱা নাই। (আঁচনিৰ সবিশেষ পৰিশিষ্ট 'ক'ত দেখুওৱা হৈছে) (See Annexure-XXII)

বিষয় ঃ ভ্রমণ সূচী।

শ্রীকেশৰ মহন্তই সুধিছে ঃ

৩০। মাননীয় সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ২৮ নবেম্বৰৰ তাৰিখে সংসদীয় পৰিক্রমা বিভাগে দিয়া

জাননী অনুসৰি গঠন হোৱা Consultative Committeeসমূহ বৰ্ত্তমান সময়লৈকে সংশ্লিষ্ট বিভাগসমূহে কিমানখন বৈঠক অনুষ্ঠিত কৰিলে? (প্ৰতিটো বিভাগৰ সুকীয়া সুকীয়াকৈ জনাব)

(খ) সমিতি সমূহৰ ইতিমধ্যে ভ্ৰমণসূচী গ্ৰহণ কৰিছে নেকি? (বিতংকৈ জনাব)

(গ) সমিতিসমূহে বিভিন্ন বিভাগত লোৱা সিদ্ধান্তসমূহ সুকীয়া সুকীয়াকৈ সদনৰ মেজত দাখিল কৰিবনে?

(ঘ) সমিতিয়ে দিয়া অনুমোদনসমূহ বিভাগসমূহে কাৰ্য্যকৰী কৰিছে নেকি? যদি কৰিছে, কোনকেইটা বিভাগে অনুমোদনসমূহ কাৰ্য্যকৰী কৰিছে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) পৰামৰ্শ সমিতিৰ শিক্ষা বিভাগে প্ৰথমখন বৈঠক ৬/১/২০০৭ তাৰিখে, ৰাজহ বিভাগে ১৩/১২/২০০৬ তাৰিখে পৰামৰ্শ সমিতিৰ বৈঠক অনুষ্ঠিত কৰে, লগতে সাংস্কৃতিক পৰিক্ৰমা বিভাগে প্ৰথমখন বৈঠক ২৩/২/২০০৭ তাৰিখে আৰু সমাজ কল্যাণ বিভাগে অহা ২/৩/২০০৭ তাৰিখে আহ্বান কৰিছে।

(খ) এতিয়ালৈকে কৰা নাই।

(গ) শিক্ষা বিভাগ আৰু ৰাজহ বিভাগে লোৱা বৈঠকৰ সিদ্ধান্তসমূহ লগত গাঁঠি দিয়া হ'ল। (See Annexure-XXIII)

(ঘ) ৰাজহ বিভাগৰ সমিতিয়ে দিয়া অনুমোদনসমূহ পৰীক্ষা কৰি ব্যৱস্থা গ্ৰহণ কৰিব, লগতে শিক্ষা বিভাগৰ সমিতিয়ে দিয়া অনুমোদন সমূহ কাৰ্য্যকৰী কৰাৰ পদক্ষেপ হিচাবে প্ৰাথমিক শিক্ষা সঞ্চালকে

বৰ্ত্তমানলৈকে শিৱসাগৰ জিলাৰ শিক্ষকসকলৰ দৰমহা মুকলি কৰি দিয়াৰ ক্ষেত্ৰত চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে। আনহাতে মাধ্যমিক শিক্ষা সঞ্চালক মহোদয়ে শিৱসাগৰ জিলাৰ মাধ্যমিক শিক্ষাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ শিক্ষক, কৰ্মচাৰীসকলৰ দৰমহা মঞ্জুৰী আদি ইতিমধ্যে মোকোলাই দিছে।

বিষয় ঃ মথাউৰী নিৰ্মাণ।

শ্ৰীআব্দুৰ ৰছিদ মণ্ডলে সুধিছে ঃ

৩১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ইং ২০০১-০২ চনৰ পৰা ২০০৬-০৭ চনৰ বৰ্ত্তমানলৈ জলসম্পদ বিভাগে বিভিন্ন শিতানত জিলাভিত্তিত কিমান টকা ব্যয় কৰিছে?

(খ) গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত গৰাখহনীয়া প্ৰতিৰোধ, মথাউৰী নিৰ্মাণ আৰু মেৰামতিৰ বাবে কি কি আঁচনি লোৱা হৈছে?

(গ) উক্ত আঁচনিসমূহ ৰূপায়ণৰ বাবে কিবা ব্যৱস্থা লৈছেনে?

(ঘ) জলসম্পদ উন্নয়ন বিভাগৰ গোৱালপাৰা সংমণ্ডলৰ দ্বাৰা চুনাৰীৰ পৰা চিলাৰভিটালৈ নিৰ্মিত মথাউৰীৰ সংক্ৰান্তত ঠিকাদাৰ ভিত্তিত আৱন্টিত কামৰ বিৱৰণ ও মূল্য সম্পাদন কৰা, কামৰ মূল্য আৰু আজিলৈ আদায় দিয়া ধনৰ পৰিমাণৰ বিষয়ে তথ্য দাখিল কৰিবনে?

(ঙ) উক্ত মথাউৰীৰ কাম অনুমোদিত প্ৰাক্‌কলন অনুযায়ী সম্পূৰ্ণ নকৰাৰ অভিযোগ সম্বন্ধে চৰকাৰ অৱগতনে?

(চ) উক্ত মথাউৰীৰ কাম অনুমোদিত প্ৰাক্‌কলন আৰু নিবিদাৰ

চর্ত্তানুযায়ী সম্পূর্ণ কৰিবলৈ ঠিকাদাৰ সকলক কিমান দিনৰ সময়সীমা বান্ধি দিছিল ? নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত কাম সম্পূর্ণ কৰিব নোৱাৰা ঠিকাদাৰৰ বিৰুদ্ধে কিবা ব্যৱস্থা লৈছেনে ? (আঁচনিৰ অনুমোদিত প্ৰাক্কলনৰ কপি, নিবিদাৰ কপি আৰু ঠিকাদাৰসকলক দিয়া কামৰ আৱন্টনৰ আদেশৰ কপি সদনৰ মেজত দাখিল কৰিব)

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ইং ২০০১-০২ চনৰ পৰা ২০০৬-০৭ চনৰ বৰ্ত্তমানলৈ জলসম্পদ বিভাগে বিভিন্ন শিতানত ব্যয় কৰা টকাৰ পৰিমাণ জিলা ভিত্তিত পৰিশিষ্ট- 'ক'ত উল্লেখ কৰা হ'ল। (See Annexure-XXIV)

(খ) গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত গৰাখহনীয়া প্ৰতিৰোধ মথাউৰী নিৰ্মাণ আৰু মেৰামতিৰ বাবে বিভিন্ন আঁচনি হাতত লোৱা হৈছে। আঁচনিসমূহৰ নামৰ তালিকা পৰিশিষ্ট- 'খ'ত উল্লেখ কৰা হ'ল। (See Annexure-XXV)

(গ) এই আঁচনিসমূহৰ কিছু আঁচনি ৰূপায়ণৰ বাবে কাৰিকৰী উপদেষ্টা কমিটিৰ অনুমোদন সাপেক্ষে বিস্তৃত প্ৰাক্কলন প্ৰস্তুত কৰি থকা হৈছে। তদুপৰি কিছু আঁচনি প্ৰাকৃতিক দুৰ্য্যোগ সাহায্য শিতানৰ অধীনত প্ৰস্তাৱিত প্ৰাক্কলনসমূহ যাৱতীয় অনুমোদনৰ বাবে ব্যৱস্থা কৰি থকা হৈছে। যাৱতীয় অনুমোদন আৰু পুঁজিৰ আৱন্টন সাপেক্ষে আঁচনিসমূহৰ কাম হাতত লব পৰা যাব।

(ঘ) চুনাৰীৰ পৰা চিলাৰভিটালৈ মথাউৰী নিৰ্মাণ কৰা ঠিকাদাৰসকলৰ কামৰ বিৱৰণ আৰু মূল্য সম্পাদন কৰা কামৰ মূল্যৰ তালিকা

পৰিশিষ্ট-'গ'ত উল্লেখ কৰা হ'ল।

এই কামৰ বিপৰীতে ঠিকাদাৰসকলক আজিলৈকে মুঠ ৮০৭.৫৮ লাখ টকা আদায় দিয়া হৈছে।

(ঙ) মথাউৰীৰ কাম এতিয়ালৈকে অনুমোদিত প্ৰাক্কলন অনুসৰি চলি আছে।

(চ) উক্ত কামৰ বাবে ঠিকাদাৰসকলক ৪৫ দিনৰ সময়সীমা বান্ধি দিয়া হয়। নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত কাম সম্পূৰ্ণ নকৰা ঠিকাদাৰসকলৰ বিৰুদ্ধে নিয়মানুযায়ী বিভিন্ন ব্যৱস্থা লোৱা হৈছে।

(আঁচনিৰ অনুমোদিত প্ৰাক্কলন, নিবিদাৰ কপি আৰু ঠিকাদাৰসকলক দিয়া কামৰ আৱন্টনৰ আদেশৰ প্ৰতিলিপি সংলগ্ন কৰা হ'ল) (See Annexure-XXVI)

বিষয় ঃ স্বজলধাৰা আঁচনি।

শ্ৰীদুৰ্গা ভূমিজে সুধিছে ঃ

৩২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) "স্বজলধাৰা আঁচনি"য়ে অসমৰ কিমানখন চাহ বাগিছাক সামৰি লৈছে? (তালিকাসহ জনাব)

(খ) যদি এই আঁচনি কাৰ্য্যকৰী হোৱা নাই, তেন্তে কিয় হোৱা নাই?

শ্ৰীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ ৮খন চাহ বাগিছাত মুঠ ৮টা পাইপেৰে পানী যোগান আঁচনিৰ বাবে অনুমোদন পোৱা হৈছে।

(১ নং অনুসূচীত তালিকা দাখিল কৰা হ'ল) (See Annexure-XXVII)

(খ) স্বজলধাৰা আঁচনি ৰাইজৰ সহযোগত কার্য্যকৰী কৰা এখন চাহিদা ভিত্তিক আঁচনি। এই আঁচনিখন ৰূপায়ণ কৰিবৰ বাবে ৰাইজে নির্মাণ ব্যয়ৰ ১০% বহন কৰাৰ উপৰিও সম্পূর্ণ পৰিচালনাৰ ভাৰ লব লাগে।

স্বজলধাৰা আঁচনিসমূহ ৰাইজৰ নির্বাচনৰ প্রস্তাৱ ভিত্তিত জিলা কমিটিসমূহৰ অনুমোদনৰ দ্বাৰা ৰূপায়ণ কৰা হয়।

জনস্বাস্থ্য কাৰিকৰী বিভাগে মাথোন কাৰিকৰী দিশ তথা কেন্দ্রীয় চৰকাৰ আৰু জিলা কমিটিসমূহৰ লগত সহযোগ কৰে।

বিষয় ঃ পানী যোগান আঁচনি।

শ্রীঅনন্ত ডেকাই সুধিছেঃ

৩৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৫৭নং ৰঙিয়া বিধান সভা সমষ্টিত কিমানটা পানী যোগান আঁচনি আছে?

(খ) এই আঁচনিসমূহৰ কিমানটা সচল আৰু কিমানটা বিকল?

(গ) বিকল আঁচনিসমূহ সচল কৰাৰ কাৰণে কিবা পদক্ষেপ লৈছেনে?

শ্রীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) ৫৭নং ৰঙিয়া বিধান সভা সমষ্টিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মুঠ ৪৮টা পাইপ পানী যোগান আঁচনি আছে।

(খ) এই আঁচনিসমূহৰ ভিতৰত ৩১টা সচল অৱস্থাত আৰু ১০টা বিকল অৱস্থাত আছে। তাৰোপৰি ৭টা আঁচনিৰ কাম চলি আছে।

(গ) বিকল আঁচনিসমূহ পুঁজি আৱশ্যক সাপেক্ষে পর্য্যায়ক্রমে সচল কৰাৰ ব্যৱস্থা কৰা হৈছে।

Sub : Sanction of new P.H.E. Schemes.

Shri Mission Ranjan Das asked :

34. Will the Minister of P.H.E. be pleased to state :

How many new piped water supply schemes were sanctioned and commissioned during 2006-2007 in the state? (Please give the details of above facts in LAC-wise)

Shri Rihan Daimary (Minister, P.H.E., Assam) replied :

163 Nos. of new piped water supply schemes were sanctioned and 128 Nos. of piped water supply schemes were commissioned and completed during 2006-2007 in the State. (LAC-wise details of above schemes are shown at ANNEXURE-I. (See Annexure-XXVIII)

Sub : Flood problem.

Shri Kartik Sena Sinha asked :

35. Will the Minister of Water Resources be pleased to state :

(a) Whether the Government is aware of the flood problem at Patharkandi of Karimganj District?

(b) If so, what are the steps taken to solve the flood problem? (furnish in details)

Shri Bharat Chandra Narah (Water Resources Minister) replied :

(a) Yes.

(b) To solve the flood problem in Patharkandi area of Karimganj District under Longai river basin, the Government has so far constructed embankments on both bank of river Longai for a total Length of 68.185 KM. the details of which are furnished in ANNEXURE-I (See Annexure-XXIX)

বিষয় ঃ নগৰ সমিতিৰ সংখ্যা।

ড° মলয়া বৰ্মনে সুধিছে ঃ

৩৬। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান অসমত নগৰ সমিতি কিমানখন আছে?

(খ) চৰকাৰৰ ফালৰপৰা নগৰ উন্নয়নৰ বাবে যিখিনি টকা অনুমোদন কৰা হয়, সেই টকা সকলো নগৰ উন্নয়ন সমিতিক সমানে ভাগ কৰি দিয়া হয়নে?

(গ) ৪২ নং পাটাছাৰকুছি সমষ্টিৰ পাঠশালা নগৰ সমিতি আৰু টিহু নগৰ সমিতি দুখনৰ অধীনৰ নলা-নৰ্দ্দমা, ৰাস্তা-ঘাটৰ অৱস্থা অতি শোচনীয় হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, উক্ত সমিতি দুখনৰ এলেকাসমূহ উন্নয়নৰ ব্যৱস্থা কৰিবনে?

শ্রীদীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৫৮ খন।

(খ) আন্তঃগাঠনি উন্নয়নৰ বাবে নগৰ সমিতিয়ে দাখিল কৰা আঁচনিৰ বিপৰীতেহে কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা ধনৰ আৱন্টন দিয়া হয়।

পৌৰ প্রশাসনৰ বেলিকা আঁচনিসমূহৰ ধনৰ আৱন্টন বিশেষভাবে নগৰৰ জনসংখ্যাৰ ওপৰত নির্ভৰ কৰে।

(গ) চৰকাৰ অসমৰ আটাইবোৰ নগৰ উন্নয়নৰ বাবে সচেতন আৰু সেই অনুপাতে অসমৰ সকলো চহৰ ও নগৰ উন্নয়নৰ বাবে

পর্য্যায়ক্রমে ব্যৱস্থা লৈ থকা হৈছে।

(ঘ) 'গ'ত উল্লেখ কৰাৰ দৰে।

বিষয় ঃ আঁচনি ৰূপায়ণ।

শ্রীমোবাৰক আলী পাঠানে সুধিছে ঃ

৩৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৫-০৬ আৰু ২০০৬-০৭ বিত্তীয় বছৰত ধিং জনস্বাস্থ্য কাৰিকৰী উপ-সংমণ্ডলৰ অধীনত কিমান টকা আৰু কি কি আঁচনিৰ বাবে ধার্য্য কৰা হৈছে আৰু আঁচনিবোৰ ক'ত ক'ত ৰূপায়ণ কৰা হৈছে বা হ'ব ? (বিস্তাৰিতভাবে জনাব)

(খ) ৮৩নং ধিং বিধান সভা সমষ্টিত কোনো আঁচনি ধৰা হৈছেনে ? যদি হৈছে, কি কি আৰু ক'ত হৈছে ? (বিতংভাবে জনাব)

(গ) ২০০১-২০০৬ বিত্তীয় বছৰৰ ধিং উপ-সংমণ্ডলত কিমানটা Pipe water supply আঁচনি লোৱা হৈছে আৰু কিমানটা মেৰামতি কৰাৰ বাবে ধন মঞ্জুৰী দিয়া হৈছে ? তাৰে কিমানটা উক্ত সমষ্টিত ৰূপায়ণ কৰা হৈছে ? (ঠিকনাসহ বিস্তাৰিত তথ্য দাখিল কৰিব)

শ্রীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ধিং সংমণ্ডলৰ (উপ-সংমণ্ডলৰ) অধীনত বিভিন্ন শিতানত ২০০৫-২০০৬ বিত্তীয় বছৰত মুঠ ৮৭.০০ লাখ টকাৰ বিনিময়ত ২৫১ টা তাৰা পাম্প, ৩২৪টা

চিঙ্গুৰ পাম্প, ৬০টা কুঁৱা মেৰামতি, ১৫টা পুখুৰীৰ উন্নতিকৰণৰ কাম তথা ৫টা পাইপ পানী যোগান আঁচনিৰ আংশিক কাম কৰা হয়। (বিতং তথ্য Annexure-Aত সংলগ্ন কৰা হ'ল) (See Annexure-XXX)

২০০৬-০৭ বিত্তীয় বছৰত মুঠ ৪৮.৩০লাখ টকাৰ বিনিময়ত ৯টা তাৰা পাম্প, ১৯টা চিংগুৰ পাম্প আৰু ৬টা পাইপ পানী যোগান আঁচনিৰ আংশিক কাম কৰা হয়। (বিতং তথ্য Annexure-Bত সংলগ্ন কৰা হ'ল) (See Annexure-XXXI)

(খ) ৮৩নং ধিং বিধান সভা সমষ্টিত চলিত বিত্তীয় বৰ্ষত পূৱ মুকুন্দ আটি আৰু হাতীমুৰীয়া শগুণবাহী নামৰ ২টা নতুন পানী যোগান আঁচনি তথা বেচামাৰী আৰু দক্ষিণ বুলাডবা আঁচনি দুটাৰ উন্নতিকৰণৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা অনুমোদন পোৱা হৈছে আৰু প্রসাসনীয় অনুমোদনৰ পিছত ৰূপায়ণৰ কাম কৰা হ'ব।

(গ) ২০০১-০৬ বিত্তীয় বছৰত ধিং সংমণ্ডলৰ অধীনত ৬নং নতুন পাইপ পানী যোগান আঁচনি, ৩টা পুৰণি আঁচনি (Zero Budget)ৰ অধীনত সম্পূর্ণ কৰাৰ আৰু ৩টা আঁচনি উন্নতিকৰণৰ ব্যৱস্থা লোৱা হৈছে। তাৰোপৰি ২৭টা চলি থকা পাইপ পানী যোগান আঁচনি Operation and Maintenanceৰ বাবে ধন মঞ্জুৰী কৰা হৈছে। তাৰে ধিং সমষ্টিত ৪টা নতুন আঁচনি, ১টা পুৰণি আঁচনি সম্পূর্ণ কৰাৰ আৰু ১টা আঁচনি উন্নতিকৰণৰ বাবে ব্যৱস্থা লোৱা হৈছে। তাৰোপৰি ১৪টা আঁচনিৰ O & Mৰ বাবে ধন মঞ্জুৰী কৰা হৈছে।

Sub : Number of died persons.

Shri Prafulla Kumar Mahanta asked :

38. Will the Minister of Relief & Rehabilitation be pleased to state :

(a) What is the total number of persons lost their lives in the hands of extremist on and after 5th January, 2007 in Assam? State their names, address and age in details and what type of relief provided to their families till today by the Government? (give details)

(b) The number of the families and total number of persons took shelter in camps? (give the name of the camps district-wise and number of the persons in the camps in details)

(c) What type of relief are being provided by the Government to these families in the camps? (give details)

Dr. Bhumidhar Barman (Minister of Relief and Rehabilitation Department) replied :

(a) Total 86 number of persons.

Statement showing the names, Address and relief provided to time enclosed at Annexure-'I'. The age is not available. (See Annexure-XXXII)

(b) Total No. 9,250 inmates took shelter in camps. The district-wise breakup are enclosed at Annexure-'II', (See Annexure-XXXIII)

(c) As per relief manual Gratuitous Relief Viz- Rice, Dal, Salt, M. Oil and Blanket etc. were provided to them.

Sub : Compensation of fire affected family.

Shri Rajendra Prasad Singh asked :

39. Will the Minister of Revenue be pleased to state :

(a) Is the Government aware that more than thirty houses Parbatia Area of Tinsukia had been gutted of but they had not been compensated for rehabilitation?

(b) When they will be compensated ? What steps have been taken for rehabilitation?

Dr. Bhumidhar Barman (Revenue Minister) replied :

(a) Yes, Government has received a proposal for Rehabilitation Grant to 37 families whose houses were stated to be gutted in an accidental fire at Parbatia, Tinsukia on 23.10.2006. The report/ proposal submitted by the Deputy Commissioner, Tinsukia was not exhaustive as required for consideration of Rehabilitation Grant by the Revenue Department. Therefore, Deputy Commissioner, Tinsukia was requested to furnish clarification in the matter vide Revenue Department letter No. RGR. 558/2006/7, dtd. 14.12.2006 and RGR. 558/2006/8, dtd. 18.1.2007. The clarification from the Depuy Commissioner is still awaited.

(b) The question of according Rehabilitation Grant will be considered on

receipt of clarification sought for from the Deputy Commissioner , Tinsukia as per provision.

বিষয় ঃ পুঁজি আৱন্টন।

শ্রীঅভিজিত হাজৰিকাই সুধিছেঃ

৪০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) জনস্বাস্থ্য বিভাগৰ যোগেদি ৰঙাপাৰা সমষ্টিত বিগত ৫ বছৰত কিমান পুঁজি আৱন্টন দিয়া হৈছে? আঁচনি সমূহৰ বিষয়ে বিস্তাৰিত ভাবে দাখিল কৰিবনে ?

(খ) আৱন্টিত পুঁজিৰ বিনিময়ত আঁচনিসমূহ কিমান সঠিকভাৱে ৰূপায়িত হৈছে? (তথ্য সহকাৰে জনাব)

(গ) সমষ্টিটোৰ বাবে কি কি আঁচনি নতুনকৈ চৰকাৰে গ্রহণ কৰিছে? (বিস্তাৰিতভাৱে জনাব)

শ্রীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পুঁজি সমষ্টি ভিত্তিত আৱন্টন দিয়া নহয়। সংলগ্ন তালিকা-'ক' মতে বিভিন্ন শিতানৰ অধীনত বিগত ৫ বছৰত ৰঙাপাৰা সমষ্টিত মুঠ ৯৪.৮৫ লাখ টকা বিভিন্ন আঁচনিত ব্যয় কৰা হৈছে।

(খ) আৱন্টিত পুঁজিৰ বিনিময়ত আঁচনিসমূহ ৰূপায়ণৰ খতিয়ান তালিকা-'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure-XXXIV)

(গ) সমষ্টিটোৰ বাবে ২০০৬-০৭ বৰ্ষত নতুনকৈ ৩টা পাইপ পানী যোগান আঁচনি আৰু ৩৬টা পকী কুঁৱাৰ আঁচনি গ্ৰহণ কৰা হৈছে। (আঁচনিসমূহৰ তালিকা-'খ'ত দিয়া হ'ল) (See Annexure-XXXV)

বিষয় ঃ স্বজলধাৰা।

শ্ৰীৰঞ্জিত দত্তই সুধিছে ঃ

৪১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ দ্বাৰা পৰিচালিত "স্বজলধাৰা" আঁচনিত কিমানসংখ্যক Scheme লোৱা হৈছে? (জিলাভিত্তিত তালিকা দাখিল কৰিব)

(খ) বিহালী সমষ্টিত কিমানসংখ্যক নতুন Scheme PHEৰ দ্বাৰা লোৱা হৈছে?

(গ) সেই Schemeসমূহৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব?

শ্ৰীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) স্বজলধাৰা আঁচনিৰ অধীনত ২০০২-০৩ চনৰ পৰা বৰ্ত্তমানলৈ মুঠ ১১২খন পাইপ পানী যোগান আঁচনি আৰু ৮,৮৯২টা হেন্দ পাম্প আঁচনি আছে আৰু ২২খন জিলাত কুঁৱাৰ আঁচনি অনুমোদন দিয়া হৈছে।

(খ) বিহালী সমষ্টিত এতিয়ালৈকে স্বজলধাৰা আঁচনিত কোনো প্ৰকাৰ পানী যোগান আঁচনি লোৱা নাই যদিও আন শিতানৰ তলত

দিয়া আঁচনিসমূহ লোৱা হৈছে।

৪টা নতুন পাইপ পানী যোগান আঁচনি আৰু ৬টা তাৰা পাম্প।

(গ) উক্ত আঁচনিসমূহৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু ৫টা তাৰা পাম্প বহুওৱাৰ কাম সম্পূৰ্ণ কৰা হৈছে।

বিষয় ঃ মাটিৰ পট্টা।

ডাঃ তাৰাপ্রসাদ দাসে সুধিছে ঃ

৪২। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ চৰ অঞ্চলত এতিয়ালৈকে কিমানজন ব্যক্তিক মাটিৰ পট্টা প্রদান কৰা হ'ল? (সদনৰ মেজত জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(খ) ২০০৬-২০০৭ বৰ্ষত ৰাজ্যখনত চৰকাৰে কিমান পৰিমাণৰ ভূমি ৰাজহ সংগ্রহ কৰিছে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ চৰ অঞ্চলত এতিয়ালৈকে ৯৩,২৪৪ জন ব্যক্তিক মাটিৰ পট্টা আৰু ৬৮৯৬ জনক আৱন্টন প্রমাণ পত্র দিয়া হৈছে। জিলা ভিত্তিক তথ্য পৰিশিষ্ট-'ক' যোগে দাখিল কৰা হ'ল। (See Annexure-XXXVI)

(খ) ২০০৬-২০০৭ বৰ্ষত ৰাজ্যখনত (বি. টি. এ. ডি. আৰু পাৰ্ব্বত্য জিলাৰ বাহিৰে) মুঠ ১১,০২,৭২,৫৩৭.৬৮ টকা ভূমি ৰাজহ সংগ্রহ কৰিছে।

বিষয় ঃ খহনীয়া প্রতিৰোধৰ আঁচনি।

শ্রীজ্যোতিপ্রসাদ দাসে সুধিছেঃ

৪৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) কামৰূপ জিলাৰ বকো বিধান সভা সমষ্টিৰ নগৱবেৰা ৰাজহ চক্রৰ অধীনৰ নগৰবেৰা অঞ্চলৰ খহনীয়া ৰোধ কৰাৰ অর্থে ব্রহ্মপুত্র খহনীয়া প্রতিৰোধ আঁচনিত অনুমোদিত ২০০৪-২০০৫ বর্ষত নিৰ্দ্ধাৰিত টকাৰ কাম সম্পূর্ণ কৰা হ'লনে?

(খ) আঁচনিখনত কিমান দৈর্ঘ্যৰ এলেকা সামৰি লোৱা হৈছিল? প্রতিৰোধ আঁচনিত ব্যয়ৰ বিতং তথ্য দাখিল কৰিবনে?

শ্রীভৰত চন্দ্র নৰহ (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) হয়, সম্পূর্ণ কৰা হৈছে।

(খ) উক্ত আঁচনিখনৰ যোগেদি মুঠ ১৮০ কিঃ মিঃ দৈর্ঘ্যৰ এলেকা সামৰি লোৱা হৈছিল। প্রতিৰোধ আঁচনিখন ৰূপায়ণ কৰোতে হোৱা ব্যয়ৰ বিতং তথ্য পৰিশিষ্ট-'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure-XXXVII)

Sub : Ethnic violence.

Shri Sirajuddin Ajmal asked :

44. Will the Minister of Relief & Rehabilitation be pleased to state :

(a) Will the Government furnish the details of death tolls (life and property) of the ethnic violence occurred in the year, 2005 in Karbi-Anglong District?

(b) What are the measures taken for rehabilitation and compensation given to the affected families? (Please give in details)

Dr. Bhumidhar Barman (Minister of Relief and Rehabilitation) replied :

(a) 93 Nos. persons were killed by extremists and 1,798 Nos. of families lost their properties.

(b) Rs. 2.76 crores (Rupees two crores seventy six lakhs) only was distributed as ex-gratia @ Rs. 3.00 lakhs (Rupees Three lakhs) amongst the next of kin of deceased persons and Rs. 1,79,08,000/- (Rupees one crore seventy nine lakhs eight thousand) only @ Rs. 10,000/- (Rupees Ten thousand) only as rehabilitation grant was distributed amongst the affected families

who died/affected in the Karbi-Anglong ethnic violence.

Sub : Land occupation.

Shri Uddhab Barman asked :

45. Will the Minister of Revenue be pleased to state :

(a) The land areas in the tribal blocks and belts in Assam? (The detailed facts be given)

(b) Whether the Government of Assam is aware of how many Bighas of land have been illegally occupied by non-reserved families in the districts of Kamrup, Kamrup (Metro), Nagaon, Goalpara and Tinsukia? (Give details of facts)

(c) Will the Government clarify the steps taken to restore the illegally occupied land in the tribal blocks and belts?

(d) What effective measures have been taken by the Government to imple-

ment the Cabinet decision to reserve land in the tribal blocks and belts?

Dr. Bhumidhar Barman (Revenue Minister) replied :

(a) At present total area of land in the Tribal Belts and Blocks in the State is 3410184 Bighas 4 Kathas 11 Lessas.

Names of the Districts having Tribal Belts and Blocks are :

1) Tinsukia,
2) Nagaon,
3) Morigaon,
4) Kamrup (Metro),
5) Kamrup,
6) Barpeta,
7) Bongaigaon,
8) Udalguri,
9) Kokrajhar,
10) Goalpara,
11) Sonitpur,
12) Lakhimpur,
13) Dhemaji,
14) Baksa,
15) Chirang.

(b) Land illegally occupied by non-protected families as per report of Deputy Commissioners :

Kamrup (M)	-	197 Bighas 2 Kathas 4 Lessas.
Kamrup	-	1240 Bighas 0 Katha 13 Lessas.
Nagaon	-	3077 Bighas 3 Kathas 7 Lessas.
Goalpara	-	63 Bighas 4 Kathas 1 Lessa.
Tinsukia	-	56801Bighas 2 Kathas 14 Lessas.

(c) All efforts are being taken to restore the land as per Rule.

(d) All Deputy Commissioners have been directed to evict the unauthorised encroachers as per Rule.

Sub : Transfer of Water Supply System.

Shri Drupad Borgohain asked :

46. Will the Minister of Urban Development be pleased to state :

(a) Whether the PHE Department has transferred the drinking water supply system of Nazira Town to the Urban Development Department?

(b) If so, when it was done?

(c) Whether the Urban Water Supply and Sewerage Board has taken the Urban Water Supply installations of PHE at Nazira Town?

(d) Whether new scheme for drinking water supply covering Nazira and Simaluguri Town has been prepared by the Board ?

(e) If so, whether the time frame has been accepted?

Shri Dinesh Prasad Goala (Minister, Urban Development) replied :

(a) Not Yet.

(b) Does not arise.

(c) Yet to take over.

(d) The Board has initiated the process.

(e) No time frame can be prescribed as it will depend upon availability of fund.

বিষয় ঃ সীমান্ত অঞ্চল উন্নয়নৰ বাবে আৱন্টিত ধন।

শ্ৰীবদৰুদ্দিন আজমলে সুধিছেঃ

৪৭। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) সীমান্ত অঞ্চল উন্নয়নৰ আৱন্টিত ধন মোকোলাই দিয়াৰ ক্ষেত্ৰত সকলো সমষ্টিৰ বাবে প্ৰযোজ্য নীতি কি?

(খ) ২০০৫-২০০৬ বিত্তীয় বৰ্ষত দক্ষিণ শালমাৰা সমষ্টিত স্থানীয় বিধায়কৰ অনুমোদিত Executive Agencyৰ জড়িয়তে ব্যয় হোৱাৰ বিপৰীতে বৰ্ত্তমানে ২০০৬-২০০৭ বৰ্ষত বেলেগ Executive Agencyক দিয়াৰ কাৰণ কি?

(গ) বিগত ২০০১-২০০৬ চনলৈকে দক্ষিণ শালমাৰা সমষ্টিৰ অন্তৰ্গত সীমান্ত অঞ্চল উন্নয়নৰ নামত কিমান টকা আৱন্টন দিয়া হৈছিল? (আৱন্টিত আঁচনিৰ বিপৰীতে ধনৰ পৰিমাণ দাখিল কৰিব)

শ্ৰীগৌতম ৰয় (সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ভাৰত চৰকাৰৰ সংশোধিত B.A.D.P. নিৰ্দ্দেশনা অনুযায়ী আন্তঃৰাষ্ট্ৰীয় সীমান্তত অৱস্থিত উন্নয়ন খণ্ডসমূহৰ মাটিকালি জনসংখ্যা আৰু ইয়াৰ অন্তৰ্গত আন্তঃৰাষ্ট্ৰীয় সীমাৰ দৈৰ্ঘ্যৰ ওপৰত নিৰ্ভৰ কৰি ব্লক ভিত্তিক টকা আৱন্টন কৰা হয়। এই নীতি আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকাৰ সকলো ব্লকৰে প্ৰযোজ্য। সমষ্টিভিত্তিত কোনো B.A.D.P.আঁচনিৰ ধন মোকোলাই দিয়া নহয়। আন্তঃৰাজ্যিক সীমান্ত এলেকাৰ উন্নয়নৰ বাবে আঁচনি

মাত্র প্রয়োজন ভিত্তিত গ্রহণ কৰা হয়। সমষ্টি ভিত্তিত এনে আঁচনি লোৱা নহয়।

(খ) ২০০৬-২০০৭ বর্ষৰ বাবে চৰকাৰে Executive Agency সমূহ ঠিক কৰি আঁচনিৰ প্রাক্কলন (Plan & estimate) সংগ্রহ কৰিবলৈ সংশ্লিষ্ট উপায়ুক্তসমূহক নির্দ্দেশ দিয়া হৈছিল। সেই হেতুকে কিছু কিছু Executive Agency ২০০৫-২০০৬ৰ পৰা বেলেগ হব পাৰে।

(গ) বিগত ২০০১-০৬ লৈকে দক্ষিণ শালমাৰা সমষ্টিৰ অন্তর্গত বীৰসিং ঝাৰুৱা আৰু দক্ষিণ শালমাৰা উন্নয়ন খণ্ডত আৱন্টিত ধন আৰু আঁচনিৰ নাম সিপিঠিত দিয়া হ'ল।

বিষয় ঃ গৰাখহনীয়া প্রতিৰোধ।

শ্রীপদ্ম হাজৰিকাই সুধিছেঃ

৪৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) চতিয়া সমষ্টিৰ বৰডিকৰাই আৰু জীয়াভৰালী নদীৰ গৰাখহনীয়া প্রতিৰোধ কৰাৰ কাৰণে কি কি আঁচনি সম্পূর্ণ গ্রহণ কৰা হৈছে?

(খ) ১৯৯৯-২০০০ চনৰ জীয়াঢল ভৰালী নদীৰ তাৰাজান দফলা আঁচনি সম্পূর্ণ হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, ইয়াত কিমান টকা আদায় দিয়া হ'ল আৰু কিমান টকা অনাদায় হৈ আছে? (সম্পূর্ণ তথ্য সদনৰ মেজত দিব)

শ্রীভৰত চন্দ্র নৰহ (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) চতিয়া বিধানসভা সমষ্টিৰ অন্তর্গত বৰডিকৰাই নদীৰ গৰাখহনীয়া

প্রতিৰোধৰ বাবে এখন আঁচনি ৰাজহ বিভাগলৈ প্ৰেৰণ কৰা হৈছে আৰু জীয়াভৰালীৰ খহনীয়াৰ প্রতিৰোধৰ বাবে NABARD ঋণৰ জড়িয়তে এখন আঁচনিৰ কাম কৰি থকা হৈছে।

(খ) হয়, অৱগত।

(গ) বৰ্ত্তমানলৈকে মুঠ ৭৫,১৬,৮৬২.০০টকা আদায় দিয়া হৈছে আৰু মুঠ ৭,২১,৩৩৮.০০ টকা দিবলৈ বাকী আছে।

Sub : Allotment of Land.

Shri Sambhu Singh Mallah asked :

49. Will the Minister of Revenue be pleased to state :

(a) Whether Government has got any proposal for D.C., Karimganj vide his letter Memo No. KRCL. 44/73/Vol.-V/ 708-A, dated 4.5.2006 for allotment proposal of ceiling surplus land in favour of the Government of Assam, Forest Department C/O Divisional Forest Officer. Karimganj for construction of Zamung Horiphow Dullavcherra Road sanctioned under 9th Five-Year plan?

(b) If so, whether the Government has handed over the same land to the Forest Department for early execution of the long pending sanctional NEC (PWD) work?

(c) If not, what steps has been taken by the Government to solve the land dispute in between Forest Department (PWD) NEC?

Dr. Bhumidhar Barman (Revenue Minister) replied :

(a) Yes.

(b) Allotment is being issued.

(c) Does not arise.

বিষয় ঃ ব্রহ্মপুত্রৰ গৰাখহনীয়া।

শ্রীলিয়াকৎ আলী খানে সুধিছেঃ

৫০। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তর্গত কিমানখন গাওঁ ১৯৯৬ চনৰ পৰা আজিলৈকে ব্রহ্মপুত্রৰ গৰাখহনীয়াই খহাই নিছে?

(খ) এই গৰাখহনীয়াত আক্রান্ত লোকসকল ক'ত আৰু কি অৱস্থাত বসবাস কৰি আছে?

(গ) এই গৰাখহনীয়াত আক্রান্ত লোকসকলক সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিছেনে ?

(ঘ) যদি কৰা নাই, কি আঁচনিৰ জড়িয়তে কেনেকৈ আৰু কিমান দিনৰ ভিতৰত কৰিব ?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তর্গত ১৯৯৬ চনৰ পৰা আজি লৈকে মুঠ ৪২ খন গাওঁ ব্রহ্মপুত্রৰ গৰাখহনীয়াই খহাই নিছে।

(খ) গৰাখহনীয়াত আক্রান্ত লোকসকল বান্ধ ভি.জি.আৰ. আন লোকৰ নিজে পট্টাভূক্ত মাটিত বসবাস কৰাৰ উপৰিও কিছুমান লোকে ক্রয় কৰা মাটি আৰু নতুনকৈ সৃষ্টি হোৱা নদীৰ চৰ অঞ্চলত বসবাস কৰি আছে।

(গ) এই গৰাখহনীয়াত আক্রান্ত লোকসকলক পাৰিতোষিক সাহায্য প্রদানৰ প্রচেষ্টা অব্যাহত আছে আৰু গৰাখহনীয়াত সম্পূর্ণভাবে ঘৰ-মাটি হেৰুওৱা পৰিয়ালক মাটি আৱন্টনৰ বিষয়টো জিলা উপায়ুক্তৰ কার্য্যালয়ত বিচৰাধীন হৈ আছে।

(ঘ) 'গ' প্রশ্নৰ উত্তৰত উল্লেখ কৰা মতে।

DISCUSSION ON ZERO HOUR MATTER

Mr. Speaker : I have received as many as 8 Zero Hour Notices from the Hon'ble Members :-

1. Sri Pranab Kalita,
2. Sri Girindra Kumar Barua

3. Sri Prafulla Kumar Mahanta
4. Sri Ananta Deka
5. Md. Mohibul Haque
6. Sri Mission Ranjan Das
   Sri Ranjit Dutta
   Sri Sambhu Sing Mallah
7. Dr. Aditya Langthasa
8. Dr. Kamala Kanta Kalita
   Sri Abdul Aziz
   Sri Binod Gowala
   Sri Hiren Kumar Das
   Dr. Manoranjan Das

I have selected 3 Zero Hour Notices for raising before the House today.

Now, I call upon the Hon'ble Member, Sri Pranab Kalita to raise his Zero Hour Motion which was published in "Amar Asom" dated 05.02.2007 under the caption:

"Oshadhu Chakrai Chalaiche Bhuya Marksheetar vishal byabashai".

★ শ্রীপ্রণৱ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৫ ফেব্রুৱাৰী ২০০৭ তাৰিখে অসমৰ এখন জনপ্রিয় বাতৰি কাকত 'আমাৰ অসম'ত ওলোৱা উল্লেখিত বাতৰি এটাৰ প্রতি মই মাননীয় অধ্যক্ষ মহোদয়ৰ জড়িয়তে

★ Speech not corrected.

মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। বাতৰিটো হ'ল 'অসাধু চক্রই চলাইছে ভুৱা মার্কছিটৰ ব্যৱসায়'। আজি আমাৰ উঠি অহা ছাত্র-ছাত্রীৰ কাৰণে এইটো এটা ভয়ানক সমস্যা হৈ পৰিছে। আজিৰ ছাত্র কালিৰ ভৱিষ্যত। মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে হাইস্কুল লিভিং চার্টিফিকেট পৰীক্ষা আৰম্ভ হৈছে। তাৰ ওপৰতে মই অকনমান কবলৈ ওলাইছো। আজি বহুতো শিক্ষা বিভাগৰ বিষয়া-কর্মচাৰী এই ফল্চ চার্টিফিকেটৰ ব্যৱসায়ৰ লগত জড়িত হৈ আছে। এইসকল বিষয়া-কর্মচাৰীয়ে ছাত্র-ছাত্রীসকলৰ জীৱন ধ্বংসৰ পথলৈ ঠেলি দিছে। আজি এজন ছাত্রই নপঢ়াকৈয়ে শতকৰা ৯০ পাৰচেন্ট পাই কটন কলেজত নামভর্ত্তি কৰে। এনেদৰে চলি থাকিলে দেশৰ ভৱিষ্যত অন্ধকাৰ হ'ব। দ্বিতীয়তে, মই এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে যিসকল বিষয়া-কর্মচাৰী এই ভুৱা চার্টিফিকেটৰ ব্যৱসায়ৰ লগত জড়িত হৈ আছে সেইসকলৰ নাম আৰু যিসকল ছাত্র-ছাত্রী জড়িত হৈ আছে তেওঁলোক সকলোৰে নাম অসমৰ আগশাৰীৰ বাতৰি-কাকতত যাতে প্রকাশ কৰে। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জড়িয়তে মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো। এই ভুৱা চক্রটো উৎখাত কৰিবলৈ মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো। আজি ভুৱা চার্টিফিকেট লৈ কিছুমানে মেডিকেলত নামভর্ত্তি কৰে। কিছুমানে ইঞ্জীনিয়াৰিঙত নামভর্ত্তি কৰিছে। এনেদৰে বিভিন্ন বিভাগত নামভর্ত্তি কৰে। এইদৰে চলিলে মানুহৰ জীৱন কিমান সুকলমে চলিব তাত সন্দেহ আছে। যিসকলে এই ব্যৱসায় কৰি ছাত্র-ছাত্রীৰ জীৱনলৈ বিপর্য্যয় মাতি আনিছে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জড়িয়তে মাননীয় মন্ত্রী মহোদয়ক এই বিষয়ে বিহিত ব্যৱস্থা লবলৈ অনুৰোধ জনাইছো।

Mr. Speaker : Hon'ble Minister, Education, Please reply.

★ শ্রীৰিপুন বৰা (শিক্ষা মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সদনৰ শূন্যকালীন সময়ছোৱাত আমাৰ মাননীয় সদস্য শ্রীপ্রণৱ কলিতা ডাঙৰীয়াইযি প্রশ্ন উত্থাপন কৰিছে সেইসম্পর্কে মই কবলৈ ওলাইছো। যোৱা ২৫ ফেব্রুৱাৰী ২০০৭ তাৰিখে 'আমাৰ অসম' বাতৰি-কাকতত প্রকাশ পোৱা বাতৰিটোৰ প্রতি মোৰ দৃষ্টি আকর্ষণ হৈছে। ইয়াৰ যথেষ্ট যুক্তিযুক্ততা আছে। এই কথাটো আমাৰ আসাম হায়াৰ চেকেণ্ডাৰী কাউন্সিল আৰু শিক্ষা বিভাগৰ দৃষ্টিগোচৰ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হায়াৰ চেকেণ্ডাৰীত এই কেচটো ধৰা পেলাইছো। তাৰ আগতে এনেকুৱা কেচ ধৰা পেলোৱাৰ ব্যৱস্থা নাছিল। আগতে ধৰা পেলোৱাৰ কোনো ব্যৱস্থা নাছিল। কিন্তু এতিয়া হায়াৰ চেকেণ্ডাৰী এডুকেশ্যন কাউন্সিল আধুনিকীকৰণ কৰা হৈছে। এতিয়া কথা হ'ল ছাত্র-ছাত্রীসকলৰ পৰীক্ষাৰ ফর্ম ফিলাপ কৰাৰ পৰা পৰীক্ষাত বহালৈ বিতং তথ্য থাকিব। এই ৪ খন এডমিট কার্ডৰ কথা উল্লেখ কৰিছে। বাতৰি-কাকতৰ সাংবাদিকে তাৰ ভিত্তিতেই এই নিউজটো কৰিছে। যোৱা ২৩ ফেব্রুৱাৰীৰ পৰা মেট্রিক পৰীক্ষা আৰম্ভ হৈছে। অকল ৪জন ছাত্র-ছাত্রীয়েইনহয়, ৩৩১জন ছাত্র-ছাত্রী ধৰা পৰিছে। যিসকলে উত্তীর্ণ হোৱা মার্কশ্বিট দেখুৱাইছে তেওঁলোককহে এডমিট কার্ড দিয়া হৈছে। যিহেতু তেওঁলোকৰ কিছুমানে উত্তীর্ণ হোৱা নাই সেই কাৰণে তেওঁলোকক এডমিট কার্ড দিয়া হোৱা নাই। মৰাণ হায়াৰ চেকেণ্ডাৰী স্কুলৰ সেই ছাত্র-ছাত্রীকেইজনৰ লগতে মুঠ ৩৩১ জন ছাত্র-ছাত্রীৰ প্রত্যেকৰে নামৰ বিপৰীতে আমাৰ কাউন্সিলৰ তৰফৰ পৰা এফ. আই.

★ Speech not corrected.

আৰ. দিবলৈ ঠিক কৰিছে। কাৰণ এফ. আই. আৰ. দিলে আচল কথাটো ওলাই পৰিব ক'ৰপৰা তেওঁলোকে মার্কশ্বিট পাইছিল। সিদিনাও কেইজনমান ছাত্র-ছাত্রী ধৰা পৰিছে আৰু কেইদিনমান আগতেও ধৰা পৰিছে। এডমিট কার্ড দিবৰ সময়ত এইটো ধৰা হৈছে। মৰাণৰ ৪জন ছাত্রৰ বিপৰীতে এফ. আই. আৰ. দাখিল কৰা হৈছে আৰু তাৰে দুজনক গ্রেপ্তাৰ কৰা হৈছে। বাকী বঙ্গাইগাওঁৰ পৰা ৰৰপেটালৈ ২৩টা চেন্টাৰ আছে। সেই প্রত্যেকটো চেন্টাৰৰ ইনচার্জক এক্সপ্লেনেচন কল কৰা হৈছে। আমি এটা উচ্চ পর্য্যায়ৰ তদন্ত দিবৰ কাৰণে ঠিক কৰিছো। সেই তদন্তৰ যোগেদি ইয়াৰ আৰত কোন আছে সেইটো বাহিৰলৈ উলিয়াই অনাৰ ব্যৱস্থা কৰা হ'ব। গতিকে মই আমাৰ সন্মানীত বিধায়ক কলিতা ডাঙৰীয়াৰ লগতে সদনক জনাব বিচাৰিছো যে আমাৰ চৰকাৰ এই বিষয়ে সম্পূর্ণ অৱগত আৰু এই ক্ষেত্রত তেখেতৰ লগতে আমিও সমানেই উদ্বিগ্ন। আমি এই অসাধু চক্রটোক কেতিয়াও সুযোগ নিদিও। এনেকুৱা ধৰণৰ অসাধু চক্রক আমি অফুৰন্ত হাতেৰে দমন কৰিম। যিবিলাক ঠাইত আমাৰ পুলিচে ব্যৱস্থা লব পৰা নাই সেইবিলাক ঠাইতো ব্যৱস্থা লোৱা হব। তেতিয়াহে তেওঁলোকে ক'ৰপৰা ভুৱা মার্কশ্বিট পাইছিল সেইটো ওলাই পৰিব। আমি সেই ভুৱা চক্রটো ধৰা পেলাব বিচাৰিছো। শিক্ষা ব্যৱস্থাটো নিকা কৰাৰ কাৰণে আমি সকলো ৰাইজৰ লগতে আপোনালোকৰ পৰাও সহযোগিতা কামনা কৰিছো। এইখিনিকেই মই উত্তৰ হিচাবে সদনত ডাঙি ধৰিলো।

Mr. Speaker : Now, I call upon the Hon'ble Member, Shri Prafulla Kumar Mahanta to raise his Zero Hour Motion which was

published in "The Assam Tribune" dated 23.02.2007 under the caption:

"IIM Shillong cleared New Industrial Policy likely in April."

★ শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহাশয়, যিখন ইণ্ডাষ্ট্রিয়েল পলিচী চলি আছে সেইখনৰ ম্যাদ অহা ৩১ মার্চ তাৰিখে শেষ হ'ব। এই সম্পর্কত মই ২৩ ফেব্রুৱাৰী তাৰিখে 'আসাম ট্রিবুন' কাকতত প্রকাশিত "আই. আই. এম. শ্বিলং ক্লিয়ার্ড, নিউ ইণ্ডাষ্ট্রিয়েল পলিচী লাইকলি ইন এপ্রিল" শীর্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিছো। যিহেতু প্রেজেন্ট ইণ্ডাষ্ট্রিয়েল পলিচী অহা এপ্রিল মাহত শেষ হ'ব সেয়েহে অহা এপ্রিল মাহৰ আগতে নতুন ইণ্ডাষ্ট্রিয়েল পলিচী ঘোষণা কৰিব লাগে। উত্তৰ-পূর্বাঞ্চলৰ কাৰণে ১৯৯৭ চনত যিখন ইণ্ডাষ্ট্রিয়েল পলিচী ঘোষণা কৰা হৈছিল সেই পলিচীখন উত্তৰাঞ্চল, হিমাচল প্রদেশ আদি অন্যান্য ৰাজ্যলৈ সম্প্রসাৰণ কৰাৰ কাৰণে আমাৰ উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহে উদ্যোগ স্থাপনৰ ক্ষেত্রত বিফল হৈছে। নতুন উদ্যোগ নীতি ঘোষণা কৰাৰ ক্ষেত্রত এখন কেবিনেট চাব-কমিটি গঠন কৰি দিয়া হৈছিল আৰু গ্রুপ অৱ মিনিষ্টাৰচ্ক এই বিষয়ে ষ্টাডি কৰিবৰ কাৰণে দায়িত্ব দিছিল। ১৯৯৭ চনৰ ইণ্ডাষ্ট্রিয়েল পলিচীখন উত্তৰ-পূর্বাঞ্চলৰ বাহিৰেও আন আন ৰাজ্যলৈ সম্প্রসাৰণ কৰাৰ কাৰণে আমাৰ অসম তথা উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহৰ কাৰণে উদ্যোগৰ ক্ষেত্রত যিটো পৰিকল্পনা আছিল সেই পৰিকল্পনাৰ ক্ষেত্রত বাধাপ্রাপ্ত হ'বলগা হ'ল আৰু হিমাচল প্রদেশ, উত্তৰাঞ্চল আদি ৰাজ্যৰহে উদ্যোগৰ ক্ষেত্রত উন্নতি হ'ল। কেন্দ্রীয় বিত্ত মন্ত্রী চিদাম্বৰমেও কৈছে যে গ্রুপ অৱ

★ Speech not corrected.

মিনিষ্টাৰচ্ৰ ফালৰ 'পৰা যি পৰামর্শ দিয়ে সেইটোকে মানি লোৱা হ'ব। এই কথা তেওঁ সাংবাদিকৰ আগত কৈছে। চি.চি. ই.এ. মিটিঙৰ পিছত সাংবাদিকসকলৰ আগত তেওঁ এই কথা কৈছে। গতিকে কেন্দ্রীয় চৰকাৰে ১ এপ্রিল তাৰিখৰ আগতে নতুন ইণ্ডাষ্ট্রিয়েল পলিচী ঘোষণা কৰিব। মই আমাৰ চৰকাৰৰ তৰফৰপৰা জানিব বিচাৰিছো আমাৰ অসমৰ নতুন চৰকাৰখনে উদ্যোগৰ ক্ষেত্রত কি কি পৰামর্শ আগবঢ়াইছে আৰু কেন্দ্রীয় চৰকাৰে কি কি পৰামর্শ গ্রহণ কৰিছে? ইতিমধ্যে ইউনিয়ন কেবিনেটে শ্বিলঙত ৰাজীৱ গান্ধী ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেন্ট স্থাপন কৰাৰ কাৰণে সিদ্ধান্ত লৈছে। লগতে কেবিনেটে প্রয়োজনীয় মাটি দিয়াৰ কাৰণে মেঘালয় চৰকাৰক জনাইছে আৰু ডাইৰেক্টৰ আৰু চিফ এডমিনিষ্ট্রেটিভ অফিচাৰ পোষ্ট ক্রিয়েট কৰিবৰ কাৰণে এপ্রোভ কৰিছে। লগতে চাপোর্ট ষ্টাফৰ কাৰণেও এপ্রোভেল দিছে। মেঘালয় চৰকাৰে আই.আই.এম.ৰ কাৰণে ১২০ একৰ মাটি ফ্রি অৱ কষ্টত দিছে। আমাৰ অসমত শিক্ষিত নিবনুৱা সমস্যাৰ উপৰিও আন আন বহুতো সমস্যা আছে। সেই সমস্যাবিলাক সমাধান কৰিবলৈ হ'লে আমি অর্থনৈতিকভাবে আগবাঢ়ি যাব লাগিব। কৃষিৰ উন্নতি সাধন কৰাৰ লগতে আমি শিল্প ক্ষেত্রতো উদ্যোগ স্থাপন কৰি আমি আমাৰ ৰাজ্যখনৰ উন্নতি সাধন ক ৰাৰ লক্ষ্য আগত ৰাখিব লাগিব। ভৌগোলিক ভাবে আমাৰ উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহত বেছি প্রফিট নাপালে ইণ্ডাষ্ট্রিয়েলিষ্ট সকল উদ্যোগ স্থাপন কৰিবলৈ নাহে। সেইকাৰণেহে আমাৰ উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহৰ ক্ষেত্রত উদ্যোগ স্থাপন কৰাৰ কাৰণে স্পেচিয়েল পেকেজ ঘোষণা কৰা হৈছিল। কিন্তু সেই পলিচী অন্যান্য ৰাজ্যলৈ সম্প্রসাৰণ কৰাৰ কাৰণে আমাৰ উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহ উদ্যোগ

স্থাপনৰ ক্ষেত্ৰত আঘাটপ্ৰাপ্ত হ'ব লগা হ'ল। শেষত মই উদ্যোগ স্থাপনৰ ক্ষেত্ৰত নতুন পলিচীৰ বিষয়ে অসম চৰকাৰে কি পৰামৰ্শ আগবঢ়াইছে সেইটো মই চৰকাৰৰ পৰা জানিব বিচাৰিছো।

★ **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ** (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, এই সম্পৰ্কে মই এটা স্পষ্টীকৰণ দিব বিচাৰিছো। 'আসাম ট্ৰিবুন' আৰু 'নৰ্থ ইষ্ট টাইমচ্' পেপাৰত 'আই আই এম শ্বিলং ক্লিয়ার্ড নিউ ইণ্ডাষ্ট্ৰিয়েল পলিচী লাইকলি ইন এপ্ৰিল' এই বাতৰিটো দুয়োখন বাতৰি-কাকততে একেলগে পৰিবেশন কৰা হৈছিল। এই সম্পৰ্কে কেন্দ্ৰীয় মন্ত্ৰীসভাত উত্থাপন কৰা হৈছিল আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাত নৰ্থ ইষ্ট ইণ্ডাষ্ট্ৰি পলিচী ঘোষণা কৰা হৈছিল। ১৯৯৭ চনৰ বৰদিনৰ দিনাখন নৰ্থ ইষ্ট পলিচী ঘোষণা কৰা হৈছিল। এই নৰ্থ ইষ্ট পলিচীৰ দ্বাৰা ৰাইজক সকাহ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। উদ্যোগবিলাক যাতে গঢ়ি উঠে আৰু তাত যাতে ইনকাম হয় তাৰ বাবে এই পলিচী ঘোষণা কৰা হৈছিল। সেইমতে ১৯৯৭ চনতেই অসম চৰকাৰেও নৰ্থ ইষ্ট পলিচি ঘোষণা কৰিছিল। ইয়াৰ দ্বাৰা উদ্যোগ স্থাপনৰ ক্ষেত্ৰত বিশেষ সকাহ দিয়াৰ কাৰণে ব্যৱস্থা লোৱা হৈছিল। ট্ৰাষ্ট এৰিয়াক সামৰি লোৱা নাছিল। এই নৰ্থ ইষ্ট ইণ্ডাষ্ট্ৰি পলিচী ১৯৯৭ চনত ঘোষণা কৰা হৈছিল আৰু ই দহ বছৰৰ বাবে প্ৰযোজ্য হৈছে। ইয়াৰ ম্যাদ ২০০৭ চনৰ ৩১ মার্চ তাৰিখে উকলি যাব। ২০০৬ চনত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰা হৈছিল যে নতুন নৰ্থ ইষ্ট ইণ্ডাষ্ট্ৰি পলিচী আৰু দহ বছৰৰ কাৰণে বিশেষ ব্যৱস্থা সন্নিবিষ্ট কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক জনোৱা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ বাকী কেইখন ৰাজ্যৰ উদ্যোগ মন্ত্ৰীসকলে মোৰ লগত যোগাযোগ

★ Speech not corrected.

কৰিছো। ১২ চেপ্টেম্বৰৰ দিনাখন আঠখন ৰাজ্যৰ লগত চিকিমকো সন্নিবিষ্ট কৰা হৈছিল। নৰ্থ ইষ্ট ইণ্ডাষ্ট্ৰি পলিচীক অগ্ৰাধিকাৰ দিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিবৰ বাবে ভাৰত চৰকাৰৰ ওচৰত দাবী জনোৱাৰ বাবে সিদ্ধান্ত লোৱা হৈছিল। বাকীকেইখন ৰাজ্যৰ উদ্যোগ মন্ত্ৰীসকলে মোক সভাপতি নিৰ্বাচিত কৰিছিল। আমি ভাৰত চৰকাৰৰ প্ৰধান মন্ত্ৰী ডঁ মনমোহন সিং, মানৰ সম্পদ মন্ত্ৰী অৰ্জুন সিং আৰু উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰী কিণ্ডিয়া ডাঙৰীয়াক লগ কৰিছিলো। ইয়াক সমীকৰণ কৰিবৰ বাবে আমি দাবী জনাম। অসম চৰকাৰে যি সিদ্ধান্ত লৈছিল বাকী ৰাজ্যৰ উদ্যোগ আৰু বানিজ্য মন্ত্ৰীসকলে সহাৰি জনাইছিল আৰু দহ বছৰৰ কাৰণে উত্তৰ-পূৰ্বাঞ্চল সামৰি লৈ ঘোষণা কৰিব লাগে। উত্তৰ-পূৰ্বাঞ্চলৰ লগতে হিমাচল প্ৰদেশকো কেন্দ্ৰীয় চৰকাৰে সামৰি লৈছিল যাতে উত্তৰ-পূৰ্বাঞ্চললৈ বাহিৰৰ পৰা আহি উদ্যোগ বিনিয়োগ কৰিব পাৰে। মাননীয় অটল বিহাৰী বাজপেয়ী কেন্দ্ৰীয় চৰকাৰত থাকোতে উত্তৰ-পূৰ্বাঞ্চল আৰু হিমাচল প্ৰদেশক এই পলিচীত সামৰি লোৱা হৈছিল। উত্তৰ-পূৰ্বাঞ্চললৈ বাহিৰৰ মানুহ উদ্যোগ বিনিয়োগ কৰিবলৈ নাহে। ইয়ালৈ যাতে বাহিৰৰ মানুহ আহে তাৰ ব্যৱস্থা কৰিব লাগিব। ইয়াক আকৰ্ষণীয় হিচাবে ঘোষণা কৰিবলৈ আমি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাম। উত্তৰ-পূৰ্বাঞ্চলৰ বাবে দহ বছৰ আৰু আন ৰাজ্যৰ বাবে চাৰি বছৰ দিয়া হৈছিল। ২০০৬ চনত আৰু তিনি বছৰ বঢ়োৱা হয়।

আমাৰ দাবী হ'ল যে উত্তৰ-পূৰ্বাঞ্চলত যিমানবিলাক উদ্যোগ স্থাপন হয় সেই সকলোবিলাকত সকলো ধৰণৰ সা-সুৰিধা প্ৰযোজ্য হ'ব লাগে বুলি কেন্দ্ৰীয় চৰকাৰে নোটিফাই কৰিব লাগে। কেন্দ্ৰীয় মন্ত্ৰীৰ

লগত আমি যিমানবিলাক আলোচনা কৰিছো, সেইবিলাক আলোচনাত এইবিলাক কথা মানি লৈছো। অসমে দাবী কৰি আহিছে যে উত্তৰ-পূৰ্বাঞ্চল উদ্যোগ নীতি সম্প্রসাৰণ কৰক।

২০০৭ চনৰ যিটো পলিচী হ'ব তাত কিছুমান থ্বাছ দিয়ক। আগতে পাৱাৰ জেনেৰেচনক সোমাই লোৱা নাছিল। এতিয়া পাৱাৰ থার্মেল ও হাইড্রেল প্রজেক্টবিলাক আমি উদ্যোগ নীতিত সোমাই লব কৈছো। স্বাস্থ্য সেৱা ক্ষেত্রত নার্ছিং হোম বা অন্য যিবিলাক অনুষ্ঠান আছে সেইবিলাক উদ্যোগ হিচাবে অনুমোদন হোৱা নাছিল। নতুন উদ্যোগ নীতিত সেইবিলাক সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। পর্য্যটনৰ ক্ষেত্রত যিবিলাক আন্তঃগাঠনি সেইবিলাক উচ্চমানৰ কৰিব বিচৰা হৈছে যাতে উত্তৰ-পূৱত বাহিৰৰ পর্য্যটকৰ আকর্ষণ বাঢ়ে, ইয়াকো থ্বাছ এৰিয়া হিচাবে সিদ্ধান্ত লবলৈ আৰু নতুন এনই ইণ্ডাষ্ট্রিয়েল পলিচীত সামৰি লবলৈ আমি কেন্দ্রীয় চৰকাৰক অনুৰোধ জনাইছো। ১৯৯৭ চনত যিটো উদ্যোগ নীতি আছিল তাত অকল ফিনিচ প্রডাক্টবিলাকহে আছিল অর্থাৎ উৎপাদিত সামগ্রীৰ জোৰ দিয়া হৈছিল। বাহিৰৰ কেঁচা সামগ্রী আনিহে উৎপাদন কৰা হৈছিল আৰু অকল সেইবিলাককহে সকাহ দিয়া হৈছিল। এতিয়াৰ মেটেৰিয়েল অর্থাৎ আমদানীকৃত সামগ্রীৰ ওপৰত এক্সাইজ ডিউটি ৰেহাই দিবৰ কাৰণে অনুৰোধ জনাইছো। আমি উত্তৰ-পূব উদ্যোগ নীতিৰ অধীনত এই অঞ্চলটোক টেক্স ফ্রি জোন হিচাবে ঘোষণা কৰিবলৈ কেন্দ্রীয় চৰকাৰক দাবী জনাইছো। আনকি এই নীতিৰ আধাৰত ইনকাম টেক্স পৰিহাৰ কৰিবলৈকো আমি দাবী জনাইছো। ইয়াৰোপৰি কেপিটেল চাবচিডি যাতে বঢ়াই দিয়ে তাৰ কাৰণেও অনুৰোধ জনাইছো। আগতে ক্ষুদ্র উদ্যোগৰ ক্ষেত্রত চাবচিডি

৩০ লাখ আছিল। আমি এতিয়া ইয়াক বঢ়াই ৫ কোটি কৰিবলৈ দাবী কৰিছো অর্থাৎ মুঠ আউটলে শতকৰা ৪০ ভাগ দিবৰ কাৰণে দাবী উত্থাপন কৰিছো। এই চাবচিডিবিলাক বিভিন্ন ৰাজ্যক নেদফিৰ যোগেদি বিতৰণ কৰে। আমি ইয়াক প্রত্যেক ৰাজ্যৰ উদ্যোগ উন্নয়ন নিগমৰ যোগেদি বিতৰণৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছো। আমি জনাত আমাৰ এই দাবীবিলাক ভাৰতৰ প্রধান মন্ত্রীয়ে আগভাগ লৈ এই দাবীবিলাক সন্নিবিষ্ট কৰিবলৈ বিত্ত মন্ত্রীক নির্দ্দেশ দিছে আৰু কেন্দ্রীয় মন্ত্রীসভাত উত্থাপন কৰিবলৈ বিষয়াসকলক সংকেত দিছে আৰু ইতিমধ্যে কেন্দ্রীয় মন্ত্রীসভাত দাখিল কৰিছে আৰু দুই এদিনতে কিবা সিদ্ধান্ত লব বুলি বাতৰি-কাকততো পাইছো। এই প্রস্তাৱ গ্রুপ অৱ মিনিষ্টাৰক পুনঃ নিৰীক্ষণ কৰিবলৈ অনুৰোধ জনাইছে। এই ব্যৱস্থা হ'লে সকলো ব্যৱসায়ীয়ে বা উদ্যোগপতিয়ে উত্তৰ-পূৱত উদ্যোগ স্থাপন কৰিবলৈ বা বিনিয়োগ কৰিবলৈ আগবাঢ়ি আহিব। বিষয়টো পুনঃ নিৰীক্ষণ গ্রুপ অৱ মিনিষ্টাৰৰ সভাত হব বুলি মই কেন্দ্রীয় মন্ত্রী শ্রীসন্তোষ মোহনদেৱৰ পৰা গম পাইছো। আমি গম পোৱা মতে প্রধান মন্ত্রী, কেন্দ্রীয় মন্ত্রী প্রণৱ মুখার্জী, সন্তোষ মোহনদেৱ, অস্কাৰ ফার্নাণ্ডেজ, কমল নাথ এওঁলোক আছে আৰু ৩১ মার্চৰ ভিতৰত উত্তৰ-পূৱ উদ্যোগ নীতি ঘোষণা হ'ব বুলি আমি আশাবাদী। নতুন দিল্লীত অহা ৭ তাৰিখে উত্তৰ-পূৱ উদ্যোগ মন্ত্রীসকলৰ এখন সভা হ'ব। তালৈ মই যাম আৰু সেই সময়ত গ্রুপ অৱ মিনিষ্টাৰক লগ কৰিম আৰু হেঁচা প্রয়োগ কৰিম যাতে ৩১ মার্চৰ আগতে যাতে উত্তৰ-পূৱ উদ্যোগ নীতি ঘোষণা কৰে।

★ **শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** কেন্দ্রীয় চৰকাৰক অসম চৰকাৰে যি পৰামর্শ দিছে তাৰ কপি বিধান সভাৰ সদস্যসকলক দিয়াৰ ব্যৱস্থা কৰিব নেকি?

★ Speech not corrected.

আৰু আই. এ. এম.ৰ এটা কেন্দ্ৰ গুৱাহাটীত হ'ব লাগে বুলি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাবনে ?

★ শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী)ঃ আমাৰ মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই গুৱাহাটীত আই. এ. এম.ৰ এটা কেন্দ্ৰ লাগে বুলি দাবী জনাইছিল। কিন্তু উত্তৰ-পূৱৰ ভিতৰত শ্বিলঙত এটা কেন্দ্ৰ দিছে। তাত বোধকৰো আমাৰ আপত্তি কৰিবলগীয়া নাই। আমাৰ পৰামৰ্শৰ কপি একোটা দিয়া হ'ব।

Mr. Speaker: Now, I call upon Hon'ble Member, Shri Ananta Deka to raise his Zero Hour Motion which published in "Adin" dated 24-02-07 under the caption :

"দৰিদ্ৰজনৰ মূৰত ৰাম টাঙোন শোধাই আকাশলংঘী মূল্য আদায় কৰিছে অসাধু চক্ৰই"।

শ্ৰীঅনন্ত ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা বিশেষ বাতৰিৰ প্ৰতি সদনত আজি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যোৱা ২৫ ফেব্ৰুৱাৰী তাৰিখৰ "এদিন" নামৰ দাতৰি-কাকতত প্ৰকাশিত "দৰিদ্ৰজনৰ মূৰত ৰাম টাঙোন শোধাই আকাশলংঘী মূল্য আদায় কৰিছে অসাধু চক্ৰই। চাংসাৰি-নিউ গুৱাহাটীত সক্ৰিয় চিণ্ডিকেট" এই বাতৰিটো প্ৰকাশ কৰিছে। আলু, পিয়াজ আদি আমাৰ জনসাধাৰণৰ কাৰণে অত্যাৱশ্যকীয় সামগ্ৰী, গতিকে আলু, পিয়াজৰ এই মূল্য বৃদ্ধি ৰাজ্যখনৰ কাৰণে খুবেই গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। সময়ে সময়ে এইদৰে এই দুবিধ অত্যাৱশ্যকীয় খাদ্যবস্তুৰ মূল্যবৃদ্ধি হয়, তাৰ কিবা কাৰণ থাকক বা নাথাকক। আজি এই আকাশলংঘী মুদ্ৰাস্ফীতিৰ কাৰণে আমাৰ অসমৰ

★ Speech not corrected.

জনসাধাৰণ যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। আলু আৰু পিয়াজ এই দুবিধ সামগ্ৰী বাহিৰৰ পৰা অসমলৈ অনা হয়। সাধাৰণতে নাছিকৰপৰা অনা হয় পিয়াজ, যেতিয়া নাছিকত পিয়াজৰ দাম ৭ টকা হয় প্ৰতি কিলোত, সেই সময়ত কিন্তু অসমত পিয়াজৰ দাম হয় প্ৰতি কেজিত ৩৫ টকা। আলুৰ দাম বাঙ্গালোৰত যেতিয়া প্ৰতি কিলোত ৫ টকা হয়, তেতিয়া অসমত তাৰ দাম হয় ১২ টকা কেজি। অথচ বাঙ্গালোৰ আদিৰ পৰা অসমলৈ আলু আহে। অৱশ্যে অসমলৈ অহাৰ লগে লগে পৰিবহন ব্যয় আৰু লেবাৰ চার্জ যোগ দিয়া হয়। তথাপিও এই দাম অসমত অত্যাধিক কৰি দিয়া হয়। এতিয়া অৱশ্যে হঠাৎ দাম কমিছে। কিন্তু হঠাৎ ইয়াত এই সামগ্ৰীবিলাকৰ মূল্য বৃদ্ধি কৰি দিয়ে ব্যৱসায়ীসকলে। এইদৰে এই গোটেই ব্যৱসায়টোৰ নিয়ন্ত্ৰণ কৰি আছে অসাধু ব্যৱসায়ীসকলে। সেয়ে মূল্যবৃদ্ধিৰ গোটেই বিষয়টো নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত আৰু জনসাধাৰণক সকাহ দিয়াৰ ক্ষেত্ৰত আজি আমাৰ খাদ্য আৰু অসামৰিক যোগান বিভাগটো সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। এতিয়া বানপানীও হোৱা নাই। কমিউনিকেচনো ডিচ্ৰনপ্টেড্ হোৱা নাই, তথাপি দাম বাঢ়িছে। পিয়াজ নাছিকত ৫টকা হ'লে অসমত ৩৪ টকা হয়। 'এদিন' কাকতে আৰু এটা কথা কৈছে যে চাংসাৰীত আলু, পিয়াজৰ চিণ্ডিকেট আছে। এচাম অসাধু ব্যৱসায়ীয়ে নিজৰ ইচ্ছামতে এই চিণ্ডিকেট নিয়ন্ত্ৰণ কৰে। আচলতে কিন্তু আমাৰ খাদ্য আৰু অসামৰিক যোগান বিভাগে এই বিষয়টো নিয়ন্ত্ৰণ কৰা দৰকাৰ। এই ক্ষেত্ৰত অকল যে আমাৰ জনসাধাৰণহে ক্ষতিগ্ৰস্ত হৈছে এনে নহয়, আমাৰ চৰকাৰো ৰাজহ বিভাগৰ পৰা বঞ্চিত হৈছে। কাৰণ এই ব্যৱসায়ীসকলে কৰো ফাঁকি দি আহিছে। এই ক্ষেত্ৰত আমাৰ যোগান

বিভাগৰ ফালৰ পৰা এটা তদন্ত কৰা দৰকাৰ। আলু পিয়াজৰ একছত্ৰী সম্ৰাট বিনোদ চুৰাণাৰ বাসগৃহত আয়কৰ বিভাগে তালাচী চলায়, তাৰ পিছতে আলু পিয়াজৰ দাম অলপ কমিছে। এই গোটেই চিণ্ডিকেট ব্যৱসায়ীসকলক ৰোধ কৰাৰ বাবে যোগান বিভাগে তৎকালে পদক্ষেপ গ্ৰহণ কৰিব লাগে। বানপানী আদি নৌহওঁতেই এই অসাধু আৰু বৃহৎ ব্যৱসায়ীসকলে পুৰণা ষ্টকৰ দাম বঢ়াই দিয়ে। আমাৰ যোগান বিভাগ আৰু জিলা প্ৰশাসন এই ক্ষেত্ৰত কঠোৰ হৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আজি মানুহে চৰকাৰৰ অস্তিত্বকে অনুভৱ কৰিব নোৱাৰে। কাৰণ এই গোটেই ব্যৱসায়ীটো নিজৰ ইচ্ছামতে নিয়ন্ত্ৰণ কৰিছে এই অসাধু ব্যৱসায়ী চিণ্ডিকেটটোৱে। সেয়ে আমি আমাৰ খাদ্য আৰু অসামৰিক যোগান বিভাগটোৱে কিছু সক্ৰিয় হৈ কিছুমান ব্যৱস্থা লোৱা উচিত। মই আশা কৰিছো মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব। সময়ে সময়ে এই ব্যৱসায়ী চক্ৰটোৰ উৎপাত অসমত চলিয়েই থাকে। গতিকে এই উৎপাত সোনকালে চৰকাৰে বন্ধ কৰাৰ বিশেষ ব্যৱস্থা লওঁক। এই ক্ষেত্ৰত কঠোৰতম ব্যৱস্থা লোৱাটো উচিত। ভুৱা মাৰ্কশ্বিট আৰু ভুৱা চাৰ্টিফিকেটৰ চিণ্ডিকেটবিলাক যিদৰে ধৰা পেলাই ব্যৱস্থা লব খুজিছে সেইদৰে এই ক্ষেত্ৰতো চৰকাৰে দৃষ্টি দি দৃঢ় আৰু কঠোৰ ব্যৱস্থা গ্ৰহণ কৰক। অন্যান্য সৰু-সুৰা ব্যৱসায়ী মানুহৰ ওপৰত যিদৰে চৰকাৰ জপিয়াই পৰে এই বৃহৎ ব্যৱসায়ীসকলৰ ক্ষেত্ৰত কিন্তু তেনেদৰে জপিয়াই পৰা আমি দেখা নাই। আমাৰ সাধাৰণ মানুহৰ অত্যাৱশ্যকীয় সামগ্ৰীবিলাকৰ ক্ষেত্ৰত যি ব্যৱসায়ীয়ে অসাধু ব্যৱসায় কৰি আছে তেওঁলোকক এৰি নিদি চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰক। ৰাজ্য চৰকাৰে সুলভ মুল্যৰ দোকানৰ জড়িয়তেও যদি কিবা ব্যৱস্থা

গ্রহণ কৰি ৰাইজক সকাহ দিব পৰা ব্যৱস্থা গ্রহণ কৰিব পাৰে মন্ত্রী মহোদয়ে তেনেধৰণৰ ব্যৱস্থা গ্রহণ কৰিব বুলি আমাক জানিবলৈ দিয়ক। খাদ্য সামগ্রীৰ ব্যৱসায় বৃহৎ ব্যৱসায়ীসকলৰ হাতত এৰি নিদি ৰাজ্য চৰকাৰে ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালী কৰি সকলো জনসাধাৰণক সকাহ দিব লাগে।

Mr. Speaker : Hon'ble Minister, Food and Civil Supplies.

★ **ডাঃ নজৰুল ইছলাম** (মন্ত্রী, খাদ্য ও অসামৰিক যোগান) ঃ যোৱা ইং ২৪-২-২০০৭ তাৰিখে অসমীয়া 'এদিন' কাকতত প্রকাশিত "আলু পিয়াজ ব্যৱসায়ীৰ লুটৰাজ চলিছে ৰাজ্যত".....শীর্ষক বাতৰিটোৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

বাতৰিটোত উল্লেখ কৰামতে "সাৰসিকতি নাই যোগান বিভাগৰ" বোলা উক্তিটো সত্যৰ ওপৰত প্রতিষ্ঠিত নহয়।

আলু পিয়াজকে ধৰি নিত্য প্রয়োজনীয় সামগ্রীসমূহৰ পাইকাৰী আৰু খুচুৰা মূল্যৰ ওপৰত খাদ্য আৰু অসামৰিক যোগান বিভাগে সদায়েই দৃষ্টি ৰাখি আহিছে আৰু এই ক্ষেত্রত যোগান বিভাগৰ দ্বাৰা কৰিবলগীয়াখিনি কৰি থকা হৈছে। ৰাজ্যখনত উৎপাদন হোৱা আলু পিয়াজেৰে ৰাইজৰ সম্পূর্ণ চাহিদা পূৰণ নহয়। তাৰ ফলত ৰাজ্যখনলৈ বাহিৰৰ পৰা আলু পিয়াজ আমদানী কৰিবলগীয়া হয় আৰু এইআমদানী আলু পিয়াজৰ ব্যৱসায়ীসকলে আলুৰ ক্ষেত্রত পশ্চিমবংগ, উত্তৰ প্রদেশ আদি ৰাজ্যৰ পৰা আৰু পিয়াজৰ ক্ষেত্রত নাছিক, ৰাজস্থান, গুজৰাট আৰু বিহাৰ আদি ৰাজ্যৰ পৰা আমদানী কৰে। বর্ত্তমান সময়ত মহাৰাষ্ট্রৰ নাছিকৰ পৰাহে ৰাজ্যখনলৈ আমদানী কৰা হৈ আছে।

★ Speech not corrected.

বাতৰিত উল্লেখ কৰামতে আলুৰ ক্ষেত্ৰত যোৱা জানুৱাৰী মাহত পাইকাৰী মূল্য ৪০০ টকাৰ পৰা ৫০০ টকা (প্ৰতি কুইন্টলৰ) বিপৰীতে খুচুৰা মূল্য ৬/-টকাৰ পৰা ৮/-টকালৈকে আছিল। অৱশ্যে পিয়াজৰ দামৰ ক্ষেত্ৰত জানুৱাৰী মাহত পাইকাৰী মূল্য ১২০০/-টকাৰ পৰা ১৪০০/- টকা (প্ৰতি কুইন্টল)ৰ বিপৰীতে খুচুৰা মূল্য ১৪/- টকাৰ পৰা ১৬/-টকা আছিল।

জানুৱাৰী মাহৰ শেষৰ পৰা ৰেল বিভাগে নিশাৰ ভাগত ৰেল চলাচলত কিছুবাধা নিষেধ আৰোপ কৰাৰ ফলত পিয়াজকে ধৰি অন্যান্য সামগ্ৰী সৰবৰাহত কিছু পলম ঘটিছিল।

অৱশ্যে চৰকাৰৰ তৰফৰ পৰা তৎপৰতাৰে ৰেল বিভাগৰ লগত যোগাযোগ কৰি পিয়াজ আমদানী অব্যাহত ৰাখিবৰ বাবে ব্যৱস্থা লোৱা হৈছে। ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা সমগ্ৰ দেশৰ লগতে অসমতো পিয়াজৰ মূল্য উৰ্দ্ধগামী হোৱা পৰিলক্ষিত হয় যদিও বাতৰিত প্ৰকাশ কৰা ধৰণে ৩০/-টকাৰ পৰা ৩৫/-টকালৈ বৃদ্ধি হোৱা নাই।

অৱশ্যে ফেব্ৰুৱাৰী মাহত ২য় সপ্তাহত পিয়াজত গুৱাহাটীৰ বজাৰত সৰ্ব্বোচ্চ পাইকাৰী মূল্য ২২৫০/-টকাৰ বিপৰীতে খুচুৰা মূল্য আছিল ২৪/-টকাৰ পৰা ২৬/-টকা পৰ্য্যন্ত। উক্ত সময়ছোৱাত দিল্লীত পিয়াজৰ খুচুৰা মূল্য ২৮/-টকা পৰ্য্যন্ত আৰু কলিকতাত ২২/-টকা পৰ্য্যন্ত হৈছিলগৈ।

ৰাজ্য চৰকাৰে ফেব্ৰুৱাৰী মাহত হোৱা উক্ত তাৎক্ষণিক মূল্যবৃদ্ধিৰ ওপৰত ৰেল কৰ্ত্তৃপক্ষৰ লগতে আলু পিয়াজৰ খুচুৰা আৰু পাইকাৰী ব্যৱসায়ীসকলৰ লগত আলোচনাক্ৰমে পিয়াজৰ যোগান নিয়মীয়া কৰি ৰখাৰ লগতে গুৱাহাটী মহানগৰীৰ বিভিন্ন ওৱাৰ্ডত গ্ৰাহক ৰাইজৰ বাবে

৩২/- টকা খুচুৰা বিক্ৰীৰ যোগেদি সুলভ মূল্যত ১৮/- টকাৰ পৰা ২০/- টকা প্ৰতি কেজিত পিয়াজ বিক্ৰী কৰাৰ ব্যৱস্থা কৰে। বৰ্ত্তমান পিয়াজৰ আমদানি নিয়মীয়া হোৱাত যোৱাকালিৰ তাৰিখত গুৱাহাটীৰ বজাৰত পিয়াজৰ পাইকাৰী মূল্য প্ৰতি কুইন্টলত ১৪০০ টকাৰ পৰা ১৭০০ টকাৰ বিপৰীতে খুচুৰা মূল্য ১৮/- টকাৰ পৰা ২০/- টকা প্ৰতিকেজিত বিক্ৰী হৈছে।

বাতৰিত উল্লেখ কৰাৰ দৰে কলিকতা, বাঙ্গালোৰ আৰু নাছিকৰ পৰা আমদানি কৰা পিয়াজৰ পৰিবহন তথা আনুষঙ্গিক ব্যয় একে নহয়।

বাতৰিত প্ৰকাশ পোৱাৰ দৰে আলু পিয়াজৰ চিণ্ডিকেট মাফিয়া চক্ৰৰ অস্তিত্ব আছে বুলি জনা নাযায়।

খাদ্য আৰু অসামৰিক যোগান বিভাগে আলু পিয়াজকে আদি কৰি অন্যান্য নিত্য ব্যৱহাৰ্য্য অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যমান আৰু মজুত স্থিৰ ৰাখিবৰ বাবে অন্যান্য ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰিও প্ৰতি সপ্তাহে বিভিন্ন সামগ্ৰীৰ পাইকাৰী আৰু খুচুৰা ব্যৱসায়ীৰ লগত পৰ্য্যালোচনা সভা অনুস্থিত কৰি আহিছে আৰু এনেধৰণৰ সাপ্তাহিক পৰ্য্যালোচনা সভা জিলা আৰু মহকুমা পৰ্য্যায়তো অনুস্থিত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু সেই অনুযায়ী জিলা/মহকুমাসমূহে এনে সভা অনুস্থিত কৰি আহিছে যাৰ ফলত ৰাজ্যখনত কোনো নিত্য ব্যৱহাৰ্য্য অত্যাৱশ্যকীয় সামগ্ৰীৰ কোনো পৰ্য্যায়তে নাটনি হোৱা নাই।

ৰাজ্যখনত মূল্যবৃদ্ধিৰ বিভিন্ন কাৰণৰ লগতে উৎসত্তে মূল্যবৃদ্ধি হ'লে স্বাভাৱিকতে ৰাজ্যখনত ইয়াৰ প্ৰভাৱ পৰে।

গতিকে বাতৰি-কাকতত উল্লেখ কৰাৰ দৰে "আলু পিয়াজ ব্যৱসায়ীৰ লুটৰাজ চলিছে ৰাজ্যত....." শীৰ্ষক বাতৰি সত্যৰ ওপৰত

প্রতিষ্ঠিত নহয়।

★ শ্রীমহিবুল হক ঃ ছাৰ, পইন্ট অৰ অর্ডাৰ ছাৰ। মই জিৰো আৱাৰত এটা প্রশ্ন আনিছিলো। কিন্তু ছাৰ, মোক অনুমতি দিয়া নহ'ল। ছাৰ, লয়াৰ আসামত ২৬ হাজাৰ পৰিয়ালে পুনৰ সংস্থানৰ বাবে হাহাকাৰ কৰি আছে। ছাৰ, আজি আপুনি যিকেইটা প্রশ্ন উত্থাপনৰ বাবে অনুমতি দিছে তাতকৈ এই প্রশ্নটো অতি গুৰুত্বপূর্ণ আছিল।

মাননীয় অধ্যক্ষ ঃ অনুগ্রহ কৰি আপুনি বহক। এই প্রশ্নটো ইতিমধ্যে হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই কৰিছেই। আপুনি আজিৰ ৭নং প্রশ্নটো চাব পাৰে। একে চিমিলাৰ মেটাৰ উল্লেখ কৰিছে।

★ শ্রীমহিবুল হক ঃ ছাৰ, আহমেদ ডাঙৰীয়াৰ প্রশ্নটো মই দেখিছো। ছাৰ, প্রশ্নটোৰ মিল আছে। কিন্তু প্রশ্নটো অতি গুৰুত্বপূর্ণ। সেয়েহে মই প্রশ্নটো উত্থাপনৰ বাবে বিচাৰিছিলো।

মাননীয় অধ্যক্ষ ঃ Please sit down. There is similar question you will get scope to discussion on this. Please do not question Speaker's displeasure.....সেই কাৰণে আমি বি. এ. চি. মিটিঙত এটা ডিচিচন লৈছিলো যে যাতে আমি একে দিনাই ১২/১৩টা প্রশ্ন ডিচপোজ কৰিব পাৰো। আজি মাত্র ৫টা প্রশ্নহে ডিচপোজ কৰিছো।

It has been decided by the Business Advisory Committee that the questioner will be allowed to put two supplementaries and three supplementaries will be allowed to three different Members. Our

★ Speech not corrected.

aim is to discuss on more questions. Today, we could discuss only five questions.

★ **Dr. Kamala Kanta Kalita** : Sir, today we have disposed only five questions.

মাননীয় অধ্যক্ষ ঃ I request you all to be specific and short in your deliberations so that more questions can be disposed off. This kind of regentment should not be allowed to continue. With due apology I appeal to you to be specific and concise while discussing on supplementaries. সেইকাৰণে আমি ডিচিচন লৈছিলো যে যাতে আমি একে দিনাই ১২/১৩ বা ২০টা প্ৰশ্ন ডিচপোজ কৰিব পাৰো।

★ **Shri Prithibi Majhi** (Ministerm P. & D.) : What is important and what is not important will be decided by the Hon'ble Speaker. It is the discreation of the Speaker. There sould not be any question regarding the importance of the Matter.

Mr. Speaker : What is important for you may not be important for all. The question is that the discreation of the Speaker should not be disregarded. It is final.

★ Speech not corrected.

★ শ্রীমহিবুল হক ঃ ছাৰ, মই মাত্ৰ দুখ প্ৰকাশ কৰিছো। যিহেতু আপুনি ছাৰ, এই হাউচৰ মালিক আৰু ছাৰ আপোনাৰ যিহেতু ডিচক্ৰিয়েচন পাৰাৰ আছে, সেইকাৰণেহে মই কথাটো কৈছো।

শ্রীভৰত চন্দ্র নৰহ (মন্ত্রী, সংসদীয় পৰিক্রমা) ঃ ছাৰ, মাননীয় সদস্যগৰাকীয়ে দুখী হব নালাগে। যেতিয়া ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত বিতর্ক হব তেতিয়াও তেখেতে তাত সুযোগ পাব। মাননীয় অধ্যক্ষ মহোদয়ৰ ডিচিচনৰ ওপৰত চেলেঞ্জ কৰিব নালাগে।

শ্রীমহিবুল হক ঃ ছাৰ, মই চেলেঞ্জ কৰা নাই। মই দুখ প্ৰকাশ কৰিছো।

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা মন্ত্রী) ঃ ছাৰ ইয়াত দুখ প্ৰকাশ কৰাৰ কোনো স্কোপ নাই।

REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. Speaker : Now, item No. 2- The Report of the Business Advisory Committee.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. I called a meeting of the Business Advisory Committee in my office chamber on 26.2.2007 to decide the priority for discussion on the Supplementary Demands for grants

★ Speech not corrected.

2006-2007 and to allocated time to various Legislature Parties, Groups and Independent Members for discussion on the Debate on the Motion of Thanks on the Governor's Address.

The Committee after threadbare discussion decided to take up the Supplementary Demands for grant for discussion on priority basis considering the urgency and public importance of the Supplementary Demands for Grants. Accordingly, the Committee unanimously decided to accord priority for discussion on the Supplementary Demands for Grants 2006-2007 as follows :

PN	27.2.07	M/2
1st Priority	Grant No.43	Co-operation.
2nd Priority	Grant No.20	Civil Defence & Home Guard.
3rd Priority	Grant No.71	Education (Elementary & Secondary etc.)
4th Priority	Grant No.18	Fire Services.
5th Priority	Grant No.15	Jails.

The rest of the grants will be taken up serially for discussion in the House, if time permits.

The Committee further decided that the total time that would be made available for Debate on the Motion of Thanks on the Governor's Address will be approximately 440 minutes and each Individual Member will get approximately 3 minutes. Time allocation for each Legislature Parties, Groups and Independent Members are as follows :

1.	Indian National Congress and its associates (including reply of CM)	- 213 Minutes
2.	Bharatiya Janata Party	- 30 Minutes
3.	Asom Gan Parishad	- 72 Minutes
4.	AUDF	- 30 Minutes
5.	CPI (M)	- 6 Minutes
6.	ASDC	- 3 Minutes
7.	AGP(P)	- 3 Minutes
8.	CPI	- 3 Minutes
9.	Independents	- 15 Minutes
10.	NCP	- 3 Minutes

I hope this has the approval of the House.

CALL ATTENTION NOTICE

Mr. Speaker : Now, Item No. 3, Shri Girindra Kumar Barua to call the attention of the Minister, Forest under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the News Item appearing in the "Amar Asom" dated 6th February, 2007 under the caption– "দ্বীপৰ বিল অস্তিত্ব হেৰুৱাৰ পথত"। The Member is absent.

MATTER UNDER RULE 301

Mr. Speaker : Now, Item No. 4, Shri Prafulla Kumar Mahanta to draw the attention of the Minister, Health and Family Welfare by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Assam Tribune" dated 12th January, 2007 under the caption : "**NE people more prone to cancer.**"

★ শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১২ জানুৱাৰী, ২০০৭ তাৰিখে 'আসাম ট্ৰিবুন' কাকতত প্ৰকাশিত বাতৰি এটাৰ প্ৰতি মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ইয়াত লিখা আছে যে-"NE people more prone to cancer" ভাৰতবৰ্ষৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলতে কেন্সাৰ বেমাৰ বেছি বুলি উল্লেখ কৰিছে। For the first time we came to know that NE people is more prone to cancer than any other State of the Country. Cancers are occuring in gallblader and stomach of the people of our State in large numbers. দেখা গৈছে যে উত্তৰ-পূৰ্বাঞ্চলত বি. বৰুৱা কেন্সাৰ ইনষ্টিটিউটেই একমাত্ৰ অনুষ্ঠান য'ত কেন্সাৰ বেমাৰৰ চিকিৎসা কৰা হয়। কিন্তু এই অনুষ্ঠানটোৱেই কেন্সাৰ বেমাৰীক সম্পূৰ্ণভাবে সহায় কৰিব নোৱাৰে। সেই অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ মানুহে ভেলোৰ, মুম্বাইলৈ যাবলৈ বাধ্য হৈছে। সেইকাৰণে আমি আশা কৰিছো বি. বৰুৱা কেন্সাৰ ইনষ্টিটিউটৰ উন্নতি সাধন কৰিব। কেন্সাৰৰ যিকেইটা বেমাৰৰ কথা উল্লেখ কৰা হৈছে সেই ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিছো আৰু উক্ত বাতৰিৰ সন্দৰ্ভত চৰকাৰৰ মনোভাৱ কি আৰু কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব জানিব বিচাৰিছো।

শ্রীহিমন্ত বিশ্ব শর্মা (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীপ্রফুল্ল কুমাৰ মহন্তই উত্তৰ-পূৰ্বাঞ্চলত কেন্সাৰ সম্পৰ্কত যিটো কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছে সেই সম্পৰ্কত জনাব বিচাৰিছো যে কিছু বছৰৰলৈ ৬টা পপুলেচন বেচ চেণ্টাৰ ৰেজিষ্টাৰ আছে। High probable

★ Speech not corrected.

consumption in the North-Eastern region.

এতিয়া দেখা গৈছে যে ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত উত্তৰ-পূৰ্বাঞ্চলত কেন্সাৰ বেমাৰ বেছি। ইয়াৰ ভিতৰত আমি দেখিছো যে মিজোৰামৰ ৬খন জিলাত কেন্সাৰ বেমাৰ বেছি। ইম্ফলত ১৫ শতাংশ। অসমৰ কামৰূপ জিলাত কেন্সাৰৰ ঘটনা আটাইতকৈ বেছি। কামৰূপৰ পিছত ডিব্ৰুগড়, তাৰ পিছত দৰং আৰু তাৰ পিছত যোৰহাটত বেছি। তাৰ পিছতেই ইষ্ট খাচী হিলচত দেখা যায়। এই বিষয়টো আমাৰ কাৰণে বিশেষভাবে চিন্তাজনক হৈছে। বি. ৰৰুৱা কেন্সাৰ ইনষ্টিটিউটৰ ৰেকৰ্ড চালে দেখা যায় যে ২০০৪-০৫ চনৰ ৪,১১২ জন, ২০০৫-০৬ চনত ৩,৫৪৯ জন, ২০০৩-০৪ চনত ৩,০০০ জন এই ধৰণে ৰোগীৰ সংখ্যা বৃদ্ধি হৈ আছে। উত্তৰ-পূৰ্বাঞ্চলত যে কেন্সাৰ ৰোগীৰ সংখ্যা বাঢ়িছে তাৰ কাৰণ হিচাবে early cancer detection ধপাত খোৱা এইটো আটাইতকৈ ডাঙৰ কাৰণ বুলি কোৱা হৈছে। তাৰোপৰি আটাইতকৈ উদ্যোগজনক ঘটনা এইটো যে স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে ধপাত খোৱাৰ মনোভাৱ ক্ৰমাগতভাৱে বৃদ্ধি পোৱা দেখা গৈছে। আমি ইতিমধ্যে এই সংক্ৰান্তত কথা-বতৰা পাতি আছো। আমি এই ক্ষেত্ৰত এটা পলিচী বা আইন অনাৰ কথাও কৈছো। এই সম্পৰ্কত প্ৰাৰম্ভিক কাম-কাজো আৰম্ভ হৈছে। কেন্সাৰ চিকিৎসাৰ কাৰণে বি. ৰৰুৱা ইনষ্টিটিউটে যথেষ্ট কাম কৰিছে। কেন্সাৰ আৰ্লি ডিটেকচনৰ কাৰণেও যথেষ্ট কাম কৰিছে। কিন্তু উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত বি. ৰৰুৱা কেন্সাৰ ইনষ্টিটিউটে একমাত্ৰ অনুষ্ঠান হোৱা বাবে ইয়াত প্ৰেচাৰটো বেছি হৈছে। শ্বিলং ইন্দিৰা গান্ধী ইনষ্টিটিট এটা হ'ব। তাত অসমৰো চিট থাকিব। তাৰোপৰি সেই অনুষ্ঠানটো হ'লে বি. ৰৰুৱা কেন্সাৰ ইনষ্টিটিউটৰ হেঁচা কমিব। আনহাতে

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত প্রথমবাৰৰ কাৰণে এনকোলোজি বিভাগ স্থাপন কৰাৰ কাৰণে আগবাঢ়িছো। মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ প্রচেষ্টাত 'পেট স্কেন মেচিন' বহুৱাৰ কাৰণে স্বাস্থ্য বিভাগৰ পৰা ৩০ কোটি টকাৰ প্রস্তাৱ এটা বিত্ত বিভাগলৈ দিয়া হৈছে। এইটো মেচিন আনিব পাৰিলে কেন্সাৰ চিকিৎসাৰ ক্ষেত্রত এটা নতুন পদক্ষেপ লোৱা হ'ব। ভাৰতবর্ষৰ ৪-৫ খন আগশাৰীৰ চিকিৎসালয়ৰ নিচিনা কৰিবলৈ হ'লে আমাৰ আৰু বহু কৰিবলগীয়া আছে। সঠিকভাবে সেইখিনি কৰিবলৈ সকলোৰে সহযোগিতা বিচাৰিছো।

★ **ডাঃ কমলা কান্ত কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাত্র এটা কথা মাননীয় মন্ত্রী মহোদয়ক জনাব বিচাৰিছো বি. বৰুৱা কেন্সাৰ ইনষ্টিটিউটত উত্তৰ-পূর্বাঞ্চলৰ ভিতৰত একমাত্র অনুষ্ঠান। কিন্তু অতি দুর্ভাগ্যজনক কথা যে কেন্সাৰ চিকিৎসাৰ কাৰণে লিপিট প্রফাইল টেষ্ট আৰু টার্নাৰ টেষ্ট মেচিন নাই। লিপিট প্রফাইল টেষ্ট যিকোনো লেবৰেটৰীতে হয়। কিন্তু সেই মেচিনটোৰেই বি. বৰুৱা কেন্সাৰ ইনষ্টিটিউটত নাই। গতিকে কিধৰণে চলিছে বি. বৰুৱা কেন্সাৰ অনুষ্ঠানটো ? বি. বৰুৱা কেন্সাৰ ইনষ্টিটিউটতে ব্লাড টেষ্ট কৰাৰ কাৰণে কি ৰেট সেইটো প্রাইভেট ইনষ্টিটিউটে সুধিছে। বি. বৰুৱা ইনষ্টিটিউটত টেষ্ট কৰিব নোৱাৰে। সেই কাৰণে কৈছো যে লিপিট প্রফাইল টেষ্টিংটো হব লাগে।

শ্রীহিমন্ত বিশ্ব শর্মা (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত তিনিটা অনুষ্ঠান আছে। উত্তৰ-পূৰ্ব পৰিষদ, অসম চৰকাৰ আৰু আনৰিক সন্থা। অহা ১০ তাৰিখে মিটিং হ'ব। ময়ো তাৰে এজন সদস্য। মাননীয় সদস্য ডাঃ কলিতাই যিটো প্রশ্ন উত্থাপন কৰিছে সেইটো বিতংভাবে জনালে সেই মিটিঙত উত্থাপন কৰিব পাৰিম। অন্য সদস্যৰো কিবা জনাবলগীয়া

★ Speech not corrected.

থাকিলে ১০ তাৰিখৰ ভিতৰত জনাব পাৰে। ডোনাৰৰ মাননীয় মন্ত্রী শ্রীমনিশংকৰ আয়াৰো অংশগ্রহণ কৰিব।

Dr. Kamala Kanta Kalita : We will extend all support to improve this Institution.

DEBATES ON THE MOTION OF THANKS ON THE GOVERNOR'S ADDRESS

Mr. Speaker : Now Item No. 5.

I have received 4 notices of amendments on the Motion of Thanks on the Governor's Address moved by Shri Sarat Borkotoky. The first notice of amendment is in the name of

1. Shri Brindaban Goswami,
2. Shri Chandra Mohan Patowary,
3. Shri Girindra Kumar Barua,
4. Shri Phani Bhusan Choudhury,
5. Shri Anup Phukan,
6. Dr. Alaka Sarma,
7. Smti. Sushila Hazarika,
8. Shri Abdul Aziz,
9. Shri Keshab Mahanta,

10. Shri Padma Hazarika,
11. Shri Hiren Kr. Das,
12. Shri Prabin Gogoi,

I, now, request one of the Hon'ble Members to move the Motion :

Shri Abdul Aziz : Sir, I beg to move that an end of the Motion of Thanks on the Governor's Address moved by Shri Sarat Barkotoky MLA the following may be added :

"The address of the Governor is not based on realities of the State. The grim situation of unemployment gradual break-down in law and order situation and failure to check price hike are being deliverately concealed. The present Government violated the financial and administrative rules. The Government has failed to continue peace talk with the extremist group. The Government has failed in all respects. Therefore, the Motion of Thanks should be rejected."

Mr. Speaker : The 2nd notice of amendment stands in the name of Shri Drupad

Borgohain. I, now, request the Hon'ble Member, Shri Drupad Borgohain to move the motion.

Shri Drupad Borgohain : Sir, I beg to move that at the end of the Motion of Thanks on the Governor's Address moved by Shri Sarat Barkataky, MLA, the following be added :

At page 4- Implementation of Assam Accord-After first paragraph under this head the following lines should be inserted;

"Through my Government is committed to implement the Assam Accord speedily, though a separate directorate for updating the National Register of Citizens (NRC) 1951 has been created, though 21 new Foreigners Tribunals in addition to the 11 existing ones have been created to detect and deport illegal migrants quickly, yet my Government does not have desired results for speedy implementation of Assam Accord for speedy updating of

NRH 1951 and for speedy detection and deportation of illegal foreigners who had illegally migrated to Assam after 25th March, 1971."

On Page-10 after 1st Paragraph (which is the last paragraph of the Panchayat and Rural Development), the following lines should be inserted:

"Though there are activities of Panchayats, though much money has been released for rural development, yet the activities of the Panchayat are not upto the mark and yet much of the money release for rural development has been drain out my rampant corruption and thus rural development has been slowed down."

Mr. Speaker : The 3rd amendment notice of stands in the name of Shri Mission Ranjan Das, Shri Kartik Sena Sinha, Shri Sambhu Sing Mallah, Dr. Rumi Nath. I now request one of the Hon'ble Members to move the motion.

★ **Shri Ranjit Dutta :** Sir, I beg to move that at the end of Motion of Thanks on the Governor's Address moved by Shri Sarat Barkataky the following may be added :

"That the Governor's Address fails to reflect the real facts on peace and development of our State."

Mr. Speaker : The 4th notice of amendment stands of in the name of Shri Ananta Deka. I, now, request the Hon'ble Members, Shri Ananta Deka to move the motion.

শ্রীঅনন্ত ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মাননীয় সদস্য শ্রীশৰৎ বৰকটকীয়ে প্রস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্রস্তাৱৰ সংশোধনত প্রস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওঁক যে ঃ-

(ক) "আইন শৃংখলা পৰিস্থিতি" শীৰ্ষক আলোচনাত ৩ পৃষ্ঠাৰ দ্বিতীয় পেৰেগ্রাফৰ অন্তত তলৰ কথাখিনি যোগ দিব। চৰ্ত্তহীন আলাপ-আলোচনাৰ জড়িয়তে সমস্যাটোৰ সমাধান উলিয়াবলৈ ৰাজ্য চৰকাৰ সদা-সৰ্বদা প্রস্তুত।

(খ) "অসম চুক্তি ৰূপায়ণ" শীৰ্ষক আলোচনাৰ অন্তত "ভূমি সংস্কাৰ" শীৰ্ষক এটি দফা সংযোজন কৰি তলত দিয়া কথাখিনি যোগ দিব। "ৰাজ্য চৰকাৰে ৰাজ্যখনৰ চিলিঙৰ ওপৰঞ্চি সমুদায় ভূমি

★ Speech not corrected.

অধিগ্রহণ কৰি ভূমিহীন আৰু গৰীৱ কৃষকৰ মাজত বিতৰণ কৰিব আৰু যথাসম্ভৱ শীঘ্রে মাটিৰ পট্টা প্রদানৰ ব্যৱস্থা কৰিব। বিকল্প সংস্থান নকৰাকৈ অথবা উপযুক্ত ক্ষতিপূৰণ নিদিয়াকৈ ৰাজ্যখনত কোনো খেতিয়কক উচ্ছেদ কৰা নহ'ব।"

(গ) "কৃষি" খণ্ডৰ সদনত আলোচনাৰ অন্তত ৫ নং পৃষ্ঠাত শেষৰ পেৰেগ্রাফত তলৰ কথাখিনি সংযোজন কৰা হওঁক — "ৰাজ্যখনৰ ভূমিহীন কৃষিজীৱি সকলৰ জীৱন মান উন্নত কৰাৰ কাৰণে বিশেষ অর্থনৈতিক উদ্যোগ গ্রহণ কৰা হ'ব।"

(ঘ) "জলসিঞ্চন" শীর্ষক আলোচনাত ৬ নং পৃষ্ঠাত দ্বিতীয় পেৰেগ্রাফৰ শেষত তলৰ কথাখিনি যোগ দিয়া হওঁক— "খৰাং মোকাবিলা কৰাৰ কাৰণে ৰাজ্যখনৰ সকলোখিনি কৃষিভূমিত জলসিঞ্চনৰ বাবে কার্য্যকৰী পদক্ষেপ লবলৈ ৰাজ্য চৰকাৰ প্রতিজ্ঞাবদ্ধ।"

(ঙ) শিক্ষা শিতানত মাননীয় ৰাজ্যপালৰ ভাষণৰ শেষৰ পিনে তলত দিয়া কথাখিনি যুক্ত কৰা হওঁক — "ৰাজ্য চৰকাৰে অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা স্বীকৃতিপ্রাপ্ত সকলো বিদ্যালয়তে পর্য্যায়ক্রমে প্রাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰিব।

(চ) ১৭ নং পৃষ্ঠাত খাদ্য আৰু সামগ্রীক যোগান শীর্ষক আলোচনাৰ আৰম্ভণিতে তলৰ কথাখিনি যুক্ত কৰা হওঁক— " চৰকাৰে ৰাজহুৱা বিতৰণ ব্যৱস্থা সার্ব্বজনীন কৰি এই ব্যৱস্থাৰ অধীনত চাউল, চেনী, আটা, ময়দা, কেৰাচিন, গা ধোৱা আৰু কাপোৰ ধোৱা চাবোন, মিঠাতেল আদিকে ধৰি অত্যাৱশ্যকীয় সকলো খাদ্য সামগ্রী যোগান ধৰিব।"

(ছ) ২৮ নং পৃষ্ঠাত "শ্রম আৰু নিয়োগ শিতানত মোৰ চৰকাৰে ব্যৱস্থা হাতত লৈছে" কথাখিনিৰ পিছতে তলত দিয়া কথাখিনি যোগ দিব - "চৰকাৰে ৰাজ্য চৰকাৰৰ অধীনস্থ শিক্ষা বিভাগকে ধৰি বিভিন্ন বিভাগত খালী হৈ থকা পদসমূহ শীঘ্রে পূৰণ কৰাৰ ব্যৱস্থা কৰিব।"

Mr. Speaker : The 5th Notice of amendment stands in the name of Shri Prafulla Kumar Mahanta. Now, I rerquest Hon'ble Members, Shri Prafulla Kumar Mahanta to move the Motion.

★ **শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মাননীয় সদস্য শ্রীশৰৎ বৰকটকীয়ে প্রস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্রস্তাৱৰ সংশোধনত প্রস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওঁক যে—

"অসমৰ আইন-শৃংখলা আৰু অন্যান্য দিশৰ প্রকৃত ছবিখন দাঙি ধৰাত সম্পূর্ণ ব্যর্থ হ'ল আৰু কেন্দ্রীয় চৰকাৰৰ গৃহমন্ত্রী ডাঙৰীয়াই পি.চি.জিক দিয়া প্রতিশ্রুতি আৰু অসমৰ মুখ্যমন্ত্রী শ্রীতৰুণ গগৈয়ে নির্ব্বাচনৰ পিছতে পাঁচ বন্দী আলফাক মুক্তি দিয়া হ'ব বুলি কৰা ঘোষণা অসাৰ হোৱাই আলফা-কেন্দ্রীয় চৰকাৰৰ আলোচনা ব্যর্থ হোৱাৰ মূল কাৰণ।" ৩নং পৃষ্ঠাৰ আইন-শৃঙ্খলা পৰিস্থিতি শেষত যোগ দিয়া উচিত।

Mr. Speaker : Now, I request Hon'ble Member, Shri Sarat Borkotoky to initiated the discussion.

★ Speech not corrected.

শ্রীশৰৎ বৰকটকী ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত সমর্থন জনাই মই কেইটামান কথা আগবঢ়াব বিচাৰিছো। প্রথমে আইন-শৃঙ্খলাৰ কথা কবলৈ বিচাৰিছো। আজি অসমৰ আইন-শৃঙ্খলা ঠিকেই আছেনে তাৰ প্রমাণ আমাৰ নেচনেল গেম্চ। নেচনেল গেম্চ হ'বনে নাই সেইটোৱে সকলোৱে ভাবিছিল। গেম্ ভিলেজত মই কাশ্মীৰৰ এগৰাকী খেলুৱৈক লগ পাইছিলো। তেওঁ কৈছিল যে কাগজে পত্রে অসমৰ আইন-শৃঙ্খলাৰ কথা যেনেদৰে আছিল অসমত নেচনেল গেমচ্ কেনেকৈ পাতিব? কিন্তু অসমলৈ আহি তেওঁ দেখিলে যে অসমত আইন-শৃঙ্খলা অটুট আছে। তাৰ প্রমাণ নেচনেল গেম্চৰ অপেনিং চেৰিমনি আৰু ক্লজিং চেৰিমনি। আমাৰ বিৰোধী দলৰ সদস্য চন্দ্রমোহন পাটোৱাৰী আৰু বৃন্দাবন গোস্বামীকো গেম ভিলেজত লগ পাইছিলো। ইমান মানুহ আমি আগতে কোনো দিনেই দেখা নাছিলো। এইটোৱেই প্রমাণ কৰিছে যে আমাৰ অসমৰ মুখ্যমন্ত্রীৰ নেতৃত্বত অসমৰ লোকৰ সমর্থন আছে আৰু আইন-শৃঙ্খলা অটুট থকাৰ প্রমাণ আছে। গতিকে আইন-শৃঙ্খলাৰ ক্ষেত্রত অসমত তৎপৰতা নাইবুলি যাতে বিৰোধী দলৰ সদস্যসকলে নকয় তাৰ অনুৰোধ কৰিলো।

তাৰোপৰি মাননীয় অধ্যক্ষ মহোদয়, ২০০১ চনত গগৈ ডাঙৰীয়াৰ চৰকাৰ আছিল আৰু ২০০৬ চনতো গগৈ ডাঙৰীয়াৰ চৰকাৰ গঠন কৰিবলৈ ৰাইজে সুবিধা দিছে। গতিকে বুজা যায় অসমৰ উন্নতি হৈছে আৰু আইন-শৃঙ্খলাও অটুট আছে। সেয়ে অসমত দ্বিতীয়বাৰ মুখ্যমন্ত্রী গগৈ ডাঙৰীয়াৰ চৰকাৰ পাতিবলৈ সুবিধা দিছে।

শিক্ষা ক্ষেত্রত ক'ব বিচাৰিছো ১৯৯১ চনত মই নিজেই শিক্ষামন্ত্রী আছিলো। বৃন্দাবন গোস্বামী ডাঙৰীয়াও শিক্ষামন্ত্রী আছিল। কিন্তু তেওঁ

সিমানখিনি কাম কৰিব পৰা নাছিল আজি যিমানখিনি কাম হৈছে। আজি চৰকাৰে এল. পি., এম. ই., হাইস্কুলৰ ক্ষেত্ৰত পি. এম. জি.ৰ ফালৰ পৰা যথেষ্ট পৰিমাণৰ সুবিধা দিছে। প্ৰভিন্‌চিয়েলাইজড্ কৰিব পৰা নাই অৰ্থনৈতিক অৱস্থাৰ কাৰণে। কিন্তু ফাইনেনচিয়েল এচিচটেন্স দিয়া হৈছে। হাইস্কুলত ৪ লাখ, হায়াৰ চেকেণ্ডাৰীত ৫ লাখ আৰু কলেজসমূহত ১০ লাখকৈ টকা দিয়া হৈছে। আগতে দিব পৰা নাছিল। মুখ্যমন্ত্ৰীৰ নিৰ্দ্দেশ অনুযায়ী দহখনকৈ মডেল স্কুল, প্ৰত্যেক ব্লকতে এখন হাইস্কুল আৰু এখন হায়াৰ চেকেণ্ডাৰী স্কুলত ১০ লাখকৈ টকা দিয়াৰ সিদ্ধান্ত লৈছে। গতিকে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা কৰিছে। তাৰোপৰি বাকী যিখিনি কাম আছে আমাৰ চৰকাৰে সম্পূৰ্ণ কৰিব।

ৰাস্তা-দলঙৰ ক্ষেত্ৰত মইকব খোজো আগতে এইসকলোবিলাক বেয়া আছিল। মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰী আছিলো। গতিকে এই বিষয়ে মই অৱগত। নেচনেল হাইওৱে পৰ্য্যন্ত বেয়া হৈ আছিল। এন. ই. চি.ত যথেষ্ট টকা থকা স্বত্ত্বেও সদ্ ব্যৱহাৰ হোৱা নাছিল। ২০০১ চনত কাঠৰ দলং পকা কৰা হ'ল। গুৱাহাটীত যাতায়তৰ অসুবিধা। কিন্তু মুখ্যমন্ত্ৰী হোৱাৰ পাছত গুৱাহাটীয়েই কেৱল নহয়, গাওঁ-নগৰ সকলো অঞ্চললৈকে ৰাস্তা-ঘাট ভাল হৈছে। নেচনেল হাইওৱে বিলাকো ভাল হৈছে আগতে নামনি অসমৰ পৰা উজনি অসমলৈ যাব পৰা নাছিল। তিনিচুকীয়া-ডিব্ৰুগড় আনকি ধুবুৰীলৈকে নেচনেল হাইওৱে বেয়া আছিল। মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীসভা গঠন কৰাৰ পাছত এইসকলোবিলাক ভাল হৈছে। এইবাৰ পি. এম.জি.ৰ তৰফৰ পৰা পুনৰ ১৫ হাজাৰ কোটি টকা দিব আৰু পাছত ৫০০ কোটি টকা মঞ্জুৰী দিব। সকলো অঞ্চল গাওঁ-ভুইকে আদি কৰি পকা হ'ব। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ অৰিহণা আছে।

স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত কব খুজিছো যে ইমান পইচা আগতে কেতিয়াও এই বিভাগে পোৱা নাই। এন. আৰ. এইচ. এম. স্কীমৰ আণ্ডাৰত নতুনকৈ ৭৫০ লাখ টকা, আৰ. ইউ. ১ লাখ পি. এইচ. ই. বিলাকত কোৱার্টাৰ বনাবলৈ ২৪ লাখ ৫০ হাজাৰকৈ দিছে। ডিষ্ট্রিক্ট চিভিল হস্পিতাল সমূহত ১ কোটিকৈ আৰু তিনিখন মেডিকেল কলেজত ১০০ কোটিকৈ দিছে। এ. এন. এম., জি. এন. এম. নার্চ নতুনকৈ লোৱা হৈছে। বৰ্ত্তমান মুখ্যমন্ত্রীয়ে চিকিৎসা ক্ষেত্রত যথেষ্ট অৱিহণা যোগাই উন্নতিৰ পথলৈ আনিছে সেইটো স্বীকাৰ কৰিব লাগিব। মই আৰু এটা কথা কবলৈ বিচাৰিছো এই পঞ্চায়ত এক্টখন আৰম্ভ হোৱাৰ পাছৰ পৰাই গাঁৱে-ভূৱে যথেষ্ট উন্নতি হৈছে, পানী যোগানৰ ব্যৱস্থা হৈছে। বৃদ্ধা পেঞ্চন, বিধৱা পেঞ্চন আদিৰ ব্যৱস্থা কৰা হৈছে। আইৱে ঘৰ হৈছে। উন্নতিৰ আলোড়নৰ সৃষ্টি হৈছে। বিৰোধী দলৰ সদস্যসকলে আইন-শৃঙ্খলা অটুট নাই বুলি ক'লে ভুল হব। বাহিৰৰ পৰা পর্য্যটক আহিয়েই আছে আৰু টুৰিজিমৰ ক্ষেত্রতো যথেষ্ট উন্নতি হৈছে। তাৰোপৰি এল. পি. স্কুল আৰু হায়াৰ চেকেণ্ডাৰী স্কুলসমূহ বনাবলৈ চৰকাৰৰ তৰফৰ পৰা বিল্ডিং গ্রান্ট দিছে। সর্ব্বশিক্ষাৰ যথেষ্ট উন্নতি হৈছে। কিছুমান এল. পি. স্কুলত দুবাৰকৈ গ্রান্ট পাইছে। গতিকে মই বিৰোধী দলৰ সদস্যসকলক অনুৰোধ কৰো যে তেওঁলোকে সমালোচনা নকৰি দেশৰ প্রগতিৰ পথত আগবাঢ়ি যোৱা আদর্শ পৰামর্শ দি দেশখনৰ সুন্দৰতা অটুট ৰাখে যেন। এইখিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

(At 11.25 A.M., Hon'ble Speaker, vacated the Chair and Hon'ble Member, Shri Membar Gogoi occupied the Chair.)

★ শ্রীবৃন্দাবন গোস্বামী ঃ মাননীয় সভাপতি মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াই ২০০৭ চনৰ বাজেট অধিবেশনত যি ভাষণ দাঙি ধৰিছে সেই ভাষণত তেখেতে এটা বাক্যৰেই মূল বক্তৃতা ৰাখিলে। সভাপতি ডাঙৰীয়া, তেখেতে বিগত ৬টা বছৰেই অসমৰ ভাগ্যলৈ নাটকীয় পৰিবৰ্ত্তন আনিলে বুলি উল্লেখ কৰিছে। তেখেতে তেখেতৰ ভাষণত কৈছে যে "বিগত ৬টা বছৰত অসমৰ ভাগ্যলৈ এক নাটকীয় পৰিৱৰ্ত্তন আনি দিলে। প্ৰৱল অৰ্থনৈতিক সংকট আৰু অবিৰাম গতিত চলি থকা উগ্রপন্থী কাৰ্য্যকলাপৰ এছোৱা সময় অতিক্রম কৰি আজি আমি এনে এক অৱস্থাত উপনীত হৈছোহি য'ত অসমৰ বিত্তীয় পুনৰুদ্ধাৰে ৰাষ্ট্রীয় স্বীকৃতি লাভ কৰিছে আৰু উগ্রপন্থী দলসমূহেও আলোচনাৰ প্রতি ইচ্ছা প্রকাশ কৰিছে।" মাননীয় সভাপতি মহোদয় ৰাজ্যপালৰ ভাষণত আমাৰ ৰাজ্যখনত কি নীতি-নিৰ্দ্দেশনা ভিত্তিত কেনেকৈ আগুৱাইনিব, কি নীতিৰ ভিত্তিত অসমৰ জনজীৱনৰ উন্নতি সাধন কৰিব তাৰ স্পষ্ট নিৰ্দ্দেশনা থাকিব লাগিছিল। কিন্তু ৰাজ্যপালৰ ভাষণটো বিগত বছৰকেইটাত চৰকাৰে লোৱা কিছুমান আঁচনিৰ তালিকা কিছুমানহে প্রকাশ পালে। ৰাজ্যপালৰ এই ভাষণে আমাৰ বিৰোধী দলৰ বিধায়কসকলকেই নহয়, অসমৰ জনসাধাৰণকো হতাশ কৰিছে। আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে যোৱা বাজেট অধিবেশনত স্পষ্টভাৱে কৈছিল যে- ৰাজ্যখনৰ অৰ্থনৈতিক ভেঁটি আৰু ৰাজহৰ উৎস নিজে নিজে কৰি লব লাগিব, তাৰ বাবে কেন্দ্রীয় চৰকাৰে সহায়ৰ হাত আগবঢ়াব। নতুন অৰ্থনৈতিক নীতিমতে কেন্দ্রীয় চৰকাৰে সকলো ৰাজ্যকে নিজৰ নিজৰ অৰ্থনৈতিক পৰিকাঠামো ঠিক কৰাৰ বাবে সহায় আগবঢ়াইছে। এতিয়া কথা হৈছে সেই কেন্দ্রীয় সাহায্য ৰাজ্য চৰকাৰে কেনেদৰে ব্যৱহাৰ কৰিব, কি

★ Speech not corrected.

নীতিৰে ব্যৱহাৰ কৰিব, ৰাজ্যখনক কি নীতিৰে আগুৱাই নিব? এই কেন্দ্ৰীয় সাহায্য আনবিলাক ৰাজ্য যেনে পশ্চিমবংগত মুখ্যমন্ত্ৰী বুদ্ধদেৰ ভট্টাচাৰ্য্যই কি নীতিৰে ব্যৱহাৰ কৰিছে, অন্ধ্ৰ প্ৰদেশত কি নীতিৰে ব্যৱহাৰ কৰিছে সেইবিলাকে পৰ্য্যালোচনা কৰা দৰকাৰ। মই বৰ বেছি নকওঁ আৰু কেইটামান কথা কব বিচাৰিছো, বাকী সদস্য সকলেও কবলগীয়া আছে। সভাপতি মহোদয়, মই এতিয়া 'কেগৰ' কথা কব বিচাৰিছো, যি সময়ত ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা ভাল হোৱা বুলি দাবী কৰিছে, মুখ্যমন্ত্ৰীয়ে অৰ্থনৈতিক অৱস্থা ভাল হৈছেবুলি দাবী কৰিছে, সেই সময়ত 'কেগৰ' ৰিপোৰ্টত কৈছে যে অসমত ৯৯২ কোটি ৭৪ হাজাৰ টকাৰ ৰাজহ হানি কৰিছে। প্ৰায় ১০,০০০ কোটি টকাৰ ৰাজহ হানি হৈছে। মাননীয় সভাপতি মহোদয়ে আজি চৰকাৰে দ্ৰুতগতি ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাৰ পৰিৱৰ্ত্তন হৈছে বুলি কৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰৰ ৰাজ্য কেইখনত পৰিকল্পনাৰ পুঁজি সঠিক ব্যৱহাৰৰ বাবে নিৰ্দ্দেশ দিবলগীয়া হৈছে। এইটো বাতৰি-কাকতত প্ৰকাশ পাইছে। চৰকাৰে সৰ্ব্বশিক্ষাৰ নামত ৪ লাখ, ২ লাখ, ৫লাখ টকা বিতৰণ কৰিছে। কিন্তু যিবিলাক স্কুলত এই টকাখিনি জৰুৰী সেইবিলাক স্কুলে টকা পোৱা নাই। সেইদৰে কস্তুৰবা গান্ধী বালিকা বিদ্যালয় খোলাৰ বাবে যি আঁচনি আছিলে, সেই আঁচনি ৰাজ্য চৰকাবে কাৰ্য্যকৰী কৰা দেখা নাই। (ভইচ ঃ এই আঁচনি কাৰ্য্যকৰী কৰা হৈছে, আমাৰ অঞ্চলত স্কুল খোলা হৈছে) ক'ত কৰিছে? ধেমাজীত এই আঁচনি কৰা হৈছে নেকি, ওদালগুৰিত কৰা হৈছে নেকি? এই অঞ্চলবিলাকত এই আঁচনি ৰূপায়ণ কৰা হোৱা নাই।

মাননীয় সভাপতি মহোদয়, "সৰ্ব্বশিক্ষাত ব্যৰ্থতা মুখ্যমন্ত্ৰীলৈ কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন সিঙৰ সকিয়নী পত্ৰ" অসমৰ বিৰুদ্ধে, কঠোৰ

ব্যৱস্থা লব কেন্দ্রই। দেশৰ ভিতৰত ব্যর্থতম ৰাজ্য অসম। কেন্দ্রীয় পুঁজি মাত্র ৪.২৩হে ব্যয়। ৰাজ্যখনত ১১৫ কোটি টকাৰ পৰিৱর্ত্তে বাজেটত ১৫ কোটি টকা ধার্য্য হৈছে। ৰাজ্যখনত ইমানেই উন্নতি হৈছে দ্রুতগতিত পৰিৱর্ত্তন হৈছে। পিছত এনেকৈ কবলগীয়া হৈছে যে ৰাজ্যখনলৈ ইমান টকা দিয়া নহ'ব।

মাননীয় সভাপতি ডাঙৰীয়া, বর্ত্তমান চৰকাৰৰ দিনত ৰাজ্যখনত এনেকুৱা এটা বিভাগ নাই য'ত লুণ্ঠন হোৱা নাই। কোনো এটা বিভাগতে চাব নোৱাৰি। এইখিনি মোৰ কথা নহয়, মাননীয় মনিশংকৰ আয়াৰ ডাঙৰীয়াৰ। আপোনালোকে আয়াৰ ডাঙৰীয়াক কওঁক। আপোনালোকে যিবিলাক কথা কৈ গ'ল সেয়া অসম বিধান সভাতে নহয়, সকলোৱে একেমুখে প্রতিবাদ কৰিব লাগিছিল মনিশংকৰ আয়াৰ ডাঙৰীয়াক।

মাননীয় সভাপতি ডাঙৰীয়া, বিত্ত বিভাগটোৱেই হৈছে মূল হেঙাৰ। একেজন কমিশ্যনাৰে এঠাইত বহি 'ইয়েছ' কৰি আছে আৰু আন এঠাইত বহি 'ন' বুলি কবলগীয়া হৈছে। অসহায় মন্ত্রী, বিষয়াক সকাহ দিবৰ কাৰণে কিছুমান কাম কৰিবলগীয়া হৈছে। ২০০৬-২০০৭ চনত কেন্দ্রীয় চৰকাৰে যিমানখিনি টকা মোকলাই দিছে তাৰ ১৩ শতাংশ ধন চৰকাৰে খৰছ কৰিব পৰা নাই।

মাননীয় সভাপতি মহোদয়, ৬০ কোটি টকা কেলেংকাৰীৰ কথা ওলাইছে। এই টকাও ঘুৰাই পঠাবলগীয়া হৈছে। কেইখনমান কমিটিত মোক সদস্য পাতি দিছে। এইবিলাক কথা কেতিয়াবা মই বিধান সভাত দাঙি ধৰিম। ৰিটায়াৰ খিটাবুদ্দিনে ৫ কোটি টকা লৈ গৈছে। প্রধান মন্ত্রী পেকেজৰ ধন কেনেকৈ লৈ গৈছে, ধন কেনেকৈ লুণ্ঠন হৈছে আপোনালোকে পিচত জানিব পাৰিব। কাগজে-পত্রে ওলাই গৈছে।

এনেক্ৰেয়ে ৫ কোটি টকা উলিয়াই নি ইতিহাস ৰচনা কৰা আমি দেখিছো। খিতাবুদ্দিনে খোজত খোজ মিলাই প্ৰধানমন্ত্ৰী পেকেজৰ ধন লুণ্ঠন কৰা কেলেংকাৰী আদি প্ৰশ্নৰ উত্তৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো।

মাননীয় সভাপতি মহোদয়, জৰুৰী কালৰ অজুহাত দেখুৱাই জি. এম. চি.ৰ নামত ভুৱা বিল দি ধন আদায় দিয়া হৈছে। চৰকাৰৰ নামত মেলেৰীয়া প্ৰতিৰোধৰ নামত বৃহৎ লুণ্ঠন হৈছে। অঙ্গনবাদীত নিম্নমানৰ সামগ্ৰী যোগান ধৰি কি ধৰণে চৰকাৰৰ ধন অপচয় হৈছে সেইটো সকলোৰে অৱগত হৈছে।

মাননীয় সভাপতি মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাৰত নিৰ্মাণ আঁচনিৰ কথা কৈছে, এই আঁচনিৰ জড়িয়তে ৰাজ্যখনত জলসিঞ্চন, ৰাস্তা, গৃহ পানী যোগান আদিৰ কাৰণে ঋণ লোৱা হৈছে যদিও এই আঁচনিৰ জড়িয়তে কি কৰিলে ? অসমত ৭৩ হেজাৰ হেক্টৰ মাটিৰ বিপৰীতে বিহাৰত ১,৭০০ হেজাৰ হেক্টৰ, বঙ্গত ৭০০ হেজাৰ হেক্টৰৰ বাবে পাইছে। আমি যিখিনি পাইছো তিনি হেজাৰৰ অধিক মাটিত আমি জলসিঞ্চন কৰিব পৰা নাই। যিটো যোৱা বছৰৰ কথা, আজি এবছৰ পুৰা হ'ল। ভাৰত নিৰ্মাণ আঁচনি লৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই পৰিৱৰ্ত্তন সাধন কৰিছে। যোৱা বছৰ বাজেট আৰু আজি এই ভাৰত নিৰ্মাণ আঁচনি লৈ কঠোৰ সমালোচনাৰ সন্মুখীন হৈছে আমাৰ চৰকাৰ। এইবিলাক কথাই প্ৰমাণ কৰি দিয়ে ৰাজ্যপালৰ ভাষণত এইবিলাক কথা উল্লেখ নথকা বাবেই। মাননীয় সভাপতি মহোদয়, এই ভাৰত নিৰ্মাণ আঁচনিৰ ক্ষেত্ৰত ছবি দাঙি ধৰাত চৰকাৰ ব্যৰ্থ হৈছে।

মাননীয় সভাপতি ডাঙৰীয়া, কৃষিৰ কথা কৈছো। যোৱা বছৰ খৰাংপীড়িত ৰাইজৰ বহুত বিপৰ্য্যয় হ'ল। পানীৰ কাৰণে কৃষক ৰাইজে

হাহাকাৰ কৰি থকা কথাটো ৰাজ্যপালৰ ভাষণত উল্লেখ নাই।

মাননীয় সভাপতি মহোদয়, "গ্ৰামোন্নয়নৰ নামত লুণ্ঠন চলোৱা সকলৰ সুৰক্ষাতে সফল প্ৰশাসন- উপায়ুক্ত প্ৰকল্প সঞ্চালক চক্ৰ বিষয়াক মালা পিন্ধাই তাচ্ছিল্য, ব্যৰ্থ মুখ্যমন্ত্ৰীলৈ খৰাংপীড়িত অঞ্চলৰ মহিলাসকলৰ পৰা এটকাকৈ ৰৰঙণি"—এতিয়া খৰাংপীড়িত অঞ্চলৰ মহিলাসকলৰ পৰা এটকাকৈ বৰঙণি তুলিছে। অতি দুভাগ্যজনক কথা ইয়াতকৈ আৰু কি হ'ব পাৰে? ১৭ লাখ টকাৰ ট্ৰেক্টৰ ইউজ কৰিবৰ কাৰণে দিছিল। ৩০ কোটি টকাৰ এটকাও কৃষকে নাপালে।

মাননীয় সভাপতি মহোদয়, বিভাগে বিভাগে দুৰ্নীতিৰ কথা ওলাইছে। উজনীত পঞ্চায়তত চলিছে দুৰ্নীতিৰ অঘোষিত প্ৰতিযোগিতা। একাংশ মন্ত্ৰী বিধায়কৰ পৃষ্ঠপোষকতাত হৈছে। এইবোৰ মোৰ কথা নহয়, কাগজত ওলাইছে। ১৪ টন গাড়ীয়ে সামগ্ৰী কঢ়িয়ায় ৪০ টন কয়লা। দুধনৈত কোটি কোটি টকা কৰ ফাঁকি। এইদৰে আমাৰ ৰাজ্যখনত দুৰ্নীতি হৈছে। চৰকাৰী পক্ষৰ মাননীয় বৰকটকী ডাঙৰীয়াই কৈছে যদিও মই জনাত চৰকাৰে বৃদ্ধ পেঞ্চন দিবলৈ সমৰ্থ হোৱা নাই। আপোনালোকে যদি পাইছে চৰকাৰী পক্ষৰ বুলিয়ে ক'ৰবাত ক'ৰবাত বৃদ্ধ পেঞ্চন দিব। বহুতে পোৱা নাই বুলিয়ে জানিবলৈ পাইছো। কোনোবাই কোনোবাই পাইছে যদি চাব লাগিব। বৃদ্ধ পেঞ্চন লৈ ৰাজনীতি কৰিছে, টকা লুণ্ঠন কৰিছে। আপোনালোকে স্বীকাৰ কৰক কথাখিনি মই প্ৰমাণ কৰি দিছো। ইয়াতকৈ দুৰ্ভাগ্যজনক কি কথা থাকিব পাৰে?

মাননীয় সভাপতি ডাঙৰীয়া, খৰাংপীড়িত ১২.৫ লাখ কৃষক বঞ্চিত হৈ ফুটুকাৰ যেন হ'ল। এইখনেই হৈছে কৃষকৰ আঁচনি। ৩০কোটি টকাৰ এটকাও নাপালে। বিভগে বিভাগে লুণ্ঠন হৈছে। পহুমৰা

জলসিঞ্চনক লৈ ইয়াত যোৱাবাৰ আলোচনা হৈছিল। পুৰণা মানুহ আছিল ইছমাইল ডাঙৰীয়া। শেহতীয়াকৈ ২ হেজাৰ ২৩ বৰ্ষত ৯২ লাখ টকা ২০০৬ চনৰ মাৰ্চ মাহত এক কোটিৰো অধিক টকা কাম নকৰাকৈ ঠিকাদাৰে ধুলিসাৎ কৰিলে।

মাননীয় সভাপতি মহোদয়, কাকতত ওলাইছে 'দূৰ্নীতিৰ ভূস্বৰ্গ দৰং জিলা পৰিষদ'। এতিয়া লক্ষীমপুৰত ডি. আৰ. ডি. এ. পঞ্চায়তৰ দূৰ্নীতিৰ প্ৰতিবাদত ৰাইজে গণ অনশন আৰম্ভ কৰিছে। ইয়াৰ পিছত আমি কম নেকি দ্রুত গতিত উন্নয়ন হৈছে। মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই কৈছে যে ধনী আৰু দুখীয়াৰ ব্যৱধান কমাব। এতিয়া আনন্দ জৈনে ঠিকা পাইছে। আগতে পি. ডব্লিউ. ডি.ৰ পৰা ৫ লাখ, ৬ লাখকৈ টকা সৰু সৰু ঠিকাদাৰ সকলৰ মাজত কামৰ বাবে ভগাই দিয়া হৈছিল। এতিয়া গোটেই ২৫ কোটি টকা কোনোবা ঠিকাদাৰক দিয়া হয়। এই নীতি আপোনালোকে কৰিছে। মাননীয় সভাপতি ডাঙৰীয়া, আনন্দ জৈনে কাম পায় আৰু বেলেগে নাপায়। কাকতে পত্রে প্রমাণ হৈ গৈছে। আপোনালোকে ধনীক ধনী আৰু দুখীয়াক দুখীয়া কৰিছে। ইয়াত কোনো নীতি নাই। টকাৰ ভাগ-বতৰা চলিছে। যোৱাকালি মূল্যবৃদ্ধিৰ কথা মুখ্যমন্ত্রী ডাঙৰীয়াই কৈছে। ২০০৪-০৫ চনত আমাৰ অত্যাৱশ্যকীয় সামগ্রীৰ মূল্যবৃদ্ধিৰ কথা মুখ্যমন্ত্রী ডাঙৰীয়াই কৈছে। এই কথাবিলাক মিছা নহয়। মাননীয় সভাপতি ডাঙৰীয়া, কেৰাচিন তেলৰ দাম লিটাৰত ৩০-৪০ টকা। লাইট নাই। মোৰ বোধেৰে নাহৰ গছ ৰুলে অন্ততঃ গুটি কিটাৰে পোহৰ কৰিব পাৰিব। অসমত তেল নাপায়। কিন্তু বাংলাদেশলৈ চোৰাংকৈ তেল যায়। এটা কথা কৈছো। ডিচেম্বৰ মাহৰ কথা। তেতিয়া পৰিবেশো ভাল আছিল। মিঠা তেলৰ দাম ৭১০-৭২৫, শেহতীয়াভাৱে

হৈছেগৈ ৮১০-৮৪০। সেইদৰে ৰিফাইন তেলৰ দাম ৭২৫-৭৫০ টকা। ঠিক তেনেদৰে ময়দা, মচুৰ ডালি, আটা ইত্যাদি প্ৰত্যেক বস্তুৰে দাম বৃদ্ধি হৈছে। সিদিনা গণেশগুৰিৰ দোকান এখনত সুধিছিলো পিয়াজৰ দাম ১৪ টকা বুলি কৈছিল। পাটনাৰ পিয়াজ ৭৫০-৯০০ টকা। অত্যাৱশ্যকীয় সামগ্ৰীৰ অবাধ মূল্যবৃদ্ধি ঘটিছে। চিমেন্ট, ৰদৰ দামৰ হিচাব নাই। যাৰ যি ইচ্ছা তাকেই কৰি আছে। ৰাইজৰ মূৰত ৰামটাঙোন পৰিছে। মাননীয় ৰাজ্যপালৰ ভাষণত আইন-শৃঙ্খলা দ্ৰুতগতিত উন্নতি হৈছে বুলি কৈছে। ৭২ ঘণ্টাতে নিয়ন্ত্ৰণ কৰিলে বুলি কৈছে। ৰয়ে কি ৰিপোৰ্ট দিছে? মাননীয় প্ৰধানমন্ত্ৰী ইয়ালৈ অহাৰ আগতে কি ৰিপোৰ্ট দিছিলে? প্ৰশাসন বুলি একো নাই বুলি কৈছিল। মই ধেমাজী, পানেৰী, শিয়ালমাৰী চাপৰিৰ কথা কবলৈ নাযাওঁ। সৌ সিদিনা দেৱজিতক মৰাৰ কথা নকওঁ। বেলতলাত গুলিওৱাৰ কথা নকওঁ। কিন্তু কম দুলু গগৈৰ নিচিনা নিৰীহ ল'ৰাক হত্যা কৰাৰ কথা। গেলেকিত এমাহ আগতে তিনিচুকীয়াত যিটো ঘটনা হৈ গ'ল, ৭২ ঘণ্টাত পৰিস্থিতি কেনেকৈ নিয়ন্ত্ৰণ হ'ল? বিহাৰৰ পৰা আহিল, দিল্লীৰ পৰা মন্ত্ৰী আহিল। এনেকুৱা দৃশ্য আগতে অসমত কেতিয়াও দেখা নাই। মই নিজে গৈছিলো। থানাৰ পৰা পুলিচ আহোতে ২/১ ঘণ্টা লাগে। তাৰ পিচতো কেনেকৈ কম অসমৰ দ্ৰুত উন্নতি হৈছে বুলি। সেইবোৰ অসমীয়া মানুহ যুগ যুগ ধৰি ইয়াতে বাস কৰি আহিছে। পুলিচে অত্যাচাৰ কৰিছে, লাঠি চালনা কৰিছে।

মাননীয় সভাপতি মহোদয়, আমাৰ গুৱাহাটীৰ বিধান সভাৰ ইমূৰৰ পৰা সিমূৰলৈ বোমা ফুটিল। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আইন-শৃঙ্খলাৰ নামত কি হৈছে আপোনালোকে দেখিছে। গেলেকীত দুই নিৰীহ যুৱকক গুলীয়াই হত্যা কৰিলে। ঠিক তেনেদৰে মৌলবাদী উগ্ৰপন্থীৰ

লক্ষ্য ৰাজধানী আছিল। আজি আলফাই অবিৰতভাৱে নৰ সংহাৰ চলালে। তিনিচুকীয়া চহৰত চলিল ভয়াবহ বিস্ফোৰণ। আজি ৭২ ঘণ্টাত আইন-শৃঙ্খলা নিয়ন্ত্রণ কৰা বুলি কৈছে। কিন্তু তাঁলৈ যাবলৈ কোনেও সাহস নকৰিলে। আজি আলফাক ধন্যবাদ জনাইছো, তেওঁলোক ৰৈ থকা কাৰণে আজি আমি শান্তিত আছো। কিন্তু ইটোৰ পিছত সিটো বোমা বিস্ফোৰণে ৰাজ্যখন কঁপাই তুলিছিল। মাননীয় সভাপতি ডাঙৰীয়া, আজি ৰাজ্যপাল ডাঙৰীয়াই কৈছে, আজি আইন-শৃঙ্খলা সুস্থিৰ হৈ আছে, কিন্তু কোনো কাৰণতে সুস্থিৰ হৈ থকা নাই। নিয়ন্ত্রণলৈ আহিছে, আমি ভাল পাইছো। মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই কৈছে ২৫,০০০ চাকৰি দিম বুলি। তেখেতে কৈছে এ.জি.পি.য়ে চাকৰি দিব পৰা নাই। তেখেতে কৈছে এ.জি.পি.ৰ কাৰণে সকলো নিযুক্তি বন্ধ হৈ গৈছে। এপ্রিলৰ ৫ তাৰিখে ফাইনেঞ্চিয়েল মেনেজমেন্ট ৰুল কৰিছে। গতিকে মাননীয় সভাপতি ডাঙৰীয়া, নিযুক্তি বন্ধ, নিবনুৱাৰ হাহাকাৰ লাগিছে। আজি মাননীয় সভাপতি ডাঙৰীয়া, কোনো বিশেষ পজিটিভ ষ্টেপ লোৱা নাই। কোনো ক্ষেত্রত লোৱা নাই। আজি ড° জয়ন্ত মাধৱক লৈ এখন কমিটি কৰিছে। নিবনুৱা সমস্যা সম্পর্কে তেখেতে এটা পর্য্যালোচনা দাঙি ধৰিছে। আমাৰ বছৰি ১ লাখ ২০,০০০ কৈ ল'ৰা-ছোৱালী ফেল কৰে। কিন্তু তাৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই। আজি এমপ্লইমেন্টৰ কাৰণে বিশ্বৰ আটাইতকৈ ডাঙৰ উদ্যোগ হৈছে টুৰিজিম।

"Quoto" I am convinced that the future development of Assam's economy is intrinsically linked to the economic relation it can forge with the neighbouring region of Eastern-South

Asia and the South-East. The total market size is 650 million. Myanmar, Laos, Cambodia and Vietnam are emerging economies and the Asian Tigers of Thailand, Singapore, Malayasia and others need no qualification. The visit of the Chinese Premier to India is expected to bring about considerable economic opportunities. Whether a Regional Trading Agreement is forged nor not, Assam and the North-East needs to explore how we can benefit from Regional and Free Trade Agreements in the region. We have not explored the markets across our borders, with a view to setting up enterprises in Assam that will service this market. We have also not pressed for infrastructure development that will link us to those markets by air, road and rail. Such closer economic co-operation could lead to the setting up of Special Export Zones, with significant revenue and employment potential. We need to focus more on value added exports

from the region to our neighbours since we have significant logistical advantages compared to other States in the speech of Governor. আজি কাৰ ৰেলী হ'ল। প্ৰধান মন্ত্ৰী ডাঙৰীয়া আহিল। কিন্তু যিটো বেচিক ষ্ট্ৰাকচাৰ হ'ব লাগিছিল সেইটো নহ'ল। আজি আমাৰ ৰাজ্যত ৰাজহ বৃদ্ধিৰ যথেষ্ট স্কোপ আছে, কিন্তু কৰিব পৰা নাই। আজি ২২ লাখ ৬০০০ নিবনুৱা আছে। মাননীয় সভাপতি মহোদয়, বেলেগ শিতানত মই এইবিলাক কথা বিধান সভাত কম। বানপানী সম্পৰ্কে যোৱাকালি মাননীয় মন্ত্ৰী মহোদয়ে যি ৰিপ্লাই দিছে তেখেতে কৈছে ১৬ কোটি টকা ঋণ দিয়া বুলি। যোৱাবাৰ ১০০ কোটি টকা দিয়া বুলি কৈছে, দিছে নে নাই আমি নাজানো। এতিয়া আমাৰ মন্ত্ৰীয়ে জানে, মোকো মাতি আছে। ২০,০০০ মানুহে কাম কৰি আছে। ৰাইজ এতিয়া আৰু চৰকাৰৰ কাৰণে ৰৈ থকা নাই। লাহৰীঘাটৰ কাম ৰাইজে কৰিছে কিন্তু বিভাগীয় মন্ত্ৰীয়ে কথাটো নাজানে।

মাননীয় সভাপতি ডাঙৰীয়া, বন নীতি বুলি একো নাই। ৮০ হাজাৰ হেক্টৰ বনাঞ্চল উত্তৰ-পূৰ্বাঞ্চলত নিঃশেষ কৰা হৈছে। গছ কোনে কাটি শেষ কৰিলে? ভৈৰৱকুণ্ড অঞ্চলত গছ কাটি শেষ কৰিছে। গছ কাটি ধ্বংস কৰাৰ আজি এনেকুৱা এটা পৰিস্থিতি হৈছে। এইদৰেই বন নীতি চলিছে। বিদ্যুতৰ ক্ষেত্ৰত কব বিচাৰিছো যে শোৱনশিৰিত বহুত কোটি টকাৰ কাম আৰম্ভ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ এই প্ৰজেক্টৰ বিৰুদ্ধে বিশ্ব জুৰি আন্দোলন হৈছে। ইয়াৰ ফলত যিটো বানপানীৰ সৃষ্টি হ'ব সেইটো কথা আলোচনা কৰা হৈছে নে নাই। দেশ-বিদেশৰ বহুজাতিক কোম্পানীবিলাক তাত আহি গৈছে। এই ক্ষেত্ৰত অৰুণাচল প্ৰদেশৰ

মুখ্যমন্ত্রী গেগং আপাঙেও আগভাগ লৈছে। কিন্তু সেইপ্রজেক্টৰ ফলত যিটো বানপানীৰ সৃষ্টি হ'ব তাক প্রতিৰোধ কৰাৰ কাৰণে এটকাও ধৰা হোৱা নাই। বিহাৰ, ইউ. পি. আদিৰ পৰাও মানুহ আহি গ'ল। তিনিটা কোম্পানী খুলিছে। খৰছ বাঢ়িছে। গতিকে বিদ্যুতৰ দাম বঢ়াবলৈ বিল আনিছে। গতিকে মই কথাখিনি চৰকাৰক অৱগত কৰিলো আৰু সদনত দাঙি ধৰিলো। মোৰ কেইবাটাও বিষয় আছিল যদিও মই এতিয়া শেষৰ বিষয়টোলৈ আহিছো। ৰাষ্ট্রীয় ক্রীড়াৰ ক্ষেত্রত মই অসমৰ জনসাধাৰণক অভিনন্দন জনাইছো আৰু যিসকল খেলুৰৈয়ে ৰাষ্ট্রীয় ক্রীড়াত অংশ গ্রহণ কৰি অসমলৈ সুনাম কঢিয়াই আনিলে, গৌৰৱ আনি দিলে তেখেতসকলকো অভিনন্দন জনাইছো। মাননীয় মুখ্যমন্ত্রীয়ে আছুৱে বিচাৰিলে শ্বেত পত্র প্রকাশ কৰিম বুলি কৈছে। মই বিভিন্ন খেল চাবলৈ গৈছো। অৱশ্যে উদ্বোধনী অনুষ্ঠানৰ দিনাখন মই যাব পৰা নাই। শেষত আলফাই যিটো পৰিবেশ সৃষ্টি কৰিলে আৰু সদ্‌ভাব দেখুৱালে তাৰ কাৰণে তেখেতসকলো ধন্যবাদৰ পাত্র। ৰাষ্ট্রীয় ক্রীড়াৰ ক্ষেত্রত অসমৰ জনসাধাৰণ অধীৰ আগ্রহেৰে আগবাঢ়ি আহিছিল। এই ৰাষ্ট্রীয় গেম্‌চৰ ক্ষেত্রত অসমৰ জাতীয় সংহতিৰ কথাও জড়িত হৈ আছে। কিন্তু এই ক্ষেত্রত কেইটামান চিৰিয়াচ কথা আছে। ছোনিয়া গান্ধীক উদ্বোধনী অনুষ্ঠানলৈ আমন্ত্রণ কৰি আনিছে। কিন্তু খেলৰ ক্ষেত্রত ছোনিয়া গান্ধীৰ অৱদান কিমান সেইটো সকলোৱে জানে। প্রধান মন্ত্রীক সামৰণি অনুস্থানৰ দিনাখন মাতিছে সেইটো ঠিকেই আছে। এই ৰাষ্ট্রীয় গেম্‌চৰ কাৰণে চাৰিশ কোটি টকা ধার্য্য কৰা হৈছিল। কিন্তু চাৰিশ কোটি টকাৰ ঠাইত সাতশ কোটি টকা খৰছ কৰা হৈছে। এই কথা বাতৰি-কাকতত প্রকাশ পাইছে। ইয়াৰ ফলত বৃদ্ধ পেঞ্চনৰ টকা দিব পৰা নাই। ভেন্‌চাৰ

স্কুলবিলাক চৰকাৰীকৰণ কৰিব পৰা নাই। কাৰণ পেঞ্চনৰ সাতশ কোটি টকা তাত খৰছ কৰা হ'ল। আমি বিধান সভাৰ মজিয়াত এই যিবিলাক কথা উত্থাপন কৰিছো সেই কথাবিলাকৰ যথাযথ উত্তৰ চৰকাৰৰ ফালৰ পৰা দিব। আজি যিবিলাক খেলপথাৰ নিৰ্মাণ কৰিছে সেইবিলাক দুবছৰ আগতে হব লাগিছিল, কিন্তু সেইবিলাক দুবছৰ পিছত হৈছে। খাদ্য বস্তু যোগান ধৰাৰ ক্ষেত্ৰত য়িজনে অৰ্ডাৰটো পাব লাগিছিল তেওঁ নাপালে। ৰেলেগ এজনেহে পালে। গতিকে এনেকুৱা ধৰণৰ কিছুমান বিসংগতি মুলক কথা আছে। ৰাষ্ট্ৰীয় গেম্‌চত অধিক টকা খৰছ কৰাৰ কাৰণে আঁচনিবিলাক ৰূপায়ণ কৰিব পৰা নাই।

★ **শ্ৰীপৃথিৱী মাঝি** (মন্ত্ৰী) ঃ মাননীয় সভাপতি মহোদয়, আঁচনিবিলাক যে বন্ধ হৈছে আচলতে সেইটো নহয়। সকলো উন্নয়নমূলক কাম যে বন্ধ হৈ গৈছে সেইটো কথা নহয়। এইটো ইমপ্ৰেচন চাব নালাগে। এই সাতশ কোটি টকা অকল প্লেনিঙৰ টকা নহয়।

★ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** ঃ মাননীয় সভাপতি মহোদয়, আমাৰ ৰাজ্যখনৰ উন্নতিৰ স্বাৰ্থৰ কাৰণেই এই কথাবিলাক কোৱা হৈছে। যদি এনেকুৱা এটা কথা হৈছে, তেতিয়াহ'লে উত্তৰ দিওঁতে প্লেনিঙৰ কিমান টকা খৰছ কৰা হৈছে সেইটো সঠিকভাৱে জনাব। দ্বিতীয়তে, আমাৰ যিখিনি ইনফ্ৰাষ্ট্ৰাকচাৰ গঢ়ি উঠিছে সেই প্ৰপাৰটিখিনি ভালকৈ ৰখাৰ দায়িত্ব আমাৰ চৰকাৰৰ। ইয়াৰ কাৰণে ১০০ কোটি টকা ধৰা হৈছে বুলি কৈছে। কিন্তু তিনি বছৰ পিছত যেতিয়া সেইবিলাক ক্ৰেক হৈ যাব তেতিয়া কি কৰিব ? গতিকে এই কথাবিলাকো চাব লাগিব।

★ **শ্ৰীবৃন্দাবন গোস্বামী** ঃ মাননীয় সভাপতি মহোদয়, গতিকে এই ইনফ্ৰা-ষ্ট্ৰাকচাৰবিলাক ভৱিষ্যতে যাতে নষ্ট হৈ নাযায় তাৰ কাৰণে চৰকাৰে

★ Speech not corrected.

ব্যৱস্থা লব লাগিব। ৰাষ্ট্ৰীয় গেম্‌চৰ ক্ষেত্ৰত এন. ই. টি.ভিক চুপ্ৰিম কোৰ্টলৈ টানি নিয়াটো ঠিক হোৱা নাই। এই ক্ষেত্ৰত চৰকাৰ অকণমান সহনশীল হ'ব লাগিছিল। এন. ই. টি.ভি.য়ে আমাকো সমালোচনা কৰিছে। এই ক্ষেত্ৰত এন. ই. টি.ভি য়ে চুপ্ৰিম কোৰ্টলৈ যাবলগীয়া হোৱাটো দূৰ্ভাগ্যজনক কথা। ৰাষ্ট্ৰীয় নীতিৰ কথা আলোচনা কৰা হৈছে। এই গোটেই দিশটো আজি পৰ্য্যালোচনা কৰা দৰকাৰ। অসমৰ জনগণৰ স্বাৰ্থৰ কাৰণে আমি আঁচনিত ধাৰ্য্য কৰা ধনৰ অপচয় ৰোধ কৰাটো বিচাৰিছো আৰু কেলেংকাৰীমুক্ত হোৱাটো বিচাৰিছো। আমাৰ ৰাজ্যৰ চৰকাৰৰ ফালৰ আঁচনিসমূহৰ কাৰণে যিটো ধন দিব লাগে সেইটো সময়মতে দিব লাগে। এইটো ক্ষেত্ৰত আমি চৰকাৰৰ ফালৰ পৰা সদ্‌ উত্তৰ বিচাৰিছো। সেইকাৰণে আমি ৰাজ্যপালৰ ভাষণৰ ওপৰত সংশোধনী নানি এইখন ভাষণ ৰিজেক্ট কৰাটো বিচাৰিছো। যদি সঁচাকৈয়ে ৭০০ কোটি টকা ৰাষ্ট্ৰীয় গেম্‌চত খৰছ কৰিছে তেতিয়াহ'লে দুখীয়া ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত হেঙাৰস্বৰূপ হ'ব।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীঃ মাননীয় সভাপতি মহোদয়, আমাৰ দলপতি ডাঙৰীয়াই নেচনেল গেম্‌চ ভালকৈ হৈ যোৱা কাৰণে অসমৰ ৰাইজ ধন্যবাদৰ পাত্ৰ, আলফাও ধন্যবাদৰ পাত্ৰ বুলি কৈছে। তাৰ কাৰণে চৰকাৰেও ধন্যবাদৰ পাত্ৰ। এইবিলাক সকলো ঠিকেই আছে। যদি বাতৰি-কাকতত প্ৰকাশ কৰামতে পৰিকল্পনা শিতানৰ ৭০০ কোটি টকা তাত খৰছ কৰা হৈছে, তেতিয়াহ'লে ভৰিষ্যতে অসমলৈ অন্ধকাৰ নামি আহিব। তেতিয়া দ্ৰুত গতিত যে অসমৰ বিকাশ হ'ব সেই কথাটো কব নোৱাৰি। গতিকে পৰিকল্পনা শিতানৰ ৭০০ কোটি টকা খৰছ কৰাটো যদি হয়, হয় বুলি ক'ব আৰু যদি নহয়, নহয় বুলি ক'ব। পৰিকল্পনা

শিতানৰ ধন যদি ৰাষ্ট্ৰীয় গেম্‌চত খৰছ কৰা হৈছে তেতিয়াহ'লে সেইটো দূর্ভাগ্যজনক কথা হ'ব।

Mr. Chairman : Hon'ble Member, Shri Mission Ranjan Das.

★ **শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ** মাননীয় সভাপতি মহোদয়, শাসক দলে যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছিল তাৰ ওপৰত আমি সংশোধনী আনিছো আৰু আমি কৈছো— That the Governor's Address fails to reflect the real facts on peace and development of our State.

মাননীয় সভাপতি মহোদয়, আমি জানো যে সংবিধানৰ আৰ্টিকুল ১৭৬ (১) সেইমতে ৰাজ্যপাল ডাঙৰীয়াইপ্ৰতিবাৰ বিধান সভাৰ বাজেট অধিবেশন আৰম্ভ হোৱাৰ আগতে আৰু প্ৰথম যেতিয়া বিধান সভা আৰম্ভ হয় তেতিয়া ৰাজ্যপাল ডাঙৰীয়াই ভাষণ দিয়ে।

সভাপতি মহোদয়, ৰাজ্যপাল ডাঙৰীয়াই অসমৰ শান্তি আৰু উন্নতিৰ ক্ষেত্ৰত যোৱা ৬ বছৰে নাটকীয় পৰিৱৰ্ত্তনৰ দাবী কৰিছিল। সেই কথা আমি মানি লব পৰা নাই। আমি ইয়াক প্ৰতিবাদ কৰিছো। এই কথাখিনি অসমৰ বাস্তৱৰ লগত সংগতি নাই। ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণৰ প্ৰথম পেৰেগ্ৰাফ আৰু শেষ বাক্যটো পাঠ নকৰাকৈ ভাষণৰ সামৰণি মাৰে। তেখেত আমাৰ কথাবিলাক মনে মনে মানি লৈছিল, নহ'লে তেখেতে সম্পূৰ্ণ ভাষণ পাঠ কৰিলেহেঁতেন। কিন্তু তেখেতে সম্পূৰ্ণ ভাষণ পাঠ নকৰিলে। ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত অতিৰিক্ত কথা থাকিলেও তেখেতে পাঠ কৰিব লাগিছিল।

সভাপতি মহোদয়, বৰ্ত্তমান বয়-বস্তুৰ মূল্য বৃদ্ধি হৈছে। আচৰিত কথা যে আমাৰ কৰিমগঞ্জত নহৰুৰ দাম প্ৰতি কেজিত ১০০ টকা

★ Speech not corrected.

হৈছে। যোৱা ৩ বছৰে বয়-বস্তুৰ দাম ডেৰ-দুইগুণ বৃদ্ধি হৈছে। আমাৰ দুখীয়া ৰাইজে বয়-বস্তু কিনিব নোৱাৰা হৈছে।

সভাপতি মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণত আইন-শৃংখলাৰ উন্নতি হৈছে বুলি দাবী কৰা হৈছে। কিন্তু উজনি অসমৰ ৫ খন জিলা এতিয়াও আৰ্মীৰ হাতত আছে। গতিকে এই ৰাজ্যত আইন-শৃঙ্খলাৰ উন্নতি হৈছে বুলিঁ কব নোৱাৰি। এই ক্ষেত্ৰত পুলিচ প্ৰশাসনে ফেইল কৰিছে। অসমৰ মানুহ শান্তিপ্ৰিয়, সেইকাৰণে ল এণ্ড অৰ্ডাৰ স্বাভাৱিক আছে।

সভাপতি মহোদয়, নেচনেল গেম্‌চৰ কথা কোৱা হৈছে। খেল হ'ব লাগে, আমি ওৱেলকাম কৰিছো। কিন্তু এই খেলৰ সুযোগ লৈ কিছুমান নাভুত-নাশ্রুত কথা হৈছে। এই কথাবিলাক বাতৰি-কাকতত ওলাইছে। খেলক লৈ দুৰ্নীতি হৈছে, এইটো বাতৰি-কাকতত পঢ়িবলৈ পাই আমি লাজ পাইছো। খেল শেষ হোৱাৰ পিছত যিমান বেয়া পৰিস্থিতি হৈছিল, কিছুমান দুৰ্নীতিৰ কথা বাতৰি-কাকতত ওলাইছে। পৰিস্থিতি বেয়া হৈছে বুলি আমি অগ্রদূত বাতৰি-কাকতত পঢ়িছিলো। এই ক্ষেত্ৰত ৬৪৩ কোটি টকা উন্নয়ন শিতানৰ পৰা খৰছ কৰা হৈছে। চৰকাৰে কৈছে এই ক্ষেত্ৰত সফলকাম হৈছে। কিন্তু সেই টকাৰ উচিতভাবে খৰছ হৈছেনে নাই, এইবিলাক কথা চালি-জাৰি নোচোৱাকৈ ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত সফলকাম বুলি উল্লেখ কৰা হৈছে, এইটো বৰ লাজৰ কথা। নেচনেল গেম্‌চ খৰছৰ ওপৰত শ্বেতপত্র প্রকাশৰ দাবী কৰিছো।

(At 12-22 P.M., Hon'ble Chairman vacated the Chair and Hon'ble Speaker occupied the Chair.)

অধ্যক্ষ মহোদয়, পঞ্চায়ত কর্মচাৰীসকলে পেঞ্চন পোৱা নাই। প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ দিনতে এইবিলাক চৰকাৰীকৰণ কৰা হৈছিল। কিন্তু তেওঁলোকৰ আজিলৈকে পেঞ্চনৰ ব্যৱস্থা নহ'ল। ৰাজ্য চৰকাৰৰ দূৰ্নীতিৰ বিষয়ে বাতৰি-কাকতত ওলাইছে। এন. ই.টি.ভি.য়ে নেচনেল গেম্চৰ বিৰূপ মন্তব্য কৰি দেখুৱাইছিল আৰু এই কাৰণে এই চেনেলটোৰ নেচনেল গেম্চৰ দৃশ্যগ্ৰহণ কৰাত বাধা দিয়া হৈছিল আৰু এন. ই. টি.ভি চুপ্ৰিম কোৰ্টৰ পৰা আদেশ আনি গেম্চ দেখুৱাইছিল। কিন্তু এন. ই টি.ভি ৰ বিৰুদ্ধে এই কাৰ্য্য অগণতান্ত্ৰিক আছিল।

★ **শ্ৰীৰিপুন বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এন. ই. টি. ভি.য়ে নেচনেল গেম্চ হোৱাটো বিচৰা নাছিল। তেওঁলোকে ইনচাল্ট কৰিছে।

★ **শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী)**ঃ এন. ই. টি.ভিক অসম চৰকাৰে বাৰণ কৰা নাছিল। কৰিছিল অসম অলিম্পিক সস্থাই। গুৱাহাটীত ৰাষ্ট্ৰীয় ক্ৰীড়া ভাৰতীয় অলিম্পিক সস্থাই পাতিছিল। অলিম্পিক সস্থাক বা ভাৰতীয় অলিম্পিক সস্থাক অসম চৰকাৰে সহায়হে কৰিছিল। আমাৰ ঘৰত কিবা এটা অনুষ্ঠান পাতিছো, সেই ঘৰৰ ভিতৰত কোনোবাই ফটো তুলিব আহিব, ঘৰখনৰ বিষয়ে কোনোবাই কিবা বিৰূপ মন্তব্য দিব সেইখন ঘৰৰ গিৰীহঁতে কেনেকৈ সহ্য কৰিব ? অসমৰ মান-মৰ্য্যদা জড়িত থকা এটা বিষয় বাহিৰত বেয়া ধৰণে প্ৰকাশ কৰাটো কোনেও সহ্য কৰিব নোৱাৰে। গতিকে অসমৰ মানুহৰ বিষয়ে বাহিৰত যাতে কোনেও বেয়া মনোভাব নলয় তাৰ কাৰণে অলিম্পিক সস্থাই এই ব্যৱস্থা কৰিছিল। মই এই খেলাৰ লগত জড়িত কাৰণে এই স্পষ্টীকৰণটো দিলো।

শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ এওঁলোক হৈছে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। এওঁলোকক বাধা

★ Speech not corrected.

দিয়া কাৰণেইটো তেওঁলোকে ন্যায়ালয়ৰ আশ্রয় ললে। ন্যায়ালয়েও তেওঁলোকক ন্যায় বিচাৰ দিছে।

★ **শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ** আজি বহিঃ ৰাজ্যই অসমত ৰাষ্ট্রীয় ক্রীড়া যে সফলতাৰে উদ্‌যাপন হৈছে তাৰ কাৰণে ভূয়সী প্রশংসা কৰি গৈছে। অসমেও যে ৰাষ্ট্রীয় ক্রীড়া চলাবলৈ কেপেবুল ইকনোমিকেলী ভায়েবুল তাক সকলোৰে মুখে মুখে আমি ভাবিছিলো সদনৰ মজিয়াতো স্বীকাৰ কৰিব কিন্তু তাৰ সলনি মাননীয় সদস্যসকলে এনে মন্তব্য ৰাখিলে বহিঃ ৰাজ্যই কি ক'ব? গতিকে এনে ধৰণৰ কথাৰ অৱতাৰণা নকৰিবলৈ মই অনুৰোধ জনালো।

শ্রীমিশ্বন ৰঞ্জন দাস ঃ আজি অসমত নিবনুৱা সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। অথচ চৰকাৰী বিভাগবিলাকত ২৮ হাজাৰ পদ খালী আছে বুলি স্বীকাৰ কৰিছে অথচ চৰকাৰে আজিকোপতি নিযুক্তি দিব পৰা নাই। খবৰ-কাগজত পাইছো এপ্রিলৰ পৰা নিযুক্তি দিব বুলি। আগতে এম. ও. ইউ.ৰ কাৰণে নিযুক্তি দিব পৰা নাই। এন. ডি. এ.ক দোষাৰোপ কৰিছিল আমিও মানি লৈছিলো, কিন্তু এতিয়া? এতিয়া কিহৰ কাৰণে পদ দিব পৰা নাই? অসম চৰকাৰে আজি প্রতিটো ক্ষেত্রতে বিফলতা দেখুৱাইছে। মেলেৰীয়া ৰোধ কৰিব নোৱাৰিলে জননী সুৰক্ষা আঁচনিৰ কাৰণে কেন্দ্রীয় চৰকাৰে অসম চৰকাৰক জগৰীয়া কৰিছে। আজি বিদ্যুতৰ সংখ্যা দিনক দিনে বাঢ়ি গৈ আছে। ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ যি বিধায়ক আবাসত দুই মিনিটৰ কাৰণে বিদ্যুৎ ব্যাহত হোৱা নাছিল সেই আবাসত আজি কেইঘণ্টাৰ কাৰণে বিদ্যুৎ ব্যাহত থাকে তাৰ ঠিকনা নাই। অসমৰ বিদ্যুতৰ চাহিদা হৈছে ৭৪০ মেগাৱাট, কিন্তু উৎপাদন হয় ১৪৮ মেগাৱাট। দিনক দিনে গেপ বাঢ়ি গৈ আছে।

★ Speech not corrected.

তিনিখন ৰেগুলেটৰী কৰা হ'ল, তথাপি বিদ্যুতৰ নাটনি দূৰ কৰিব পৰা নাই। আজি খোৱাপানীৰ অৱস্থা ভয়াবহ। মোৰ সমষ্টিতে আজি কুশীয়াৰা নদীয়ে অভাৱ পূৰণ কৰিব নোৱাৰে। তাত বহুতবিলাক আঁচনি লৈছে, তাৰ পৰা পানী আনিব নোৱাৰে কাৰণ এতিয়া নদীৰ পাৰেদি সীমান্ত সড়ক আৰু কাইটীয়া তাঁৰৰ বেৰাৰ কাম চলাইছে। যিবিলাক পুৰণা দিফাং আঁচনি সেইবিলাক পুনঃ কার্য্যক্ষম কৰিব লাগে। আজি কৃষি, জলসিঞ্চন এইবিলাক বিভাগ ভেদ বিভাগ বুলি পৰিগণিত হৈছে। যোৱা বছৰ খৰাং হোৱা কাৰণে দেশত কি অৱস্থা ? মোৰ সমষ্টিতে ধানৰ উৎপাদন কমি গৈছে। ৰাজহুৱা স্বার্থ জড়িত যিবিলাক কথা সেইবিলাক কথাত চৰকাৰৰ কোনো কানসাৰ নাই। যিমানবিলাক প্রতিশ্রুতি দিছিল সেই প্রতিশ্রুতি আজি এই চৰকাৰৰ দিনত প্রতিশ্রুতিয়েই হৈ থাকিল। গতিকে এই চৰকাৰ সকলো ক্ষেত্রতে ব্যর্থ হৈছে।

এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, Hon'ble Binanda Saikia.

★ **শ্রীবিনন্দ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালিৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত যিখিনি আলোচনা হৈছিল তাৰ ওপৰত মইআৰু দুটামান কথা আজি কব বিচাৰিছো। ৰাজ্যপাল মহোদয়ে ভাষণত উল্লেখ কৰা কথাখিনিৰ ওপৰত আমাৰ পূর্ণ সমর্থন প্রকাশ কৰিছো। লগতে এই গোটেইখিনি কথা যোৱা সময়ৰ কথা আৰু আজিৰ কথাৰ বাস্তৱ প্রতিফলন হিচাপে চিহ্নিত কৰিব বিচাৰো। সকলোৱে জানে যোৱা ৬টা বছৰত আমাৰ চৰকাৰে ৰাজ্যখনলৈ যি এটা নাটকীয় পৰিবর্ত্তন আনিলে তাৰ লগত আগৰ সময়ৰ দৃশ্যপটৰ সম্পূর্ণ পৃথক এটা দৃশ্যপট দেখা

★ Speech not corrected.

পাইছো। কিছুমান দৃশ্যত সংঘাতৰ কথা থাকে, দূর্নীতিৰ কথা থাকে, বেয়া কাম, বেয়া কথা আদিৰ পিছত যেতিয়া শান্তি আৰু প্রগতিৰ কথা যেতিয়া আহিব তেতিয়া নিশ্চয় দৃশ্য পৰিবর্ত্তনৰ কথা আহিপৰে। আমাৰ মাননীয় গোস্বামী ডাঙৰীয়াই বাৰে বাৰে নাটকীয় দৃশ্য পৰিবর্ত্তনৰ কথা কৈ আহিছে সেয়ে মই এই কথাখিনি ক'বলগীয়া হলো। আমিও কয় হয়, ভাল কথাৰ কামৰ প্রতিফলন আমাৰ মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত প্রতিফলিত হৈছে। দৃশ্যপটৰ পৰিবর্ত্তন হৈছে আৰু সেয়ে আমি উন্নয়নৰ এখন ভাল দৃশ্যপট আমি আজি দেখিবলৈ পাইছো। আজি ৰাজ্যখনৰ অর্থনীতিয়ে প্রগতিলৈ গতি কৰিছে। যোৱা ৬টা বছৰত যি হৈছিল তাৰ তুলনাত আজি যে আমাৰ যথেষ্ট অর্থনৈতিক উন্নয়ন হৈছে সেইটো সাত শতৰুৱেও স্বীকাৰ কৰিব লাগিব। আজি আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই তেখেতৰ ভাষণত আজি আমাৰ চৰকাৰক ঠকা-সৰকা কৰিব বুলি আমি ভাবি আছিলো। কিন্তু আজি তেখেতৰ ভাষণত বাতৰি-কাকতত প্রকাশিত কেইটামান কথাৰেই তেখেতে তেখেতৰ ভাষণৰ সামৰণি মাৰিলে। আজি অসমৰ ৰাজহৰ আয় সঁচাকৈয়ে বাঢ়িছে। আজি অসমৰ অলৰাউণ্ড ডেভেলপমেন্ট হৈছে, এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বিভিন্ন বিভাগৰ কথা নকওঁতেই অর্থনৈতিক পৰিৱর্ত্তনৰ কথাকেই কওঁ।

এটা সময় আছিল মাহৰ মাহ ধৰি কোষাগাৰবোৰ বন্ধ হৈ আছিল। মাহৰ মাহ ধৰি অভাৰড্রাফট্ চলিছিল ৰিজার্ভ বেংকত। আজি কিন্তু চৰকাৰী কর্মচাৰীসকলে সময়মতে দা-দৰমহা পাই আছে। শিক্ষক সকলেও দা-দৰমহা পাইআছে নিয়মীয়াকৈ। কোষাগাৰ সকলো সময়তে খোলা থাকে। এইবিলাকে কি সূচায়? কিন্তু এনে এটা সময় আছিল

অসমত যেতিয়া শিক্ষকে দৰমহা নাপায় আত্মহত্যা কৰিবলগীয়া হৈছিল। নিজৰ ল'ৰা-ছোৱালী আৰু তিৰোতাক কাপোৰ এযোৰ কিনি দিব নোৱাৰিছিল। এনে এটা অৱস্থা আজি আমি অতিক্রম কৰিব পাৰিছো সেয়ে এই গোটেই কথাবিলাক ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ কৰিছে সুন্দৰ ভাবে।

আজি শিক্ষাৰ ক্ষেত্রত ছাত্র-ছাত্রীসকলক আন্দোলন কৰাৰ মানসিকতা সলনি কৰি আজি বিজ্ঞান আৰু প্রযুক্তিৰ মানসিকতাৰে গঢ়ি তোলাৰ প্রয়াস কৰা হৈছে। ছাত্র-ছাত্রীৰ অমূল্য অধ্যয়নৰ সময় নষ্ট কৰি ৰাজপথলৈ উলিয়াই আনিছিল এটা সময়ত। কিন্তু আজি আমি দেখিছো ছাত্র-ছাত্রীসকলে বিজ্ঞান প্রযুক্তিৰ মানে গ্লোবেলাইজেশ্যনৰ যি প্রক্রিয়া সেইটোৰ লগত প্রতিযোগিতা কৰি ছাত্র-ছাত্রীসকল আগবাঢ়ি যোৱাৰ মানসিকতা গঢ়ি উঠিছে। আজি আমাৰ ছাত্র-ছাত্রী সৰ্ব্বভাৰতীয় প্রতিযোগিতাত সফল হবলৈও সক্ষম হৈছে। সেইকাৰণে আনন্দৰাম বৰুৱা বঁটা প্রদান কৰি ছাত্র-ছাত্রীক প্রযুক্তি বিদ্যামুখী কৰি গঢ়ি তোলাৰ চেষ্টা কৰা হৈছে। ৰাজীৱ গান্ধী স্বাক্ষৰতা আঁচনিৰ জড়িয়তে আজি ছাত্র-ছাত্রীসকলক বর্ত্তমান যুগৰ লগত খাপ খাব পৰাকৈ গঢ়ি তোলা হৈছে। আগৰ ভাঙি পৰা আন্তঃগাঠনিৰ ওপৰৰ পৰা পানী পৰা আৰু কেঁচা মজিয়াত ছাত্র-ছাত্রীসকলে শিক্ষা গ্রহণ কৰিবলগীয়াত পৰিছিল। আমাৰ মুখ্যমন্ত্রী মহোদয়ে এই কথাটো অন্তৰেৰে উপলব্ধি কৰি এডিশ্যনেল ক্লাছ ৰুম দিছে আৰু বুনিয়াদী শিক্ষা প্রৱর্ত্তন কৰিছে। এইবিলাকেই উন্নয়ন বা প্রগতিৰ কথা নহয় জানো? কেৱল আমাৰ সমালোচনা কৰিব লাগে কাৰণেই সমালোচনা কৰিব নালাগে। সমালোচনাবিলাক বাস্তৱমুখী হোৱাটো ভাল।

আজি স্বাস্থ্য খণ্ডতো আমূল পৰিৱৰ্ত্তন হৈছে। ৰাষ্ট্ৰীয় গ্ৰামীণ আঁচনিৰ জড়িয়তে মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই আমূল পৰিবৰ্ত্তন সাধিছে। নাৰ্চৰ এ. এন. এম. আদি নিযুক্তি দিছে আৰু বহুত নিযুক্তি হ'ব। আগৰ তুলনাত বহুত নতুন স্তৰ আৰম্ভ হৈছে। এইবিলাক কি নাটকীয় পৰিবৰ্ত্তন নহয়? আগত বেয়া হোৱাটো আৰু এতিয়া ভাল কৰাটো এইবিলাকেই নাটকীয় পৰিবৰ্ত্তন। আজি স্বাস্থ্য ক্ষেত্ৰত জনসাধাৰণৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। বিৰোধী পক্ষৰ তৰফৰ পৰা মোশ্যন উত্থাপন কৰি কেইবাটাও সংশোধনী আনিছে অসম চুক্তি সম্পৰ্কত। যিসকলৰ দিনত এই অসম চুক্তি হৈছিল তেওঁলোকে কি কৰিছিল? বৰ্ত্তমান চৰকাৰে মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত অসম চুক্তিৰ সংক্ৰান্তত নতুন অধ্যায়ৰ সুচনা কৰিছে। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কাৰণে সুকীয়া সঞ্চালকালয় কৰিছে। কেইবাখনো ট্ৰাইবুনল গঠন কৰি দিছে আৰু এটা কথা যে এতিয়া ত্ৰিপাক্ষিক বৈঠক আৰম্ভ কৰা হৈছে। ভাৰত চৰকাৰ আৰু অসম চৰকাৰে ত্ৰিপাক্ষিক বৈঠক আৰম্ভ কৰিছে। অসম চৰকাৰৰ যে দায়বদ্ধতা আছে এই ক্ষেত্ৰত সেইটোকে বুজাইছে। অন্ততঃ এই কথাবিলাক এপ্ৰিচিয়েট কৰা উচিত। এপ্ৰিচিয়েট কৰিবলৈ শিকিব লাগিব। অকল বিৰোধী পক্ষই সমালোচনা কৰিব লাগে বুলিয়েই সমালোচনা কৰিলেই নহ'ব। আপোনালোকে আজি অসম চুক্তিৰ কথা পাহৰি গ'লে নহ'ব।

★ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী**ঃ সঞ্চালকালয় খোলাটোত মই মুখ্যমন্ত্ৰী তথা চৰকাৰৰ আমি এপ্ৰিচিয়েট কৰিছো।

★ **শ্ৰীবিনন্দ শইকীয়া**ঃ মুনাফা আদায়ৰ কাৰণেই সকলো কথা কলেই নহ'ব। কিন্তু বৰ্ত্তমান চৰকাৰৰ উৎসাহজনক কামবিলাকত উদ্বুদ্ধ হৈ

★ Speech not corrected.

দুই এটা কথা স্বীকাৰ কৰিব লাগে। এটা কথা চাওঁক আজি ক্ষমতাৰ বিকেন্দ্রীকৰণৰ কথা আপোনালোকে কয়, কিন্তু পাৰিছিলনে ক্ষমতাৰ বিকেন্দ্রীকৰণ কৰিব? কিন্তু এই চৰকাৰে মুখ্যমন্ত্রী মহোদয়ৰ নেতৃত্বত তৃণমূল পর্য্যায়ৰ কৰ্ম্মীসকলৰ কথা অনুধাৱন কৰি পঞ্চায়ত নির্বাচন পাতিলে। ২০০১ চনৰ এই পঞ্চায়ত নির্বাচন ক্ষমতা বিকেন্দ্রীকৰণৰ নমুনা নহয়নে? আপোনালোকৰ দিনত এটা সময়ত সঞ্চালক আৰু প্রকল্প বিষয়া পর্য্যন্ত টকা শেষ হৈছিল, ৰাইজে একো গমেই নাপায়। গ্রীণ হাউচ কেলেংকাৰী তাৰ নমুনা, ইয়াৰ প্রমাণ নহয়নে?

অধ্যক্ষ মহোদয়, এইবাৰো অহা মে' মাহত পঞ্চায়ত নির্বাচন অনুষ্ঠিত কৰাৰ কথা ইতিমধ্যে আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে কৈছে। আগতে য়িবিলাক দুখীয়া মানুহ দৰিদ্র সীমাৰেখাৰ তলত আছিল সেইবিলাক কাৰ দিনত বেছি বেনিফিটেড হৈছে? এই দৰিদ্র সীমাৰেখাৰ তলৰ মানুহখিনি আটাইতকৈ বেছি বেনিফিটেড হৈছে আমাৰ চৰ কাৰৰ দিনত। আজি এই কথা আমাৰ সকলোৱে স্বীকাৰ কৰিব লাগিব। অকল বাতৰি-কাকতৰ দৃষ্টি আকর্ষণ কৰাৰ বাবে এইবোৰ কৰি একো লাভ নাই। দৰিদ্র সীমাৰেখাৰ তলৰ মানুহখিনি এতিয়াও উপকৃত হৈছে আৰু আগলৈও হ'ব। সেইকাৰণে আমি কৈছো যে ৰাজ্যপাল মহোদয়ৰ ভাষণত ৰাজ্যখনৰ যি ছবি দাঙি ধৰা হৈছে সেইখিনি প্রকৃত সত্য ছবিয়েই দাঙি ধৰা হৈছে। অধ্যক্ষ মহোদয়, মই আৰু বেছি দিঘলীয়া নকৰো। আইন-শৃঙ্খলাৰ বিষয়ে ইতিমধ্যে কোৱা হৈছে। আমি কৈছো যে আগৰ চৰকাৰৰ দিনত আইন-শৃঙ্খলা কি আছিল? চৰাইপুং, লক্ষীপথাৰত মানুহক শোৱাপাটীৰ পৰা উঠাই আনি গুলীয়াই হত্যা কৰা হৈছিল। এতিয়া সেইবিলাক কথা শুনিলে গাৰ নোম শিয়ৰি উঠে।

এতিয়াও হয়তো কৰ'বাত হৈছে। কিন্তু আমাৰ চৰকাৰে সেইবোৰ লগে লগে টেক্‌ল কৰিছে। যাৰ বাবে আজি ৰাষ্ট্ৰীয় ক্ৰীড়া সুকলমে অনুষ্ঠিত হৈ গৈছে। আজি আমাৰ ৰাজ্যত আইন-শৃঙ্খলাৰ যথেষ্ট উন্নতি হৈছে।

★ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** ঃ ছাৰ, বৰকটকী ডাঙৰীয়াৰ বাহিৰে বাকী সকলোৰে উন্নতি হৈছে।

★ **শ্ৰীবিনন্দ শইকীয়া** ঃ ছাৰ, আমাৰ একো গণ্ডগোল নাই। অঙ্গনবাদী চেণ্টাৰ বা অন্যান্য সা-সুবিধা যিবিলাক আছে সেইবিলাক কিন্তু তেওঁলোকে নলওঁ বুলি নকয়। সদৌ শেষত অধ্যক্ষ মহোদয়, মই আপোনাক মোক এইখিনি কোৱাৰ বাবে সুবিধাকণ দিয়া বাবে আপোনাক ধন্যবাদ জনাইছোঁ আৰু ৰাজ্যপাল মহোদয়ৰ ভাষণ সকলোৱে সমৰ্থন কৰিব বুলি আশা ৰাখি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Dr. Aditya Langthasa : Sir, I would like to say that His Excellency the Governor of Assam has failed to convince us in depicting the real picture of our State for the last few years. Sir, the contents of his speech was as usual, full of repeatation of the same contents and with all lofty promises. I believe that these are far away from the real picture. moreover, we apprehend that such speech of His Excellency, the Governor of Assam will definitely influence

★ Speech not corrected.

while providing justice to the people of Assam. Sir, we are surprised to hear that the past six years have seen a dramatic turn around the fortunes of Assam as if there has been no regentment of the people of Assam in the field of socio-economic and political scenerio of our State. Sir, lots of questions arises in my mind about the poverty elemination, to increase the level of development in our State. Moreover, what are the recent occurrences of terrorists in Upper Assam and Lower Assam where several innocent lives were lost in the hands of the extremists. Lives of women and children were also not spared. Serious law and order problem were created by the extremists in our State particularly in Tinsukia and Dibrugarh District and in many other places where innocent children and women were killed. But Sir, this situation is not reflected any where in the speech of His Excellency the Governor of Assam. Sir,

what about the recent draught in our State? So many lives were lost out of Malaria and out of ethnic violence of Karbi-Anglong. Sir, what is about the devlopment of minorities those who are living in char areas and other places. Financial position of the State has already reached a stage of red line with thousands of crores of debt. In the near future, we may require to calculate the per capita debt and not per capita income of each citizens of our State. We have already discussed about price rise of the essential commodities. We are talking about National Games. Of course, we are happy that the 33rd National Games were concluded in Guwahati with success. But at the same time, we are seriously concerned with the various reports as published in News Papers and media regarding various corruption committed by different wings under the Sports authority of the State. Regarding improvement of law order situation, His Excellency, the

Governor of Assam claimed that the Government responded to the situation in a big way and succeeded in controlling the situation within 72 hours. But this is not the real picture. There are reports claiming that violence and killing continued for 15 days continuously. Then how Government can claim that the situation was controlled within 72 hours? The most important and burning question of the State is the problelm of unemployment. There are lakhs and lakhs of unemployed youths in our State. The Government should have a long term policy and a positive approach for solving the problem of unemployment. But we do not find any mention of such a burning problem of our State in the address of His Excellency, the Governor of Assam. The burning problem of unemployment should have also a mention in Gas Cracker Project of Assam. What we have been talking is not enough to solve this burning problem of

Assam. In Agriculture Sector also there is no mention about lack of infrastructure, lack of organised firming in the address of His Excellency, the Governor of Assam. There is also no mention about the farmers who were affected by the recent draught. In Industry Sector, the Gas Cracker Project has only figured. But what about the other Industrial? All the small scale industries of our State and 32 corporate sector industries are closed down in our State. Moreover, the State have been facing difficulties in improving the law and order situation which is the pre-requisite for development of industries. Industrial development is not possible without a peaceful law and order situation. Regarding power generation, we could generate only 10% of our requirement. The balance power we are still buying from other sources. We do not have adequate infrastructure for development of our industries. We require 1300MW of power to run

our State but we are having only 200 MW which is too less in regard to our requirement.

For the development of the community of SC/ST and also of the Ex-Tea garden people including the hill areas we expected much more from the address of His Excellency. One of the most important problem of the SC/ST is Socio-economic, education & health and we know that 7,55,000 of back logs are still to be filled up. But there is no effort on the part of the Government to fill up these back log posts. This is an important and this has not come in the address of His Excellency. Very surprisingly, Mr. Speaker Sir, His Excellency very tactfully mentioned about the sanction for the welfare of minority. Minorities are not living only in Char areas. Out of total 33% of total population only Rs. 185 lakhs package for Char area has been given which is Rs.8/- per head in the Char areas and Rs. 2.46/- for

the entire minority. This is a clear negligency. In the Health sector also the previous speaker claimed that we have developed tremendously in the Health sector. But I must say this is not enough for this sector. If we analyse, we will get the clear picture. The standard of IMR in Assam is 66% where as National Standard is 57%. Immunisation in Assam is 32% and National standard is 44%. Institutional delivery in Assam is 23% and National standard is 41%. This will prove that how far we are lagging behind in health sector. Lots of lives have been lost in Malaria and other diseases. Therefore, lots of work are to be done in the health sector particularly in the char areas, in the hill areas and in the rural areas and also we have to give due attention in Medical Colleges. If you compare with the other States, we have only three Medical Colleges.

The condition of the Medical colleges in our State are very bad if we compare it

with the other States. The facilities provided to the students are not up to the mark i.e. National Standard. Therefore, we have to improve the condition of these colleges, so that, we can give better facilities to the patients as well as students. With this few words, I conclude my speech.

Mr. Speaker : Now, Mr. Karendra Basumatary.

শ্রীকৰেন্দ্র বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এইপবিত্র সদনত মহামান্য ৰাজ্যপাল শ্রীঅজয় সিং ডাঙৰীয়াৰ ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য শ্রীশৰৎ বৰকটকী ডাঙৰীয়াই যি ধন্যবাদসূচক প্রস্তাৰ আনিছে তাত মই পূর্ণ সমর্থন আগবঢ়াইছো। আমাৰ মাননীয় মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ ডাঙৰীয়াক বিশেষকৈ ধন্যবাদ জনাইছো এই কাৰণে যে তেখেতৰ তত্ত্বাৱধানত ৰাষ্ট্রীয় ক্রীড়া সুকলমে সমাপ্ত হৈছে। এয়া আমাৰ অসমৰ কাৰণে ডাঙৰ গৌৰৱ কঢ়িয়াই আনিছে। আমাৰ অসমত ফুটবল টিমটোৱে জাতীয় টিম হিচাবে জয়লাভ কৰি ৰাষ্ট্রীয় পর্য্যায়ত স্বীকৃতি পালে। লগতে যিসকল খেলুৱৈয়ে চেম্পিয়নশ্বিপ অর্জন কৰিছে তেখেতসকলকো এই পবিত্র সদনৰ জড়িয়তে প্রস্তাৰ আকাৰে ধন্যবাদ দিব লাগে। ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি শ্রীসুৰেশ কালমোদী ডাঙৰীয়াইও এক ঐতিহাসিক ঘোষণা কৰি গ'ল যে এচিয়াৰ ভিতৰতে আমাৰ ইয়াত উৎকৃষ্ট ষ্টেডিয়াম হৈছে। আন্তঃগাঠনিবোৰ সুন্দৰ হৈছে। মাননীয় প্রধান মন্ত্রী ড° মনমোহন সিং ডাঙৰীয়াইও ভূয়সী প্রশংসা কৰিছে আৰু শলাগিছে। এই সকলোবোৰ কৃতিত্ব মাননীয় মুখ্যমন্ত্রীৰ।

আনহাতে আইন-শৃঙ্খলাৰ ক্ষেত্ৰত কব বিচাৰিছো যে এই সংক্ৰান্তত দ্ৰুতগতিত উন্নতি ঘটিছে। উদাহৰণ হিচাবে দিব পাৰি যে আলফাৰ দ্বাৰা পি.চি.জি. গঠন হৈছে, বি.এল.টি.ৰ চুক্তি হৈ গ'ল। বি.টি.চি. এতিয়া সুন্দৰকৈ চলি আছে হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত। ডি. এইচ. ডি., এন. ডি. এফ. বি. আদি বিদ্ৰোহী সংগঠনবোৰও যুদ্ধ বিৰতি ঘোষণা কৰিছে; আলোচনাত বহিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। এই সকলো কৃতিত্ব আমাৰ চৰকাৰৰে। বিদ্ৰোহী সমস্যাসমূহ ৰাজনৈতিক বাবে সমাধান কৰাৰ কাৰণে আমাৰ চৰকাৰে ভাৰত চৰকাৰক হেঁচা দি আহিছে। এই পৰিপ্ৰেক্ষিতত মাননীয় মুখ্যমন্ত্ৰী গগৈ ডাঙৰীয়াক ডাঙৰ 'ডিপ্লমেট' বুলি কব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, আলফাই ৰাষ্ট্ৰীয় ক্ৰীড়া বৰ্জনৰ যি ঘোষণা কৰিছিল সেয়া তেখেতসকলে 'উইথড্ৰ' কৰিলে। এই ক্ষেত্ৰত প্ৰবীণ ক্ৰীড়াবিদ শ্ৰীভোগেশ্বৰ বৰুৱা, গিলবাৰ্টচন চাংমা আদিয়ে আলফালৈ যি আবেদন জনাইছিল নাইবা জনালে সেয়া শলাগিব লাগিব। নিশ্চয় আমাৰ চৰকাৰৰ প্ৰচেষ্টাত এইখিনি হ'ল বুলি মই কবলৈ প্ৰয়াস কৰিছো।

উন্নয়নৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনত কিছুমান নাটকীয় পৰিবৰ্ত্তন হৈছে। কামবিলাক দ্ৰুতগতিত আগবাঢ়িছে। মহামান্য ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে যে মাননীয় গগৈ ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰে ৬ বছৰ সম্পূৰ্ণ কৰিছে। পূৰ্ব্বৰ চৰকাৰে পঞ্চায়ত নিৰ্বাচন পাতিব পৰা নাছিল, পঞ্চায়ত নিৰ্বাচন নহ'লে কাম-কাজ নহয়, উন্নয়নৰ কামবিলাক নহয়। তেওঁলোকে নিশ্চয় এতিয়া পস্তাইছে। কিন্তু সেই কাম আমাৰ চৰকাৰে কৰিলে। ইয়াৰ এটা উদাহৰণ দিব খুজিছো। আমাৰ মাজবাটৰ পৰা অৰুণাচললৈ যোৱা পথটোৰ ৪ কোটি টকাৰ

কাম আৰম্ভ হৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়াও নিজে এই কামত জড়িত হৈ আছে আৰু ৩৫ কোটি টকাৰ টেণ্ডাৰ দিয়া হৈছে। মাননীয় মন্ত্রী প্রদ্যুৎ বৰদলৈ আৰু মাননীয় গড়কাপ্তানী মন্ত্রীও তালৈ গৈ চাই আহিছিল। তেখেতসকলক ধন্যবাদ জনাব খুজিছো। ইতিমধ্যে ৬ কোটি টকাৰ ৰাস্তাৰ কাম হৈছে। বি. টি. চি. এলেকাধীন গৰৈমাৰীৰ পৰা সম্প্রসাৰণৰ কাম চলি আছে। এইদৰে ৰাস্তা-ঘাট, শিক্ষা আদিৰ ক্ষেত্রত বহুতো কাম চলি আছে। আমাৰ বি. টি.চি.ক ইতিমধ্যে চৰকাৰে ৪৫ টা বিভাগ হস্তান্তৰ কৰিছে। ওদালগুৰি, চিৰাং আৰু বাস্কাৰ কামবিলাকো সোনকালে কৰিব লাগে। পেকেজৰ বকেয়া ধন যদি এতিয়াও মুকলি কৰি দিয়া নাই তেনেহ'লে সোনকালে মোকলাই দিলে ভাল হয়। এইটো এটা বৃহত্তৰ অভাৱ হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে আনন্দৰাম বৰুৱা যি বঁটা প্রচলন কৰিছে ভাল কাম হৈছে। সেইদৰে আমাৰ গুৰুদেৱ কালীচৰণ ব্রহ্ম ডাঙৰীয়াৰ নামটো তেনেকুৱা বঁটা এটা প্রচলন কৰিলে ভাল হয়। তেখেতৰ প্রচেষ্টাতে কোকৰাঝাৰখন পূৰ্ব্বৰ অবিভক্ত গোৱালপাৰা জিলাৰ বাংলাদেশত অন্তর্ভুক্ত নহ'ল। ৰূপনাথ ব্রহ্ম ডাঙৰীয়া তেখেতৰ সমসাময়িক আছিল।

মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্ট্রীয় ক্রীড়াত খাদ্য যোগানৰ ক্ষেত্রত যি খেলিমেলি অভিযোগ অনা হৈছিল, এই কাৰ্য্য কিছুমান হালধীয়া সাংবাদিকে আমাৰ চৰকাৰখনৰ ইমেজ নষ্ট কৰিবলৈ চেষ্টা চলাইছিল। এই খেললৈ বাহিৰৰ পৰা বহুতো খেলুৱৈ আহিছিল, অন্যান্য লোকসকলো আহিছিল। গতিকে চৰকাৰৰ ইমেজ নষ্ট কৰাৰ চেষ্টা চলাইছিল। গতিকে এই বিষয়টো তদন্ত কৰি দোষীসকলক শাস্তি দিয়াৰ ব্যৱস্থা চৰকাৰৰ

ফালৰ পৰা কৰিব লাগে। সদৌ শেষত বিৰোধী পক্ষৰ সদস্যসকলক অনুৰোধ জনাব খুজিছো যে, এতিয়াও সময় বহুত আছে- আপোনা লোকে এই চৰকাৰৰ কাম-কাজত যাতে সহযোগ কৰে, যাতে আমাৰ ৰাজ্যখনক আমি আগবঢ়াই নিব পাৰো। আলফা, এন. ডি. এফ. বি. কাৰ্বি আদিৰ যি সমস্যা আছে সেই সমস্যাবিলাক ৰাজনৈতিকভাবে সমাধা কৰিবৰ বাবে চৰকাৰে চেষ্টা কৰি আছে। তেতিয়াহে ৰাজ্যখনলৈ শান্তিৰ পৰিবেশ ঘুৰাই আনিব পৰা যাব। মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ অনা হৈছে মই তাৰ সমৰ্থন জনাইছো। সদৌ শেষত মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ দীৰ্ঘায়ু কামনা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ ১০ মিনিট সময় আছে, মাননীয় সদস্য দ্রুপদ বৰগোঁহাই দেৱে ক'ব পাৰে।

শ্রীদ্রুপদ বৰগোঁহাইঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সময়টো যদিও কম মাননীয় অধ্যক্ষ মহোদয়ে যিখিনি বদান্যতা দেখুৱালে তাৰ বাবে ধন্যবাদ জনাইছো। সময় কম কাৰণে বহুত কথা কম বুলি ভাবি অহা নাছিলো। মাত্র কেইটামান কথাহে কব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় ৰাজ্যপালৰ প্রতি সকলোখিনি সন্মান প্রদর্শন কৰি তেখেতৰ ভাষণৰ ওপৰত দুটামান কথা ব্যক্ত কৰিব বিচাৰিছো। তেখেতৰ ভাষণত যিখিনি কথা উল্লেখিত হৈছে আইন-শৃঙ্খলাৰ কথা যিখিনি ব্যক্ত কৰিছে তাত যিখিনি কথা উত্থাপন হৈছে সেই সকলোখিনি অর্ধসত্য। অৱশ্যে কৰিবলগীয়া কাম-কাজখিনিত যিখিনি উত্থাপন কৰিছে, চৰকাৰে যত্ন কৰিছে, কিন্তু সকলোখিনি অর্ধসত্য। আইন-শৃঙ্খলাৰ পৰিস্থিতি যথেষ্ট উন্নতি হোৱা বুলি দাবী কৰা হৈছে। কিন্তু

যোৱা জানুৱাৰী মাহত যিটো ঘটনা ঘটি গ'ল আৰু এতিয়াও যি ঘটি আছে সেই ক্ষেত্ৰত আইন-শৃঙ্খলাৰ উন্নতি হোৱা বুলি ক'ব নোৱাৰি। ৫ জানুৱাৰী তাৰিখে হিন্দীভাষীসকলৰ ওপৰত ইটা বনাই থকা বিহাৰী সকলৰ ওপৰত আক্ৰমণ কৰা হৈছে। তিনিচুকীয়া, লংচোৱা আদি ঠাইত ব্যৱসায় কৰি থকা লোকৰ ওপৰতো আক্ৰমণ কৰা হৈছে। ৭২ ঘন্টাৰ ভিতৰত আইন-শৃঙ্খলা নিয়ন্ত্ৰণ কৰা কথা হৈছে অৰ্ধসত্য। নিয়ন্ত্ৰণ হোৱা নাই। চেষ্টা কৰিছে। নেচনেল গেম্চ আৰম্ভ হোৱাৰ আগলৈকে ঘটনা ঘটি আছিল। ৭২ ঘন্টাৰ ভিতৰত নিয়ন্ত্ৰণ হোৱা নাই। নেচনেল গেম্চ হোৱাৰ আগলৈকে বোমা আদি ফুটি বিভিন্ন ঘটনা ঘটি আছিল। সেই কথালৈ লক্ষ্য কৰা উচিত আৰু এটা কথা দেখা গ'ল বিশেষকৈ ২৬ জানুৱাৰী তাৰিখৰ আগতে কংগ্ৰেছৰ লোকসকলক আলফাই ৰিজাইন দিবলৈ কৈছিল, নহ'লে হামলা হ'ব। উজনি অসমত ৫ জন কংগ্ৰেছ কৰ্ম্মীক হত্যা কৰা হৈছিল। এই সকলো কাগজে-পত্ৰই আহি আছে। গতিকে এই যে ৭২ ঘন্টাৰ ভিতৰত নিয়ন্ত্ৰণ হোৱা কথাটো কৈছে - সেইটো অৰ্ধসত্য। এইটো স্বীকাৰ কৰাটো উচিত বুলি মই ভাবো। গতিকে আইন-শৃঙ্খলা সম্পূৰ্ণৰূপে ভাল হৈছে বুলি ক'ব নোৱাৰি। ২৬ জানুৱাৰীৰ ঘটনাৰ পাছত ৰাষ্ট্ৰীয় গেম্চৰ আগতে এপীল কৰা হ'ল আলফাৰ ওচৰত। তেওঁলোকে ঘোষণা কৰিলে যে ৰাষ্ট্ৰীয় গেম্চটো চলাই নিব দিব। একো অসুবিধাৰ সৃষ্টি নকৰে। অৰবিন্দ ৰাজখোৱাই এই ঘোষণা কৰিলে। গতিকে দেখাদেখিকৈ অৰ্ধসত্যকে ৰাজ্যপালে কৈছে। গতিকে তেওঁ লিখা কথাখিনি শুদ্ধ নহয় বুলি মই বিবেচনা কৰো আৰু এটা কথা, এই সমস্যা আইন-শৃঙ্খলা সমস্যা নহয়। এই সমস্যা নিয়ন্ত্ৰণ কৰিবলৈ হ'লে আলফাৰ সৈতে আলোচনা কৰিব লাগিব।

কিন্তু চৰকাৰে যি ধৰণে কৰি লব লাগিছিল সেইটো কৰা নাই বুলি মোৰ বিশ্বাস। আলফা সমস্যাটো এটা ৰাজনৈতিক সমস্যা। গতিকে এইটো ৰাজনৈতিকভাবে সমাধান কৰিব লাগিব। সেনা বাহিনীৰ জড়িয়তে কংগ্রেছ চৰকাৰে সমাধান কৰিব নোৱাৰে। যিহেতু ইয়াত আবেগ জড়িত হৈ আছে। অসমৰ জনসাধাৰণৰ সমস্যা জড়িত হৈ আছে। এই ক্ষেত্রত কিছুৰে উগ্রপন্থাৰ আশ্রয় লৈছে আৰু আমি গণতন্ত্রত বিশ্বাস কৰাসকলে আন পন্থা গ্রহণ কৰিছো। এই ক্ষেত্রত তেওঁলোকৰ লগত বহি আলোচনা নকৰিলে মীমাংসা হ'ব নোৱাৰে। তেওঁলোকৰ লগত বিনা চর্ত্তে আলোচনা কৰা উচিত। দুই পক্ষৰে আলোচনা চর্ত্তবিহীন হ'ব লাগিব। যদি চর্ত্তবিহীন নহয় তেন্তে সমস্যাও সমাধান নহ'ব। কেন্দ্রীয় চৰকাৰ আৰু অসম চৰকাৰৰ কোনো চর্ত্ত থাকিব নালাগে। তেওঁলোকে স্বাধীনতা বিচাৰিছে, সার্ব্বভৌমত্ব বিচাৰিছে, দিব নোৱাৰো বুলি ক'লেই হ'ল। সেইটো হ'ব নোৱাৰে বুলি ক'লেই হ'ল। এন. এচ. চি. এন.সকলেও সার্ব্বভৌমত্ব বিচাৰিছিল, আলোচনাত বহিল। তেতিয়া দেৱেগৌৰা প্রধান মন্ত্রী আৰু গৃহ মন্ত্রী ইন্দ্রজিৎ গুপ্ত আছিল। বিনা চর্ত্তে আলোচনাত বহাৰ পাছত তেওঁলোকে সার্ব্বভৌমত্ব পৰিহাৰ কৰিলে। আলোচনা শেষ হোৱাৰ আগতেই যিখিনি এচিভমেন্ট হ'ল তাৰ ফলত শান্তিৰ পৰিবেশ ঘূৰি আহিল। মিজোৰামতো ঠিক তেনেদৰেই সমাধান কৰা হ'ল। মিলিটাৰী যোগে দমন কৰি সমস্যা সমাধান কৰা সম্ভৱ নহয়। মই সদনত স্পষ্টভাবে ক'ব বিচাৰিছো যে ইয়াৰ আগতে ৫ বাৰকৈ বজ্রং ৰাইনো কোব্রা হনুমান অলক্রিয়েৰ নাম দি সেনা অভিযান চলিছিল। কিন্তু আলফা সমস্যা সমাধান নহ'ল। প্রতি অভিযানৰ পিছত বোমা ফুটিল। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো আপোনাৰ জড়িয়তে

চৰকাৰকো অনুৰোধ কৰিছো যে বিনা চৰ্ত্তে আলোচনা কৰক। কাশ্মীৰ সমস্যা সমাধানৰ বাবে অসম চুক্তি স্বাক্ষৰ কৰাৰ সময়তো কেন্দ্ৰীয় চৰকাৰে সকলো ৰাজনৈতিক দলক বিশ্বাসত লৈ তেওঁলোকক মাতি সিদ্ধান্ত গ্ৰহণ কৰিছিল । এতিয়া আমাৰ পার্টিৰ জেনেৰেল চেক্ৰেটাৰী এ. বি. বৰ্দ্ধনে প্ৰধান মন্ত্ৰীক চিঠিৰে আলফা সমস্যা সমাধানৰ ক্ষেত্ৰত সৰ্ব্বদলীয় সভা আহ্বান কৰিব লাগে বুলি কোৱা স্বত্তেও সৰ্ব্বদলীয় সভা আহ্বান কৰা নাই। আলফা সমস্যাৰ সমাধানৰ সূত্ৰ উলিয়াবলৈ সৰ্ব্বদলীয় সভা আহ্বান কৰক আৰু চৰ্ত্তবিহীন আলোচনাত বহিবলৈ আমাৰ চৰকাৰক আহ্বান জনাওঁ। অসম চুক্তিও আলোচনাৰ মাধ্যমেৰেই হৈছিল। গতিকে মই আমাৰ চৰকাৰক অনুৰোধ কৰো যে চৰ্ত্তবিহীন আলোচনা এটা প্ৰচেষ্টা হাতত লয়। এইখিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ দুপৰীয়াৰ আহাৰৰ কাৰণে সকলোকে নিমন্ত্ৰণ জনাই আবেলি ৩.৩০ বজালৈ সদন স্থগিত ৰাখে।

(The House reassembled to-day at 3.30 P.M. with Hon'ble Speaker in the Chair.)

(মধ্যম বিৰতিৰ পিচত)

★ **শ্ৰীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহাশয়, যোৱাকালি অসম বিধান সভাৰ মজিয়াত অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে যিখন বাজেট ভাষণ ৰাখিছিল সেই ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ মই বিৰোধিতা কৰিছো। এই কাৰণেই কৰিছো যে ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত অসমৰ যিটো ছবি দাঙি ধৰিছে সেই ছবিখন যদি স্পষ্ট হ'লহেঁতেন আমাৰ কবলগীয়া নাথাকিলহেঁতেন। কিন্তু আমি

★ Speech not corrected.

দেখিবলৈ পাইছো মাননীয় ৰাজ্যপালৰ ভাষণত যথেষ্ট অসত্য কথা সোমাই আছে। মই সেইবোৰৰ তীব্ৰ বিৰোধিতা কৰিছো। আইন-শৃঙ্খলাৰ পৰিস্থিতি সেইটো নিয়ন্ত্ৰণ কৰিবলৈ গৃহ বিভাগ সম্পূৰ্ণভাবে ব্যৰ্থ হৈছে। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আগে আগে যিটো পৰিস্থিতিৰ সৃষ্টি হৈছিল সেই সময়ত কোনো বাহিৰলৈ ওলাব নোৱাৰে। আমি বিৰোধী দলৰ সদস্য হিচাবে সমালোচনা কৰা নাই। গতানুগতিক কথাবিলাক আমাৰ পবিত্ৰ সদনৰ ওপৰত সকলো ন্যস্ত হয়। শাসক পক্ষ বা চৰকাৰ পক্ষই যে ব্যৰ্থ হৈছে সেইটো নহয়। চৰকাৰৰ কিছু পৰিসৰৰ পৰিবৰ্ত্তন হোৱাৰো প্ৰয়োজন আছে। বিৰোধী পক্ষৰ ক্ষেত্ৰতো দায়বদ্ধতা আছে, কিয়নো আমাকো পবিত্ৰ সদনলৈ ৰাইজে মনোনীত কৰি পঠিয়াইছে। গতিকে এই কথা কোৱাৰ প্ৰয়োজন আছে। অসমৰ জনসাধাৰণে কোনো নাটকীয় পৰিবৰ্ত্তন বিচৰা নাই। সঁচা আকৌ সময়োচিত পৰিৱৰ্ত্তন বিচাৰিছে। ৰাতি ভাওনাত দূৰ্য্যোধন সম্ৰাট হৈ ৰাতি পুৱালেই নাঙলৰ মুঠিত ধৰিবলৈ যোৱা কথা বিচৰা নাই। আমি বিৰোধী দলৰ সদস্য হিচাপেও যোগাত্মক সহাঁৰি জনাম বুলি কৈছো। আমাৰ বিৰোধী দলকো আশ্বাসলৈ চাই বিশ্বাসত লব লাগে। পঁচিশ দিন ধৰি গুলী-বাৰুদ চলিল, বহুত নিহত হ'ল, আহতও হ'ল ভালেখিনি। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আগে আগে এইটো হৈছিল। ৰাষ্ট্ৰীয় ক্ৰীড়া বন্ধ কৰি দিয়াৰ ভাবুকিও উঠিছিল। আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো। আগে আগে যিবিলাক ঘটনা সংঘটিত হ'ল সেইবিলাকলৈ আমি দৃষ্টিপাত কৰিব লাগিব। আমি কথাবিলাক হৃদয়ঙ্গম কৰিব লাগিব। পোন্ধৰ দিন আগৰ গুলীবৰ্ষণ, বোমাবৰ্ষণ স্তব্ধ হৈ গ'ল শান্তি অনাৰ কাৰণে। বিশিষ্ট নাগৰিকসকলে আহ্বান জনালে আৰু সেইটো নহ'লে অসম চৰকাৰে ৰাষ্ট্ৰীয় ক্ৰীড়া

সফল কৰিব নোৱাৰিলেহেঁতেন কিজানি। পাঁচ বজাৰ পিচত ওলাব নোৱাৰাৰ ঠাইত দুপৰ নিশাও ফুটবল খেল হ'ল আৰু হাজাৰ হাজাৰ মানুহে উপভোগ কৰিছে। এইবিলাক অসমৰ সন্মানৰ কাৰণেই কৰা হ'ল। আলফাইও ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাধা উঠাই সকলো সুবিধা কৰি দিলে। অসম চৰকাৰে ইয়াৰ বাবে বিশেষ কৃতিত্ব দাবী কৰিব নোৱাৰে। ৰাইজে নাটকীয় পৰিবৰ্ত্তন বিচৰা নাই। প্ৰকৃত পৰিবৰ্ত্তনহে বিচাৰিছে। সেইকাৰণে অসম চৰকাৰক আহ্বান জনাইছো যাতে বিৰোধী দলৰ লোককো আশ্বাসত লয়। অসমৰ ক্ৰীড়াবিদ সাহিত্যিক আৰু নেতৃস্থানীয় বুদ্ধিজীৱিয়ে আহ্বান জনাইছিল আৰু সেইমতে ৰাষ্ট্ৰীয় ক্ৰীড়া সফল হৈ গ'ল। চৰকাৰৰ ফালৰ পৰা একো কৰা নাছিল। আমি কিন্তু বিৰোধী দলৰ সদস্য হিচাপে সকলো যোগাত্মক সহাঁৰি জনাম। অসমত স্থায়ী শান্তি আনিবলৈ আমাৰ ফালৰ পৰা আহ্বান জনাইছো। সমস্যাবিলাক আলোচনাৰ মাধ্যমত সমাধান কৰিব লাগে। অসমৰ জনসাধাৰণৰ মাজত সেই সচেতনতা আনিবলৈ চৰকাৰৰ ফালৰ পৰা পদক্ষেপ লোৱাৰ প্ৰয়োজন আছে। এইটো পঞ্জাৱৰ নিচিনা সমস্যা নহয়।

মাননীয় অধ্যক্ষ মহোদয়, যিসকল লোকে আলফাৰ কাৰ্য্যকলাপত অৰিহণা যোগাই আহিছে সেইসকল লোককো অনুৰোধ জনাইছো যাতে অসমৰ স্বাৰ্থৰ খাতিৰত, অসমৰ ৰাইজৰ স্বাৰ্থৰ খাতিৰত আলোচনাৰ পৰিবেশ ৰচনা কৰিবলৈ আগবাঢ়ি আহিব লাগে আৰু তাৰ বাবে চৰকাৰৰ ফালৰ পৰাও অনুকুল পৰিবেশ সৃষ্টি কৰিব লাগে। কাৰণ আলোচনা অৰিহনে অসমৰ সমস্যা সমাধান হ'ব নোৱাৰে। ১৯৯১ চনৰ পৰা ৯৬ চনলৈ আপোনালোকৰ চৰকাৰৰ দিনত আলফাৰ সমস্যা সমাধান কৰাৰ কাৰণে সুবিধা পাইছিল। সেই সময়ত আলফাৰ শীৰ্ষ নেতৃত্ব নিজে

আগৰাঢ়ি আহিছিল। তাৰ পিছত দিল্লীলৈ নি কি কৰিলে অসমৰ ৰাইজে গম নাপালে। তেওঁলোকক দিল্লীলৈ নি সোণৰ কলম প্ৰেজেন্ট দিলে আৰু আলোচনা সিমানতে ইতি পৰিল । আলফাই ডিমাণ্ড কৰি আছে যে তেওঁলোকৰ ৫ জন শীৰ্ষ কাৰাবন্দী নেতাক মুক্তি দিলে আলোচনাৰ বাবে আগৰাঢ়ি আহিব। মই চৰকাৰক অনুৰোধ জনাইছো, এই বন্দীকেইজনক মুক্তি দি চৰকাৰে আমাক বিশ্বাসত লৈ অসমৰ জনসাধাৰণক বিশ্বাসত লৈ আলোচনাৰ পৰিবেশ ৰচনা কৰি অসমৰ শান্তি ঘূৰাই আনিবলৈ মই এই পবিত্ৰ সদনৰ জড়িয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ৰাজ্যপালৰ ভাষণত নিবনুৱা সমস্যাৰ ক্ষেত্ৰত যিখন ছবি দিছে সেইখন সঁচা ছবি নহয়। আজি অসমত লাখ লাখ নিবনুৱা আছে, তেওঁলোকক অকল চাকৰি দি সমস্যাৰ সমাধান কৰিব নোৱাৰে। আপোনালোকৰ চৰকাৰে যিৰিলাক জ্যোতি আঁচনি লৈছিলে, সেই আঁচনিবিলাকো সফল হব পৰা নাই কাৰণ আপোনালোকে আঁচনিবিলাক লৈছে। কিন্তু এই আঁচনিবিলাক যিসকল বিষয়া-কৰ্মচাৰীয়ে ৰূপায়ণ কৰে, সেই বিষয়া-কৰ্মচাৰীসকলৰ হেমাহিৰ বাবে আঁচনিবিলাক সফল হোৱা নাই আৰু অসমৰ ৰাইজে তাৰ সুফল ভোগ কৰিবলৈ পোৱা নাই। ৰাজ্যপালৰ ভাষণত আপোনালোকৰ চৰকাৰে বিভিন্ন চৰকাৰী বিভাগবিলাকত সংস্কাৰৰ কথা কৈছে। বিশেষকৈ শিক্ষা বিভাগত সংস্কাৰ আনিবলৈ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে যথেষ্ট চেষ্টা কৰিছে, সেই চেষ্টা বিভাগীয় বিষয়া-কৰ্মচাৰীসকলৰ হেমাহিৰ বাবে সফল হব পৰা নাই। আজি হাজাৰ হাজাৰ অনুমোদিত শিক্ষকৰ চাকৰি ৰেগুলাৰ কৰাৰ পদক্ষেপত চৰকাৰ সফল হব পৰা নাই। যিকেইটা কৰিছে তাতো বিসংগতি আছে। আজি শোণিতপুৰ জিলাত শ শ শিক্ষক থকাৰ পিছতো

লক্ষীমপুৰ জিলাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ সমষ্টি বৰচলাৰ পৰা চম্পা দেৱী নামৰ শিক্ষয়িত্রী এগৰাকীক আনি শোণিতপুৰ জিলাত ৰেগুলাৰ কৰিছে, সেইদৰে সৰস্বতী দেৱী নামৰ অন্য জিলাৰ শিক্ষয়িত্রী এগৰাকীক শোণিতপুৰ জিলাত ৰেগুলাৰ কৰিছে, এইদৰে বেলেগ জিলাৰ মানুহ আনি শোণিতপুৰ জিলাত ৰেগুলাৰ কৰিছে। এই ক্ষেত্রত চৰকাৰে পদক্ষেপ লোৱা প্রয়োজন। মই আৰু এটা কথা দৃষ্টিগোচৰ কৰিছো যে হৰেণ শর্মা নামৰ শিক্ষক এজনে এতিয়াও বি.পি.এল. কার্ডৰ চাউল লৈ আছে। তেওঁৰ বি.পি.এল. কার্ডৰ নম্বৰ হ'ল ঃ ২৫৪৪৬৬, তেওঁ যোৱা ১০ ফেব্রুৱাৰীলৈকে বি.পি.এল.ৰ চাউল লৈ আছে।

★ ড° নজৰুল ইছলাম (যোগান মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সেই বি.পি.এল কার্ডখন ১৯৯৭ চনতে লোৱা।

শ্রীপদ্ম হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জানো সেইখন ১৯৯৭ চনতে লোৱা। প্রথমতে বি.পি.এল. চাউল সাত টকা, তাৰ পিছত তিনি টকা, তাৰ পিছত দুটকা হ'ল, কিন্তু শিক্ষক এজনে বি.পি.এল.ৰ চাউল এতিয়াও লৈ আছে। সেইটো আপোনালোকৰ চৰকাৰে চাব লাগে। প্রকৃত দুখীয়া মানুহে চাউল পোৱা নাই। তেওঁলোকৰ চাউল বেলেগে খাই আছে। এই বিষয়টো চোৱাৰ প্রয়োজন হৈছে আৰু এটা বিষয়, ই-গর্ভনেন্সৰ অধীনত অসমত ২১৯ টা চি. আই. চি. চেণ্টাৰ খোলা হৈছিল। তাত ৪৩৮ জন কর্মচাৰীক নিযুক্তি দিয়া হৈছিল। কেন্দ্রীয় চৰকাৰৰ লগত হোৱা এগ্রিমেন্টমতে এই চি. আই. চি. কেন্দ্র বিলাকৰ সময় আছিল ৫ বছৰ, এই ৫ বছৰৰ সময়সীমা ফেব্রুৱাৰী মাহত অন্ত পৰিব। এতিয়া এই ৪৩৮ জন কর্মচাৰীৰ চাকৰি অনিশ্চয়তা আহি পৰিছে। ৰাজ্য উদ্যোগ বিভাগে এই কর্মচাৰীসকলৰ বার্ডেন লব বিচৰা নাই। ৰাজ্য চৰকাৰে এই

★ Speech not corrected.

কর্মচাৰীসকলৰ বিষয়ে চিন্তা কৰা উচিত। ৰাজ্যপালৰ ভাষণত আমাৰ ক্ষুদ্র চাহ খেতিয়ক সকলৰ বিষয়ে কোনো উল্লেখ নাই। অসমত প্রায় ৫০ হাজাৰ ক্ষুদ্র চাহ খেতিয়ক আছে। এই সকলে চাকৰিৰ আশা নকৰি খেতি কৰি নিজৰ জীৱিকা-নির্বাহৰ বাবে আগবাঢ়ি আহিছে গতিকে চৰকাৰে তেওঁলোকৰ অভাৱ-অভিযোগবিলাকৰ বিষয়ে সহানুভূতিৰে চাব লাগে। এতিয়া টি-বোর্ডৰ পৰা ৪,০০০ কোটি টকা আহিছে। এই টকাখিনি ক্ষুদ্র চাহ খেতিয়কসকলে নাপায়। মেগৰ, টাটা আদি ডাঙৰ ডাঙৰ কোম্পানীবিলাকে লৈ যাব। কাৰণ ক্ষুদ্র চাহ খেতিয়কসকলৰ নামত এতিয়াও মাটিৰ পট্টন হোৱা নাই। চৰকাৰে এওঁলোকক মাটিৰ পট্টা দিয়াত যদি অসুবিধা আছে তেনেহ'লে তেওঁলোকৰ নামত মাটি লীজত দিয়ক। আমি স্বীকাৰ কৰিম যে আমি বিদেশী বিতাৰণৰ চেন্টিমেন্ট লৈ ক্ষমতালৈ আহিছিলো। কিন্তু আমি বিদেশী বিতাৰণ কৰিব নোৱাৰিলো। আনকি সীমান্তৰ বেৰাকেইখনো দিব নোৱাৰিলো। এতিয়া আপোনালোকে এইবিলাক কৰক, আমি আপোনালোকক আদৰণি জনাম। মই আৰু চৰকাৰক অনুৰোধ জনাব খুজিছো যাতে এন. আৰ. চি.ৰ বিষয়টো নিস্পত্তি কৰিব লাগে। এইটো নিস্পত্তি নোহোৱাৰ বাবে আমাৰ সমষ্টি 'ডিলিমিটেচন'ৰ কামত ব্যাঘাট জন্মিছে। আই. এম. ডি. টি. সম্পর্কে আপোনালোকে স্থিতি স্পষ্ট কৰক। মাননীয় চুপ্রিম কোর্টে যি ৰায় দিছে সেই ৰায়ৰ ভিত্তিত আপোনালোকে স্থিতি স্পষ্ট কৰক আৰু এটা কথা মই মাননীয় শিক্ষা মন্ত্রী মহোদয়ক অনুৰোধ জনাব খুজিছো যে- আমাৰ যিসকল অ'. বি. বি. শিক্ষক আছে, সেইসকলে বিনা দৰমহাৰে ঘৰৰ গালি খাই স্কুলত শিক্ষা দান কৰি আহিছে। গতিকে অ'.বি.বি. শিক্ষকসকলৰ এটা সু-ব্যৱস্থা কৰিব লাগে। উন্নয়নমূলক

কাম-কাজৰ ভিতৰত যেনেদৰে আগবাঢ়িব লাগিছিল, তেনেদৰে আগবঢ়া নাই। আমি ডিষ্ট্রিক্ট প্লেনিং বোর্ডৰ মিটিঙত বিভিন্ন আঁচনিবিলাক ঠিক কৰি দিছো আৰু তাৰ বাবে ফাণ্ড আদিও মুকলি কৰি দিছো। কিন্তু ইয়াৰ লগত জড়িত বিষয়া-কর্মচাৰীসকলে এই আঁচনিবিলাক সঠিকভাবে ৰূপায়ণ কৰা নাই। এই বিষয়ত চৰকাৰে চকু দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন বিভাগত উন্নয়নমূলক কাম-কাজবিলাক যিধৰণে আগবাঢ়িব লাগিছিল সেইধৰণে হোৱা নাই জিলাবিলাকত প্লেনিঙৰ মিটিং কৰিবলৈ দিয়া হৈছে, কিন্তু কর্মচাৰীসকলে জনকল্যাণৰ হেতু নিষ্ঠাৰে কাম কৰা নাই। শোণিতপুৰত লোৱা আঁচনি সম্পর্কত কওঁ তাত সফল হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, ইৰিগেশ্যনত হোৱা দুর্নীতি সম্পর্কত সৰৱ আলোচনা বা বিভিন্ন ধৰণে সমালোচনা হৈছে সেই ক্ষেত্রত মাননীয় মন্ত্রী মহোদয়ে সাহসেৰে মুখামুখি হ'ব লাগে। ৯ কোটি টকাৰ আধাতকৈও কমহে হৈছে। নিবিদা আৰু এচিচটেন্ট ইঞ্জীনিয়াৰ আদিৰ বিষয়ে আমাৰ ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত যিখিনি কথা উল্লেখ কৰিছে সেয়া হৈছে ৫,০০০ বিঘা মাটিত পানী পাইছে বুলি কৈছে। তাত দুর্নীতি হৈছে নে নাই আপুনি ক'ব নেকি?

★ **শ্রীনুৰজামাল চৰকাৰ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আঁচনিমতে কাম হৈ আছে।

★ **শ্রীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মেইন কথা হৈছে ফৰেষ্টৰ কেনেল ভাঙি পানী লৈ গৈছে। প্রজেক্টক বঞ্চিত কৰি বনাঞ্চল ধ্বংস কৰি ৫ ঠাইত মেইন কেনেল ফুটাই পানী লৈ গৈছে। জিলা উপায়ুক্তক জনোৱা হ'ল, মাননীয় মুখ্যমন্ত্রী মহোদয়ক জনোৱা হ'ল, ফটোকপি কৰা হ'ল।

★ Speech not corrected.

★ **শ্রীনুৰজামাল চৰকাৰ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো আমি গম পাই জিলা উপায়ুক্তক নির্দ্দেশ দিয়া হৈছে সেই ঠাইখিনি চাই আহিবৰ কাৰণে।

★ **শ্রীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক প্রজেক্ট দিয়া হৈছে তাৰ দুর্নীতি নির্মূল কৰিবৰ কাৰণে আপোনালোকৰ ছত্রছায়াতে লোৱা হৈছে। নহ'লে হাহাকাৰ হ'ব। শোণিতপুৰ জিলাৰ একাংশই পালে সকলোকে মাতি জিলা উপায়ুক্তই প্রেছ কনফাৰেন্স পাতিলে। পি.এ.চি. কমিটীয়ে ৰেকর্ড কল কৰিছে। এইবিলাক কথা গম পাই ফাইল জ্বলাই দিয়াৰ ষড়যন্ত্র কৰিছিল। টেণ্ডাৰকে আৰম্ভ কৰি নিশ্চয় পি. এ. চি. কমিটীত গোটেই কথাবিলাক ওলাই পৰিব। বাতৰি-কাকতত সময়ে সময়ে ওলাই আছে। এই দুর্নীতিগ্রস্ত কর্মচাৰীসকলৰ লগত কাৰোবাৰ ফ্রী হেণ্ড আছে নেকি?

মাননীয় অধ্যক্ষ মহোদয়, বৃদ্ধ পেঞ্চন, চোচিয়েল অঙ্গনবাদী সকলক এমাহৰ ভিতৰত লৰ লাগিব। ৰাজ্যপালৰ ভাষণত কিছুমান কথা নাটকীয়ভাৱে অৱগত কৰিছে। ৰাজ্যপালৰ ভাষণ বিৰোধীতা কৰি মই মোৰ বক্তব্য ইমানতে সামৰিছো।

মাননীয় অধ্যক্ষ ঃ এমেণ্ডমেন্ট আছে। মাননীয় সদস্য প্রফুল্ল কুমাৰ মহন্ত বা উদ্ধৱ বর্মন কোনোবা এজনে ক'ব পাৰে।

★ **Shri Prafulla Kumar Mahanta :** মাননীয় অধ্যক্ষ মহোদয়, ১৯৫৯ চনৰ ২৫ জানুৱাৰীৰ কথা। শ্বিলঙত যেতিয়া অসমৰ ৰাজধানী আছিল তেতিয়া ৰাজ্যপাল চৈয়দ ফজল আলী।

Quote "Saiyid Fazal Ali, Governor of Assam, told the State Assembly to-day that

★ Speech not corrected.

his Government was greatly concerned with the continuous trouble on the border and have taken necessary measures for the defence of Indian territory and the security of our nationals, in addition to extending relief to the victims of border firing wherever necessary."

The Governor who was opening the budget session of the Assam Assembly, referred to the continued aggressive activities by Pakistan and said that "the past year has been characterised by unprecedented violence and aggression by Pakistanis in several areas on the Assam-East Pakistan border."

He disclosed that the number of border incidents of all descriptions reported during 1958 was 171 as compared to 36 in 1957. The firing on the border took place from March to August, 1958 with intermittent fulls covering wide areas in the Cachar Sylhet border and also the areas near Dawki. The prolonged and

heavy firing cause a number of casualities among the civilian population, certain amount evacuation from threatened areas and wide spread dislocation to economic life of the border people. Government extended relief in all reserving cases including the evacuees from the village of Tukergram overrun by the Pakistanis in August 1958, the Governor added.

While disclosing that "three top ranking Naga hostiles returning from Pakistan were arrested by the police who had two successful encounters with the raiders in the North-Cachar Hills", the Governor said that the minor raids by Naga hostiles in the bordering areas of Sibsagar District and United Mikir and North Cachar Hills continued. "Unquote.

মাননীয় অধ্যক্ষ ডাঙৰীয়া, ১৯৫৮ চনৰ পৰা পৰিস্থিতি একে চলি আছে। যোৱা বছৰ আইন-শৃঙ্খলা পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰোতে ভাৰত, পাকিস্তান, বাংলাদেশৰ কথাটো ওলাইছিল বুলি কৈছে। এইবিলাক কথা ৰাজ্যপালৰ ভাষণত নাই।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, United Naga Ho. Ho. N.D.F.B., ULFA কেইবাটাও উগ্রপন্থী সংগঠনৰ লগত

যুদ্ধবিৰতি আলোচনা কৰা হৈছে। কিন্তু এটা কথা ভাল হৈছে তেখেত সকলৰ যিটো ডিমাণ্ড চিষ্টেম আছে সেইটোৱে সমস্যাৰ সৃষ্টি কৰিছে। চৰকাৰে বি. এল. টি.ৰ লগত আৰু আলফাৰ লগত আলোচনাৰে সমস্যা সমাধান কৰি অসমত শান্তি আনিব পাৰে।

এই কথাও ইয়াত প্ৰমাণিত হৈ গৈছে যে পি. চি. জি.ৰ মেম্বাৰ সকলৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। তেওঁলোকৰ লগত আলোচনা কৰাৰ কথাও ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। ২২ জুন তাৰিখে গৃহ মন্ত্ৰী পাটিল ডাঙৰীয়াই তেওঁলোকক এচিওৱেঞ্চ দিছিল। Consultation with the Government of Assam, we are going to release five detenues. সেইটো কি হ'ল আমি নাজানো। সেইটো বিষয়ে চৰকাৰে কব। তেওঁলোকে এচিওৱেঞ্চ দিও তেওঁলোকক আলোচনাৰ মেজলৈ আনিব পৰা নাই। মাননীয় মুখ্যমন্ত্ৰী গগৈ ডাঙৰীয়াই ৰাজ্যখনৰ স্বাৰ্থত পাঁচজন বন্দীক মুকলি কৰি দিয়া হব বুলি কৈছিল। ইলেক্চনৰ স্বাৰ্থত আলফাৰ লগত তেওঁলোকৰ বুজাবুজি হোৱাৰ কথা শুনিবলৈ পাইছো। কোনটো সঁচা, কোনটো মিছা সেইটো চৰকাৰে পৰিস্কাৰকৈ কোৱা উচিত। যদি সেইটো কাৰণে আলোচনা বন্ধ কৰা হৈছে তেতিয়াহ'লে সেইটো কব লাগে। কোনোবা এজন মাননীয় সদস্যই আঞ্চলিক দলৰ চৰকাৰৰ দিনত অমুক কৰিছে, তমুক কৰিছেবুলি কৈছে। আমি আমাৰ চৰকাৰৰ দিনত সৰ্ব্বদলীয় সভা পাতিছিলো। সেই সভাত আপোনালোকৰ দলৰ প্ৰতিনিধিও গৈছিল। তেতিয়া সেই সভাত সকলো প্ৰকাৰৰ প্ৰচেষ্টা চলাই হ'লেও আলফাক দমন কৰিব লাগে বুলি কৈছিল। এ. জি.পি. চৰকাৰৰ দিনত লোৱা ব্যৱস্থাৰ কাৰণেই তেখেতসকলে যোৱা

৫ বছৰ শান্তিৰে কটালে । ১৯৯৬ চনত আমাৰ চৰকাৰ গঠন কৰোতে আমি যি সমস্যাৰ সন্মুখীন হবলগীয়া হৈছিলো আজি আপোনালোকে সেই সমস্যাৰেই সন্মুখীন হবলগীয়া হৈছে। এই সদনতে আলফাক অনুৰোধ কৰি প্ৰস্তাৱ লোৱা হৈছিল যে ৰাষ্ট্ৰীয় গেম্‌চ শান্তিৰে পাতিব লাগে। কিন্তু যেতিয়া ৮৫ জন হিন্দীভাষী লোকক হত্যা কৰা হ'ল তেতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল মই তেখেত সকলক ফিনিছ কৰিম। আজি এটা ৰাষ্ট্ৰীয় গেম্‌চ পাতিবৰ কাৰণে আলফাৰ প্ৰতি দৃষ্টি ৰাখিবলগীয়া হৈছে। ৰাষ্ট্ৰীয় গেম্‌চৰ সফলতাৰ কাৰণে পৰেশ বৰুৱাইহে কৃতিত্বৰ দাবী কৰিব পাৰে। সেইকাৰণে কেন্দ্ৰীয় চৰকাৰেই হওঁক বা ৰাজ্য চৰকাৰেই আলফাৰ যিটো স্থিতি সেই স্থিতিৰ কথা পাহৰিব নেলাগে। বাংলাদেশৰ ইলেক্‌চনত আলফাই ৩০ কোটি টকা দিছে বুলি বাতৰি-কাকতত প্ৰকাশ পাইছে। আমি যদি প্ৰকৃততে শান্তি বিচাৰো তেতিয়াহ'লে শান্তিৰ পৰিবেশ এটা গঢ়ি তুলিব লাগিব। সেই পৰিবেশ গঢ়ি তোলাৰ কাৰণে এটা প্ৰস্তাৱ দিয়া হৈছে আৰু সেইপ্ৰস্তাৱটো সঠিকভাৱে লৈ তেওঁলোকক কনফিডেন্সলৈ আনি সেই সমস্যাটো সমাধান কৰাৰ কাৰণে চেষ্টা কৰিব লাগে। ১৯৫০ চনৰ আগলৈকে অসমৰ জনসাধাৰণৰ নেচনেল পাৰ কেপিটা ইনকাম আছিল ফাইভ পাৰচেণ্টৰ ওপৰত। কিন্তু আজিলৈকে তাৰ বিলো হৈ আছে। মই আপোনালোকক সমালোচনা কৰি এই কথাবিলাক কোৱা নাই। আমাৰ চৰকাৰৰ দিনতে নাইনটি পাৰচেণ্ট গ্ৰেণ্ট আৰু টেন পাৰচেণ্ট লোনৰ ব্যৱস্থা কৰা হৈছিল। আমাৰ চৰকাৰৰ দিনত বহুতকেইখন ব্ৰীজ বনোৱা হৈছিল। বগীবিল দলঙৰ কাম আমাৰ চৰকাৰৰ দিনতেই আৰম্ভ কৰা হৈছিল। ব্ৰড্‌গজ ৰেল লাইন, নুমলীগড় ৰিফাইনাৰী আদিৰ কামো

আমাৰ চৰকাৰৰ দিনতে আৰম্ভ কৰা হৈছিল। মুঠতে আমাৰ চৰকাৰৰ দিনত যথেষ্ট কাম কৰা হৈছিল। মই চমুকৈ কব বিচাৰিছো কাৰণ সময় যথেষ্ট কম। আমাৰ চৰকাৰৰ দিনত আমি সফলতা লাভ কৰিছিলো। অসমে ৩৮,৫০০ কোটি টকা পাইছে। এইটো গ্লোবেল চেঞ্জৰ কাৰণে হৈছে। এতিয়া এক কেজি পিয়াজৰ দাম ২৮ টকা হৈছে। বস্তুৰ মূল্য বাঢ়িগৈছে। গতিকে টেক্স কালেক্চন বেছিহৈছে। কিন্তু মাটিৰ ৰেভিনিউ কিমান কালেক্চন হৈছে এইটো পিক্চাৰ দাঙি ধৰিলে ভাল হয়। সকলোবিলাক ৰাজ্যৰে পইচা বঢ়াই দিছে। ইকোনোমিক পলিচী চেঞ্জ কৰাৰ কাৰণে অধিক পইচা খৰছ কৰিব বিচাৰিছে। ৰাজ্যপালৰ ভাষণত অসম চুক্তি ৰূপায়ণৰ বিষয়ে লিখিছে। মোৰ চৰকাৰখন অসম চুক্তি ৰূপায়ণৰ ক্ষেত্রত প্রতিশ্রুতিবদ্ধ। কিন্তু তাৰ কাৰণে আজি ৬ বছৰ অপেক্ষা কৰিবলগীয়া হৈছে। ইয়াত আৰু কৈছে মোৰ চৰকাৰখনে 'অসমীয়া জনসাধাৰণ'ৰ সংজ্ঞাটোক সামৰি অসম চুক্তিৰ ৬ দফা ৰূপায়ণ সম্পর্কীয় সকলোবোৰ বিষয় পৰীক্ষা কৰিবলৈ মন্ত্রীসকলৰ এখন কমিটী গঠন কৰিছে। জ্যোতি চিত্রবন ফিল্ম ষ্টুডিঅ'ৰ তৃতীয় পর্য্যায়ৰ আধুনিকীৰণৰ কাৰণে ইতিপূর্বে এটা প্রস্তাৱ ভাৰত চৰকাৰক দাখিল কৰা হৈছে আৰু ইয়াৰ ৰূপায়ণৰ কাৰণে প্রয়োজনীয় পুঁজিৰ বাবে অপেক্ষা কৰি থকা হৈছে। তাৰ কাৰণে আমি ৬ বছৰ অপেক্ষা কৰিবলগীয়া হৈছে। ৰাজ্যপালৰ ভাষণত আৰু এটা কথা কৈছে যে আন এক প্রস্তাৱযোগে ভাৰত চৰকাৰৰ ওচৰত ৰাজ্যখনৰ ২৫ টা ঐতিহাসিক স্মৃতিচিহ্নৰ ৰক্ষণাবেক্ষণ আৰু সংৰক্ষণৰ বাবেও পুঁজি বিচৰা হৈছে আৰু তাৰ অনুমোদনৰ বাবে অপেক্ষা কৰি থকা হৈছে। ইয়াত আৰু উল্লেখ কৰিছে যে মোৰ চৰকাৰে এচীয় উন্নয়নী বেংকৰ বিত্তীয়

সাহায্যৰে আচাম গৰ্ভনেন্স এণ্ড পাব্লিক ৰিচ'ৰচেজ মেনেজমেন্ট আঁচনিৰ অধীনত ৰাজ্যিক প্ৰতিষ্ঠান সমূহৰ সংস্কাৰ সাধনার্থে বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। ৯ টা ৰাজহুৱা প্ৰতিষ্ঠান বন্ধ কৰাৰ কাৰণে সিদ্ধান্ত লোৱা হৈছে। এইপ্ৰতিষ্ঠানসমূহ হ'ল — অসম ৰাজ্যিক ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগম পৰিসীমিত , ফাৰ্টিকেম লিমিটেড, অসম শক্তি চালিত তাঁতশাল উন্নয়ন নিগম লিমিটেড, আচাম স্পান চিল্ক মিল্চ লিমিটেড, আচাম কণ্ডাক্টৰচ্ এণ্ড টিউব লিমিটেড, অসম ৰাজ্যিক বয়ন আৰু প্ৰস্তুতকাৰী কোম্পানী লিমিটেড, ষ্টেটফেড, অসম ৰাজ্যিক নিৰ্মাণ নিগম লিমিটেড আৰু অসম কৃষি উদ্যোগ নিগম লিমিটেড। লগতে অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগমৰ সহযোগী জুইশলা কাৰখানা আৰু কাছাৰ টেক্সটাইল ইণ্ডাষ্ট্ৰীজ দুটাও বন্ধ কৰাৰ বাবে সিদ্ধান্ত লৈছে। বিগত বছৰত এই ৯ টা ৰাজহুৱা প্ৰতিষ্ঠান বন্ধ কৰাৰ বাবদ ১১৮.৮০ কোটি টকাৰ মঞ্জুৰী প্ৰদান কৰা হৈছে। গতিকে মই মোৰ ভাষণ চমুৱাব বিচাৰিছো। কেন্দ্ৰীয় বাজেট পাছ কৰাত পলম হোৱাৰ কাৰণে আমি আমাৰ চৰকাৰী কৰ্মচাৰীসকলক সময়মতে দৰমহা দিব পৰা নাছিলো। কেইদিনমান পলম হৈছিল। এম. অ'. ইউত তেওঁলোকে আগতে চাইন কৰিছিল। আমি লাষ্টতহে চাইন কৰিছিলো। আমি আমাৰ ৰাজ্যখনৰ কাৰণে এটা পথ দেখুৱাব লাগে। নিবনুৱা যুৱক-যুৱতীসকলৰ যিটো সমস্যা সেই সমস্যা সমাধানৰ কাৰণে আমাৰ চৰকাৰে প্ৰচেষ্টা হাতত লব লাগে। তাৰ মাজতো আশাৰ সঞ্চাৰ গঢ়ি উঠিব পাৰে যদি সন্ত্ৰাসবাদী সমস্যাটোৰ সমাধান হয়। এই সমস্যাটোৰ এটা যদি পজেটিভ সমাধান হয় তেতিয়াহ'লে আটাইতকৈ অসমৰ স্বাৰ্থৰ অনুকূল হ'ব আৰু আটাইতকৈ এটা ভাল কাম হ'ব। ৰাজ্যপালৰ এই ভাষণে অসমৰ ক্ষেত্ৰত উপযুক্ত পথ প্ৰদৰ্শন নিৰ্ণয়

কৰিব পৰা নাই বুলি অভিহিত কৰি মই মোৰ বক্তব্যৰ ইমানতে সামৰণি মাৰিলো।

শ্রীউদ্ধৱ বর্মন ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত সমালোচনা কৰি মই এটা কথা কব বিচাৰিছো যে নীতিৰ ক্ষেত্রত ৰাজ্যপালৰ ভাষণত স্পষ্টভাৱে একো ব্যাখ্যা কৰা হোৱা নাই। ৰাজ্যখনত অর্থসংকট চলি আছে, কিন্তু ইয়াত অর্থনৈতিক সংকটৰ কথা প্রতিফলিত কৰা হোৱা নাই। অসমত অর্থনৈতিক সংকটৰ সৃষ্টি হোৱাৰ কাৰণে ৰাজহুৱা উদ্যোগ প্রতিষ্ঠানবিলাক বন্ধ হৈছে অথবা হোৱাৰ উপক্রম হৈছে। হাজাৰ হাজাৰ বেচৰকাৰী কল-কাৰখানা বন্ধ হৈছে।

আজি অসমত হাজাৰ হাজাৰ নিবনুৱা আছে। তেওঁলোকক মকৰল কৰিব পৰা নাই। যদি আজি অসমত অর্থনৈতিক অৱস্থা যথেষ্ট ভালেই হৈছে তেনেহ'লে চৰকাৰে স্বীকৃতি দিয়া ভেঞ্চাৰ স্কুলবিলাকক কিয় চৰকাৰীকৰণ কৰিব পৰা নাই? আজি স্কুলৰ প্রয়োজনীয় শিক্ষক নিয়োগ কৰিব পৰা নাই। একোখন স্কুলত ছাত্র-ছাত্রীৰ সংখ্যা বহুত বেছি। প্রায় ৩০০-৪০০ ল'ৰা-ছোৱালী আছে, তাত কিন্তু এজন শিক্ষকেই চলাই আছে। আনহাতে চহৰ অঞ্চলত একোখন স্কুলত ৩৮ জন ল'ৰা-ছোৱালী, তাত ৭ জনতকৈও অধিক শিক্ষক আছে। এয়া কি ৰাজ্যৰ সাংঘাটিক অর্থনৈতিক অগ্রগতি হৈছে, তাৰ প্রতিফলননে? এইবিলাক বৈষম্য নহয়নে? আজি বিদ্যালয়সমূহত বহুত শিক্ষকৰ পদ খালী হৈ আছে। বিজ্ঞান, ইংৰাজী, অংকৰ শিক্ষক বিদ্যালয়সমূহত দিব পৰা নাই। এতিয়া সকলো ঠাইতে অৰাজকতা বিদ্যমান। ৰাজ্যপালৰ ভাষণত কিন্তু এই কথাবিলাক প্রকাশ পোৱা নাই। দ্রুতগতিত অর্থনৈতিক বিকাশ হোৱা বুলি কৈছে। অসমখনত অর্থনৈতিক বিকাশ হোৱা, শান্তি বিৰাজ কৰাত

কাৰো বিৰোধ নাই। অসমে দ্রুত উন্নয়নত মনোযোগ দিয়া দৰকাৰ। আইন-শৃঙ্খলাৰ ক্ষেত্রত উন্নতি হোৱা বুলি কৈছে, কিন্তু আজিও এক্সটৰচন, কিয়নো মহিলাৰ ওপৰত নির্য্যাতন, শিশু কন্যাৰ ওপৰত বলাৎকাৰ চলিয়ে আছে। উগ্রপন্থী সংগঠনসমূহে অস্ত্র সম্বৰণ কৰি কোব্রা ইউ. পি. ডি এচ , এন. ডি.এফ.বি. আলোচনাৰ মেজলৈ অহাতো ভাল কথা হৈছে। কিন্তু তেওঁলোকৰ লগত চুক্তি কৰামতে তেওঁলোকৰ ভৰণ-পোষণ বা চেল্‌ফ এমপ্লইমেন্টৰ কি ব্যৱস্থা লৈছে সেই সম্পর্কে ৰাজ্যপালৰ ভাষণত নীৰৱ। উগ্রপন্থী সমস্যাটো সমাধানৰ কাৰণে আলোচনাৰ বাহিৰে অন্য বিকল্প নাই। ভূটান অপাৰেচন ফ্লাচ আউটৰ পিছত আলফাৰ কোনো অস্তিত্ব নাই বুলি আলফাৰ কঁকাল ভাঙি গৈছে বুলি বহুতে কৈছিল। কিন্তু সন্ত্রাসবাদ গঢ়ি উঠাৰ পাছত তাক নির্মূল কৰা বৰ টান। যেনেকৈ দুবৰী গছ পাঁৰ চৰাইৰ বাহত বহুদিন শুকাই থাকিলেও পানী পালেই পুনৰ গজি উঠে। গতিকে ইয়াক অকল ৰাজনৈতিকভাৱে আলোচনাৰ মাজেৰে মীমাংসাৰ পৰিবেশ গঢ়ি তুলিব লাগিব। অর্থনৈতিক উন্নতিৰ বিভিন্ন কাম-কাজ চলাব লাগিব। চৰকাৰে আলফাই দুয়োই আলোচনাৰ কাৰণে কন্দিচন দিছে। কিন্তু চর্ত্তৰ বাবেই এতিয়ালৈকে কোনো আলোচনা-বিলোচনা হোৱা নাই। আলোচনা -বিলোচনাৰ কাৰণেই পূর্ব্বৰ চর্ত্তহীনভাৱে এটা প্রত্যক্ষ আলোচনা হোৱা দৰকাৰ আৰু সেইটো ৰাজনৈতিকভাবে সামৰিব লাগিব। সেইকাৰণে এই সমস্যাটো সমাধান কৰিবলৈ আলোচনাই উত্তম উপায়। তাৰ কাৰণে ৰাজনৈতিক পৰিবেশ সৃষ্টি কৰা দৰকাৰ। শ্রীপ্রফুল্ল মহন্ত চৰকাৰৰ দিনত আলফাৰ কাম-কাজ বাঢ়ি গৈছিল । এই উগ্রপন্থী সমস্যাটো সমাধান কৰিবলৈ তেখেতে সর্ব্বদলীয় সভাও পাতিছিল। এইটো অকল চৰকাৰৰে সমস্যা

নহয়, সকলোৰে সমস্যা। সেইকাৰণে দলমত নির্বিশেষে আগবাঢ়ি অহা দৰকাৰ নহ'লে সকলো কাম-কাজ স্থবিৰ হৈ যাব। অসমৰ আটাইতকৈ বেছি গুৰুত্বপূর্ণ কথা হৈছে কৃষি উন্নতি সাধন। চৰকাৰৰ হিচাবতে শতকৰা ৭৮ ভাগ লোক কৃষিৰ লগত জড়িত। কিন্তু কৃষি বিকাশৰ কাৰণে কি কৰিছে ? কেন্দ্রীয় চৰকাৰে কৃষি, চোচিয়েল ক্ষেত্রত স্বাস্থ্যত বেছি গুৰুত্ব দিছে। তাৰ কাৰণে বিভিন্ন আঁচনি লৈছে, পি. এম. জি. এচ. ওৱাই, এন. আৰ. এইটচ. এইবিলাক বহুত টকা-পইচা দিছে। অসমত ফল-মূলৰ খেতিৰ কাৰণে বহুত টকা দিছে, কিন্তু অসমৰ মানুহে কিমান ফল-মূল খায় ? আমাৰ মুখ্য খাদ্য হৈছে ভাত আৰু গম। এইবিলাকৰ উৎপাদন কমি গৈছে। আজি উন্নত বীজ যোগান দিব পৰা নাই। ৰাইজক সেই উৎপাদনো আশানুৰূপ হোৱা নাই। কৃষকসকলক কিমান লোন দিছে? স্বামী নাথন কমিশ্যন কৃষিৰ ক্ষেত্রত বহুতো পৰামর্শ আগবঢ়াইছিল। এই পৰামর্শ বিলাক আমাৰ অসমত কেনেকৈ প্রয়োগ কৰি আমাৰ উৎপাদন বৃদ্ধি কৰিব পাৰি সেইটোৰ বাবে যত্ন কৰা উচিত। ৰাজ্যপালৰ ভাষণত কিন্তু এইবিলাক কথা নাই। অসমৰ ক্ষেত্রত কৃষিৰ উৎপাদন বৃদ্ধি কৰাটো অতি গুৰুত্বপূর্ণ। এই ক্ষেত্রত স্বামী নাথন কমিশ্যনে বহুত পৰামর্শ আগবঢ়াইছে। গুৰুত্বপূর্ণ কথা হৈছে মাটিৰ মালিকনা অর্থাৎ মাটিহীনক মাটি দিয়া। কেন্দ্র চৰকাৰে সংসদত ফৰেষ্ট আইন নতুনকৈ প্রণয়ন কৰি দি মনমাস্তি আৰু পৰম্পৰাগতভাৱে ট্রেদিচনেলী বসবাস কৰি অহা মানুহবিলাকক পট্টা দিয়াৰ ব্যৱস্থা কৰক। কৃষকসকলৰ যিসকলৰ মাটি ভেঁটি আছে তেওঁলোকক বেংকৰ লোন দিয়াৰ ব্যৱস্থা কৰক যাতে কৃষিৰ বিকাশ হয়। সৰুপথাৰ অঞ্চলতে বাৰু আজি কিমান লোকক মাটি দিলে ? শদিয়া, ধেমাজী, কৰিমগঞ্জ আদিত আজিও কৃষকে

মাটিৰ পট্টা পোৱা নাই। এইবিলাক কথাৰ ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। এটা প্ৰকৃত নীতিৰে চৰকাৰ আগবাঢ়িব লাগিছিল কিন্তু ৰাজ্যপালৰ ভাষণত এইবিলাক কথা এবচেণ্ট। দূৰ্নীতিটো এটা কেঞ্চাৰৰ নিচিনা বিয়পি পৰিছে। সকলো ঠাইতে পাৰ্চেণ্টেজৰ ব্যৱস্থা আছে। দূৰ্নীতিক বাধা দিয়াৰ যি প্ৰচেষ্টা তাক আমি নেদেখিলো। আজি দূৰ্নীতি অপসংস্কৃতিয়ে নীতিত পৰিণত হৈছে আৰু ই আমাৰ সমাজ জীৱনক কলুষিত কৰি তুলিছে। প্ৰাথমিক স্তৰৰ শিক্ষাৰ উন্নত আৰু সম্প্ৰসাৰণ কৰিব লাগিব কৃষিৰ উন্নয়নৰ শিক্ষা উন্নয়নৰ ক্ষেত্ৰত থকা অৰাজকতা আদিৰ ক্ষেত্ৰতো যিটো দিশ দৰ্শন থাকিব লাগিছিল সেইটো ৰাজ্যপালৰ ভাষণত নাই। গতিকে ৰাজ্যপালৰ ভাষণত আমি একমত হব পৰা নাই। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

★ **শ্ৰীআব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত মাননীয় শ্ৰীশৰৎ বৰকটকী ডাঙৰীয়াই যি প্ৰস্তাৱ উত্থাপন কৰিছে সেই প্ৰস্তাৱক সমৰ্থন জনাই মই কেইটামান কথা কব বিচাৰিছো। আজিৰ এই সদনত দূৰ্নীতিৰ ওপৰত বহু কথাই কোৱা হ'ল। বিৰোধী দলৰ দলপতি গোস্বামী ডাঙৰীয়াই বাতৰি-কাকত জোকাৰি জোকাৰি এই ক্ষেত্ৰত বহু কথাই ক'লে। কিন্তু ১৯৯৬ চনৰ পৰা ২০০১ চনলৈকে যেতিয়া অ.গ.প.ৰ চৰকাৰ আছিল সেই সময়ৰ বাতৰি-কাকত আনি আমি যদি সদনত পঢ়িবলৈ যাওঁ তেতিয়াহ'লে গোস্বামী ডাঙৰীয়াই সেইখিনি খণ্ডন কৰাৰ সম্ভৱ নহ'ব। আনহাতে আজি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ বিৰুদ্ধে কোনো সাত-শতৰুৱেও কব নোৱাৰে যে দূৰ্নীতিৰ অভিযোগ উঠিছে। কিন্তু ২০০১ চনৰ স্বয়ং মুখ্যমন্ত্ৰীজনৰ বিৰুদ্ধে অভিযোগ আছিল, আজিও আছে আৰু আগলৈও থাকিব। আজি চি.বি.আইয়ে সেই সময়ৰ

★ Speech not corrected.

মুখ্যমন্ত্রীজনক দোষমুক্ত কৰা নাই। দুৰ্নীতিৰ কথা কবলৈ গ'লে এইবোৰ কথাও কব লাগিব। যোৱা ছয় বছৰত ৰাজ্যখনলৈ সঁচাকৈ নাটকীয় পৰিবৰ্ত্তন হৈছে। গ্ৰীক নাটকত ট্ৰেজিক দৃশ্যৰ দৰে অ.গ.প. চৰকাৰৰ দিনতে নাটকৰ সৃষ্টি হৈছিল ট্ৰেজিক, গ্ৰেভিটী সকলোৰেই আছে। তেখেতসকলে দুবাৰ শাসনত বহিছিল। কিন্তু তথাপিও আজি দিক্ নিৰ্ণয়ৰ সভা পাতিবলগা হৈছে। দুৰাৰকৈ আলোচনা কৰিবলগা হৈছে। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে আইন-শৃঙ্খলাৰ ক্ষেত্ৰত যোৱা ৬ বছৰত উল্লেখনীয় পৰিবৰ্ত্তন হৈছে। বিভিন্ন সন্ত্ৰাসবাদী সংগঠনৰ লগত আলোচনা হৈছে। মুখ্যমন্ত্ৰী মহোদয়, আলোচনাৰ মাজেৰে সংগ্ৰামী সংগঠন সকলৰ লোককো গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ মাজলৈ আনি আনকি শাসনৰ গাদীতো অধিষ্ঠিত কৰিছে। আলফাকো যদি তেনেধৰণে আলোচনাৰ প্ৰক্ৰিয়ালৈ আনিব পাৰিলে আমি আৰু অধিক সুখী হলোহেঁতেন। কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে বাৰে বাৰে কৈ আছে আলফা প্ৰত্যক্ষ আলোচনালৈ আহক। যিসকলৰ নিজৰে সংগঠনৰ লগত কোনো যোগাযোগ নাই তেওঁলোকৰ লগত আলোচনা কৰিবলৈ চৰকাৰ আগ্ৰহী নহয়। আমাৰ চৰকাৰ আলোচনাত বিশ্বাসী আৰু আলোচনাৰ মাজেৰেহে সমস্যাৰ সমাধান হব বুলি আমিও আশাবাদী। এই চৰকাৰে অতি সাহসেৰে আৰু সুদক্ষতাৰে ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিচালনা কৰিলে, কিন্তু তাৰ কাৰণে তেওঁলোকে চৰকাৰক কৃতিত্ব দিব নোখোজে।

★ **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ** অধ্যক্ষ মহোদয়, আগৰ মুখ্যমন্ত্ৰীজনক চি. বি. আইয়ে অনুসন্ধান কৰা বুলি মাননীয় সদস্যজনে উল্লেখ কৰিছে। কিন্তু এই চৰকাৰৰ বহুকেইজন হত্যাৰ গোচৰত অভিযুক্ত। সেইবিলাক কথা বাৰু নকওঁ। কিন্তু আগৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে কৰা কেছত পি. এল. আই.

★ Speech not corrected.

কৰোতে কেছ নাকচ কৰিছে। চি.বি.আইয়ো দোষমুক্ত কৰিছে,আকৌ এই কথাটো ইয়াত কেনেকৈ উল্লেখ কৰিলে ? যিগৰাকী সদস্যই এই কথাটো উল্লেখ কৰিছে তেওঁ সাংবাদিক হৈ থাকোতে ক'ত কিমান দুৰ্নীতি কৰিছিল সেইবিলাক মই এতিয়া ইয়াত কম নেকি ?

(ভইচ ঃ ছেম ছেম, বিৰাট হুলস্থূল, একো শুনা নাযায়)

★ **শ্ৰীআব্দুল খালেক** ঃ চি.বি.আইয়েটো চাৰ্জচীট দিয়া বুলি উল্লেখ কৰিছে।

★ **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ঃ চাৰ্জচীট দিয়া নাই কাৰণ হাই কোৰ্টেই লিগেল বুলি ক'লে কিয় মিছা কথা কয়। এইটো এক্সপাঞ্জ কৰিব লাগে ছাৰ।

(সদনত হুলস্থূল, একো শুনা নাই।)

★ **শ্ৰীআব্দুল খালেক** ঃ আজি নানান বাধা-বিঘিনি অতিক্ৰম কৰি আমাৰ চৰকাৰে যে ৰাষ্ট্ৰীয় ক্ৰীড়া সাফল্যমণ্ডিত কৰিলে সেই ক্ষেত্ৰতো বিৰোধী দলে আমাৰ চৰকাৰক কৃতিত্ব দিব নোখোজে। স্বয়ং সুৰেশ কালমাদী চাহাবে যি অলিম্পিক সন্থাৰ সভাপতি, তেওঁৰেই স্বীকাৰ কৰি গ'ল যে এই ক্ৰীড়াৰ আন্তঃগাঠনি অতি উন্নত আৰ্ন্তজাতিক পৰ্য্যায়ৰ হৈছে বুলি।

(উপাধ্যক্ষাই আসন গ্ৰহণ কৰে।)

(সদনত হাহাকাৰ, কাৰো কথা শুনা নাযায়।)

আজি ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত উল্লেখ কৰিছে যে গেছ ক্ৰেকাৰ আৰম্ভ হ'লেই বহুতো লোকৰ নিয়োগৰ সুবিধা হ'ব। এই কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা আছে। এইবোৰ ৰাজ্য চৰকাৰৰ কৃতিত্বৰ কথা নহয়নে ? এইবোৰ আমি স্বীকাৰ কৰিব পাৰিব লাগিব। আজি আঠটা বেটেলিয়ানৰ জড়িয়তে নিবনুৱা সমস্যাৰ ক্ষেত্ৰত বহুখিনিমানে অভাৱনীয় পৰিবৰ্ত্তন হৈছে। আজি পঞ্চায়ত নিৰ্বাচনত কথা ইয়াত উত্থাপন কৰিছে। ১৯৯৬-২০০১ চনলৈ যি চৰকাৰ আছিল

★ Speech not corrected.

সেই চৰকাৰৰ দিনত পঞ্চায়ত নিৰ্বাচন অনুস্থিত নকৰাৰ কাৰণে তেওঁলোকে কেন্দ্ৰৰ পৰ ধন আনিব পৰা নাছিল। কিন্তু কংগ্ৰেছ চৰকাৰে পঞ্চায়ত নিৰ্বাচন অনুস্থিত কৰি কেন্দ্ৰৰ পৰা গ্ৰামোন্নয়ণ শিতানত যথেষ্ট টকা আনিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত আমাৰ কংগ্ৰেছ চৰকাৰখনক ধন্যবাদ দিবই লাগিব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীভূপেন কুমাৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি অসমৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াই অসমৰ উন্নয়নত নাটকীয় পৰিবৰ্ত্তন আহিছে বুলি বক্তব্য ৰাখিছিল সেয়া মই সমৰ্থন কৰিছো। বিৰোধী দলপতি গোস্বামী ডাঙৰীয়াই বাতৰি-কাকতৰ শিৰোণামা পঢ়ি পঢ়ি কব বিচাৰিছে যে — নাটকীয় পৰিবৰ্ত্তন আমাৰ প্ৰকৃত পৰিবৰ্ত্তন নহয়। আচলতে তেখেতে নাটকীয় পৰিবৰ্ত্তনৰ সংজ্ঞাটোকে বিকৃত কৰিছে। মহামানৰ মহাত্মা গান্ধীৰ জীৱনযোৰা অহিংসা আন্দোলনৰ কাহিনীক যিদৰে নাটকৰ জড়িয়তে মাত্ৰ তিনি ঘন্টাৰ ভিতৰত গান্ধীৰ চিনেমা দেখুওৱা হৈছে ঠিক তেনেদৰে বিগত দিনত অসমৰ সকলো দিশতে স্থবিৰতা চানি ধৰাৰ পিছত কংগ্ৰেছ চৰকাৰখনে মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত এটা নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত উন্নয়নৰ নাটকীয় পৰিবৰ্ত্তন আনিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত মই এটা উদাহৰণ দিব বিচাৰো যে আমি স্কুলৰ ছাত্ৰ থাকোতে মোৰ ভালকৈ মনত আছে- এখন পঞ্চায়তৰ এজন সভাপতিয়ে পঞ্চায়তৰ উন্নতিৰ বাবে মাত্ৰ ৪০,০০০ (চল্লিশ) হাজাৰ টকা পাবলৈ সক্ষম হৈছিল। কিন্তু আজি মোৰ সমষ্টিত পুব-নাৰায়ণপুৰ বুলি পঞ্চায়তখনৰ সভাপতিয়ে বছৰটোত প্ৰথম কিস্তিতে উন্নয়নৰ বাবে ১(এক) কোটিতকৈও বেচি টকা পাবলৈ সক্ষম হৈছে। গতিকে ইয়াক

আমি নাটকীয় পৰিবৰ্ত্তন বুলি নকম নেকি অধ্যক্ষ মহোদয়? স্বাধীনতাৰ পৰৱৰ্ত্তী ৫০বছৰত অসমত তিনিখন মেডিকেল কলেজ স্থাপন হৈছিল। কিন্তু বিগত আমাৰ চৰকাৰৰ ৬টা বছৰত ৰৱপেটা, তেজপুৰ আৰু যোৰহাটত অন্য তিনিখন মেডিকেল কলেজ স্থাপন কৰায়ে কৰল নহয়, গুৱাহাটীৰ মেডিকেল কলেজ উন্নয়নৰ বাবে আজি ২শ (দুইশ) ১৯ কোটি টকা দিবলৈ সক্ষম হৈছে। এইটো নাটকীয় উন্নয়ন নহয় নেকি? এই নাটকীয় পৰিবৰ্ত্তনত আৰু অধিক দৃষ্টিনন্দন কৰিবৰ বাবে বিৰোধী দলৰ সদস্যসকলে পৰামৰ্শ দিব পাৰে। কিন্তু কেৱল সমালোচনাৰ খাতিৰতেই সমালোচনা কৰাটো উচিত নহয়। বৃন্দাবন গোস্বামী ডাঙৰীয়াই কৈছে যে যোৱা জানুৱাৰী মাহত দেৱজিৎ মৰাণকে আদি কৰি অসমত যি হত্যালীলা হ'ল এনেকুৱা কাহিনী অসমৰ মাটিত আগতে কেতিয়াও হোৱা নাছিল। মই গোস্বামী ডাঙৰীয়াক অসমৰ মাটিত আগতে হোৱা মিথিংগা দৈমাৰীৰ ১০ বছৰীয়া ভতিজাকক গুপ্তঘাটকে গুলিয়াই মৰা ঘটনাটো মনত পেলাই দিব বিচৰা নাই। কিন্তু এটা কথা কব বিচাৰিছো যে গোস্বামী ডাঙৰীয়াৰ শোণিতপুৰ জিলাৰ A.G.Pৰ সভাপতি অতুল শইকীয়াই তেওঁৰ পুত্ৰ জিন্টুক গুপ্ত ঘাটকে হত্যা কৰাৰ পাছত মৃত দেহটো বিচাৰি প্ৰফুল্ল মহন্ত আৰু গোস্বামী ডাঙৰীয়াক দিশপুৰত তিনিবাৰ লগ ধৰিছিল বুলি A.G.Pৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকত কান্দি কান্দি ভাষণ দিছিল। আপোনালোকে নিজৰ সতীৰ্থৰ পুত্ৰৰ মৃতদেহটো ঘূৰাই দিব নোৱাৰিলে।

★ **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, তেখেতে যিটো অভিযোগ আনিছে সেইটো সত্য নহয়।

★ Speech not corrected.

শ্রীভূপেন কুমাৰ বৰা ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ মুখ্যমন্ত্রী মহোদয়েও অসমৰ সামগ্রীক পৰিবৰ্ত্তনৰ কথা কৈছে। মোৰ সমষ্টিত বিহপুৰীয়াত নেহেৰু এম. ভি. স্কুল এখন আছে। সেইখনৰ অৱস্থা অতি শোচনীয় আছিল। যাৰ বাবে তাৰ প্রধান শিক্ষকজনে তেখেতৰ ঘৰতে স্কুলৰ পাঠদান কৰিছিল। কিন্তু কিছুদিন আগতে সৰ্ব্বশিক্ষা আঁচনিৰ ১০ লাখ টকাৰ এখন চেক দিয়া হৈছে আৰু স্কুলৰ ঘৰ নতুনকৈ সাজিছে। এইটো কি নাটকীয় পৰিবৰ্ত্তন নহয় নেকি ? অন্যহাতে আজি কিছুদিনৰ আগতে ত্রয়োদশ বিত্ত আয়োগৰ এখন সভাত প্রাক্তন মুখ্যসচিব ড° হৰেণ দাস ডাঙৰীয়াই কৈছিল যিখন সভাত বিধায়িকা অলকা বাইদেউ আৰু ড° লাংথাছা উপস্থিত আছিল যে- অসমৰ মূখ্য সচিবৰ আসন বাঢ়ি থাকোতেও মই কল্পনা কৰিব পৰা নাছিলো যে এটা এটা বিভাগৰ নামত অসমলৈ এনেদৰে হাজাৰ কোটি টকা আহিব। এই বক্তব্যই অসমৰ নাটকীয় পৰিবৰ্ত্তনৰ কথাকে বুজাইছে। কিন্তু আমি এতিয়াও কওঁ যে আমি আৰু বহু কৰিবলগীয়া আছে। আজি অসমৰ শিক্ষিতৰ হাৰ ৬৪% । এই ক্ষেত্রত অৰুণাচল অসমতৈ আগবাঢ়ি আছে। এই দিশটোত আমি নিশ্চয় গুৰুত্ব দিব লাগিব। ১৯৯১ চনত সেই সময়ৰ মুখ্যমন্ত্রী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই বিজ্ঞান স্নাতক সকলক এম. ই. স্কুলসমূহত নিযুক্তি দিছিল। ঠিক তেনেদৰে ইংৰাজী মাধ্যমৰ স্কুলবিলাকৰ লগত ফেৰ মাৰিবলৈ এম. ই. স্কুলবিলাকত একোজন ইংৰাজী অনার্চ গ্রেজুৱেট নিযুক্তি দিয়াৰ ব্যৱস্থা লব লাগে। মাননীয় উপাধ্যক্ষা মহোদয়া, আজি আমাৰ অসমত নেচনেল গেম্চ সুকলমে পাৰ হৈ যোৱাৰ বাবে আমাৰ মুখ্যমন্ত্রী আৰু আলফাক ধন্যবাদ দিব লাগে। কিন্তু বিৰোধী দলে সেইখিনি কৰা নাই। যদি নেচনেল গেম্চ অনুস্থিত নহ'লহেঁতেন তেতিয়াহ'লে বিৰোধী দলে

মুখ্যমন্ত্রীৰ পদত্যাগ দাবী কৰিলেহেঁতেন। কিন্তু নেচনেল গেম্চ সুকলমে পাৰ হৈ যোৱাৰ পিছতো বিৰোধী দলে এই চৰকাৰক ধন্যবাদ নজনালে। আজি দ্রুপদ ৰৰগোঁহাই ডাঙৰীয়াই যিখিনি কথা উত্থাপন কৰিছে তাৰ বাবে মই তেখেতক ধন্যবাদ দিছো। অকল বাতৰি-কাকতৰ শিৰোণামা দখলৰ বাবে বা সমালোচনাৰ খাতিৰত সমালোচনা কৰিলেই নহ'ব। আমাৰ ৰাজ্যখনক উন্নয়নৰ দিশে আগবঢ়াই নিয়াৰ বাবে বিৰোধী দলে গঠনমূলক দিহা-পৰামর্শ দিয়াত ব্যর্থ হৈছে। আজি গোস্বামী ডাঙৰীয়াই সতীসাধনী প্রকল্পৰ মাধৱদেৱ কলাক্ষেত্র, ভীমবৰ দেউৰী ক্ষেত্র, শৰৎ সিংহ ক্ষেত্রৰ বাবে চৰকাৰক ধন্যবাদ নজনালে। আমি ভাবিছিলো তেওঁ তেজপুৰৰ বাবে উষাৰ নামত প্রকল্পৰ স্থাপনৰ বাবে চৰকাৰক জোৰ দিব। জলসিঞ্চনৰ ক্ষেত্রত গোস্বামী ডাঙৰীয়াই কৈছে যে অসমৰ তুলনাত বিহাৰত জলসিঞ্চন আঁচনি বেছি। এই ক্ষেত্রত আমি কওঁ যে আমাৰ অসমৰ তুলনাত বিহাৰৰ মাটিকালিও বেছি। গতিকে তাত জলসিঞ্চনৰ আঁচনি বেছি হ্বই। কিন্তু আমি এইটো নকওঁ যে অসমত পর্য্যাপ্ত পৰিমাণে জলসিঞ্চন আঁচনি আছে। আমিও কওঁ যে জলসিঞ্চন আঁচনিৰ বাবে ধন বঢ়াব লাগে। আজি স্বাস্থ্য মন্ত্রী মহোদয়ে বিভাগটোক গতিশীল কৰাৰ বাবে যথেষ্ট ব্যৱস্থা লৈছে। তাৰ বাবে তেওঁ প্রশংসাৰ পাত্র।

মাননীয় শিক্ষা মন্ত্রী মহোদয়ে শিক্ষাৰ ক্ষেত্রত চাফাই অভিযান চলাইছে। সেই ক্ষেত্রত আমি তেখেতক ধন্যবাদ দিম। কিন্তু শিক্ষাৰ ক্ষেত্রত যি স্থিতাৱস্থা সেইটোও তেখেতে গুচাব লাগিব। আজি কিছুমান ডিচপেনচাৰী ডাক্তৰ নোহোৱাকৈ চলি আছে। সেইবিলাকত ডাক্তৰ নাযায় বুলি কোৱা হৈছে। তালৈ ডাক্তৰ যাবই লাগিব বুলি আইন প্রণয়ন কৰিলেই নহ'ব। তেওঁলোকৰ মটিভেচনৰ কৰিবৰ বাবে কাম কৰিব

লাগিব। কি কাৰণে ডাক্তৰ নাযায় সেইটো ভালকৈ চাব লাগিব। এইবিলাক কথা কিন্তু বিৰোধী সদস্যসকলে কোৱা নাই। সেইকাৰণে কৈছো আমি গঠনমূলক দৃষ্টিভংগীৰে আগবাঢ়িব লাগিব আৰু অধিক বেছি গতিশীল কৰিব লাগিব। তেখেতসকলে আলফাৰ বিষয়ে আজি কৈছে। আজি বিধানসভাত তেখেতসকলে যিখিনি কথা কৈছে সেইখিনি কথা বাহিৰতো কব লাগিব। তেখেতসকলে আজি কৈছে যে আলফাক ধন্যবাদ দিব লাগে নেচনেল গেম্চ সুকলমে যোৱাৰ কাৰণে। কিন্তু যেতিয়া মুখ্যমন্ত্রীয়ে কৈছিল তেতিয়া তেখেতসকলে এ.জি.পি.ৰ মুখ্য কার্য্যালয়ত বহি বিবৃতি দিছিল যে আমাৰ চৰকাৰৰ আলফাৰ লগত বুজাবুজি হৈছে। প্রকৃত অর্থত আজি আমাৰ উন্নয়নৰ দিশত গতিশীলতা আনি দিছে। আমাৰ মাননীয় মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বতহে। আজি ভাৰতৰ শ্রেষ্ঠ ৰাজ্যৰ ভিতৰত অসমো পৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। সেয়েহে মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত সমর্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীৰঞ্জিৎ দত্ত ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, যোৱাকালি আমাৰ মহামান্য ৰাজ্যপালে যি ভাষণ দিলে তাৰ ওপৰত কব বিচাৰিছো। এইটো সমালোচনা বুলি নকওঁ। কিছুমান ভুল তথ্যহে উদঙাই দিব বিচাৰিছো। বিৰোধী পক্ষই কিবা ক'লে আপোনালোকে সমালোচনা কৰা বুলি কয়। আপোনালোকে নাটকীয় পৰিবর্ত্তন হোৱা বুলি কৈছে। এইখন নাটকৰ যৱনিকা পৰিব কেগৰ ৰিপোর্টত। ইয়াত যিখিনি লিপিবদ্ধ কৰিছে তাৰ সম্পূর্ণ বিপৰীত কেগৰ ৰিপোর্টত আছে। আইন-শৃঙ্খলাৰ কথা কৈছো। সাধাৰণতে জানুৱাৰী মাহত পিকনিক খাবলৈ সকলোৱে যায়। কিন্তু ২০০৭ৰ জানুৱাৰীৰ মানুহৰ পিকনিকৰ স্পিৰিট নোহোৱা হৈছে।

পিকনিক খাবলৈ মানুহ নোযোৱা হৈছে। তাৰ এটাই প্ৰধান কাৰণ নতুন বছৰৰ আৰম্ভণিৰ লগে লগে তিনিচুকীয়া, ডিব্ৰুগড়, গুৱাহাটীত বিহাৰী লোকক হত্যা কৰা হৈছে। তিনিচুকীয়াত আমি দেখিবলৈ পাইছো যে যিসকল লোকক হত্যা কৰা হৈছে তেওঁলোকৰ পৰিয়ালৰ লোকে পুলিচৰ আশ্ৰয় বিচাৰি আহোতে পুলিচে কৈছে যে আপোনালোক বিহাৰী মানুহ, বিহাৰলৈ গুচি যাওঁক। মানুহে নিৰাপত্তা বিচাৰিছে। কিন্তু যি পুলিচে নিৰাপত্তা দিব লাগে সেই পুলিচেই কৈছে যে ৰেলেৰে বিহাৰলৈ ঘূৰি যাওঁক। ফাঁচীৰজাৰত যেতিয়া বোমা বিস্ফোৰণ হয়, তেতিয়া টি.ভি.ৰ সন্মুখত মাননীয় মুখ্যমন্ত্ৰী নিজেই স্বীকাৰ কৰিছে আইন-শৃঙ্খলাৰ অৱনতিৰ কথা। আমি যেতিয়া কৈছিলো যে উগ্ৰবাদী সংগঠনৰ লগত মৌলবাদী সংগঠনো জড়িত আছে তেতিয়া আপোনালোকে অস্বীকাৰ কৰিছিল। কিন্তু আজি সেই কথাটো আপোনালোকে স্বীকাৰ কৰিছে যে উগ্ৰবাদী সংগঠনৰ লগত মৌলবাদী সংগঠনো জড়িত আছে। উপাধ্যক্ষা মহোদয়া, অসমত আমি শান্তি বিচাৰো। উগ্ৰবাদী সংগঠনৰ লগত পোনপটীয়া আলোচনা বিচাৰো। আমি যদি ৫ জন কাৰাবন্দীক মুকলি কৰি দিলোহেঁতেন তেতিয়াহ'লে আলোচনা হ'লহেঁতেন। উন্নয়নৰ কথা কৈছো। অসমত উন্নয়ন নোহোৱা নহয়। পঞ্চায়তত আমূল পৰিবৰ্ত্তন হৈছে। ইমান পৰিবৰ্ত্তন হৈছে যে যিবিলাকৰ চাইকেল আছিল সেইবিলাকৰ মটৰ চাইকেল হৈছে। সেইবিলাক উন্নয়নহে হৈছে। পঞ্চায়তৰ জড়িয়তে এক শ্ৰেণীৰ মানুহৰহে উন্নতি হৈছে। সাধাৰণ মানুহৰ উন্নতি হোৱা নাই। স্বাস্থ্য বিভাগৰ কথা কৈছো যে হস্পিতাল, চাব-চেন্টাৰবিলাকত টকা দিছে। চাব-চেন্টাৰবিলাকত নার্চ থকাৰ কাৰণে ঘৰ বনাই দিছে। কিন্তু সেই ঘৰত নার্চ নাথাকে। নিজাকৈ থাকে,

চৰকাৰী ঘৰত থকাৰ কাৰণে বাধ্য কৰিব লাগে। স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে চাব-চেণ্টাৰ হস্পিতালবিলাকত ডাক্তৰ নাৰ্চ যাতে থাকে তাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, সৰ্ব্বশিক্ষাৰ কথা কোৱা হৈছে। আমাৰ যিবিলাক সৰ্ব্বশিক্ষাৰ অধীনত স্কুল আছে সেইবিলাকৰ ২ লাখ, ৪ লাখ, ৬ লাখকৈ গ্ৰাণ্ট পাইছে। যিখন স্কুলত ৩০০ ছাত্ৰ-ছাত্ৰী আছে তাত শিক্ষক মাত্ৰ দুজনহে আছে আৰু সেই স্কুলবিলাকত মিড দে মিল দিব লাগে বুলি কৈছে। গতিকে সেই দুজন শিক্ষকে মিড দে মিলৰ কাৰণে খৰি, কেৰাচিন আদি বিচাৰি যাব লাগে। শিক্ষাদান কৰিবলৈ সময় তেওঁলোকে ক'ত পাব? আপোনালোকে কৈছে যে পঞ্চায়ত নিৰ্বাচনৰ পিছত শিক্ষক নিযুক্তি দিয়া হ'ব। এইবাৰ ৫০ হাজাৰ নিযুক্তি দিব বুলি কৈছে। আপোনালোকে এই পৰম্পৰা সলনি কৰক। আপোনালোকে কৈছে এ.জি.পি.ৰ দিনত দৰমহা নোপোৱাৰ কাৰণে আত্মহত্যা কৰিছিল। কিন্তু আপোনালোকৰ দিনতে যোৰহাটত পঞ্চায়ত সচিবে ৩৭ মাহৰ দৰমহা নাপায় চিকিৎসা কৰিব নোৱাৰি আত্মহত্যা কৰিছে। আপোনালোকে ওপৰলৈ থু পেলাইছে, কিন্তু আপোনালোকৰ গাতো পৰিছে। আপোনালোকে পৰিবৰ্ত্তন আনক, আমি সহাঁৰি জনাম। বিৰোধী দলকো আপোনালোকে আস্থাত লওঁক, আমি সহযোগ কৰিম।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ জলসিঞ্চন বিভাগৰ মন্ত্ৰী ডাঙৰীয়া ইয়াত আছে। যিবিলাক ঠাইত খেতি কৰিব পৰা নাই খৰাং বতৰৰ বাবে সেই ঠাইবিলাকত জলসিঞ্চনৰ বাবে টকা বেছিকৈ দিব লাগে। মাননীয় সদস্য পদ্ম হাজকিদেৱে কৈছে যে ৪৭.৫০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে জলসিঞ্চনৰ বাবে মঞ্জুৰী দিছিল। যিটো কথা পি.এ.চি.ত

আলোচনা হৈছে। টেণ্ডাৰ নিদিয়াকৈ ভুৱা বিল লৈ গৈছে। ইঞ্জীনিয়াৰৰ ভাত ৰান্ধনীৰ নামত ১৬ লাখ টকা, এচ. অ' হিৰেণ শইকীয়াৰ নামত ৭ লাখ টকা, নিপোল এণ্টাৰপ্ৰাইজৰ নামত ১৬ লাখ টকা, আবিদুৰ ৰহমানৰ নামত ১৭ লাখ টকা ভুৱা বিল লৈছে। এইবিলাক তদন্ত হ'ব লাগে। কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা টকাবিলাকৰ সদ্ব্যৱহাৰ হ'ব লাগে।

★ **শ্ৰীনুৰজামাল চৰকাৰ (মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, এইবিলাক কথা বাতৰি-কাকতৰ পৰা কৈছে। আমি তদন্ত কৰিম।

শ্ৰীৰঞ্জিৎ দত্ত ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, বাতৰি কাগজৰ কথা নহয়,আমাৰ হাতত তথ্য আছে। আপোনালোকৰ বিভাগীয় প্ৰগ্ৰেছ ৰিপোৰ্ট মৰ্মে যিবিলাকত কাম হৈছে, তাত টকা পোৱা নাই, য'ত কাম হোৱা নাই তাত টকা পাইছে। এইখিনি আপোনালোকৰ ইঞ্জীনিয়াৰৰ তথ্য। কাম কৰা ঠিকাদাৰে টকা পোৱা নাই। নাম নোহোৱা কাম নকৰা ঠিকাদাৰে টকা পাইছে। কাৰণ ইঞ্জীনিয়াৰজনে কয় অসমৰ গোটেই জলসিঞ্চন বিভাগটো তেওঁৰ হাতত। তেওঁক আমি উপযুক্ত শাস্তি দিব লাগিব। গতিকে নাটকৰ যৱনিকা পেলাওঁক। আমি বিৰোধী পক্ষৰ বিধায়কসকলক বিশ্বাসত লওঁক, কাম কৰক আমি সহায় কৰিম। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Madam Deputy Speaker : Now, Shri Mahibul Haque, Hon'ble Member , will move.

★ **শ্ৰীমহিবুল হক ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য শৰৎ বৰকটকী ডাঙৰীয়াই যি প্ৰস্তাৱ দাঙি ধৰিছে, মই তাত সম্পূৰ্ণ সমৰ্থন জনাইছো আৰু এই সমৰ্থন মই যুক্তি দাঙি ধৰিব খুজিছো। যোৱাকালি মাননীয় ৰাজ্যপাল ডাঙৰীয়াই পাঠ কৰা আৰম্ভ কৰোতে তাত মই লক্ষ্য

★ Speech not corrected.

কৰিছো নাটকীয় পৰিবৰ্ত্তন আনিছে বুলি ক'লেই বিৰোধী পক্ষৰ সদস্যসকল জাঙুৰ খাই উঠে। মই ভাবো ইয়াতকৈও যদি চুপাৰ শব্দ আছে তাক প্ৰয়োগ কৰিব লাগে। একেটা কথাকে ৰিপিট কৰি আছে। অলপতে দত্ত ডাঙৰীয়াইও ক'লে আপোনালোকে কিমান ক'ব? যোৱা ৫ বছৰে কংগ্ৰেছ দলে নাটক কৰি ৰাইজৰ যি স্বীকৃতি পালে আৰু ৰাইজে পুনৰ ক্ষমতালৈ আনিলে। আজি বিৰোধী দলৰ দলপতি ডাঙৰীয়াই এটা ডাঙৰ কথা কৈছে। তেখেতৰ কথাৰ দম নাই।

কালি এন.ই.টি.ভি.ত কৈছে, বিৰোধী পক্ষৰ ভূমিকা তেখেত সকলে পালন কৰিবলৈ সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে। যেতিয়া বিধান সভাৰ অধিবেশন অনুষ্ঠিত হয়, তেতিয়া তেখেতসকলে অলপ চিঞৰ-বাখৰ কৰে, বাকী গোটেই বছৰৰ ভূমিকা একো নাই। সৰ্ব্বসাধাৰণ ৰাইজে সমালোচনা কৰিছে। মই ঐতিহাসিক কথা ক'ব খুজিছো, যেতিয়া পণ্ডিত জৱাহৰলাল নেহৰু ভাৰতৰ প্ৰধান মন্ত্ৰী হৈ আছিল, তেতিয়া তেখেতে কৈছিল যে যদি ষ্ট্ৰং বিৰোধী পক্ষ থাকে সেই চৰকাৰৰ কাম-কাজ ভাল হয়। এতিয়া মোৰ চিন্তা হৈছে, আমাৰ যি বিৰোধী পক্ষ আছে অতি দূৰ্বল, এইটো লৈ চৰকাৰ চিন্তিত হৈছে। বিৰোধী পক্ষৰ দলপতি মাননীয় বৃন্দাবন গোস্বামী ডাঙৰীয়াই যিখিনি কথা কৈছে, বাতৰি-কাকতত বিবৃতি দিছে। মোৰ বোধেৰে তেখেতৰ নিজৰ বিবেকৰে একো কোৱা নাই। কোনোবা সদস্যই পেপাৰ কাটিং কৰি ৰাখিছে আৰু সেইবোৰকে তেখেতে কৈছে। দলপতি হিচাপে তেখেতে এটা শব্দ নাই বা লাইনো নকলে। অসমৰ ভৱিষ্যৎ মুখ্যমন্ত্ৰী যিজন হব বুলি কৈছিল, তেখেতে আজি পেপাৰ কাটিঙৰ কথা কৈছে। বিৰোধী পক্ষৰ যি ভূমিকা তাকে নকৰি পেপাৰ কাটিঙৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। তেখেতে

জানে, ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত কবলগীয়া তেখেতৰ একো নাই। গোস্বামী ডাঙৰীয়াই আৰু এটা ডাঙৰ কথা কৈছে যে চৰকাৰ কোন দিশে গৈছে? তাৰ আগতে আপুনি চিন্তা কৰক, আপোনালোকৰ দল কোন দিশে গৈছে? আপোনালোকে দিশ বিচাৰি পোৱা নাই। উদেষ্ণা চিনেমা হ'লত মিটিং কৰিছিল, তাত বিৰোধী দল কোন দিশে যাব একো বিচাৰি নাপালে। তেখেতে আৰু এটা কথা কৈছে, ৰাজ্যপাল মহোদয়ৰ ভাষণ আঁচনিত বাহিৰে একো নহয়। এইটো আঁচৰিত কথা কৈছে, এখন ৰাজ্যত ডেভেলপমেন্ট হ'বলৈ হ'লে আঁচনি লাগিবই। তেখেতে পাৰফৰমেন্সৰ কথা কৈছে। সেইকাৰণে চৰকাৰক দায়িত্ব দিয়া হৈছে। যোৱা পাঁচ বছৰে কি কৰিলে, যোৱা এবছৰত কি কৰিলে, কি কি কৰিব সকলো কথা প্ৰতিফলিত হৈছে। নেচনেল গেম্চৰ ওপৰত সমালোচনা কৰিবলৈ গৈছে, ইয়াৰ ওপৰত আপোনালোকে সমালোচনা নকৰিব। যদি বেছি সমালোচনা কৰিবলৈ যায় আপোনালোকৰে বিপদ হ'ব। অসমৰ ৰাইজে আজি অনুভৱ কৰিছে যে তৰুণ গগৈ ডাঙৰীয়াই অসমত নেচনেল গেম্চ পাতি ভাল কৰিছে। ই অসমৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি থাকিব। অসমৰ বিভিন্ন সমস্যাৰ মাজতো নেচনেল গেম্চ অনুষ্ঠিত কৰা হৈছে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ মানুহে ভাবিছিল যে অসমৰ উগ্রপন্থী আছে, তালৈ খেল খেলিবলৈ গ'লে আমাৰ ল'ৰা-ছোৱালী ঘূৰি আহিবলৈ সক্ষম নহ'ব। অসম যুৱক, মানুহ মানে উগ্রপন্থী। অসমত সংস্কৃতি নাই, চিভিলাইজেচন নাই, মানুহে হাতত অস্ত্র লৈ মুকলি মনেৰে ঘূৰি ফুৰে। কিন্তু নেচনেল গেম্চ শেষ হোৱাৰ পিচত এই ভাবৰ পৰিবৰ্ত্তন কৰিলে। ৩৩তম্ ৰাষ্ট্রীয় ক্রীড়াত অসমে ৩৩ টা সোণৰ পদক, ৫৩টা ৰূপৰ পদক আৰু ৫৭টা ব্রঞ্জৰ পদক পাবৰ কাৰণে সক্ষম হৈছিল।

এইবাৰ অসম তৃতীয় স্থানত আছিল। এইটো এটা আমাৰ কাৰণে ক্রেডিট নহয়নে? এইটো অসমৰ সকলোৰে বাবে ক্রেডিট। সোণৰ পদক পোৱাসকলক তিনি লাখ, ৰূপৰ পদক পোৱা সকলক দুই লাখ আৰু বঞ্জৰ পদক পোৱাসকলক এক লাখকৈ দিবলৈ আঁচনি লোৱা হৈছে। অসমত ৰাষ্ট্রীয় ক্রীড়া সৰ্ব্বশ্রেষ্ঠ হোৱা বুলি ভাৰতৰ প্রধানমন্ত্রী ডাঙৰীয়াই উল্লেখ কৰিছে। অল ইণ্ডিয়া অলিম্পিক এছ'চিয়েশ্বনৰ প্রেচিডেন্ট মাননীয় সুৰেশ কালমাদী ডাঙৰীয়াই কৈছে অসমৰ নেচনেল গেম্চ ভাৰতবর্ষৰ ভিতৰত সৰ্ব্বশ্রেষ্ঠ হৈছে। নেচনেল গেম্চ সুকলমে হৈছে। অকল নেচনেল গেম্চে নহয়, অসমত এচিয়ান গেম্চ পতাৰ কাৰণে কৈছে। খোৱা-লোৱাৰ ক্ষেত্রত অলপ খেলি-মেলি হব পাৰে। তাত ১০ হাজাৰ পার্টিচিপেন্ট আছিল। এইটো ডাঙৰ কথা নহয়নে?

আমাৰ কাৰণে আৰু এটা গৌৰৱৰ কথা যে আন দলগতভাৱে জিকাসকলক এক লাখ, ৫০ হাজাৰ আৰু ২৫ হাজাৰ ক্রমে টকা দিয়াৰ ব্যৱস্থা লোৱা হৈছে। তাৰোপৰি সৰ্ব্বশ্রেষ্ঠ গেম্ ভিলেজ বুলি প্রধান মন্ত্রীয়ে মন্তব্য দিছে। এই গেম্ ভিলেজত আমাৰ আন আন এম.এল.এ. সকলো উপস্থিত আছিল। আন আন গেম্ ভিলেজ আৰু ষ্টেডিয়ামখন ভাৰতবর্ষৰ সৰ্ব্বশ্রেষ্ঠ বুলি কোৱাৰ লগতে অলিম্পিকৰ্ সভাপতিয়ে এচিয়ান গেম্চ পতাৰ কাৰণে প্রস্তাৱ দিছে। এই নেচনেল গেম্চৰ সময়ত খোৱা-বোৱা আৰু ট্রেন্সপোর্টেচনৰ যিখিনি খেলি-মেলি হৈছে সেইখিনি আমি অতি নগন্য বুলি ভাবো। এখন বিয়াতেই ২০০ মানুহ মাতিলেই কোনোবাই ভাত পাব, কোনোবাই আঞ্জা পাব তেনে হয়, ইয়াত ১০ হাজাৰ খেলুৰেয়ে যোগদান কৰিছে তাৰ ওপৰি আন সকলতো আছেই। গতিকে এইটো স্বাভাৱিক। এইবিলাক সমালোচনা কৰা কথা নহয়।

উপাধ্যক্ষা মহোদয়া, ইয়াত আইন-শৃঙ্খলাৰ কথা আছে। এখন ৰাজ্যত ডেভেলপমেণ্টৰ ক্ষেত্ৰত আইন-শৃঙ্খলা অটুত থকাটো অতি জৰুৰী কথা। ইয়াত আলফাৰ কথা কৈছে, উগ্রপন্থী ক'ত নাই, অকল অসমতে নহয় গোটেই বিশ্বজুৰি আছে। আমেৰিকাৰ নিচিনা ঠাইত বিল্ডিং উৰুৱাই দিলে। ইৰাকৰ গৰ্ভনৰক কিডনেপ কৰিলে। বাংলা দেশত পাঁচ-ছয় দিন আগতে ৪০/৫০টা বোমা বিস্ফোৰণ হ'ল। কাশ্মীৰত ঘটনা ঘটিয়েই আছে। গতিকে তুলনামূলকভাবে আমাৰ ইয়াত বহুত কম। নাই বুলিয়েই কব পাৰি। আজি আন আন দলবিলাকে যেনেকৈ আলোচনাৰ কাৰণে আগবাঢ়ি আহিছে আলফাও আলোচনাৰ কাৰণে আগবাঢ়ি আহিব। প্রধান মন্ত্রীয়ে কৈছে আমাৰ দুৱাৰ খোলা আছে। আলোচনা কৰিব পাৰে। বৰগোঁহাই ডাঙৰীয়া আৰু মহন্ত ডাঙৰীয়াই যেনেকৈ ৰাজনৈতিক আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান হ'ব লাগে বুলি কৈছে ঠিক তেনেকৈ আমিও বিচাৰিছো। আপোনালোকৰ দলে যেনেকৈ ঘৰৰ পৰা টানি নি হত্যা, গুপ্ত হত্যা কৰিছিল তেনেকৈ আচলতে দমন নহয়। মাত্র আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান হব বুলি মোৰ বিশ্বাস। পঞ্চায়ত নির্বাচনত সভাপতি, কাউন্সিলৰ, জিলা পৰিষদ আপোনালোকৰ আছে। আমি ডিচেন্ট্রেলাইজড কৰিছো। আমি ৬মাহৰ ভিতৰত পঞ্চায়ত ইলেক্চন পাতিছো। আপোনালোকে ইলেক্চন পাতিম পাতিমকৈ ৫ বছৰ উকলি গ'ল। কাম কৰা নাই, আমি ১ বছৰৰ ভিতৰত পঞ্চায়ত ইলেক্চন পাতিম বুলি পাতিছো। ইলেক্চন কৰি জিলা পৰিষদ, গাওঁ পঞ্চায়ত কৰি ৰাইজলৈ পাৱাৰ হস্তান্তৰ কৰিছো। তেওঁলোকে খৰছ কৰিছে। আপোনালোক এম. এল. এ., মন্ত্রীয়ে পইচা ভাগ-বতৰা কৰিছে। এতিয়া দোপত-দোপে উন্নতি হৈছে। পাটোৱাৰী চাহাবে বুকুত হাত দি

কব পাৰিব নে উন্নতি হোৱা নাই বুলি? এতিয়া গড়কাপ্তানী বিভাগৰ কথাকে কওঁ। আগতে এই বিভাগৰ ঠিকাদাৰসকলে আত্মহত্যা কৰিব লাগিছিল। জৰাজীর্ণ অৱস্থা আছিল। এতিয়া ১৫০০ খন দলং নতুনকৈ পতা হৈছে আৰু ১৮৯ খন দলং পকা কৰা হৈছে। এইবিলাক সকলো ৰাজ্যপালৰ ভাষণত লিখা আছে, আপোনালোকে পঢ়ি লব। এতিয়া নেচনেল হাইওৱেৰ কথাকে কওঁ। আমাৰ যিবিলাক কাম কৰা হয়, কেৱল যে কংগ্রেছএম. এল.এ.ৰ সমষ্টিতে কৰা হয় তেনে নহয়, সকলো সমানে হৈছে। আমাৰ চৰকাৰে ১০ লাখকৈ টকা দিছে। প্রত্যেক সমষ্টিত দিছে নে নাই কওঁক? পাটোৱাৰী ডাঙৰীয়াৰ হাইস্কুলত ৪ লাখ টকা পাইছেনে নাই কওঁক? তাৰোপৰি পি.ডব্লিউ.ডি.ৰ ডিপার্টমেন্টে সকলো ধৰণৰ ৰাস্তা-ঘাটৰ উন্নতি কৰিছে। আলোচনা কৰিব লাগে কাৰণে সমালোচনা কৰিব তেনে কথা নাই।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ চৰকাৰে স্বাস্থ্য বিভাগৰ উন্নয়নৰ বাবে বিভিন্ন কাম কৰিছে। বিভিন্ন গাওঁ অঞ্চলৰ বিভিন্ন চিকিৎসালয়বিলাক সুচাৰু ৰূপে চলাবৰ বাবে এ. এন. এম., জি. এন. এম. আদি নার্চ নিযুক্তি দি নিবনুৱা সমস্যা সমাধানৰ লগতে চিকিৎসা ব্যৱস্থা সুচাৰুৰূপে চলাবৰ বাবে ব্যৱস্থা লোৱা হৈছে। ইয়াৰ সুবিধা আমাৰ বিৰোধী দলৰ সদস্যসকলেও পাইছে। তেখেতসকলেও এ. এন. এম., জি. এন. এমত নিযুক্তিৰ বাবে তালিকা দিছে। সেইটো তেওঁলোকে অস্বীকাৰ কৰিব নোৱাৰে। আমাৰ চৰকাৰৰ ফালৰ পৰা বিভিন্ন গ্রাম্য চিকিৎসালয় বিলাকত এম্বুলেঞ্চৰ যোগান ধৰা হৈছে।

উপাধ্যক্ষা মহোদয়া, আমাৰ চৰকাৰে ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ আঁচনিৰ অধীনত বিজুলী যোগান ধৰা হৈছে। আমাৰ

চৰকাৰে এই আঁচনিৰ অধীনত অসমৰ সকলোবোৰ গাওঁতে বিজুলী যোগানৰ লক্ষ্য হাততে লৈছে। এইটো আপোনালোকে কেতিয়াও নুই কৰিব নোৱাৰে।

উপাধ্যক্ষা মহোদয়া, আমাৰ চৰকাৰে খাদ্য আৰু যোগান বিভাগৰ অধীনত ২০০১ চনৰ পৰা অন্নপূর্ণা আৰু অন্তোদয়া আঁচনিৰ অধীনত গাওঁৰ দুখীয়া লোকসকলক সুলভ মূল্যত চাউল যোগান ধৰি আহিছে। আমাৰ চৰকাৰে একোটা পৰিয়ালক ৩৫ কে.জি.কৈ ৩ টকা মূল্যত চাউল যোগান ধৰি আহিছে। এই আঁচনিৰ অধীনত এতিয়ালৈকে ৭ লাখ ৪ হাজাৰ পৰিয়াল সামৰি লৈছে।

উপাধ্যক্ষা মহোদয়া, আমাৰ চৰকাৰে যি কল্পতৰু আঁচনি লৈছে, সেই আঁচনিৰ অধীনত আমাৰ ৰাজ্যখনৰ নিবনুৱা সকলে সুবিধা লব পৰাৰ ব্যৱস্থা কৰা হৈছে।

আমাৰ চৰকাৰে যি বৃদ্ধ পেঞ্চনৰ আঁচনি লৈছে তাৰপৰা ৰাজ্যখনৰ হাজাৰ হাজাৰ লোক উপকৃত হৈছে। এই আঁচনিৰ সুবিধা বিৰোধী দলৰ সদস্যসকলে নাই পোৱা বুলি কব নোৱাৰে। আপোনালোকে আমাৰ চৰকাৰক সমালোচনা কৰক, কিন্তু ৰাজনৈতিক সমালোচনা নহয়, গঠনমূলক সমালোচনা কৰক। গঠনমূলক সমালোচনাৰ পৰাহে ৰাজ্যখনৰ উপকাৰ হব। মই আৰু বেছি নকওঁ। মোৰ সময়ো হৈছে। (ভইচ ঃ আপুনি চাহ জনজাতিৰ কথা নকলেই) মই চাহ জনজাতিৰ কথা আগতে বহুত বাৰ কৈ আহিছো। চাহ বাগিছাৰ বনুৱাসকলৰ সপক্ষে মই বিভিন্ন সময়ত মোৰ বক্তব্য ৰাখি আহিছো। মাননীয়া উপাধ্যক্ষা মহোদয়াই সময়ৰ সংকেত দিলেই। মই আৰু বেছি নকওঁ, আমাৰ মাননীয় ৰাজ্যপাল মহোদয়ে সদনত যিটো ভাষণ ৰাখিছে, এইটো সময়োপযোগী হৈছে।

আমি ইয়াক পূর্ণ সমর্থন কৰিছো আৰু বিৰোধী দলৰ সদস্যসকলকো ইয়াক ধন্যবাদ জনাবৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীকমলসিং নার্জাৰী ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য শৰৎ বৰকটকী ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত দিয়া বক্তব্যটো মই সমর্থন জনাইছো। আমাৰ অসমৰ আইন-শৃঙ্খলা সম্পর্কত আমাৰ বেছিভাগ মাননীয় সদস্যই আলোচনা কৰিছে। আইন-শৃঙ্খলা অৱনতি কেৱল অসমতে নহয়, গোটেই বিশ্বতে ঘটিছে। আইন-শৃঙ্খলা অৱনতি ঘটাৰ কাৰণ হৈছে উগ্রপন্থী সমস্যা আৰু আন্দোলন আদি। আমাৰ ৰাজ্যপাল ডাঙৰীয়াই যিখিনি বক্তব্য আগবঢ়াইছে তাৰ পৰা আমি জানিব পাৰিছো যে অসমৰ বর্ত্তমান পৰিস্থিতি বহুখিনি ভালৰ ফালে আহি আছে। অসমৰ আইন-শৃঙ্খলা যদি অৱনতি ঘটিছে তেন্তে তাক শাসক আৰু বিৰোধী দুই পক্ষই মিলি স্থায়ী সমাধানৰ বাবে যৌথ প্রচেষ্টাৰ ব্যৱস্থা কৰিব পাৰে, তেতিয়া বহুতৰে ভাল হব। সকলোৱে সু-দৃষ্টি ৰাখি বিবেক-বিবেচনাৰ মাজেদি আলফা আৰু এন. ডি. এফ. বি. আৰু অন্যান্য উগ্রপন্থী সমস্যাৰ বিষয়ে শাসকীয় আৰু অন্যান্য বিৰোধী দলে মিলি আলোচনা কৰি সমস্যাবিলাক সমাধান কৰিবৰ বাবে চেষ্টা কৰিব লাগে। আমাৰ যি শাসক দল আছে তেখেতসকলে বিৰোধী পক্ষৰ পৰাও সহায়-সহযোগ বিচাৰি আছে। তেখেতসকলেও নিশ্চয় বিশ্বাসত লৈ আছে। চৰকাৰী পক্ষই বিৰোধী পক্ষক পতিয়ন নিয়াবৰ বাবে তেওঁলোকক লৈ সমস্যা সমাধান কৰিবৰ বাবে এটা সর্ব্বদলীয় বৈঠক আহ্বান কৰাৰ বাবে চেষ্টা কৰিব পাৰে। এইকাৰণেই সকলো মাননীয় সদস্যক অনুৰোধ কৰিছো। আমাৰ অসমৰ শান্তি, সম্প্রীতি, প্রগতি আৰু

আইন-শৃঙ্খলা অৱনতি হ'লে আমি উন্নতি কৰিব নোৱাৰো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, মহামান্য ৰাজ্যপালে অসমৰ ভাগ্য নাটকীয়ভাবে উন্নতি হোৱা বুলি কৈছে। এই কথা কবলৈ হ'লে যোৱা ৬টা বছৰৰ কথা উল্লেখ কৰিব লাগিব। অতীতৰ পৰা আমি শিক্ষা লব লাগে। অতীতক আমি সমালোচনাৰ মনোভাবেৰ শিক্ষা লোৱাৰ মনোভাবেৰে ললে ভৱিষ্যতে যাতে আৰু বেছি ভাল হয় তাৰ কাৰণে আমি চেষ্টা কৰিব লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, বি. এল. টি., অসম চৰকাৰ আৰু কেন্দ্রীয় চৰকাৰৰ মাজত হোৱা বি.টি.চি. চুক্তি ২০০৪ চনত হোৱা বুলি উল্লেখ কৰা হৈছে। আচলতে চুক্তিখন ২০০৪ চনত হোৱা নাছিল। ২০০৩ চনতহে হৈছিল। এইটো শুধৰণি কৰিবৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, ২০০৫ চনৰ চেপ্তেম্বৰ মাহত পি.চি.জি. গঠন হৈছিল। তেখেতসকলে বিভিন্ন সময়ত আলোচনা কৰিবৰ কাৰণে আগবাঢ়ি আহিছে। এই আলোচনা চৰকাৰে কন্টিনিউৱাচ ৰক্ষা কৰি চলে তাৰ কাৰণে মই অনুৰোধ কৰিছো। লগতে মই এই কথাও কব বিচাৰিছো আমাৰ বহুতো জনজাতি লোক ফৰেষ্ট এৰিয়াত বহুতদিন ধৰি বসবাস কৰি আছে। তেওঁলোকে ভুমি পট্টন পোৱা নাই। ১৯৮০ চনৰ পৰা যিসকল জনজাতি লোকে বসবাস কৰি আছে তেওঁলোকক ভূমি পট্টন দিলে ভাল হয়, তাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। মাননীয় উপাধ্যক্ষা মহোদয়া, বি.টি.চি.ৰ বাবে ধার্য্য হোৱা এলকেচনৰ ধন আজিও মোকলাই দিয়া হোৱা নাই বুলি কৈছে। সঁচাকৈ যদি দিয়া হোৱা নাই তেনেহ'লে অতি সোনকালে টকাখিনি

মোকলাই দিব লাগে। তেতিয়াহে দ্রুত গতিত উন্নতি হব। টকাখিনি পালে উন্নতি হব বুলি আমি আশা কৰিছো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, পাৱাৰ চেক্টৰৰ কথা কব বিচাৰিছো, কাৰ্বি-লাংপিত পাৱাৰ প্ৰজেক্টৰ কাম কৰিছে। তাৰ পৰা যিখিনি পাৱাৰ উৎপাদন হয় সেইখিনি যথেষ্ট নহয়। ইলেক্ট্ৰিক পাৱাৰৰ ক্ষেত্ৰত স্বাৱলম্বী হবলৈ হ'লে হাইদ্ৰ ইলেক্ট্ৰিচিটিৰ ব্যৱস্থা যদি আমি আকৌ কৰিব পাৰো তাৰ ব্যৱস্থা লবৰ বাবে আমি সদনৰ মজিয়াত আলোচনা কৰা হৈছে। আমাৰ অসমত বহুতো নদী আছে সেই নদীবিলাকৰ পৰা পাৱাৰ আহৰণ কৰা ব্যৱস্থা কৰিব পাৰিলে ভাল হয়। চেন্নাই বা হাইদৰাবাদত থকা নদীৰ পৰা বিজুলী শক্তি উৎপাদন কৰি ৰাইজৰ অভাৱ পূৰণ কৰিছে। অসম বিধান সভাত যিসকল বিৰোধী দলৰ সদস্য আৰু শাসক দলৰ সদস্য আছে তেখেতসকলে অসমৰ উন্নতি সাধনাৰ্থে আগবাঢ়ি আহে যেন। চৰকাৰী পক্ষ আৰু বিৰোধী দলক অনুৰোধ কৰিছো আমাৰ মাননীয় সদস্য শৰৎ বৰকটকী ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়াইছে সেই প্ৰস্তাৱটো মই সমৰ্থন জনাই ইমানতে মোৰ বক্তব্য সামৰণি মাৰিছো।

Shri Anwarul Haque : Respected Madam, today I beg to speak on Hon'ble Governor's address delivered yesterday. So long I was hearing deliberations of the Treasury Bench as well as from the opposition but my views stands on different footing as big. Neither I can accept it nor I can

reject. If as regards National Games my personal view is that the Hon'ble Chief Minister and his team of ministers deserves thanks for successfully conducting the National Games. It was really a gygantic task in holding such a game. May be there are some loopholes. But in totality, Assam has acquired name and fame in National lives. Madam, at page 2 of the address given by Hon'ble Governor, he has mentioned about the Prime innovative scheme like Kalpataru, Ananda Ram Baruah Award. We have our own experience about the Kalpataru Scheme. It has not delivered good earlier. Now Government of Assam has formulated a new proposal. Under the Kalpataru Scheme a sum of Rs. 25,000/- will be deposited for the beneficiaries to the bank and bank will provide Rs. 75,000/- as loan. But so far my information goes, there is no RBI directives. Unless there is RBI direction to the bank, concerned bank will not grant

& provide any loan. Many unemployed youth intended to avail loan under PMRY, but bank did not co-operate with them so all these schemes went in vain. Now, unless there is some RBI direction to the bank, bank will not provide any loan to Kalpataru beneficiaries coming to Ananda Ram Baruah Award, those who have successfully passed HSLC examination in 1st Division the award's given to them. Here also one thing we should not lose sight of. About 90% of our population live in villages from where boys and girls successfully passed in 1st division. But while there is no electricity, there can not be of any use of computer. Unless electricity is provided, these awards will remain an empty formality. Again in Madrassa final examination in which boys and girls passed in 1st division have not been provided with computer under this scheme. Madrassa Final examination is equivalent to HSLC examination. It is also conducted

by Board. Madam, I draw the attention of the Government to cover the case of Madrassa students within an ambit of Ananda Ram Baruah award. Now it has been said that 5 years LL.B. course will be started. Other States like Karnataka, Kerala, West Bengal etc. these States have been already started 5 years Integrated Law Course long back and we are proposing to start Integrated Law Course only in one college. Definitely it is a very marvellous unique law course. So as soon as possible instead of one law college we should go for all colleges and implement 5 years Integrated Law Courses in the State as a whole. Madam, In primary education scenerio the student teacher ratio is not mainained. Madam, in one school I find there are 250 students but there is only one teacher. Unless and untill student-teacher ratio is not maintained only appointing teachers and constructing school buildings and developing other infrastructural facilities can

we except better education. So, primary responsibility of the education department right now is to maintain student-teacher ratio. Otherwise the whole education system will be collapsed.

Public Health Department to provide drinking water facilities in the villages. Another point Madam, I will like to highlight, it relates to Food and Civil Supply Department. We all know under the Consumer Protection Act there are District Level Consumer Protection Forum and State Consumer Forum at State Level. The State of affairs is that out of 23 Districts I am sure and like say that there are only four Consumer Forums functioning properly in the State. In my own District for a long time vacancies have occured in the forum. It has not been filled up and it has become non-functional. Madam, I would like to draw your attention that one member of Karimganj District Forum Mrs. Rina Choudhury who had worked as

member of District Forum of Karimganj for quite a long time but her honourarium has been paid yet stop. She is ill now and requires medical treatment. I would like to draw your attention to the fact of poor economic condition of Mrs. Choudhury and I would request Hon'ble Minister Food and Civil Supplies to arrange payment to this poor lady member. I would like to point out about the relief and rehabilitation to the inmate of the Relief Camp. There was a question of relief camps of Bongaigaon and Kokrajhar District. The inmates of the camps are been deprived of the basic necessaries like school facilities to children of the those camps. Now, I am coming to the Indo-Bangladesh boundary fencing. The gates are being closed at 5 P.M. by the B.S.F. that caused serious problem to the people who have fallen within the boundary fencing till the morning of the following day, such people are put to insurmontable difficulties. Rehabilitation measures should be

taken up for those population. So this problem should be taken into consideration.

(Madam Deputy Speaker vacated the Chair and Mr. Speaker occupied the Chair.)

Mr. Speaker : Now, Hon'ble Member, Shri Jagat Sing Ingti.

★ শ্রীজগৎ সিং ইংটি ঃ মই কেইটামান কথা কব খুজিছো। চৰকাৰে ড্রামাটিক চেঞ্জ হোৱা বুলি কৈছে। মই যিটো সমষ্টিৰ পৰা আহিছো সেই সমষ্টিত কিন্তু একো চেঞ্জ হোৱা নাই। গুৱাহাটীত নেচনেল গেম্চ পাতিছে, স্পোর্ট কমপ্লেক্স হৈছে। গুৱাহাটীৰ ৰাস্তা ভাল হৈছে, কিন্তু কার্বি-আংলঙত যোৱা ৬ বছৰে চৰকাৰৰ ফালৰ পৰা একো কৰা হোৱা নাই। অসম বুলি ক'লে হিলচ্ও এটা অংশ। যিবিলাক কাম-কাজ হৈছে, ডাঙৰ ডাঙৰ স্কিম হৈছে, হিলচ্ সদায় বাদ পৰি যায়। যিটো পলিটেক্নিক হৈছে আজি ১৫ বছৰে সম্পূর্ণ কৰিব লাগিছিল যদিও হোৱা নাই। তাত গভর্ণমেন্ট কলেজখনৰ বাহিৰে আন একো নাই। তাত ফায়াৰ ব্রিগেড অকল বোকাজানতহে আছে। বোকাজানে নোৱাৰিলে ডিমাপুৰত ডিমাণ্ড কৰিবলগীয়া হয়। তাত জুই লাগি মার্কেট পুৰিলে, গোটেই গাওঁ জ্বলি গ'ল। কিন্তু ফায়াৰ ব্রিগেড নাপালে। ডিফুত ইউনিভাৰচিটিৰ কেম্পাছ দিয়ক বুলি কৈ অহা হৈছে; কিন্তু নিদিলে। সেইকাৰণে কব বিচাৰিছো যে গুৱাহাটীত ড্রামাটিকভাবে চেঞ্জ হৈছে, গোটেই অসমৰ কথা ক'লে নহব। ল এণ্ড অর্ডাৰৰ কথা কোৱা হৈছে, কিন্তু হিলচ্ত কিডনেপিং হৈ আছে।

আইন-শৃঙ্খলা উন্নতি হৈছে বুলি কৈছে, কিন্তু ক'ত হৈছে? আজি পাহাৰ অঞ্চলত কি নাই? সন্ত্রাসবাদী নাই, এন. এচ. চি. এন., আলফা,

★ Speech not corrected.

এন. ডি. এফ. বি., কোব্রা মিলিটেন্ট, ইউ. পি. ডি. এচ., এন. এল. এফ. টি. সকলো আছে। গতিকে গোটেই পৰিস্থিতি গৰম হৈ থাকে। সন্ত্রাসবাদ চলিয়েই থাকে, গতিকে আইন-শৃঙ্খলা উন্নতি হৈছে বুলি ক'লেই মানি লব নোৱাৰো। সেইকাৰণে মই বিৰোধ কৰিছো। গতিকে শান্তি আহিছে, উন্নতি হৈছে বুলি ক'লেই নহব। মই এটা কথা ক'ব বিচাৰিছো দুৰ্নীতি। আগতকৈ বহুত বেছি হৈছে, কাৰ্বি-আংলঙত আৰু বেছি ইয়াৰ অকণো চেঞ্জ আনিব পৰা নাই। বৰং দুৰ্নীতিৰ ডিগ্রী লেভেলটো বেছিহে হৈছে। আজি আপোনালোকৰ এৰিয়াবিলাকত পঞ্চায়ত আঁচনিবিলাকৰ কাৰণে জি. বি. আছে, পাহাৰত নাই। মোৰ সমষ্টিটো কেইখনমান গাওঁ পৰে, ময়ো জি.বি.ৰ সদস্য, কিন্তু আজিলৈ মোক এখন মিটিঙতো মতা নাই। ইচ্ছা কৰিয়েই হয়তো নামাতে। ৰাজ্যপালৰ ভাষণত আই. টি. আইবিলাকৰ উন্নতি কৰা কথা কৈছে। কিন্তু আমাৰ ডিফুত এখনে আই. টি. আই., সেইখনৰে উন্নতি আজিলৈ নহ'ল। আই. টি. আইখনৰ অৱস্থা দেখিলে দুখ লাগে। এইবিলাক কথা কৈ লাভ নাই। আগতেও কৈছো, কিন্তু একো নকৰে। অকল ক'ব লাগে কাৰণে কৈ থকা হৈছে।

গতিকে মই সংশোধনী প্রস্তাৱৰ বিৰোধীতা কৰিলো।

Mr. Speaker : Now, Mr. Bhuban Chandra Pegu.

★ **শ্রীভুৱন চন্দ্র পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্রস্তাৱ আনিছে মই এজন নির্দ্দলীয় সদস্য, তাক সমর্থন জনাইছো। নির্বাচনৰ পাছত আমি এই চৰকাৰলৈ আস্থা প্রকাশ কৰিছিলো আৰু অতি কম সময়ৰ ভিতৰত আমাৰ সেই আস্থা বাস্তৱত ৰূপায়িত কৰিছে। এই কম সময়ৰ ভিতৰত আমাৰ সেই আস্থা

★ Speech not corrected.

